


জ্যোতি প্রকাশন

পানবজার : গুয়াহাটী-১

DIRECTOR, LIBRARY SERVICES
ASSAM GUWAHATI

# অৰ্দ্ধ আকাশ

যোৰহাট লেখিকা সন্থাৰ নিৰ্বাচিত গল্পৰ সংকলন

জ্যোতি প্ৰকাশন
যশোৱন্ত ৰ'ড : পানবজাৰ
গুৱাহাটী-৭৮১০০১

: *ARDHA AKASH* :

*A collection of short stories written & edited by Jorhat, Lekhika Santha and published by Smti. Ila sarmah, M/s. Jyoty Prakashan, Guwahati-781001.*

*PRICE : RUPEES TWENTY FIVE ONLY*

॥ অৰ্ধ আকাশ ॥

॥ গল্প সংকলন ॥

॥ যোৰহাট লেখিকা সন্থা ॥

॥ প্ৰকাশক / শ্ৰীমতী ইলা শৰ্মা ॥

॥ জ্যোতি প্ৰকাশন / গুৱাহাটী-১ ॥

॥ প্ৰথম প্ৰকাশ / শিৱৰাত্ৰি ১৯০৯ শক ॥

॥ ১৬ ফেব্ৰুৱাৰী, ১৯৮৮ ॥

॥ বেটুপাতৰ ছবি ॥

॥ শ্ৰীত্ৰৈলোক্য দত্ত / গুৱাহাটী ১ ॥

॥ ছপা / শ্ৰীসুনীল কুমাৰ নন্দী / শাৰদ্বু প্ৰিণ্টাৰ্ছ / কলিকতা-৬ ॥

॥ বন্ধা / শ্ৰীপ্ৰেম বেনাৰ্জী / কামাখ্যা বাইণ্ডিং ওৱাৰ্কছ / কলিকতা-৯ ॥

॥ মূল্য : পঁচিশ টকা মাথোঁন ॥

অসমীয়া সাহিত্যলৈ অন্ততঃ কিছু লেখিকাই অতীতৰপৰাই বৰঙণি যোগাই আহিছে। তাৰে বহু লেখিকাই বহু অৱহেলা, বাধা-বেদনাৰ মাজেৰে কেৱল নিজৰ প্ৰাণশিখাৰ প্ৰেৰণাতে বাণীৰ অৰ্ঘ সজাইছিল। সেই সকলৰ বেছি সংখ্যকেই বিস্মৃতিৰ গৰ্ভত হেৰাই গ'ল। আন আন ক্ষেত্ৰৰ দৰে আজি সাহিত্য জগতৰো একছত্ৰী অধিকাৰী পুৰুষ। তেখেতসকলৰ বিচাৰৰ কষটিশিলত নাৰীৰ লেখা উৎকীৰ্ণ নহয়। দুখৰ বিষয়, যি কেইগৰাকী মুষ্টিমেয় লেখিকাই স্বীকৃতি পাইছে তেখেত সকলো আন লেখিকা সম্বন্ধে উদাসীন। নিজৰ কৃতিত্ব আৰু প্ৰাপ্ত সন্মানতে তেখেত সকলে আত্মসন্তুষ্টি লাভ কৰিছে। কোনো স্বনামধন্যা লেখিকাই তেওঁৰ পূৰ্ববৰ্তিনী নাইবা সমসাময়িক লেখিকাৰ লেখাৰ মূল্যায়ন কৰাৰ যত্ন কৰা নাই। ই প্ৰকৃততেই পৰিতাপৰ কথা।

চুটিগল্প, উপন্যাসৰ দৰে কথাশিল্পত আত্মনিয়োগ কৰা লেখিকাৰ সংখ্যা নিচেই তাকৰীয়া নহয়। উনৈশ শতিকাৰ নৱজাগৰণৰ কালতে অসমীয়াত প্ৰথম মৌলিক উপন্যাস লেখিছে এগৰাকী লেখিকাই—পদ্মাৱতী দেৱী ফুকননীয়ে। তাৰ পাছতো সমাজকৰ্মী, অসমৰ নাৰী জাগৰণৰ পথিকৃৎ চন্দ্ৰপ্ৰভা শইকীয়ানী, স্নেহলতা ভট্টাচাৰ্য্যকে ধৰি, আৱাহন যুগৰপৰা এতিয়ালৈকে অসমীয়া লেখিকাই উপন্যাস লেখি আছে আৰু তাৰে কিছুসংখ্যক উপন্যাস সাহিত্যৰ বিচাৰত ৰসোত্তীৰ্ণ হৈছে। সেইদৰে আৱাহন যুগৰপৰা এতিয়ালৈকে চুটিগল্পৰ ক্ষেত্ৰতো অসমীয়া লেখিকাৰ মহৎ অৱদান আছে। তাৰে মুষ্টিমেয় দুগৰাকীমানেহে স্বীকৃতি পাইছে। পুথি আকাৰে প্ৰকাশ কৰাৰ পৰ্যন্ত প্ৰমাণ বাধা অতিক্ৰম কৰিব নোৱাৰি বহুতো লেখিকাই তেওঁলোকৰ গল্প খ্যাত-অখ্যাত, ক্ষণজীৱী আলোচনীৰ পাততে ছপা আখৰত দেখিবলৈ পোৱাতে সন্তুষ্ট লভিবলগা হৈছে। এনে কোনো নিষ্ঠাবান সমালোচক এতিয়াও ওলোৱা নাই যি এইবোৰ গল্প গোটাই তাৰ মূল্যায়ন কৰিবৰ প্ৰয়াস কৰিছে, ভাল লেখিকাক স্বীকৃতি দিয়াৰ উদাৰতা দেখুৱাইছে। স্বীকৃতি নোপোৱাৰ গ্লানি আৰু বেদনা বহন কৰিও যিসকল লেখিকাই লেখি আছে তেখেতসকল নিশ্চয় শ্ৰদ্ধা আৰু প্ৰশংসাৰ পাত্ৰী। অৱশ্যে এই কথাও সঁচা যে কেৱল যশোলাভ আৰু অৰ্থলাভ কোনো শিল্প সাধনাৰ লক্ষ্য হ'ব নোৱাৰে। কাৰোবাৰ সাহিত্যই যদি কিবা বিশিষ্টবাণী বহন কৰে সি এদিন গ্ৰহণীয় হ'বই।

অসম লেখিকা সন্থাৰ যোৰহাট শাখাৰ লেখিকাৰ মাজত থকা নিষ্ঠা আৰু আগ্ৰহৰ পৰিচয় বহু প্ৰয়াসতে দেখা গৈছে। লেখিকা মনৰ প্ৰতি সমালোচক, প্ৰকাশক আৰু আন লেখকৰ উদাসীনতালৈ ভ্ৰূক্ষেপ নকৰি তেওঁলোকে স্বকীয় ভাবনাক প্ৰকাশ কৰাৰ বলিষ্ঠ পদক্ষেপৰূপে আগবঢ়াইছে এই গল্প সংকলনটি— 'অৰ্ধ আকাশ'। মহান চৈনিক নেতাই নাৰীক নাম দিলে 'অৰ্ধ-আকাশ'। একুৰি চাৰিটা গল্পেৰে সজোৱা সংকলনটিৰ শিৰোনাম ইংগিতপূৰ্ণ হৈছে।

সম্প্ৰতি সাহিত্য-পেঞ্চন পোৱা গল্প লেখিকা শ্ৰীস্নেহদেৱীৰ পূৰ্ব প্ৰকাশিত 'মেঘমুক্ত' নামৰ সাৰ্থক গল্পটিও সংকলনত সন্নিবিষ্ট হৈছে। মধ্যবিত্ত জীৱনৰ ঘাত-প্ৰতিঘাত, মান-অভিমান, ঈৰ্ষা-অসূয়া, কাৰুণ্যৰ ছবি তেখেতৰ গল্পত সাৰ্থকৰূপে ফুটি উঠিছে। 'মেঘমুক্ত' কিশোৰী মনৰ ঈৰ্ষাৰ সংঘাত আৰু অৱশেষত তাৰপৰা মুক্তিৰ এক বিশ্বাসযোগ্য ছবি।

অমৃত গোস্বামীৰ 'অভিশপ্ত সেই দিনটো' নামৰ গল্পটোত চাকৰি বিচাৰি ব্যৰ্থ হোৱা দুখীয়া ছোৱালী এজনীৰ ইণ্টাৰভিউৰ তিক্ত অভিজ্ঞতা বৰ্ণনা কৰা হৈছে।

হৰপ্ৰিয়া বৰগোহাঞিৰ 'আত্ম প্ৰত্যয়'ত এজনী কিশোৰীয়ে তাইৰ দৰিদ্ৰতা আৰু মোমাদাৰৰ দাক্ষিণ্যৰ ওপৰত ঘৰখনৰ নিৰ্ভৰশীলতা সত্বেও বৃদ্ধ মোমাদাৰৰ লালসাৰ বিৰুদ্ধে নিৰ্ভীকভাৱে থিয় দিছে। আনহাতে, নীলিমা শৰ্মাই 'হিতৈষী'ত বৰ্তমান সমাজৰ সাহ-বিলাহৰ প্ৰলোভনত পৰা দুখীয়া ছোৱালী এজনীৰ অধঃপতনৰ ছবি অঙ্কন কৰিছে। 'ডায়মণ্ড ৰিং' নামৰ গল্পত পূৰ্ণিমা শৰ্মাই মানৱ-জীৱনত অদৃষ্ট শক্তিৰ পৰিহাসৰ মৰ্মান্তিকতা ডাঙি ধৰিছে।

সামাজিক বৈষম্য, দৰিদ্ৰৰ প্ৰতি অন্যায় অৱহেলা, নাৰীৰ ওপৰত সকলো-শ্ৰেণীৰ মানুহৰে নিপীড়ন আৰু নাৰীৰ স্বাধিকাৰ অৰ্জনৰ প্ৰচেষ্টাক ব্যৰ্থ কৰাৰ ষড়যন্ত্ৰ, মানুহৰ মাজত মানৱতাবোধৰ ক্ৰম অৱনতি—এইবোৰ জ্বলন্ত সমস্যাৰ প্ৰতিও লেখিকাসকল সজাগ সচেতন। নীলিমা বৰঠাকুৰৰ 'জয়-পৰাজয়', প্ৰভা চাংকাকতিৰ 'আন্ধাৰ নিশাৰ শেষত', মীৰা দত্তৰ 'এজাক বৰষুণ লাগে', পঞ্চমী ভট্টাচাৰ্য্যৰ 'স্বাতন্ত্ৰ্য', ত্ৰিবেণী দাসৰ 'মৰহা পাপৰি', বীণাপাণি বৰকটকীৰ 'ঝাবেৰীৰ অন্তৰ', নিবেদিতা চাংকাকতিৰ 'ভয়ৰ', অকালতে মৃত্যু বৰণ কৰা সন্থাৰ সদস্যা ৺ কনীমা ভড়ালীৰ 'মহৌষধ' উক্ত সচেতনতাৰে পৰিচায়ক গল্প। বিমল বাজখোৱাৰ 'মন-বিহঙ্গম'টো জীৱন যুদ্ধত পৰাজয় নামানি আনন্দ-বেদনাৰ মাজেৰে পূৰ্ণতাৰ পথত আগবাঢ়িব খোজাৰ দৃঢ় প্ৰত্যয়।

'ৰৰদৈচিলা' গল্পত পুষ্পদেৱীয়ে সমাজৰ কঠোৰতাত মৰহি নেগৈ সফলো প্ৰতি-বন্ধকতাৰ বিৰুদ্ধে এগৰাকী নাৰীৰ সংগ্ৰামৰ ছবি আঁকিছে। সুৰবিতায়ে বিচাৰে এনেকুৱা ধুমুহা, যি সমাজৰ অন্ধবিশ্বাস কু-সংস্কাৰবোৰ ধুই নিব পাৰে। এই খিনিতে এষাৰ কথা ক'ব খোজো যে সমাজত ধৰ্মৰ নামত চলি থকা অন্ধ কু-সংস্কাৰ, অবৈজ্ঞানিক দৃষ্টি আৰু চিন্তাৰ বিৰুদ্ধে লেখিকাসকলে কলম হাতত ল'ব লাগে। মঞ্জুলা শৰ্মাৰ 'প্ৰতীক্ষা'ত অসম আন্দোলনৰ কালত চি-আৰ-পিৰ দ্বাৰা ধৰ্ষিতা। এগৰাকী নাৰীৰ কাহিনী কোৱা হৈছে যি আনকি তেওঁৰ আদৰ্শবান প্ৰিয় পুৰুষ-জনৰ দ্বাৰাও পতিতা বুলি পৰিত্যক্তা হৈছে। উক্ত দুয়োটা গল্পতে কাৰুণ্য আছে, কিন্তু হতাশা নাই।

যোগমায়া গগৈৰ 'জেতুকাপাতৰ দৰে' গল্পটোৰ বিষয়বস্তু আৰু উপস্থাপনা অতি মনোৰম। পোহনীয়া জীৱৰ লগত মানুহৰ নিবিড় সম্বন্ধৰ অন্তৰঙ্গ ছবি লেখিকাই ফুটাই তুলিছে। মানুহৰ বৈষয়িক সমস্যাই এই সম্বন্ধৰ অন্তৰায় হৈ কেনে মৰ্মদাহী বেদনাৰ সৃষ্টি কৰে লেখিকাই অতি সহজ অথচ হৃদয়স্পৰ্শী ভাব আৰু ভাষাৰে তাক প্ৰকাশ কৰিছে।

সুমলা বৰদলৈৰ 'সৰ্বেশ্বৰীৰ পৰ্ব'ও এটি সাৰ্থক গল্প। বয়স্কশিক্ষাৰ চৰকাৰী আঁচনিৰ সপক্ষে এটি উদ্দেশ্যধৰ্মী অথচ কলাসন্মত গল্প ৰচনাত লেখিকা সফল হৈছে।

নিশিপ্ৰভা ভূঞাৰ 'শেষ সিদ্ধান্ত' আন এটি বলিষ্ঠ চিন্তাৰ গল্প। দুটা সন্তানৰ মাক গৰাকী স্বামীৰ ডাক্তৰ বন্ধুজনৰ প্ৰতি আকৃষ্ট হৈ গুচি গ'ল। নতুনকৈ সন্তানসম্ভৱা হোৱাত তেওঁৰ উপলব্ধি হ'ল এৰি থৈ অহা সন্তান দুটাৰ বাহিৰে আন কাৰো মাক হোৱাৰ অধিকাৰ তেওঁৰ নাই। পূৰ্বৰ স্বামীৰ ওচৰলৈ উভটি যোৱাৰ সিদ্ধান্ত ল'লে। পাছৰ ডাক্তৰ স্বামীয়েও তেওঁক মুক্তি দিলে আৰু নিজেই গৰ্ভপাতো কৰাই দিলে। পূৰ্ব স্বামীয়েও পত্নীৰ সাময়িক ভুলৰ ক্ষমা কৰি গ্ৰহণ কৰিবলৈ প্ৰস্তুত হ'ল। গল্পটোত লেখিকাৰ আধুনিক দৃষ্টিভঙ্গীৰ চমৎকাৰ প্ৰকাশ ঘটিছে। সতীত্বৰ গতানুগতিক ধ্যান-ধাৰণাৰ পৰা মুক্ত এগৰাকী নাৰীৰ চৰিত্ৰ লেখিকাই অতি সাহসেৰে অঙ্কন কৰাৰ লগতে দুজন উদাৰমনা আধুনিক পুৰুষকো ঠাই দান দিছে।

ৰবিতা ফুকনে 'শিক্ষা' গল্পটোত শাৰীৰিক শাস্তি নিদিয়াকৈও সন্তানৰ মনৰ ওপৰত কিদৰে প্ৰভাৱ পেলাব পাৰি, তাৰ নিদৰ্শন দাঙি ধৰিছে। পূৰ্ণিমা দেৱী বৰদলৈৰ 'উপহাৰত' বৰ্তমান সমাজৰ দেখাক দেখি কৰা কেতবোৰ অনুষ্ঠানে

নিমন্ত্ৰিতক কিদৰে বিব্ৰত কৰে আৰু সামাজিক অনুষ্ঠানবোৰ যে কিমান সাৰশূন্য, তাৰ সুন্দৰ ছবি দাঙি ধৰিছে। আনহাতে, দীপিকা পূজাৰীৰ 'মানুহ অমানুহ'ত বৰ্ত্তমানৰ বস্তুবাদী সমাজত মানৱতাবোধৰ মৃত্যুৰ ছবি।

লক্ষীপ্ৰিয়া দত্তৰ 'অতৃপ্ত আত্মাৰ কিননি' চুটিগল্পৰ শাৰীত নপৰিলেও 'এটা সত্য ঘটনা' বুলি কোৱা এই ঘটনাটো অৱশ্যে এটা ৰহস্যময় উপলব্ধি। হয়তো মনস্তত্ত্বই ইয়াৰ কিবা ব্যাখ্যা দিব পাৰিব। ঘটনাটো লেখিকাই কৌতূহলোদ্দীপকভাৱে বৰ্ণনা কৰিব পাৰিছে।

সংকলনটোৰ একমাত্ৰ হাস্যৰসাত্মক গল্পটো লেখিছে মিনতি হাজৰিকাই। 'দৈনন্দিনৰ এদিন'ত তেওঁ অন্যমনস্কতাৰ ফলত সৃষ্টি হোৱা অপ্ৰস্তুত পৰিস্থিতিৰ ৰসাল বৰ্ণনা দিছে।

মোৰফালৰ পৰা গল্পকেইটিৰ এটা আভাসহে দিয়াৰ চেষ্টা কৰি গল্পকেইটিৰ ৰস আৰু সৌন্দৰ্য বিচাৰৰ ভাৰ সহৃদয় পাঠক সকলকে দিয়া হ'ল। এই আটাই কেইটা গল্পই যে ৰসোত্তীৰ্ণ হৈছে, সেই কথা ক'লে সত্যৰ অপলাপ কৰা হ'ব। কোনো-টোইত গল্প কেৱল অতি কথনৰ বাবেই ম্লান হৈ ৰ'ল, সেই কথাও সঁচা। তথাপি কেইটামান যে আশ্চৰ্যজনকভাৱে সাৰ্থক তাক স্বীকাৰ কৰিবই লাগিব। আদৰ্শ-বাদৰ লগতে বাস্তৱবোধ আৰু মানৱীয় আবেদনৰ স্পৰ্শ গল্পবোৰত থকাটো মন কৰিবলগীয়া। যোৰহাট শাখা লেখিকা সন্থাই এইসকল লেখিকাক পাঠকৰ লগত পৰিচয় কৰাই দিয়াৰ দায়িত্ব লোৱাটো ভাল কাম হৈছে। আজিৰ যুগৰ লেখিকা যুগ সচেতন। তেওঁলোকে অনুভৱ কৰিব লাগিব তেওঁলোক প্ৰথমে ব্যক্তি, তাৰ পাছতহে নাৰী। ব্যক্তিসত্বাৰ বিকাশৰ লগত লেখিকাৰ সাহিত্য সৃষ্টিৰ একান্ত সম্পৰ্ক সম্বন্ধে আজিৰ লেখিকাসকল সচেতন হওঁক—এই আশাৰে, যোৰহাট শাখাৰ লেখিকাসকলৰ সাফল্য কামনা কৰিলোঁ।।

প্ৰীতি বৰুৱা
সভানেত্ৰী
অসম লেখিকা সন্থা

গুৱাহাটী
১. ১০. ৮৭

॥ আমাৰ কথা ॥

প্ৰকাশৰ সুযোগ নোপোৱা লেখিকাসকলক পোহৰৰ জোনাকী বাটলৈ হাত ধৰি আগুৱাই অনাৰ মহান উদ্দেশ্যৰে গঠিত অসম লেখিকা সন্থা। এই বৃহৎ সাহিত্য অনুষ্ঠানটিৰ সবল আৰু সক্ৰিয় অংশীদাৰ যোৰহাট শাখা লেখিকা সন্থা। অসমত পোন প্ৰথম বাৰৰ বাবে মহিলাৰ দ্বাৰা ৰচিত নাট্যাভিনয়ৰ পাতনি মেলি এই শাখা সংগঠনটিয়ে ইতিমধ্যে বিভিন্ন গঠনমূলক কামত অৱতীৰ্ণ হৈছে। যোৰহাট শাখা লেখিকা সন্থাৰ সদস্যা সকলক সামৰি এটি গল্প সংকলন প্ৰকাশ কৰিবলৈ যো-জা কৰাও সেইবিলাকৰ ভিতৰতে অন্যতম এটি কাম। ছপা কাগজৰ ঊৰ্দ্ধমুখী দাম, ছপা খৰচ আদিৰ কাৰণে সন্থাই বহুদিনতে সিদ্ধান্ত লৈও আগবাঢ়িব পৰা নাছিল। পিছে 'জ্যোতি প্ৰকাশনে' এই ক্ষেত্ৰত সহায় আগবঢ়াবলৈ মান্তি হোৱাত সন্থাই এটি বোজাৰপৰা মুক্তি পোৱা যেন পালে। আমি জ্যোতি প্ৰকাশনক সন্থাৰ হৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

গল্পখিনি চকু ফুৰাই দি আমাক সহায় কৰাৰ কাৰণে সাহিত্যিক ডঃ চন্দ্ৰ কটকী দেৱলৈ আমাৰ আন্তৰিক শলাগ জনাইছোঁ। আমাৰ সন্থাৰ প্ৰয়াত সদস্যা ৺কণীমা ভৰালীক আমি এই মুহূৰ্ততে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। তেওঁৰ ইচ্ছাক জীৱিত কালত বাস্তৱত পৰিণত হোৱা দেখিবলৈ নাপালে। শ্ৰীমতী নিবেদিতা, ৰঞ্জিতা, যোগমায়াক মৰম জনাইছোঁ, পাণ্ডুলিপি প্ৰস্তুত কৰি দিয়াত সহায় কৰি দিয়াৰ কাৰণে ॥

সৰো শেষত সহৃদয় পাঠকবৃন্দলৈ আমাৰ বিনম্ৰ নিবেদন—সংকলনত অন্তৰ্ভুক্ত প্ৰতিটো গল্প উচ্চমান বিশিষ্ট নহ'ব পাৰে, যিহেতু আমাৰ উদ্দেশ্যই পোহৰৰ মুখ নেদেখা, অপ্ৰকাশৰ বেদনাত ভুগি থকা লেখিকা সকলক প্ৰকাশৰ সুযোগ দিয়াটোহে। গতিকেই পাঠকবৃন্দই যাতে উচ্চ মান বিশিষ্ট নহ'লেও গঠনমূলক সমালোচনাৰে লেখিকা সকলক উদ্‌গণি দিয়ে।

ইতি—

সম্পাদনা সমিতিৰ হৈ
শ্ৰী নীলিমা শৰ্মা।
" হৰপ্ৰিয়া বৰগোহাঞি
" পূৰ্ণিমা শৰ্মা
" পূণ্য দেৱী
" নীলিমা বৰঠাকুৰ
" প্ৰভা চাংকাকতী আৰু
" শ্ৰীদীপিকা পূজাৰী

# ॥ গল্পসূচী ॥


| | লেখিকা / গল্প | | পৃষ্ঠা |
|---|---|---|---|
| ১। | স্নেহ দেৱী / মেঘমুক্ত | ... | ১ |
| ২। | নীলিমা শৰ্মা / হিতৈষী | ... | ১৫ |
| ৩। | নীলিমা বৰঠাকুৰ / জয় পৰাজয় | ... | ২৬ |
| ৪। | হৰপ্ৰিয়া ( বাককিয়াল ) বৰগোহাঞি / আত্মপ্ৰত্যয় | ... | ৪২ |
| ৫। | দীপিকা পূজাৰী / মানুহ অমানুহ | ... | ৫০ |
| ৬। | পূৰ্ণিমা শৰ্মা / তাম্ৰমণ্ড বিং | ... | ৫৭ |
| ৭। | অমৃত গোস্বামী / অভিশপ্ত সেই দিনটো | ... | ৬১ |
| ৮। | পুণ্য দেৱী / বৰদৈচিলা | ... | ৬৯ |
| ৯। | নিশিপ্ৰভা ভূঞা / শেষ সিদ্ধান্ত | ... | ৭৮ |
| ১০। | মীৰা দত্ত / এজাক বৰষুণ লাগে | ... | ৮৪ |
| ১১। | পঞ্চমী ভট্টাচাৰ্য্য / স্বাতন্ত্ৰ্য | ... | ৯২ |
| ১২। | প্ৰভা চাংকাকতি / আন্ধাৰ নিশাৰ শেষত | ... | ৯৮ |
| ১৩। | মঞ্জুলা শৰ্মা / প্ৰতীক্ষা | ... | ১০৬ |
| ১৪। | সুষমা বৰদলৈ / সৰ্বেশ্বৰী পৰ্ব | ... | ১১২ |
| ১৫। | বিমল বাজখোৱা / মন-বিহঙ্গম | ... | ১২৬ |
| ১৬। | নিবেদিতা চাংকাকতি / ভাস্বৰ | ... | ১৩৪ |
| ১৭। | ৰবিতা ফুকন ( বৰকটকী ) / শিক্ষা | ... | ১৩৮ |
| ১৮। | মিনতি হাজৰিকা / দৈনন্দিনৰ এদিন | . | ১৪২ |
| ১৯। | বীণাপাণি বৰকটকী / কাবেৰীৰ অসুখ | ... | ১৪৬ |
| ২০। | পূৰ্ণিমা দেৱী বৰদলৈ / উপহাৰ | ... | ১৫২ |
| ২১। | ত্ৰিবেণী দাস / মৰহা পাপৰি | ... | ১৫৬ |
| ২২। | লক্ষীপ্ৰিয়া দত্ত / অতৃপ্ত আত্মাৰ বিননি | ... | ১৬০ |
| ২৩। | যোগমায়া গগৈ / জেতুকা পাতৰ দৰে | ... | ১৬৭ |
| ২৪। | ৺কনীয়া ভড়ালী / মহৌষধ | ... | ১৭৪ |

## মেঘ মুক্ত / স্নেহ দেৱী

"আপুনি তেন্তে মোক ক্ষমা কৰিব পৰা নাই?"

"নোৱাৰিছো।"

"স্পষ্টভাৱে কৈ দিয়াত বৰ সুখী হ'লো। কিন্তু এটা কথা ভাবি চাব, তেতিয়া অৰ্থাৎ পাঁচবছৰ আগতে মোৰ বয়স বৰ কম আছিল; চৈধ্যবছৰ পূৰা হৈছিল নে নাই সন্দেহ।"

"জানো, সেইবাবেই কথাটো চিন্তা কৰিবলগীয়া হৈ পৰিছে।"

"খুলি কওঁক।"

"এটি গজালি পাঁচবছৰে এজোপা গছ হৈ পৰিব পাৰে।"

"কিন্তু বিপৰীতটোও হ'ব পাৰে। অৰ্থাৎ অঙ্কুৰতে মৰি যাবও পাৰে।"

"এইটো এটা তুলনা মাত্ৰ। সঁচা গজালিৰ ক্ষেত্ৰতকৈ কথাটো সুকীয়া। এইটো হ'ল মনৰ কোনোবা কোণত অঙ্কুৰিত হোৱা ঈৰ্ষাৰ গজালি।" বহুত পৰ দুয়ো নীৰৱে বহি ৰ'ল। মন্মথ আৰু শোভা—দুয়ো ৰোমন্থন কৰিছিল।

... ... ... ...

এই পৰিয়ালটোৰ লগত মন্মথৰ চিনাকি বহুত দিনৰ আগৰেপৰা। শোভা তেতিয়া দহ বছৰীয়া; ফ্ৰক পিন্ধি লবি ফুৰা ছোৱালী; আৰু মন্মথ আছিল ইণ্টাৰমিডিয়েট পৰীক্ষাৰ্থী। শোভাৰ ডাঙৰ বায়েকৰ বিয়া হৈ গৈছিল। কিবা এটা সম্পৰ্কত শোভাৰ ভিনিহিয়েক কুঞ্জনাথৰ মন্মথ ভায়েক হয়। একেখন ঠাইতে ঘৰ যদিও আগতে বাটে-পথে দেখাদেখি হৈছিল যদিও চা-চিনাকি নাছিল। কুঞ্জনাথৰ সম্পৰ্কৰ জেৰা লৈয়ে প্ৰথম চিনাকি হৈছিল। পিচলৈ অহা-যোৱা সঘন হৈ

সম্পৰ্ক গাঢ় হৈ পৰিছিল। শোভা স্কুললৈ যাওঁতে মন্মথক দেখা পায় সদায়ে। কথা-বতৰাও হয়। মন্মথ দুদিন নাহিলে শোভাৰ মাকে অনুযোগ কৰে "নহা হলা কিয় বোপাই? আচল মিতিৰ ক'ৰবাতে থাকিল। দূৰৈত যেতিয়া কেতিয়াবাহে দেখা পাম। তোমালোকেই অহা-যোৱা কৰি থাকিবা।"

ডাঙৰ বায়েকৰ বিয়াৰ পিছতে শোভাৰ দেউতাক ঢুকাল। ইতিমধ্যে দ্বিতীয়জনী বায়েক বিভাৰো বিয়া ঠিক হৈছিল। শোভাই ফ্ৰক এৰি মেখেলা চাদৰ পিন্ধিবলৈ লৈছিল তেতিয়া। বিভাৰ বিয়াত মন্মথে দিনে-ৰাতিয়ে থাকি খাটি দিছিল। বিয়ালৈ অহা কোনো সম্পৰ্কীয়াই মন্তব্য কৰে—"হওক, দুজনীৰ গতি লাগিল। সৰুজনী লৈহে এতিয়া ক'ত ঠিক হয়—।" শোভাৰ মাকে কয়—"তাইৰ কথা এতিয়া ভবা নাই।"

"তুমি ভাবিবও নালাগে; জোঁৱায়েৰাইতেই সেই ভাৰ লব। ঈশ্বৰেও উপায় দিব।"

কথাবোৰ আটাইৰে কাণত পৰে। বিভা আৰু বিভাৰ বান্ধৱীহঁতে শোভাক কয়—"তোৰ দৰা ঠিক হৈয়ে আছে; মন্মথেই ভাল হব। এনে যে মিলিব তোৰ লগত!"

"খেৎ, লাজ নাই!" বুলি শোভা আঁতৰি গৈছিল। কিন্তু ইয়াৰ পিচৰেপৰা মন্মথৰ আগত আগৰ দৰে ওলাবলৈ লাজ কৰা হ'ল শোভাই। মন্মথ কেইবাদিনো নহাকৈ থাকিলে কিয় অহা নাই বুলি ভাবে যদিও, বিভাইতে কোৱা কথা যদি সঁচা হয় তেন্তে মন্মথ কিয় সদায় আহিব—, নাহি ভালেই কৰিছে যেন লগা হ'ল।

মন্মথে সেইবাৰ স্থানীয় কলেজত কামত সোমাইছিল, শোভাৰ বয়স তেতিয়া চৈধ্য বছৰ। এদিন আবেলি শোভাই বিচনাত বহি টেবুলক্লথত ফুল তুলি আছিল। এনেতে ভিনিহিয়েক কুঞ্জৰ মাত শুনি ওলাই আহিল। কুঞ্জই আগতে খবৰ দিয়া নাছিল, সেইবাবে শোভাই আচৰিত হৈ মাকক মাতিলে—"মা মা, ভিনদেউ আহিছে।" মাকো আচৰিতেই হ'ল। বহিবলৈ দি খবৰ-বাতৰি সুধিলে। কথা-

বক্তব্য হৈ গম পালে যে হঠাৎ কুঞ্জ আহিব লগা হ'ল মন্মথহঁতৰ ঘৰলৈ ; বিশেষ এটা দৰকাৰত। মন্মথলৈ এটি ছোৱালী যাচিছে ; কুঞ্জৰ লগত ছোৱালীৰ ককায়েকৰ বিশেষ বন্ধুত্ব আছে। সেই সম্পৰ্কতে কথা-বতৰা হ'বলৈ বন্ধুয়ে অনুৰোধ কৰাত কুঞ্জ মন্মথহঁতৰ ঘৰলৈ আহিছিল। ফটো এখনো লৈ আহিছিল। ফটো চাই মন্মথহঁতৰ ঘৰৰ আটায়ে পছন্দ কৰিছে। মানুহঘৰো ভাল। গতিকে বিয়াখন অলপতে হোৱাৰ আশা।

ফটোখন কুঞ্জৰ জেপতে আছিল। সৰু চাইজৰ গ্ৰুপ ফটো এখন। শোভাৰ মাকে চাই ক'লে—

"বহুতৰ লগত তোলা কোনজনীনো ?"

"এইয়া সোঁ-দাঁতিত বহাজনী। অকলে তোলা ফটো নাই বাবে এইখনকে সম্প্ৰতি লৈ আনিবলৈ দিলে। ঘৰৰ গোটেই পৰিয়ালটো আছে।"

শোভাই কাষতে বৈ কথা শুনি আছিল। "চাওঁ" বুলি ফটোখন মাকৰ হাতৰপৰা লৈ ভালকৈ চাবলৈ ধৰিলে।

ইতিমধ্যে মাকে কুঞ্জৰ বাবে চাহ-জলপানৰ যোগাৰ কৰিবলৈ ৰান্ধনীঘৰ সোমাইছে গৈ। কুঞ্জও মুখ ধুবলৈ বুলি পিচফালে গ'ল। শোভাই ফটোখন হাতত লৈ আকৌ নিজৰ কোঠালৈ সোমাই গৈছিল।

ফটোখন বৰ ভালকৈ উঠিছিল। সোঁ-দাঁতিত বহি থকা, অলপ হাঁহো-হাঁহোকৈ থকা ছোৱালীজনীৰ মুখখনত শোভাৰ দৃষ্টি থৰ হৈ ৰ'ল।

কিমান পৰ তেনেকৈ আছিল শোভাই নিজেই গম পোৱা নাছিল। মাকে যেতিয়া পিচফালৰ বাৰাণ্ডাৰপৰা ডাঙৰকৈ শোভাক মাতিলে, তেতিয়া চক্ খাই উঠাৰ দৰে "গৈছো মা" বুলি শোভা উঠি গ'ল। নিজৰ মাতত নিজেই আচৰিত হৈছিল শোভা।

কুঞ্জই চাহ খাই উঠিল। শোভাৰ মাকে বটাটো আগত লৈ বহিছিল। শোভাক দেখি কুঞ্জই ধেমালি কৰি ক'লে—"কি

কৰিছিলা? চকুকেইটা দেখোন একেবাৰে থোপোচা হৈ উখহি পৰিছে।"

"ক'তা, একো নাই।" বুলি শোভাই দুয়োহাতে চকুহটা মোহাৰিলে। মাকে ক'লে—"এই কেইদিন স্কুল বন্ধ; টেবুলক্লথ এখন কৰিবলৈ লৈছে। দিনে-নিশাই তাতে লাগি থাকে। মই কৈ আছো ইমানকৈ জুপিলে চকু দুটা যাব। মুগুনে নহয়। চাওঁ তামোল-পাণ এটা আনচোন।" শোভাই তামোল-পাণ আনি দিলে। কুঞ্জই শোভাক ক'লে—"ইমানকৈ জুপি নাথাকিবা। মাৰ কথা শুনিব লাগে। আৰু এটা নতুন কাম ওলাইছে নহয়।" "কি?"—শোভাই সুধিলে। মাকেও মুৰ দাঙি চালে। কুঞ্জই ক'লে—"কিয় মন্মথৰ বিয়াৰ বাবে জোৰা নাম ৰচনা কৰিব নালাগিব?" মাকে "অঁ সেইবোৰত তো পৰু।" বুলি লাহেকৈ কৈ থলে।

আৰু অলপ সময় বহি কুঞ্জ যাবলৈ ওলাল। ট্ৰেইনৰ সময় হৈ আহিছে। ফটোখন ক'ত থাকিল বিচাৰিলে; কিন্তু মেজতো নাই, কাৰো হাতভো নাই। জেপত ভৰালে নেকি চালে, নাই। মাকে ক'লে—"তই ক'ত থলি শোভা?" শোভাই ক'লে—"মই এবাৰহে চাইছিলো। আকৌতো চিলাই কৰিবলৈ আহিলো দেখোন।" মাকে ক'লে—"চাওঁ ইয়াতে কেনিবা আছে নেকি;" বুলি আধকৰা টেবুলক্লথখন ডাঙি চাব খোজোতে, সোঁহাতে বেজীটো ধৰি থকা শোভাৰ লগত অলপ টনাটনি হৈ শোভাৰ আঙুলীত বেজীৰ খোঁচ খাই তেজ ওলাল। শোভাই "উঃ"-কৈ চিঞৰি উঠিল। মাকে ক'লে—"চাওঁ কি হ'ল? ইমান অসাৱধান কিয়? একো নহয় গোন্ধোৰা বলৰ পাত এটা মোহাৰি লগাই দেগৈ। আঙুলীতহে লাগিছে, যেনেকৈহে চিঞৰিলি চকুৱে-টকুৱে লাগিল বুলি ভাবিছিলো মই।"

ফটোখন পোৱা নগ'ল। শোভাৰ মাকো অপ্ৰস্তুত হ'ল। "চকুৰ পচাৰতে এনেকৈ বস্তু হেৰাব লাগিলে উপায় কি" বুলি তেওঁ বকি-জকি বিচৰাত লাগিল।

বুজাবো বৰৰ সময় নাই। গতিকে বিদায় লৈ গ'লগৈ। শোভাক ক'লে—"বিচাৰি থৰা। এতিয়াতো আচল কাম হৈ গলেই। পিচত কেতিয়াবা আহোঁতে লৈ যাম।"

... ... ... ...

মন্মথৰ বিয়াৰ কথা-বতৰা সকলো ঠিক হৈছিল, মাত্র বিয়াৰ দিন ঠিক হোৱা নাছিল। প্রায় এটা বছৰে কিবাকিবি অসুবিধা ওলাই বিয়াখন পিচুৱাই গৈ আছিল। . তাৰপিচত আহিছিল সেই এটা দিন, যিটো দিনৰ কথা শোভাই পাহৰিব নোৱাৰে। যিটো দিনৰ স্মৃতিয়ে বহন কৰি আনে অনুতাপ, ধিক্কাৰ···। নিশ্চয় মন্মথেও পাহৰিব পৰা নাই ; পাহৰিব নোৱাৰে। এতিয়াও নীৰৱে মন্মথে সেই দিনৰ কথাই ভাবিছে নেকি ?

আবেলি সময়ত শোভাই কঁকালত আঁচল মেৰিয়াই লৈ কোঠালীটো চাফা কৰাত লাগিছিল। শোভাৰ লগে লগে লাগি ফুৰিছিল ভাগিনীয়েক টুলু। ডাঙৰ বায়েকৰ ছোৱালী। কোঠালীটো চাফা কৰি উঠি বাকচটো ঠিক কৰি থবলৈ লৈছিল শোভাই। এনে সময়তে আহিছিল মন্মথ। মন্মথ অহা গম পাই পৰ্দাৰ দাঁতিয়ে এবাৰ চাই আকৌ নিজৰ কামত লাগিছিল শোভা। টুলুয়ে একমনে শোভাই বাকচ আজৰাই বিচনাত উলিয়াই থোৱা কাপোৰবোৰ পিটিকি আছিল।

মন্মথ আজিকালি আগতকৈ গহীন গম্ভীৰ হ'ল। অহাটোও বৰ বিৰল। মন্মথ আহিলে আজিকালি শোভা আগৰ দৰে আগবাঢ়ি নাযায়। মাকেই কথা-বতৰা পাতে।

সিটো কোঠাৰ মাকৰ কণ্ঠস্বৰ কাণত পৰিল—"তোমাৰ গা বেয়া নেকি মনু ? মুখখন বিমৰ্ষ দেখিছো।"

"গা ভালেই জেঠাইদেউ।"

"বিয়াৰ কি হ'ল ? দিন-বাৰ ঠিক হ'ল নেকি ?"

"বিয়া! বিয়া আৰু নহয় জেঠাইদেউ।"

"নহয়। কিয় ?"—সি কোঠাৰপৰা শোভাই কাণ ঠিয় কৰিলে।

"কাঞ্চন নাই জেঠাইদেউ।"

"নাই ?"

"নাই চুকাল।"

"হে হৰি ! কি কৈছা মন্নু ? কেতিয়া ?"

"আজি চাৰিদিন হৈছে। কালি দাদাৰপৰা চিঠি পাইছো। সবিশেষ নাজানো।"

"সঁচানে মিছা ? এনেয়ে ওলাইছে কিজানি—" শোভাৰ মাক চঞ্চল হৈ পৰিছিল।

"এনেবোৰ কথা এনেই নোলায় জেঠাইদেউ ; তাতে দাদাই নিজে খবৰ দিছে।"

কথাবোৰ শুনাৰ লগে লগে শোভাৰ গোটেই শৰীৰত এটা তীব্ৰ আলোড়ন উঠিল ; ক্ষন্তেকলৈ একো ক'ব নোৱাৰা যেন লাগিল। কাঞ্চন নামৰ এজনী অচিনাকি ছোৱালীৰ মৃত্যুৰ সংবাদে শোভাৰ অন্তৰ কিয় কঁপাই পেলাইছে, নিজেই বুজিব নোৱাৰিলে। খিৰিকীৰ কাষলৈ গৈ উদাস দৃষ্টিৰে বাহিৰলৈ চাই শোভাই নিজকে প্ৰশ্ন কৰিলেঃ কাঞ্চনৰ মৃত্যুত মই বিচলিত হোৱাৰ কি মানে আছে ? নহয়, এটা বিয়োগ বাতৰি পাই সম্পূৰ্ণ অবিচলিত থকাটোও অস্বাভাবিক। অথচ মাৰ দৰেতো মই দুখ বা আক্ষেপ কৰিবও পৰা নাই, কিয় ? আকৌ মন্মথৰ মাত কাণত পৰিল। "উঠো জেঠাইদেউ। দাদাই লিখিছে আগৰ ব্যৱস্থা মতেই টুলুক নিবলৈ এই সপ্তাহতে অহাৰ কথা আছিল, কিন্তু এতিয়া কেইদিনমান পলমকৈহে আহিব। টুলু কেনি গ'ল ? টুলু—"

মন্মথৰ মাতত টুলু সিকোঠাৰপৰা ওলাই আহি পৰ্দাখনত ধৰি থিয় দিলে "মন্নু খুৰা।" "টুলু আঁহা। চাওঁ সেইখন কি পালা ?" ঠিক সেই মুহূৰ্ততে শোভাই উভতি চাইছিল আৰু টুলুৰ হাতৰপৰা মন্মথে লব খোজা বস্তুটো দেখি, কাঢ়ি লোৱাৰ ভঙ্গীৰে হাত মেলি আগবাঢ়ি আহিল। ঠিক তেতিয়াই মন্মথেও টুলুৰ হাতৰপৰা লৈ এক

চেকেও মাথো চাই নিজৰ বুকুৰ জেপত ভৰাই ললে। বিমূঢ় হৈ শোভা তাতে থিয় দি থাকিল। শোভাৰ ইচ্ছা হৈছিল যেন ক'ৰবাত লুকাই পৰে; অথচ মন্মথৰ তীব্ৰ দৃষ্টিৰ সমুখৰপৰা এচুলিও আঁতৰি যাব নোৱাৰিলো। সম্মোহিতা সপিনীৰ দৰে থৰ হৈ ৰ'ল।

ক্ষন্তেক মাত্ৰ। তাৰ পিচত মন্মথ লাহেকৈ ওলাই গুছি গ'ল। কেই চেকেণ্ড মানৰ ভিতৰতে এই ক্ষুদ্ৰ অথচ শোভা আৰু মন্মথ দুয়োৰে অন্তৰত বিভিন্ন ধৰণে আলোড়ন তোলা ঘটনাটো ঘটি গ'ল। আনফালে চাই থকা শোভাৰ মাকে একো গম নাপালে। মন্মথৰ ভৰিৰ শব্দ মিলি যোৱাৰ পিচত শোভাই যেন সম্বিৎ পালে। মুহূৰ্ত্ততে কি হৈ গ'ল! মন্মথৰ আগত ধৰা পৰি গ'ল!! মন্মথৰ দৃষ্টিয়ে যেন ঘৃণা আৰু অপমান দি গ'ল ·!!

ওচৰতে বৈ থকা টুলুৰ গালত ঠাচ কৰে চৰ এটা মাৰি দিলে শোভাই। এই ছোৱালীজনীয়েইতো যত শতৰ মূল। অকণমানি টুলুৰ কান্দোনত শোভাৰ মাক ওচৰ চাপি আহিল। "কি হ'ল? কি হ'ল?"—বুলি টুলুক ওচৰ চপাই ললে। উচুপনিত কথা কব নোৱাৰা ছোৱালীটিক এৰি মাকে শোভাক সুধিলে—"কিয় মাৰিলি এইক? কি কৰিলে?"

নাৰৱ আক্ৰোশত জ্বলি উঠিল শোভা। ওঁঠ দুটা থৰ-থৰকৈ কঁপিছিল। মাকৰ প্ৰশ্নৰ উত্তৰত মাথো অস্ফুট কঁপা মাতেৰে ক'লে—"মোৰ বস্তুবোৰ মাথোন পিটপিটাই থাকিবহি ···।" তাৰ পিচত নিজৰ কোঠাৰ দুৱাৰখন বন্ধ কৰি দিলে শোভাই। এইবাৰ আৰু সকলো শক্তি হেৰুৱাই বিচনাত বাগৰি পৰিল। কঁপা ওঁঠ দুটা কোনো মতেই শান্ত নহয়। চকুৰেদি অবাধ্য চকুলো বাগৰি আহিল।

তাৰ পিচত বহুদিন পাৰ হৈ গৈছে। দীৰ্ঘ চাৰিটা বছৰ। এই চাৰিবছৰে অজস্ৰ মুহূৰ্ত আত্মগ্লানিৰে অশান্তিময় হৈ উঠিছে। অনেক অলস মুহূৰ্ত বিষাদময় হৈ পৰিছে।

এই চাঁৰিবছৰৰ ভিতৰত শোভাৰ মাকৰ স্বাস্থ্য দিনে দিনে পৰি আহিছিল; ভিনিহিয়েকহঁতে নিজ নিজ সংসাৰৰ নানা লেঠাৰ বাবে

শোভাইকো প্ৰতি আগৰ দৰে মনোযোগ দিব পৰা নাছিল। শোভাই বুজিছিল, কাঞ্চনৰ বিষয়ে কুঞ্জনাথৰ পৰা তেনাৰ আগতে,ভুল কৰি হ'লেও এসময়ত মাকে মন্মথক নিজৰ সক জোঁৱাই হিচাপে পাবলৈ বাছা কৰিছিল। তাৰ পিচত সেই ভাব এৰি দিবলগা হ'ল। কিন্তু কাঞ্চনৰ মৃত্যুত পুনৰ মাকৰ সেই বাসনাই মূৰ দাঙি উঠিছিল। সক্ৰিয়ভাৱে মাকে একো নকৰিলেও তেওঁৰ ভাবভঙ্গী, আনৰ লগত পতা কথা আদিৰ পৰাই শোভাই বুজিব পাৰিছিল, বুজিবৰ বয়সো হৈছিল।

মন্মথ কেতিয়াবা মাজে মাজে আহিছিল; বিনা কাৰণত অৱশ্যে নহয়। সদায় এটা নহয় এটা কাৰণ থাকে। হয়তো কুঞ্জনাথৰ চিঠি পাই খবৰ লবলৈ, নাইবা কিবা খবৰ দিবলৈ। মন্মথৰ ব্যৱহাৰ স্বাভাবিক যদিও শোভাৰ অনুমান হৈছিল, সেই স্বাভাৱিকতাত যেন আগৰ সেই আপোন ভাবৰ সুৰটো নাই। তাৰ ঠাইত এখন প্ৰাচীৰ গঢ়ি উঠিছে। মকৰাজালৰ দৰে পাতল কিন্তু গুচাব নোৱাৰা, গুচালেও আকৌ অলপ পিচতে গঢ়ি উঠা বিধৰ।···মন্মথৰ সেই এদিনৰ তীব্ৰ ঘৃণিত দৃষ্টি শোভাই পাহৰিব নোৱাৰে। দেখিলেই তাৰ হয় যেন এতিয়াও কামিজৰ বুকুৰ জেপত সেই সক চাইজৰ গ্ৰুপ ফটোখন লৈ আছে। চকুত যেন সেই তীব্ৰ দৃষ্টি লৈ এতিয়াও শোভাক নীৰৱে তিৰস্কাৰ কৰিব।

মাজতে এবাৰ কুঞ্জনাথ আহিছিল। সেইদিনা গধূলি শোভাৰ মাকে বহুতপৰ কথা পাতিলে। কথাৰ বিষয় শোভাই গম পালে। কুঞ্জই কোৱা শুনিলে "মন্মক কথাটো খোলাখুলিকৈ আপুনিয়ে সোধা ভাল হব। সেউভাকৰ একো নাই। ল'বাৰ মতেই আচল।"

পিচদিনাই মাকে ঘৰৰ বনকৰা ল'ৰাটো পঠাই মন্মথক মাতি পঠালে। গধূলি মন্মথ আহিল।

"জেঠাইদেউ, মোক কিয় মাতিছিল?"

মন্মথক আদৰ-সাদৰকৈ বহুৱাই খোলাখুলিকৈয়ে নিশ্চয় বহুবাৰ ভুকিয়াই থোৱামতে কথাবাৰ ক'লে। মন্মথে শুনি গ'ল, উত্তৰ একো নিদিলে। বটাৰপৰা তামোল এখন তুলি লৈ খাবলৈ ললে।

মন্মথৰ মুখভাবৰ একো পৰিবৰ্ত্তন বা মতামত তেওঁ বুজিব নোৱাৰিলে। কথাখিনি কোৱাৰ পিচত একো উত্তৰ নোপোৱাকৈ আন কথা উলিয়াবলৈ শোভাৰ মাকৰ অস্বস্তি লাগিল।

"তুমি বহাচোন দেই, মই চাহ অকণ কৰো।" বুলি ভিতৰলৈ যাব খুজিও কন্তেক ৰ'ল। মন্মথে তথাপিও একো নক'লে। বান্ধনি ঘৰৰপৰাই তেওঁ চকু-কাণ সজাগ ৰাখিছিল। মন্মথৰ নীৰৱতাক তেওঁ হয়তো সন্মতিৰ লক্ষণ বুলি ধৰি ল'ব খুজিছিল।

মন্মথ কোঠাৰপৰা ওলাই আহিল, বাৰাণ্ডাত এবাৰ অহা-যোৱা কৰিলে; তাৰ পিচত লাহেকৈ চোতাললৈ নামি গ'ল। কন্তেক পিচতে "জেঠাইদেউ মই আহিছো—" বুলি ওলাই গ'ল। শোভাৰ মাকে বান্ধনিঘৰৰ পৰা ওলাই আহি ডাঙৰকৈ ক'লে—"চাহটোপা খাই যোৱা মন্টু।" মন্মথে পদূলিমুখৰপৰাই ক'লে—"কাম এটা আছে জেঠাইদেউ পাহৰিছিলো; আজি যাওঁ।"

শোভাৰ মাকে তাতে অলপ সময় তভক মাৰি থিয় দি ৰ'ল।... মন্মথ যোৱা গম পায় শোভা নিজৰ কোঠাৰপৰা ওলাই আহিছিল। মাকে হঠাৎ আক্রমণৰ সুৰত ক'লে, "এতিয়া কিয় ওলাই আহিছ! মানুহ এটা ঘৰলৈ আহিলে ভূতৰ দৰে ভিতৰতে সোমাই থাকিবি! সকলো মই চম্ভালিব লাগে।" অতি নম্রভাৱে শোভাই ক'লে—"মই কি কৰিব লাগে মা?" কিন্তু এই নম্রতাতো শোভাৰ মাকৰ বিৰক্তি যেন চৰিহে গ'ল। কিবাকিবি ভোৰভোৰাই ভিতৰ সোমাল।

সেইদিনাৰপৰা মাক-জীয়েকৰ মাজতো যেন এখন প্রাচীৰ গঢ়ি উঠিল...। কেইবাদিনো পাৰ হ'ল। মন্মথ আৰু অহা নাই। আকৌ মাতি পঠোৱাৰ ইচ্ছা থাকিলেও যে, মাকে পৰা নাই, সেইটো শোভাই বুজিছিল। কেইদিনমানৰ পৰা মাক-জীয়েকৰ মাজৰ গোমোঠা ভাবটো একে ধৰণেই আছিল। শোভাই ভাবে—মাকে একলী সৰু ছোৱালীৰ দৰে অভিমান কৰিছে, কিন্তু এনেকৈ সকলো সময়তে জলকা লাগি থকা বা চিন্তিত হৈ থকাটো শোভাই সহিব পৰা নাছিল।

এনেকুৱাতে এদিন অসময়ত মাক শুবলৈ গ'ল। শোভাৰ মনটো চিৰিংকৈ উঠিল। "মা কি হ'ল?" বুজি ওচৰ চাপি গৈ কপালত হাত দি চালে। অলপ তপত। "মা তোমাৰ জ্বৰ উঠিছে দেখোন! ভালকৈ কাপোৰ লৈ শুই থাকা।"

পিচদিনাও মাকৰ জ্বৰ এৰা নাই। শোভাৰ ভয় আৰু চিন্তা হ'ল; যি পাৰে শুশ্ৰূষা কৰিছে। বাৰে বাৰে কপালত হাত দি চায়, ইটো সিটো সোধে। "মা সৰুধনক ডাক্তৰৰ ভালৈ পঠাওঁ; নহ'লে বয়ে বিয়া এখন লৈ যাওঁ—এইদৰে থাকিলে নহব।" "একো কৰিব নালাগে। মৰিবলগা হ'লে এইদৰেই মৰিম। আমাৰ আছে কোন্?"

"এইবোৰ কি কৈছা। মই নাই নেকি তোমাৰ তোমাক চাবলৈ?" "তই কিটো কৰিবি? যিৰা মনুটো কেতিয়াবা আহিছিল, তয়ে ঘৰ একৰালি।"

শোভা আচৰিত হ'ল, মাকে এইয়া প্ৰলাপ বকিছে নেকি! আন এদিনৰ কথা মনত পৰিল; মুখৰপৰা ওলাল "মই।" মাকে ক'লে— "আকনো কোনে? সেইদিনা মই ৰান্ধনিঘৰত সোমালো—ল'ৰাটো অকলে বহি থাকিল, তইতো মাত এষাৰ দিব পাৰ। ইমান গৰ্ব কিয় সহিব সি। সেইবাবে চাহটোপাও নোখোৱাকৈ উঠি গুচি গ'ল।"

শোভাই যেন তেতিয়াহে বুজি উঠিছিল জ্বৰতকৈ মাকৰ যন্ত্ৰণা কোনখিনিত। ক'লে—"মা মনে মনে থাকাচোন।" "এতিয়া মনত পৰোতেই কৈ লৈছো—তই অকৰা নহয়, কেঁচুৱা ছোৱালী নহয়, মই কি চেষ্টা কৰিছিলো বুজাও নহয়। নিজেও চেষ্টা কৰিব লাগে; আজি-কালি বহুত ছোৱালীয়ে নিজেই ঠিকঠাক কৰে। এই যুগত এইটো নিয়মেই হৈছে।"

শোভাই ভাবিলে মাকে প্ৰলাপ বকা নাই। অন্তৰৰ কথাই কৈছে; কিন্তু অন্তৰৰ কথা যদি ইমান কেইদিন সাঁচি থৈ আজি কিয় কৈছে? গা-টো অসুখ বাবেই আজি মনৰ কথা ওলাই আহিছে?

…শোভাৰ ক'বৰ মন গৈছিল—"মই বুজো মা, কিন্তু মোকো যে এটা জ্বালাই দহি মাৰিছে সেইকথা তুমিতো নুবুজা।"

শোভাই অনুভৱ কৰিলে মানুহ দিনে দিনে বাঢ়ে, তিলে তিলে ডাঙৰ হয়, অজানিতে। কিন্তু একোটা কথাই কেতিয়াবা এক মুহূর্ত্ততে বহুতো শিকাই দি যায়, মাকৰ মুখৰ কথাখিনিতে শোভাই বুজি পালে, মাকৰ বাসনা কি? চিন্তা কিয়? অভিমান কিয়? কি বিচাৰিছে তেওঁ।…

নিজৰ কর্তব্য শোভাই ঠিক কৰি পেলালে। পাওক নিজে অৱহেলা, পাবৰে যোগ্য। মাকতো সুখী হব; সেয়ে হওঁক তেন্তে। ক'লে—"মা তেওঁক মাতি পঠাওঁ তেন্তে।"

—"কাক?"

—"মন্মথক।" শোভাই তীক্ষ্ণভাৱে লক্ষ্য কৰিলে মাকৰ মুখত যেন ক্ষন্তেকলৈ সন্তোষ বিৰিঙিল। অলপ বৈ ক'লে—"কিন্তু মন্মথক এদিন কৈছিলো, আকৌ কেনেকৈ।" বাধা দি শোভাই ক'লে—"তুমি কব নালাগে, মই কম। মই মাতি পঠাম; তুমি নিশ্চিন্ত থাকা।"

শোভাই চিঠিখন ৰাতিযেই লিখিলে। কেইশাৰীমান অকম্পিত দৃঢ়মন লৈ। ৰাতি বিচনাৰপৰা উঠি লেম্পটো বঢ়াই লৈ আকৌ এবাৰ পঢ়ি চালে। ঠিক আছে; লেফাফাটো বন্ধ কৰি পেলালে। পুনৰ আকৌ এবাৰ খুলি পঢ়ে নেকি ভাবি চালে। নাই, দৰকাৰ নাই। সকধনৰ হতুৱাই ডাকত দিয়ালে। তাৰ পিচত নিশ্চিন্ত হৈ ঘৰুৱা কামত লাগিল।

পিচদিনা গধূলিৰ পিচত মন্মথ আহিল, শোভাই মন কৰি আছিল; ওলাই গৈ "আহক" বুলি মাতিলে। মন্মথে ক'লে—"জেঠাইদেউ ক'ত?" "আছে। কিন্তু আপোনাক মতাইছিলো মই।" শোভাৰ কথাৰ ধৰণত মন্মথ যেন অলপ থতমত খালে। "অ পিচে…" শোভাই ক'লে—"মাৰ গাটো বৰ ভাল নহয়। শুই আছে।' আহক ইয়াতে বহিব।"

—"জেঠাইদেউৰ কি হৈছে ?"

—"জ্বৰ হৈছিল। এতিয়া ভাল পাইছে। আহক।" বুলি আগ-কালৰ বাবাণ্ডাতে বহিবলৈ দিলে। বাবাণ্ডাত জ্বলি থকা লেম্পটো কমাই অলপ ভিতৰলৈ থৈ দিলে। কিছুমান কথা আছে যিবোৰ পোহৰত মুখামুখিকৈ ক'ব পৰা নাযায়। শোভাই অলপো সময় নষ্ট কৰিব নোখোজে। মন্মথৰপৰা কেইহাতমান দূৰৈত মূঢ়া এটাত বহি ললে। শোভাৰ এনে লাগিল যেন আজিয়েই নহয় মন্মথৰ লগত এনেদৰে কথা ক'ব লাগিব বুলি বহুত দিনৰপৰাই প্ৰস্তুত হৈ আছে। এটা কথা মন্মথক ক'বই লাগিব। আৰু সেই কথা ক'লেহে শোভাৰ মনত অহৰহ জ্বলি থকা অপৰাধবোধ আঁতৰিব।

শোভাই ধীৰ কিন্তু স্পষ্টভাৱে ক'লে—"আপুনি এদিন মায়ে সোধা কথাৰ একো উত্তৰ নিদিলে। মায়ে তাৰ কাৰণ বুজিব নোৱাৰি চিন্তিত হৈ আছে ; কিন্তু মই বুজিছো। আপুনি তেন্তে মোক ক্ষমা কৰিব পৰা নাই।" শোভাৰ প্ৰশ্নত খন্তেকলৈ বিমোৰ হ'লেও ক্ষন্তেক বৈ মন্মথে লাহেকৈ ক'লে—"নোৱাৰিছো···।" শোভাই ক'লে—"স্পষ্টভাৱে কৈ দিয়াত বৰ সুখী হ'লো ; কিন্তু এটা কথা ভাবি চাব। তেতিয়া অৰ্থাৎ পাঁচবছৰ আগতে মোৰ বয়স বৰ কম আছিল। ধৈৰ্য্য পুৰা হৈছিল নে নাই সন্দেহ।" ধীৰভাৱেই মন্মথে ক'লে—"জানো। সেইবাবেই কথাটো চিন্তা কৰিবলগীয়া হৈছে।"

—"খুলি কওক।"

—"এটি গজালি পাঁচবছৰে এজোপা গছ হৈ পৰিব পাৰে।"

—"কিন্তু বিপৰীতটোও হব পাৰে, অৰ্থাৎ অঙ্কুৰতে মৰি যাবও পাৰে।"

—"এইটো এটা তুলনা মাত্ৰ। সঁচা গজালিৰ ক্ষেত্ৰতকৈ কথাটো সুকীয়া। এইটো হ'ল মনৰ কোনোবা কোণত অঙ্কুৰিত হোৱা ঈৰ্ষাৰ গজালি।"···

বহুপৰ নীৰৱে থকাৰ পিচত শোভাই ক'লে—"অস্বীকাৰ নকৰো।

নির্দয়জনৰ দৰে এই কথাবোৰ কোৱাত কি ভাবিছে নাজানো। কিন্তু মই নিজক নির্দোষী বুলি কব খোজা নাই। আপুনি স্পষ্ট উত্তৰ মাক দিব পাৰিলেহেঁতেন।"

—"নোৱাৰো। তেখেতে মনত কষ্ট পাব।" শোভাৰ ওঁঠত এটা নীৰৱ হাঁহি খেলাই গ'ল। মন্মথে নেদেখিলে। শোভাই ক'লে—"মাক মনোকষ্ট আপুনিও দিব নোখোজে। যোবো সেয়েই বিপদ। কিন্তু মাক আপুনি মনত আনন্দ দিবওতো নোৱাৰে ··।"

শোভাৰ কথাত মন্মথৰ মনলৈ এটা বিদ্রোহৰ ভাব আহি পৰিল হঠাৎ। শোভা আক তেওঁ যেন ভাবেৰেও একে পৰ্য্যায়ৰ হব নোৱাৰে। সেইবাবেই মন্মথে কৈ পেলালে—"নোৱাৰো বুলিতো মই এতিয়াও কোৱা নাই।"

"আপুনি মোক আচৰিত কৰিলে! মাক সুখী কৰিবলৈ গৈ নিজৰ জীৱন অশান্তিময় কিয় কৰিব? মানুহ কেতিয়াবা সাময়িকভাৱে উন্মাদ হৈ যায়। সেই অৱস্থাৰ কোনো কথা বা কামে হয়তো চিৰ-জীৱন মানুহক অনুতপ্ত কৰিব পাৰে।"

মন্মথে ক'লে—"আজি তুমি মোক কিয় মাতি পঠাইছিলা মই বুজিব পৰা নাই।"

"এবাৰ বিশেষ কথা ক'বলৈ। এদিন নহয় এদিন আপোনাৰ আগত ক'বই লাগিলহেঁতেন। অন্তৰত পুহি থকা আত্মগ্লানিৰপৰা মই শান্তি পোৱা নাই। আজিয়েই ক'বলৈ সুবিধা হ'ল। শুনক, পাঁচ-বছৰ আগতে সেইদিনা মোৰ অৱচেতন মনত ঈর্ষাই মূৰ ডাঙি উঠিল। কটোখন হাতত লৈ কোঠালৈ সোমাই গৈছিলো। চিলাই কৰা সক বেজীটো হাতত আছিল; কটোত কাঞ্চনৰ হাঁহি থকা মুখখন দেখি মোৰ ভাব হৈছিল এই মুখখন ইমান ধুনীয়া ন'হৈ বসন্তৰ দাগে কুৎসিত হ'বও পাৰিলেহেঁতেন। চকু দুটা অন্ধ হ'ব পাৰিলেহেঁতেন···। লগে লগে অলপ সময়লৈ মই উন্মাদহৈ পৰিছিলো। অলপ পিচতে সম্বিৎ ঘুৰাই পাইছিলো যদিও মিছাৰ আশ্রয় লোৱাৰ বাহিৰে মোৰ উপায়

আছিল। এয়ে কথা। বিশ্বাস কৰে নকৰে আপোনাৰ ইচ্ছা, ক্ষমা কৰিব পাৰেনে নোৱাৰে আপোনাৰ কথা।"

শোভা ৰ'ল। মন্মথে ভাবিলে কাঞ্চন এজনী অচিনাকী ছোৱালী। ফটো চাই কেৱল চেহেৰাতো দেখাৰ বাহিৰে আন একো পৰিচয় পাবৰ সুযোগ নহ'ল। চিনাকি হ'বৰ হৈছিলহে মাত্ৰ। কিন্তু এই ছোৱালী-জনীক সকৰেপৰাই দেখিছে। অপৰাধ কৰা আৰু অপৰাধ স্বীকাৰ কৰা দুয়োটাই সুকীয়া কথা। সকৰেপৰা দেখা এই ছোৱালীজনীয়ে এটা দোষ কৰিলে বাবেই, তাইৰ গাত একো সদগুণ নাই বুলি ভবাটো ভুল নহ'ব জানো? অকপটে দোষ স্বীকাৰ কৰা এই ছোৱালীজনীক ক্ষমা কৰিব নোৱাৰাটো অনুচিত নহ'ব জানো?

কাঞ্চন আজি এই জগতত নাই। কাঞ্চনৰ সূচীবিদ্ধ বিকৃত ফটোখন মাথো মন্মথৰ বাকচৰ এচুকত পৰি আছে। সেইখন তেনেকৈ থৈ দিয়াৰো একো হেতু নাই—যুক্তি নাই।

তথাপিও মন্মথে একো ঠিক কৰিব নোৱাৰি কেৱল ভাবিছিল; নীৰৱে।

শোভাই অপেক্ষা কৰিলে। তাৰ পিচত ক'লে—"আপুনি বোধ-কৰো একো নকয়। মই যাওঁ, মা অকলে আছে।"

মন্মথ উঠিল; ক'লে—"শোভা ময়ো যাওঁগৈ; কিন্তু মই আকৌ আহিম। জেঠাইদেউক তুমি চিন্তা কৰিবলৈ মানা কৰিবা।"

গহীন খোজেৰে আঁতৰি যোৱা মন্মথলৈ চাই শোভাই মন্মথৰ মনৰ কথা বুজিবলৈ বৃথা চেষ্টা কৰিলে। তথাপিও বহুত দিনৰ মূৰত আজি শোভাৰ মনটো মুকলি লাগি পৰিছিল।●●●

## হিতৈষী / নীলিমা শৰ্মা

নিৰিবিলিভাৱে সময় অকণমান পালেই বন্তাহীৰ এটা চিন্তাই মনটো তোলপাৰ লগাই দিয়ে। অন্য চিন্তা একো নহয়, বন্তাহীৰ জীয়েক বগীৰ চিন্তা। এদিন খুড়ৰ বশৱৰ্তী হৈ বগী মাহীয়েকৰ ঘৰলৈ গৈছিল যদিও, কেইদিনমান থাকিয়েই গুচি অহাৰ কথা। কিন্তু বগী ঘৰলৈ ঘূৰি অহা নাই। তাই মাহীয়েকৰ ঘৰত থকা কেইদিনৰ ভিতৰতে মহাকৰ বৰ টান অসুখ হ'ল। তুৰাবো স্থানীয় হস্পিটালত ভৰ্তি কৰালে যদিও তৃতীয় বাৰ নিবলৈ নেপাওঁতেই ডেকা মানুহজন এদিন ৰাতি বিচনাতে মৰি থাকিল।

খবৰ পাই বন্তাহী বজ্ৰপাত পৰা মানুহৰ দৰে হ'ল। কিন্তু তাই একো কৰিব নোৱাৰে। লোকৰ ঘৰে ঘৰে কটনাকাটি তাই কোনো-মতেহে চাৰিটা প্ৰাণীৰ পেটৰ যোগাৰ কৰে। সুদা হাতেৰেনো ভনীয়েকৰ উকা কপালখন চাবলৈ যায় কেনেকৈ? মৃতকৰ ঘৰত মাত এষাৰ লগাবলৈ যোৱা মানে হাতত বৰতীয়া বস্তু অলপমান নিবই লাগিব। নহ'লে বাই-ভনী বুলি তাইৰ মানটো ৰ'ব ক'ত? তাতে বাটত অহা-যোৱা কৰিবলৈও হাতত কেইবা টকাও লাগে। সাতে-পাঁচে সকলো ভাৱি-চিন্তি তাই আঘোণৰ পকা ধান দাই পোৱা পইচাৰে যাবলৈ বাট চাই ৰ'ল।

নিজৰ জীয়েক এজনীয়েই আছেগৈ যেতিয়া ভনীয়েকে সম্ভৱ বেয়া নেপাব। ভনীয়েকে বায়েকৰ দুখৰ কথা নজনা নহয়। সেয়ে ডাকৰ ল'ৰা অনন্তকে চিঠি এখন দি সকলো বুজাই লিখিবলৈ ক'লে। লগতে আঘোণ মাহত মাক এবাৰ গৈ অহাৰ কথা আৰু কিবা এটা সুবিধা কৰি বগীক পঠিয়াই দিয়াৰ কথাটোও লিখি দিবলৈ বাৰে বাৰে সকিয়াই থাকিল।

অনন্ত শান্তি হ'ল। অনন্ত বতাহীৰ বৰ লায়েকৰ ল'ৰা হৈ ডাঙৰ হৈছে। স্থানীয় স্কুলৰ সি দশম মানৰ ছাত্ৰ। স্কুলখনৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে তাক বৰ মৰম কৰে। দুবেলা দুসাজি পেট ভৰাই খাবলৈ নোপোৱা আৰু সদায়ে 'চেকেণ্ড-হেণ্ড' কাপোৰ পিন্ধি ডাঙৰ হোৱা অনন্তৰ চিন্তা-চৰ্চা বহুত উন্নত পৰ্যায়ৰ। দুখুনী বিধবা মাকৰ চাৰিটা সন্তানৰ ভিতৰত সি আটাই কেইটাতকৈ বুজা ল'ৰা। স্কুলৰ আৱশ্যকীয় চাহিদা পূৰণ কৰিব নোৱাৰে বুলি অজুহাত দেখুৱাই অনন্তৰ ভনীয়েক বৰ্ণায়ে অষ্টম শ্ৰেণীলৈ প্ৰমোচন পাইও স্কুললৈ নোযোৱা হ'ল।

মাকৰো উপায় নাই। তাতে ছোৱালীজনীও বৰ সুবিধাজনক নহয়। মুখ নহয় ভাইৰ লাওপাত কচুপাত। জন্মদাতৃ মাকেও তাইলৈ সমীহ কৰিহে চলে। স্কুল এৰি ঘৰতে যি পাৰে ষ্টাইল দি ওলাই সোমাই ফুৰিবলৈ ললে। সেয়ে স্কুললৈ বহুদিন নোযোৱা দেখি স্কুলৰ শিক্ষক এজন এদিন ঘৰলৈকে আহি অনন্তৰ উদাহৰণ দি তাইক নানা ধৰণৰ গালি পাৰিলে, "ইমান কষ্টৰে পঢ়া-শুনা কৰা দেখি আমি জানো তাক নোচোৱাকৈ আছোঁ? তোকো আমিয়েই চাম। তই অযথা ঘৰত সোমাই থাকি কি কৰিবি? কালিলৈৰপৰা স্কুললৈ যাবি। আমি বাক তোৰ বহী-কিতাপ যোগাৰ ধৰিম।"

তাকে শুনি অনন্তই গহীনাই মাত লগালে, "চাৰ, তাইৰ কিতাপৰ অভাৱ হোৱা নাই নহয়। বৌটিয়ে বহীখিনিও যোগাৰ কৰি দিছিল। তাই নিজেহে যোৱা নাই।"

"হয় নেকি? ঠিক আছে। কালিলৈৰপৰা বাক যাবি।"

এইদৰে কৈয়েই শিক্ষকজন গ'লগৈ। মানুহজন আঁৰ হবলৈহে পালে অত সময়ে মহুৰা ফুৰাই থকা বতাহীয়ে লাহেকৈ মাত লগালে, "শুনিলি নহয়, চাৰে কি ক'লে? তই কালিলৈৰপৰা স্কুললৈ যাবি। মোৰ শালত থকা চাদৰখন আৰু কেইটামান মহুৰা বলেই ওলাব। তয়ে সেইখন পিন্ধিবি। লাগে যদি মোৰ সামৰণ মেখেলাখনো লবি। মই পিচে-পৰে পাৰিলে এখন বৈয়ে ল'ম।"

কথাবাৰ ক'বলৈহে পালে তাই ৰণচণ্ডী মূৰ্তি ধৰি গৰজি উঠিল। "আজিকালি ছোৱালীবোৰে তাঁতত বোৱা সেই দগধা চাদৰবোৰ নিপিন্ধে নহয়। বজাৰৰপৰা কিনা ফিৰ্ ফিৰিয়া চাদৰ পিন্ধিহে যায়। সেই ঘৰুৱা চাদৰখন লৈ মই স্কুললৈ গলোঁৱেই...।"

"নাযাব যদি থাকিবি। ৰবকৈ মুখ নবজাবি। অনন্তই লোকৰ ঘৰৰপৰা খুজি আনি ফটা-ফুটা চিলাই কৰি দিয়া পেণ্ট-চোলা পিন্ধিয়েই এইবাৰ সি স্কুল শেষ কৰিব। তোৰ নতুনকৈ বৈ দিয়া চাদৰখন লৈ যাবলৈও লাজ হ'লনে? হেৰ', ক'ৰ বৰ মানুহৰ জীয়েক ওলালি অ'; তোৰ গতি-গোত্ৰ হ'লে মই ভাল দেখা নাই। মোৰ চকু নাই বুলি নেভাবিবি। পাউদাৰৰ লগত সেন্দুৰ মিহলাই গালত ঘঁহি তিনিআলিত বৈ ফুৰা দেখিয়েই মই জানিছো—তোৰ মনৰ খবৰ।"

ইমান সময় নিতাল মাৰি শুনি থকা বগীয়ে আজিকালি প্ৰায়বোৰ ল'ৰা-ছোৱালীৰ মুখত অহা জীৱনৰ চৰম সত্য কথাষাৰকে উচ্চস্বৰে ঘোষণা কৰিলে, "স্কুললৈ নেযাওঁ যা, কি কৰিব পাৰিবিনো? ভালকৈ খুৱাব-পিন্ধাব নোৱাৰ যদি জন্ম দিছিলি কিয়?"

স্তম্ভিত হৈ গ'ল বতাহী। মহুৰা কিটা হাতত লৈ উঠিব খোজা মানুহজনী আকৌ আগৰ ঠাইতে বহি পৰিল।

কথাষাৰ শুনি অনন্তই খঙটো দমাই ৰাখিব নোৱাৰি ঠাইতে পোৱা তাঁতৰ কাপমাৰি এডালেই পূৰ্ণহতীয়াকৈ ছয়োটা ভৰিতে ছচাট লগাই দি ক'লে, "তই এনেকুৱা হবি বুলি ভাবি বৌটিয়ে জন্ম দিছিলে নেকি? দুশ্ৰেণী পঢ়িয়েই সেইষাৰ কথা কলিনে! মুখে মুখে উত্তৰ দিবলৈ লাজ লগা নাই? ভালে ভালে আঁতৰ হ।"

বগী আঁতৰ নহ'ল। চোতালতে বহিলৈ তাই হিয়ালি-জিয়ালিকৈ কান্দিবলৈ ধৰিলে। যেন সদ্য বিবাহিতা পত্নীয়েহে গিৰিয়েকৰ মৰা শটো আগতলৈ কান্দিছে। উপায়ান্তৰ হৈ মাকেহে আকৌ বুজাব লগা হ'ল।

কিন্তু অবুজনক বুজোৱা টান। তাই মৈমান নহ'ল। মাজ

চোতালতে যি বহিল অৱচৰ নকৰা হ'ল। তেনে সময়তে সেই সুযোগকণ মিলিল।

বগীৰ মাহীয়েকৰ ঘৰৰ ওচৰতে সিহঁতৰ গাঁৱৰ জোনাকী বায়েক পৰিছে। জোনাকী বায়েকক ঘৰলৈ যাবলৈ ভায়েক ৰূপহ সেই সময়তে সাজি-কাচি ফিট্‌ফাট্ ডেকাটো হৈ বগীৰ চোতালত উপস্থিত হ'লহি। ৰূপহ বায়েকৰ ঘৰলৈ যাবলৈ আহিছে বুলি কোৱাতহে বগীৰ গাটো লৰিল। চকু দুটা দুহাতেৰে মোহাৰি লৈ তালৈ চাই ক'লে, "বৌটি, ৰূপহ ককাইদেউৰ লগত মইয়ো মাহীহঁতৰ ঘৰলৈ যাওঁনে? মাহীয়ে সদায় মাতি থাকে।"

বতাহী আকৌ দ্বিতীয় বাৰলৈ স্তম্ভিত হ'ল। তথাপিও গহীনাই মাত লগালে, "তই যাওঁ বুলিলেই মই পঠাওঁ কেনেকৈ? মোৰ হাতত আজি সিকি এটাও নাই।" ৰূপহে তপৰাই মাত লগালে—'বাৰ যদি ওল্যা, বাচৰ ভাড়া ময়ে দিম বাৰু।'

বতাহীয়ে পোন্দোৰাকৈ বগীলৈ চালে। কিন্তু বগী উচাং মাৰি ভিতৰ সোমাই গৈ পোচাক পিন্ধিবলৈ লাগিল। মাকে শৰ্মাদেউৰ ঘৰত কাম কৰিবলৈ যাওঁতে শৰ্মাদেউৰ জীয়েকে নিপিন্ধাকৈ থোৱা ফুলাম চুৰিদাৰ এযোৰ খুজি আনি বগীক দিছিলহি। ধনী মানুহৰ ছোৱালীয়ে আজিকালি তেনে ডিজাইনৰ নিপিন্ধা হৈছে। কিবা বোলেনে বেলেগ ডিজাইন ওলাইছে। কিন্তু বগীৰ বাবে সেইযোৰ উত্তম পোচাক। সেই পোচাকযোৰকে পিন্ধি বগীয়ে আগলৈ-পাচলৈ চাই চাই মাকৰ ওচৰ পালেগৈ। খোন খোনাই মাকক ক'লে, "আজিকালি এইবোৰৰ লগত ওখ ওখ জোতাহে পিন্ধে। মই টাউনখনৰ মাজেৰে এই ফটা চেণ্ডেলযোৰকে পিন্ধি যাব লাগিব। আনিছিল-আনিছিলি একেবাৰেই পুৰাই ড্ৰেচটো নানিলি কিয়? তাইৰ চাপে ওখ জোতা নোহোৱাকৈ আছেনে?"

বতাহীয়ে একো নেমাতিলে। তৃতীয়বাৰলৈ জীয়েকলৈ আকৌ এবাৰ পোন্দোৰাকৈ চালে। নিজৰ জীয়েকজনীকে বিশ্বাস কৰিবলৈ টান পোৱা বতাহীয়ে দেখিলে বগীৰ গাল দুখন সেন্দুৰৰ দৰে ৰঙা।

বগী, বগী হোৱালী এটা, কিন্তু তেজাল নহয়। নিশ্চয় আজিও তাই পাউদাবৰ লগত সেন্দুৰ মিহলাই ঘঁহিছে। ঠায়ে ঠায়ে সেয়ে বৰ বঙা হৈ আছে। তাৰ পিছত তাইৰ চকু পৰিল নীৰজ চেপাৰবা পেণ্টটোৰ ওপৰত পিন্ধা চোলাটো টান হৈছে। চোলাটো লিপিট খাই ধৰাত ফিট্ফিটিয়া বুকুখন বেয়া ধৰণেৰে ওলাই যোৱাত মাকৰ বৰ বিতৃষ্ণা লাগি আছিল। খন্তেকে কপহকে কিবা এবাৰ টানকৈ কব খোজোতেই তাই দেখিলে কপহে তাইৰ বুকুখনলৈকে তন্ময় হৈ চাই আছে। মাকৰ নিজৰে কিবা লাজ লাগি গ'ল। খন্তেক পিছতে কপহে মাত লগালে, 'খুড়ীদেউ আমি তেন্তে যাওঁ।'

বত্তাহীৰ মুখৰ মাত নোলাল। আগে আগে কপহ আৰু পিছে পিছে বগী গৈ থাকিল।

চ'ৰাঘৰতে বাছনি পৰীক্ষালৈ পঢ়ি থকা অনন্তই মাকলৈ চাই লাহেকৈ মাত লগালে—"এই লম্পটটোৰ লগতে তাইক যাবলৈ দিলি নহয় ?"

বত্তাহী নিৰুত্তৰ। লাজ ঢাকিব নজনা আজিকালি ল'ৰা-ছোৱালীবোৰৰ দৃপ্ত চকুলৈ অহাৰ লগে লগেই তাই নিজৰে লাজ লাগি আছিল। ফিচিকা কপাহী চাদৰখনকে নিজৰ গাটোত ভালকৈ মেৰিয়াই ললে।

সেই দিনাই যি গ'ল, বগী আৰু ঘৰলৈ ঘূৰি অহা নাই।

নিজৰ দুৰৱস্থাৰ বাবে এবাৰ খা-খবৰ এটা কৰি আহিবলৈও তাই সুবিধা কৰিব পৰা নাই। কিয়নো কেইবা টকাও হাতত লাগে। যোৰহাট টাউনৰপৰা প্ৰায় দুমাইলমান গাওঁখনলৈ সোমাই যাব লাগিব। ৰিক্সাত যোৱাৰ সুবিধা আছে যদিও তাইৰ পক্ষে ৰিক্সাত উঠাও সহজ নহয়। আহোঁতে-যাওঁতে বাচৰ ভাড়া টকা আঠটাকৈ গোটাবলৈ বহুত চিন্তা কৰিব লাগে। তাতে একেবাৰে অকলশৰে কাহানিও যোৱা নাই। এইবোৰ চিন্তাকে কৰি থাকোতেই বত্তাহীয়ে এদিন বগীৰপৰা চিঠি এখন পালে। "মহাদেউ চুকুওৱাত শাহীইঁতৰ বৰ বেয়া লগাত লোক কেইমাহমান বখাইছে। গতিকে তইঁতি চিন্তা

নকবিবি। মোক নিবলৈও মানুহ পঠাব নেলাগে। মই সুখতে আছোঁ।"

মাকৰ কথা বাদেই, চিঠি পাই অনন্তও হতবাক হ'ল। মাহীয়েকৰ অৱস্থা কেনেকুৱা সিহঁতি নজনা নহয়। সিহঁতৰ খাৱৰীয়াও বেছি। ছোৱালীয়েই চাৰিজনী, ল'ৰাহে এটা। ছোৱালী কেইজনী সক হৈয়ে আছে। এজনীহে গাভৰু হৈছে হৰলা। মহাকেনো কি কৰি সেই সোপাক পোহপাল দিছিল কোনেও নেজানে! কিন্তু ৰূপহৰ মুখত এইবাৰ কথা সিহঁতে প্ৰায়ে শুনে যে, গাঁৱৰ মানুহ সিহঁতৰ ঘৰলৈ বৰকৈ নেযায় যদিও পুৱা-গধূলি সিহঁতৰ ঘৰৰ পদূলিত চাইকেল, ভট্‌ভটীৰ অভাৱ নাই। অহা আহে যোৱা গৈ থাকে।

দিন যোৱাৰ লগে লগেই বগীৰ চিন্তাই বতাহীক খুলি খুলি খাইছে। তাই ভাৱে, অভাৱী মানুহৰ হাতী এটা পোহনে মানুহ এটা পোহনে একে কথা। তাতে লোকৰ গাভৰু ছোৱালী এজনীৰ দায়িত্ব লোৱাটোও কম কথা নহয়। মতা মানুহ নাইকীয়া ঘৰখন যেতিয়া নিশ্চয় ভনীয়েক তাইক লৈ আৰম্ভ। অৱশ্যে ভনীয়েক তাইৰ দৰে খেতি-পথাৰলৈ ওলাব নেলাগে। এতিয়ামানলৈ তাই চাগে কবলৈ তুলিবলৈ পাহৰিলেই। টাউনৰ ওচৰৰ গাঁও, খেতি বুলিবলৈ নায়েই। আজিকালি প্ৰায় মানুহেই খেতিমাটিবোৰ বিক্ৰী কৰি দিয়াত চাকৰিয়াল মানুহবোৰে ঘৰ সাজি সাজি মাটিবোৰ শেষ কৰি পেলালে। ভনীয়েকক বিয়া দিওঁতে ভাতে-ওঁৰালে থকা ঘৰলৈকে দিছিল। শহুৰেকৰো বহুত মাটি সম্পত্তি আছিল। বৃদ্ধ বয়সত বুঢ়াক এটা পুতেকেও নোচোৱাত মাটিবাৰী সোপাকে বিক্ৰী কৰি বুঢ়াই মদে-ভাতে সমানে খাই মৰিল। বন্ধ-কাজিয়া কৰি পুতেককিটাই ভেটীৰ মাটিকণহে পালে। আটাই-কেউজন পুতেকেই বাপেকক বৃত্তিকে লোৱাত কোনোজনৰ ভেটীকণো নৰ'ল। বতাহীৰ ভনী-জোঁৱাইও সেই টুপিৰ বাবেই পেটত ঘাঁ লাগি মৰিল বুলিহে তাই জানে। তথাপি মানুহটো জীয়াই থাকোতে যেনেতেনে পোহপাল দিছিল। এতিয়া চলিছে কেনেকৈ

সেইটো এটা ডাঙৰ প্ৰশ্ন। অথচ জীয়েকে মাহীয়েকৰ ঘৰ সুখতে আছোঁ বুলি লিখিছে।

ভাবি থাকোঁতেই বতাহীৰ চিন্তা দুগুণে বাঢ়ি গ'ল। নিজৰ অক্ষমতাৰ কথা ভাবি শোকে খুন্দা মাৰি ধৰিলে। পুতেক অনন্তকো এই কথাবোৰ কবলৈ মন নাযায়। কিয়নো এইবাৰ তাৰ হাইস্কুল শেষ হ'ব। বাছনি পৰীক্ষাৰ বাবে সি যিমান পাৰে কষ্ট কৰিছে। স্কুলৰ শিক্ষক সকল আহি থাকি সদায় একেটা কথাকে কয়। "তোৰ ওপৰতহে আমাৰ স্কুলখনৰ ভৱিষ্যতটো নিৰ্ভৰ কৰিছে। গতিকে তই কিবা অসুবিধা পালেই আমাক জনাবি। পঢ়া ক্ষতি সমুলি নকৰিবি।" সেয়ে মাকেও তাক একো কথা চিন্তা কৰিবলৈ নিদিয়ে। কিন্তু মাকৰ বিপদ এটা হ'লে তাৰ বাদে আনক কবলৈ নাই। দেউতাক ঢুকুওৱাৰ পিছৰেপৰা সিয়েই সুখ-দুখ মুৰপাতি লৈছে বুলিহে। নহ'লে বতাহীৰ অৱস্থা পানীত হাঁহ নচৰা হ'লহেঁতেন।

পিৰালিৰ চুকতে জুপুকা লাগি বহি চকুপানী টুকি থকা মাকক অনন্তই পঢ়া টেবুলৰপৰাই লক্ষ্য কৰিলে। এটা সময়ত সি পঢ়া টেবুলৰপৰা উঠি আহি মাকক মাত লগালেহি।

"তোৰ আকৌ কি হ'ল ?"

"একো হোৱা নাই বোপাই, এই ছোৱালীজনীৰ চিন্তাই মোক জুকলা কৰিছে। বাপেকী নাইকীয়া ল'ৰা-ছোৱালী কেইটাৰ লগত মোৰজনীও এৰি দি বৰ গৰ্হিত কাম কৰিলে নেকি ? কপহক সুধিলেও একো নকয়। তাৰ বা কি মতলব ! তোৰ পৰীক্ষাটোকে হৈ যোৱা হ'লে....।"

"বাৰু চিন্তা কৰি নেথাকিবি আৰু পোন্ধৰ দিনৰ ভিতৰতে মোৰ পৰীক্ষা শেষ হৈ যাব। তেতিয়া এদিনৰ বাবে ময়ে গৈ ভাইক লৈ আহিমগৈ।"

চাই থাকোঁতেই পোন্ধৰটা দিন পাৰ হৈ গ'ল। অনন্ত এদিন মাহীয়েকৰ ঘৰলৈ যাবলৈ ওলাল। মাকেও ভনীয়েকৰ ঘৰলৈ যি পাৰে টোপোলা বান্ধিলে। ন বুলি এসাজ খাব। ভনীয়েকেনো ক'ত ন

ধন খাবলৈ পাইছে। তাতে আঘোণৰ পথাৰত ধান দাই তাই ধান অলপমানৰ লগতে টকা অলপমানো পাইছে। বোৱা, তোলা কৰা কেইদিনতে তাই বছেৰেকৰ খৰছটো যোগাৰ কৰি লয়। হাত দুখনৰ বাবেই তাই গিৰিয়েক ঢুকাৱৰেপৰা কাৰো ওচৰত হাত নপতাকৈ খাইছে। বাপেকৰ নাইকীয়া ল'ৰা-ছোৱালী যদিও আটাই কেইটাকে পঢ়ুৱাইছে। বগীয়ে নিজৰ দোষতহে স্কুল এৰি গৈছে।

সেইদিনা আবেলি ভাগতে অনন্ত গৈ মাহীয়েকৰ ঘৰ ওলালগৈ। সি ডাঙৰ হৱৰেপৰা মাহীয়েকৰ ঘৰ দেখাই নাই। মাহীয়েকৰ ঘৰৰ আগৰ আলিটোত সোমায়েই সি তবধ মানিলে। ক'তো খেৰ-বাঁহৰ ঘৰ এটা দেখিবলৈ নাই। আগৰ হোলা মাটিবোৰতো ডাঙৰ ডাঙৰ বিল্ডিং হ'ল। সি আলিটোকে ধৰিব পৰা নাই। এটা কথাই তাৰ মনত আছিল যে মাহীয়েকৰ ঘৰৰ আগৰ প্ৰধান আলিটোৰ মাজেদি এটা ' সৰু আলিয়েদি সোমাই যাব লাগে। সৰু আলিটোৰেদি সোমাই কেঁকুৰী এটাতে মাহীয়েকৰ ঘৰ। সেইমতেই সিও আগবাঢ়িল।

প্ৰথমে তাৰ সংকোচ লাগিছিল যদিও সেই কেঁকুৰীটোৰ খেৰৰ ঘৰটোতে সি সোমাই দিলে। জুপুৰী ঘৰটোৰ পদূলিত শাৰী শাৰী চাইকেল, স্কুটাৰ, হিৰ'মেজেষ্টিক আদি দেখা পালে। মাহীয়েক চোতালতে বহি আছে। ল'ৰা এটা যোৱা দেখি আটাইকেইজনে তাৰ মুখলৈ চাইছেহে হয়, কিন্তু কোনেও চিনি পোৱা নাই। সিহে মাহীয়েকক চিনি পালে। "মাহী কি খবৰ? চিনিকে পোৱা নাই হবলা? আজি কিবা সকাম-নিকাম পাতিছে নেকি?"

"অ' এইটো অনন্ত নহয়নে? আহ, আহ, বহহি...। চাওঁ এই মূঢ়াটোতে বহ। বৰ এটা হলি অ'। সেয়ে প্ৰথমে চিনিয়েই পোৱা নাছিলো। তাৰ পিছত অকণমান সময় বৈ খোকোজা লগাকৈ ক'লে—ক'বনো সকামটো পাতিছো অ...।"

চোতালতে বহি থকা কেইজনে তালৈ ৰ' লাগি চালে। মাহীয়েকৰ হাতলৈ টোপোলাটো আগবঢ়াই দি সি সুধিলে, "বগী ক'ত?"

"আছে, আছে—আবেলি কিবা খোৱা-বোৱাৰ যোগাৰ কৰিছে। তই ইয়াতে বহচোন বোপাই! আগতে চাহ এটোপাকে খাই ল।"

মাহীয়েক ভিতৰ সোমাই গ'ল। অনন্ত মূঢ়াটোতে জুপুকা লাগি বহি থাকিল। ইমান দিনৰ মূৰত ককায়েকটো আহিছে, ভনীয়েক-জনী ওলাই অহা নাই কিয়? আচৰিত! সি একো বুজি নেপাই ভিতৰ সোমাই গ'ল।

ভিতৰ সোমাই গৈ মাহীয়েকে কাবোবাক ফুচ্ ফুচাই কিবা এষাৰ কোৱা সি শুনিলে। ঘৰটোৰ ভিতৰত দুটা খোঁটালী। প্ৰথমটোত চকী দুখন, টেবুল এখন আৰু সৰু বিচনা এখন। দ্বিতীয়টো খোঁটালী সৰু যদিও বেৰ দি আবৃৰত ৰাখিছে। দাঁতিলৈ চালিৰ দৰে থকাকণেই ৰান্ধনীঘৰ। মাহীয়েক তালৈকে চাহ কৰিবলৈ সোমাই গ'ল;

অনন্ত এখোজ দুখোজকৈ আগবাঢ়িল দ্বিতীয়টো খোঁটালীলৈ। মাজতে বৈ দ্বিতীয় খোঁটালীলৈ সি বেৰৰ ফুটাইদি জুমি চালে। বগী আৰু মানুহ এজন বিচনাখনৰ ওপৰতে বহি আছে। বগীয়ে তাক কিবা বাকি দিছে। মানুহজনে বগীক ওচৰ চপাই আনি কৈছে, ক... ক...পা · তুমি ককায়েৰ আ · আ...হিলেও...তুমি নে · নে...যা... বা। ইয়াতে থা · থাকা। নহ'লে আমাক কোনে আনন্দ দিব। আহাচোন মোৰ ক · ক · পা...! "আজিলৈ এৰি দিয়ক। ককাইদেউ কেনেবাকৈ সোমাই আহিব। মই ওলাই যাওঁ। আপুনি পিছ দুৱাৰেদি ঘৰলৈ যাওঁকগৈ।"

অনন্তৰ ধৈৰ্য্যৰ সীমা হেৰাই গ'ল। মানুহজনৰ হাতৰপৰা সজোৰে ওলাই অহা বগী তাৰ মুখা-মুখী হ'লহি। ক...ক-ককাইদেউ ...বুলি মাতোতেই অনন্তই তাইৰ গালত এচৰ লগাই দিলে। "ইয়াকে কৰিবলৈ আজি দুমাহে নাম সলাই ইয়াত আছহি। ভালে ভালে ঘৰলৈ ব'ল...বজ্জাতি—।

এইদৰে ক'লে যদিও অনন্তৰ খঙ্ টো নদমিল। পুনৰবাৰ তাৰ খং উঠি আহিল। ওচৰতে পোৱা দুৱাৰ ডাং এডালেই তাইক উৰাই-ঘূৰাই মৰিয়াবলৈ ধৰিলে। মাহীয়েকে অৱশেষে এনেকুৱা অঘটন

ঘটাৰ বুলি ভবাই নাছিল। যিহেতু নিজৰ ডাঙৰ ল'ৰাৰ ভূমিকা বায়েকৰ ল'ৰাৰ লগত অকণো নিমিলে। কিয়নো তাইৰ ডাঙৰ ল'ৰাই নিজৰ ঘৰলৈ তেনে মানুহ গোটাই আনে। নিজে কুটাবৰ পিছত বহি আছে। দৰকাৰ হ'লে বগী ( ৰূপা ) থকাৰ কথাও কয়। পিছত সেই কথাবোৰ মাকৰ আগত কৈ যহ কৰে।

তেনেস্থলত অনন্তৰ দৰে সৎ চৰিত্ৰৰ ল'ৰা বায়েকৰ থকাটো তাইৰ চিন্তাই ঢুকিকে নেপাইছিল।

মাতাল কেইটাই সমস্যা দেখি যেনি-তেনি দৌৰ মাৰিলে। অনন্তই মৰিয়াই মৰিয়াই বগীক বাহিৰলৈ উলিয়াই আনিলে। বাহিৰত হুলস্থুল শুনি ভিতৰৰ পৰা চলকুচীয়াই চলকুচীয়াই বিচনাৰ ওপৰত বহি থকাজন ওলাই আহি অনন্তলৈ চাই ক'লেহি, ৰূ-ৰূ-পাক নেমাৰিবি। ঐ - ঐ - মই কোন জাননে জান নে ? মই মই মহৰি ম - হ - -ৰি। জনাৰ্দন- - ৰ পুতেক। মই···মই···ৰূ···ৰূ - -পাক ভাল পাওঁ।

অনন্তই হিতাহিত জ্ঞান হেৰুৱাই পেলালে। বগীক চোতালতে ঘটালি বহুৱাই থৈ মাতালটোলৈ চোঁচা ললে। হাতত পোৱা কাঠ-ডালেই তাক এনেদৰে মৰিয়ালে যে তাৰ নাকে-মুখে তেজ বাহিৰ হৈ মাটিত পৰি গ'ল। তেনে মানুহৰ ঘৰৰ মাতালৰ লগত লগা কাজিয়া ভাঙিবলৈ কোনো মানুহ আগবাঢ়ি নাহিল। আঁতৰৰপৰাই দুই একে চিঞৰ-বাখৰত ভুমুকা ভুমুকি কৰিলে যদিও ওচৰ চাপি আহিবলৈ কোনেও ইচ্ছা প্ৰকাশ নকৰিলে।

অৱশেষত মাহীয়েকো থৰ্ থৰ্ কৰে কঁপিছে। এটা সময়ত উপায়হীন হৈ টেটুফালি চিঞৰিবলৈ ধৰিলে, "বাইজ! কোন আছে একৰাই দিয়কহি অ' মানুহটো মৰিব এতিয়া। আহক অ' বেগেতে আহক। মানুহটো মৰিব এতিয়া। মুখেৰে তেজ ওলাই গৈছে। আহক, অ' আহক - ।"

অনন্তই তিৰ্য্যক দৃষ্টিৰে চাবিওফালে চালে—নাই, মাহীয়েকক সহায় কৰিবলৈ কোনো অহা নাই। তেনেহলে এইখন গাঁৱতো জীয়া

মানুহ আছে ? বিবিলাক মানুহে ঘৃণা কৰিব জানে ? তেনে কিয় ডেকাবোৰ ওলাই আহিব পৰা নাই ?

অনন্তই পুনৰ চিঞৰি উঠিল। "আহ আহকহক। এই নৰক কুণ্ডত জুই লগাই দিওঁ আহ·· আহকহক। গাঁৱৰ ডেকা ল'ৰা ; তহঁতৰ বল, শক্তি-বিবেক সকলো জলাঞ্জলি দিলি নেকি ? এতিয়াই ওলাই আহ ; এই নৰক কুণ্ডত জুই লগাই দিওঁ। দেখা নাইনে এখন ঘৰৰ পতনে হাজাৰজনৰ জীৱনলৈ পতন কঢ়িয়াই আনিছে। আহ, আহক ! ডেকা ল'ৰা আছ যদি ওলাই আহ—জুই লগাই দিওঁ। তহঁতৰ ভয় নাই মই আছোঁ। এই টাউনৰ ওচৰৰ ডেকা-ল'ৰাবোৰ কেনি গ'ল অ'।

ডেকাবোৰৰ শক্তি নোহোৱা হ'ল নেকি ? জুপুৰী এটাত থকা চুলাই মদৰ ঘাটিটো উঠাবলৈ ? নাই নাই ডেকা-ল'ৰা আটাইবোৰবে চকু কুটিল। ব-জাতি ছোৱালী। ব'ল বেগেতে ঘৰলৈ ব'ল ! মই বাপেকে আজি দেখুৱাই দিলো ; আমাৰ গাঁৱত এটা ডেকাল'ৰা আছে। এতিয়াই নহয়, চাই লবিহঁক। মই পুলিচ আনি তহঁতৰ নৰক কুণ্ড উঠাব পাৰেঁ'ানে নোৱাৰোঁ—ব'ল···ব'ল।"●●●

# জয় পৰাজয় / নীলিমা বৰঠাকুৰ

অৰুণ বৰ অপ্ৰস্তুত হৈছিল।

সকলো মানুহেই যেন আজি তাক কেন্দ্ৰ কৰি বহুত আলোচনা কৰিছে। তীব্ৰবেগেৰে অৰুণে তাৰ স্কুটাৰ চলাই আনিছে। দুৰ্বাৰ গতিত স্কুটাৰ চলোৱা অৰুণক যেন আজি কিবা ঐশ্বৰিক শক্তিয়েহে পৰিচালনা কৰিছে। আজি যেন অৰুণে বাটত লগপোৱা মানুহবোৰে কোৱা—"ওলালে ?" "আহিলে ?!" কেতিয়াবা আকৌ কোনোবাই "আজি দেখোন বৰ সোনকালে আহিলে।" কেতিয়াবা আকৌ "ভালদৰে কাম-কাজ চলিছেনে ? বহুতদিন লগ পোৱাই নাই, ইয়াত নাছিল নেকি ?" কিমান যে প্ৰশ্ন। কাৰোবাক হাঁহিৰে, কাৰোবাক মূৰ দুপিয়াই উত্তৰ দি যায় অৰুণে। কিছুমানৰ ক্ষেত্ৰত আকৌ কেতিয়াবা কেতিয়াবা স্কুটাৰৰপৰা নামি দুই এক মিনিট কথাও পাতিব লগা হয়। কেতিয়াবা আকৌ এনেকুৱা একোজন লগ পাই যে এৰিয়েই দিব নোখোজে। ঘনে ঘনে হাতৰ ঘড়ী চাই চাইহে অৱশেষত স্কুটাৰত উঠিব পাৰে। আজি কিন্তু অৰুণৰ এইবোৰ একোলৈকে ভ্ৰূক্ষেপেই নাই। সদা নম্ৰ, সদালাপী, ভদ্ৰ অৰুণে সম্ভাষণ বিনিময় নকৰাকৈ কেতিয়াও নাথাকে। কিন্তু, কিন্তু আজি অৰুণৰ চিনাকি মানুহবোৰলৈ যেন ভয় লাগিল। সিহঁতে যদি কিবা প্ৰশ্ন কৰে, সি বাক কি উত্তৰ দিব ? যদি ঘৰৰ খবৰ সোধে তেতিয়া তাৰ প্ৰতিক্ৰিয়া হয়তো তাৰ ব্যৱহাৰতেই ধৰা পৰি যাব। কেক্ৰুয়াৰী মাহৰ মনোৰম আবেলিটো তাৰ মে' মাহৰ প্ৰখৰ ৰ'দৰ তাপত গা ঘামি যোৱা উত্তপ্ত আবেলিটোৰ লগত তুলনা কৰিবলৈ মন গ'ল।

বিয়াৰ আগতে মানে ব্যৱসায়ত নমাৰ পিচৰেপৰা অৰুণে ঘৰত

খোৱাটো বাদ দি দিলে। বাতিও কেতিয়াবা আনকি বাহিৰতেই খাই আহে। মিছামিছিকৈ তাৰ কাৰণে ঘৰৰ বাকীবোৰ মানুহ ভাত খাবলৈ বৈ থকাটো সি ভাল নাপায়। অৱশ্যে বিয়াৰ পাছত সি প্ৰায় দুপৰীয়া ঘৰলৈ ভাত খাবলৈ আহে; নহ'লে নূপুৰে তাক বেয়া পায়। অৱশ্যে ব্যৱসায়ৰ খাতিৰত দূৰলৈ গ'লে বেলেগ কথা। সি জানে তাক ঘৰলৈ অনাৰ এইটো কৌশল নূপুৰৰ।

সক চহৰখনৰ কেইবাটাও গুৰুত্বপূর্ণ পথৰ সংযোগস্থল চাৰি-আলিটোত থকা মনোহৰ দাইতিৰ চাহ-ভাতৰ দোকানখনতেই সি দুপৰীয়াৰ সাজটো চলাই দিয়ে। ক্ৰমে ক্ৰমে "লাইন হোটেললৈ" ৰূপান্তৰিত হোৱা দোকানখনতে দুই-তিনিখন চাপাতি, এবাতি মাটি-মাহৰ তৰকা, লগতে কেতিয়াবা এটা কণী, আকৌ কেতিয়াবা পাঁঠা বা খাহী, কুকুৰাৰ কেইটুকুৰামান মাংসৰ সৈতে জোল। খোৱা-বোৱাত সি খুব সংযত। বেচি নিমখ, মিঠা বা ষ্টার্চজাতীয় বস্তু সি একেবাৰেই বেচিকৈ নাখায়। যিহে আজিকালি মানুহবোৰৰ বেমাৰে লগ লৈছে। চাহো নাখায় বেচিকৈ, মাত্ৰ পুৱাই একাপ খায় তাকো চেনি নিদিয়াকৈ। বিয়াৰ পিচত অৱশ্যে তাৰ দোকানলৈ অহাটো কমিল। ঘৰখনে বেচিকৈ টানে। মনোহৰ দাইতিয়ে তাক বৰ ভাল পায়। মনোহৰ দাইতি তাৰ কোনো সম্বন্ধীয় মানুহ নহয়, পাতিলোৱা দাইতিহে। তেজৰ সম্বন্ধ নাথাকিলেও যে মানুহে মানুহক ইমান ভাল পাব পাৰে, মৰম কৰিব পাৰে, মনোহৰ দাইতি আৰু তাক নেদেখিলে কোনেও বুজিব নোৱাৰে। আগতে বিশেষ লেঠাত দুদিনমান দোকানলৈ নাহিলেই সোধে—"কি অ' অৰুণ, তই দেখোন আজিকালি দোকানলৈ নহাই হলি। তোৰ পৰাই দেশৰ বহুত কথাই গম পাওঁ।" হয়তো অৰুণে মনোহৰ দাইতিৰ দোকানত এঘণ্টামান জিৰনি লয়। হাতত 'বিপুল' এজেন্সিৰপৰা লৈ অহা বাতৰি কাকত পঢ়ে। মনোহৰ দাইতিৰ দোকানৰ "টু-ইন-ৱানত" গান, বাতৰি কিবাকিবি শুনে। এতিয়া মনোহৰ দাইতিৰ "পর্টেবল" টেলিভিচন এটাও আছে। মানুহজন বৰ জ্ঞান-পিপাসু। আন্দোলনৰ সময়ত টকা-পইচা দান

জিন্নাৰ উপৰিও কিমানক যে বিনামূলীয়াকৈ চাহ-ভাত খুৱালে, তাৰ হিচাব নাই। ডেকা ল'ৰাবোৰেও বৰ ভাল পায়। অসম গণ পৰিষদৰ কিবা বিষয়বাবো দিব খুজিছিল। পিছে তেওঁ বোলে "মই দেশমাতৃক এনেয়ে সেৱা কৰিম। কিবা বিষয়বাব ললে দিগ্দাবহে। তইঁত বিপদত পৰিলে আহিছি। সাধ্যানুসাৰে মই সহায় কৰিম আৰু।" দোকানৰপৰা এককিলোমিটাৰ দূৰৰ চৰলা পথাৰৰ মাজেদি যোৱা নেচনেল হাইৱেৰ বাইপাচটোৰ কাম পূৰ্ণাদমে চলি আছে। ট্ৰাকবোৰে ধূমধাম মাটি কঢ়িয়াইছে। মনোহৰ দাইতিৰ দোকানখনতে, বিশেষকৈ ট্ৰাকৰ ড্ৰাইভাৰ, মালিক, লেবাৰবিলাকে চাহ, ভাত, তাৰকা, ফুলৰি, মাংস আদি খায়। কাৰবাৰ বৰ ভাল হৈছে। ফুলৰিৰ লগত অৰুণে ফুলি বিচাৰিলে ধমকি খায়। তেওঁৰ সাতগোষ্ঠীত ব্যৱহাৰ নকৰা এই পানীয় যদি তেওঁৰ দোকানত প্ৰচলন কৰি বেচিকৈ ধন ঘটি ধনী হৈ এটা জাতিক ৰসাতলৰ পিনে গতি কৰায়, তেতিয়া হ'লে উপৰি পুৰুষে তেওঁক অভিশাপ দিব। তাতকৈ মানুহৰ জিভাত জুতি লগা খোৱা বস্তু তৈয়াৰ কৰি সুনাম অৰ্জন কৰিব পাৰিলেই ঢেৰ পইচা পাব। এদিন অৰুণে হাঁহি হাঁহি যুক্তি দৰ্শাইছিল—"নহয় দাইতি, ব্যৱসায়ত উন্নতি কৰিব খুজিলে অলপ অসতৰ আশ্ৰয় লব লাগিবই।" মনোহৰ দাইতিয়ে তাৰ যুক্তি খণ্ডন কৰি কৈছিল—"অৰুণ, মোক তই পইচাৰ লোভ নেদেখুৱাবি। মই এইদৰেই সুখী। অতি লোভ হোৱাটো বেয়া। লোভেই পাপ, পাপেই মৃত্যু। এটা কথা কি জান অৰুণ, এই বিশেষ পইচা-পাতিৰ ক্ষেত্ৰত মানুহে মনটো বান্ধিব পাৰিব লাগে।" অৰুণে ভাবিলে মনটোহে আচল বস্তু। সিও মনটো ঠিক কৰিবলৈ চেষ্টা কৰিব লাগিব। লগে লগে তাৰ মাকলৈ, ঘৰখনলৈ বৰকৈ মনত পৰিবলৈ ধৰিলে। সদায় সুখী মনোহৰ দাইতিক চাবলৈ তাৰ এই মুহূৰ্তত বৰ মন গ'ল। এতিয়া দুপৰীয়া মনোহৰ দাইতিৰ দোকানত ছাগৈ বৰ ভীৰ। বহুত দিনৰ মূৰত সি দোকানৰ আগ পালেগৈ। স্কুটাৰখন একাষে থকা শেৱালী ফুলজোপাৰ তলতে থৈ সি দোকানৰ পিনে অগ্ৰসৰ হ'ল। দোকানৰ কলেবৰ এতিয়া যথেষ্ট ডাঙৰ। দেখিলেই

ধৰিব পাৰি উপাৰ্জনো ভাল বুলি। সি সোমাই গ'ল। মনোহৰ দাইতিৰ পুতেক নীৰেনে অ' অৰুণদাদা আহক আহক, আজি বহুত দিনৰ মূৰত আহিছে বুলি মৃদু হাঁহি মাৰিলে। "বাৰু, মই অৰুণ-শৰীয়াকৈ বহিব পৰা ঠাই আছেনে?"—অৰুণে সুধিলে।

"পাৰিব পাৰিব মেডিজ কমলৈকে যাওঁক।"

"দেউতাৰ আজিকালি দোকানলৈ নাহে নেকি?"

"আহে, পুৱা গধূলি অলপ সময় বহেহি।"

হওঁক তেওঁ, সি মনোহৰ দাইতিৰ মুখামুখি হ'লে এটা সাংঘাটিক পৰিস্থিতিৰ সন্মুখীন হ'লহেঁতেন। এটা স্বস্তিৰ নিশ্বাস পেলাই সি ভিতৰ সোমাই গ'ল। বহুত কথাই তাৰ মনত পৰিল। ঘৰখন বা এতিয়া কেনেকুৱা পৰিস্থিতিত আছে! কাৰণ আজি অতদিন ঘৰখন তাৰ আৰু নূপুৰৰ ওপৰতেই নিৰ্ভৰশীল। কথাবোৰ মনত পৰাৰ লগে লগে লাজ, ভয় আৰু সংকোচে তাক ঘেৰি ধৰিছে। কিবা এটা অপৰাধবোধে যেন তাক ঘৰৰ সকলোৰেপৰা আঁতৰাই নিবলৈ বিচাৰিছে। মনোহৰ দাইতিৰ পুতেক সোমাই আহিল—"এই বয় এইপিনে আহ, আপুনি কি খাই খাওক অৰুণদাদা। আজি কিন্তু মোৰ আপুনি গেষ্ট। দেউতাই যে আপোনাৰ কথা প্ৰায়েই কয়। ইমানযে ভাল লাগে শুনি, আহিবনা মাজে মাজে।" কি কথা বা কয় মনোহৰ দাইতিয়ে; মনে মনে অৰুণে ভাবিলে। ফুটাই ক'লে—"আমাৰ আগৰ মৰম-চেনেহ বেলেগ আছিল। সময়ো আছিল বহুত। গতিকে স্ফুৰ্তি কৰি কটাইছিলো। এতিয়া আৰু সংসাৰী হলো নহয়।" "আচ্ছা আচ্ছা—নবৌ কত? কিবা চাকৰি-বাকৰি কৰে নেকি?" অৰুণে ভাবিলে ভগৱান। চাকৰি!! "নাই নাই তেওঁ একো নকৰে। ঘৰচুৱাৰ সুকলমে চলোৱাটোৱেই চাকৰি।" নীৰেনে ক'লে "বাৰু অৰুণদা আপুনি বহক। মোৰ এই দুপৰীয়া মানুহ অলপ বেচি হয়। চকু নিদিলে ল'ৰা কিটাই গণ্ডগোলেই কৰিব।"

এই মুহূৰ্তত এটা নিৰিবিলি পৰিৱেশেই সি পচন্দ কৰে। মুখ ফুটাই ক'লে—"যোৱা যোৱা, দুজনমান মানুহে মোক লগ পোৱাৰ

কথা। সেই তোমালোকৰ দোকানলৈকে আহিবলৈ ক'লো ; গতিকে এখনটাবান বহিম। তোমালোকৰ কিবা অসুবিধা হ'ব নেকি? আচলতে সময়বোৰ কটাবলৈকে সি আজি ইয়াত বহিছে। "নাই নাই This room is under your disposal অকণদাদা"—বুলি নিজৰ বসিকতাত নিজেই ডাঙৰকৈ হাঁহি সি ওলাই গ'ল। অকণে যেন বহুত সকাহ পালে। নূপুৰ, মাক আৰু ঘৰখনৰ সকলোলৈকে তাৰ মনত পৰিল। আকৌ সেই চাকৰিৰ প্ৰশ্নৰ সম্মুখীন হব লগ' হ'ল সি।

নূপুৰ আৰু মাক, মাক আৰু নূপুৰ তাৰ কাৰণে এতিয়া এটা পইচাৰ দুটা পিঠি নিচিনা হৈ পৰিছে। মাকে বাৰু কি কৰিছে এতিয়া? কিছুদিন মাকজনীয়ে ঘৰুৱা জঞ্জালৰপৰা কিছু সকাহ পাইছিল। মাকলৈ মনত পৰি তাৰ বেয়া লাগিল। সম্পূৰ্ণ এটা বেলেগ পৰিস্থিতিত সি আজি ঘৰ সোমাবগৈ লাগিব। কোনে, কেনেধৰণে তাক আজি সম্ভাষণ জনাব কোনে জানে। ৰীতা, ৰীমা আৰু নূপুৰলৈকো মনত পৰিল অকণৰ। এতিয়া বাৰু মাকে নাতিনী দুজনীৰপৰা জিৰনি লব পাৰিছেনে নাই? যিহে দুষ্ট; তাতে দুয়োজনী কাণসমনীয়া কাৰণে দুয়োজনীৰে ইটো সিটো খুটখাট লাগিয়ে থাকে। ডুপৰীয়া দুয়োজনীকে দুফালে শুৱাই মাজতে বহি হয় নূপুৰে চিঞৰাই কৰে, নহয় উঠ গোঠে। কেতিয়াবা আকৌ কিত্তাপ পঢ়ে। নূপুৰৰ এইবোৰ ব্যস্ততা দেখিলে তাৰ বৰ মৰম লাগে। কিবা কব খুজিলে নূপুৰে মুখত আঙুলি দি বাধা দিয়ে। নূপুৰ দিনত নোশোৱে দিনত শুলে বোলে গাৰ মেদ বাঢ়ে। অকণে আগতে দিনটোৰ বেচি ভাগ সময়ৰ কথা কবই নোৱাৰে। খোৱা-বোৱা বাদ দি সি দেখোন কামত ঘূৰি ফুৰোতে বেচি ভাগ সময় বাহিৰতে যায়। সি উপলব্ধি কৰে—খোৱা-বোৱাৰ বাহিৰে আৰু বহুত কথা আছে নহয়। তিনিকুৰিৰ দেওনা পাৰ হোৱা মাকজনীৰ কথা আজি এই মুহূৰ্তত খুউব উপলব্ধি কৰিছে। এবা সিইতৰ সাদৰী মাকজনীয়ে ঘৰুৱা জঞ্জালৰপৰা দেখোন অব্যাহতিয়েই নাপালে। দুটা দ'বা-ছোৱালী

ভাঙৰ কৰোতে হয়তো ভাবিছিল সিহঁত ডাঙৰ হ'লে তেওঁৰ আৰু কোনো জঞ্জাল নাথাকিব। বৰ সুখ হ'ব। বায়েকক ওঠৰ বছৰ বয়সতে, বাপেক জীয়াই থাকোতেই বিয়া দি উলিয়াই দিলে। অসমৰ বাহিৰত তিনিহঁতীয়েকে চাকৰি কৰাৰ কাৰণে, কেতিয়াবা বছৰেকৰ মূৰত, কেতিয়াবা আকৌ দুবছৰৰ মূৰতহে ঘৰলৈ আহে। বায়েকৰ ল'ৰা-ছোৱালীবপৰা মাকে একো জঞ্জাল পোৱা নাই। সিহঁত আহিলে মাকে বৰ ভাল পায়। কি খুৱাম, কি কৰিম বুলি ব্যস্তহে ৰক্ষা নাপায়। অকণেও বায়েকে ভালপোৱা নানাধৰণৰ খোৱা বস্তু বিচাৰি আনে। কিমান যে স্ফূর্তি হয়। সকহাল ল'ৰা-ছোৱালীৰ বিয়া হোৱাই নাই। ভনীয়েকজনীলৈ সেখোন সিহঁতে মনে বিচৰা দৰা পোৱাই নাই। এতিয়া পিচে মাকে কৈছে "বোলে চাবি আকৌ, কেতিয়াবা বাচোতে বাচোতে গেলা বৰালিত হাত পৰিবলৈ। বৰকৈ বাচ বিচাৰ কৰি থাকিব নালাগে। মদপানী নোখোৱা পঢ়াশুনা থকা, স্বাস্থ্যবান ল'ৰা এটা হ'লেই হ'ব। অৱশ্যে পৰিয়ালটো চাব লাগিবই। বাকী ক'লা-বগা গাওঁ-টাউন এইবোৰ নাচালেও হ'ব। মাকৰ কথা শুনি বৰ ককায়েকে কৈছিল—"আমি ইমানকেইটা ককায়েক থাকোতে, সকভনীজনী ভালত দিব নোৱাৰিলে মানুহে নাহাঁহিব জানো মা?" মাকে কৈছিল—"ভাই কপাল এখন লৈ আহিছে ভগৱানে খুৱাব আৰু। বজাৰ জীয়ৰীও খৰিভাৰীলৈ পৰে। ভিকহুৰ ছোৱালীও বজাৰ ঘৰলৈ পৰে।" এবা, মাকজনীয়ে সিহঁতৰ সুখেই বাঞ্ছা কৰে। ভনীয়েকজনীয়ে ডিব্রুগড়ত শিক্ষয়িত্ৰী কৰি আছে কলেজ এখনত। সৰু ভায়েকেও ডিব্রুগড়তে ডাক্তাৰী পঢ়ি আছে।

মাকে সিহঁতৰ কাৰণে বহুত ত্যাগ কৰিছে। দেউতাক ঢুকুৱা বহুতদিন হ'ল। দেউতাকৰ মুখৰ চেহেৰাটোকে তাৰ বৰ ভালকৈ মনত নাই। কিন্তু সিহঁতৰ কাৰণে ইমান ত্যাগ কৰা মাকজনীৰ কাৰণে সিহঁতেনো ভাবিছে কিমান? ভাবিলেও জানো বজাব পাৰিছে? নবৌয়েক দুজনীৰ লৈতে ডাঙৰ ককায়েক দুজন নটা,

চাবে নটাৰ ভিতৰতে ঘৰৰপৰা ওলাই যায়। সৰু ভতিজাক দুজনীৰ লৈতে ঘৰত মাক থাকে। আলহী-দুলহী আছেই। সৰু বনকৰা ল'ৰা-ছোৱালী এহাল থাকিলেও সিহঁতে ডাঙৰ মানুহৰ দৰে দায়িত্ব লব নোৱাৰে। স্কুলৰপৰা ডাঙৰ ভতিজাক তিনিটা যেতিয়া ঘৰ সোমায়হি, ইটো নাখাও, সিটো নাখাও, আম্মা অসা, মই ভাত নাখাওঁ, মা কেতিয়া আহিব, ইত্যাদি কথাৰে সিহঁতে মাকজনীক ব্যতিব্যস্ত কৰি তোলে। মাকে কেতিয়াবা খঙতে কয় "বুজিছনে তহঁতৰ জঞ্জাল মৰাতকৈ, ভোজ এটা বান্ধি থুৱাই আজৰি হবলৈকে ভাল। তাৰোপৰি বেমাৰ-আজাৰ হ'লেতো কথাই নাই। মূৰৰ ওপৰত মাকৰযে কিমান জঞ্জাল।

অৰুণৰ ককায়েক দুজন। বৰ ককায়েকে মিউনিচিপেলিটিৰ অফিচত কাম কৰে। ডাঙৰ নবৌয়েক বিজুৰ দেউতাক সেইটো অফিচৰে হেডক্লাৰ্ক আছিল, অকাল মৃত্যু হোৱাত নবৌয়েকে চাকৰিটো কৰিবলগা হ'ল। বি, এ, পৰীক্ষা দিয়েই চাকৰিত সোমাল। দেউতাকেই চিনাকী কৰি দি থৈ যোৱা অৰুণৰ বৰ ককায়েক তৰুণৰ লগত এদিন বিয়া হৈ গ'ল। এতিয়া তিনিটা ল'ৰা-ছোৱালীৰ মাক। ডাঙৰটো ল'ৰা এইবাৰ হাইস্কুললৈ গৈছে। ইটো ওচৰৰে স্কুলখনৰ দ্বিতীয় শ্ৰেণীত পঢ়ে। সৰু ছোৱালীজনীৰ তিনি বছৰ। ঘৰতে খেলি থাকে। মাজু নবৌয়েক মিনু আকৌ হায়াৰ চেকেণ্ডাৰী স্কুলৰ অসমীয়া বিষয়ৰ শিক্ষয়িত্ৰী। কিবাকিবি কাগজে পত্ৰই, ৰেডিঅ'ত লেখামেলা কৰে। মেলে-মিটিঙেও যাব লাগে। মানে ঘূৰা-পকা কৰে। মাজু ককায়েক বৰুণ ঘৰৰপৰা দহমাইল দূৰৈৰ কলেজ এখনৰ ইংৰাজী বিষয়ৰ মূৰব্বী অধ্যাপক। সোনকালেই অধ্যক্ষ হোৱাৰো সম্ভাৱনা আছে। ঘৰৰপৰা লাইনবাচ, মেটাদৰত অহা-যোৱা কৰি চাকৰি কৰে। কেতিয়াবা আকৌ প্ৰফেচাৰচ্ মেচত সময় বুজি থাকেও। ককায়েক নবৌয়েক দুয়ো পঢ়াশুনা কৰি সময় কটাই ভাল পায়। মিনু নবৌৰ ছোৱালী দুজনী। ডাঙৰজনী স্কুললৈ গৈছে। সৰুজনী বীতা ঘৰতে থাকে—বয়স আঢ়ৈ বছৰ। বিজু নবৌজনীৰ লৈতে একেলগে ঘৰ গৰম কৰি থাকে। সাধাৰণ

কথাটো ছোৱালীজনীৰ কান্দিবা লাগে, পাপ লাগে। মাকৰ ইয়াৰ লগতে আপত্তি নাই। এদিন বিজুনবৌৱেকে মিতুনবৌৱেকক কোৱা সি শুনিছিল—"বুইছা মিতু, আমি হ'লে বৰ ভাগ্যৱতী নেই, ল'ৰা-ছোৱালীৰ কাৰণে চিন্তা কৰি মূলত, অকিচত হায়ৰান হব লাগিছে। আমাৰ লগৰ যে তুলিকা বেগম, ননীবৰুৱা আছে—তেওঁলোকৰ অকলশৰে থকাৰ মজা ওলাইছে। অকিচত আমি ল'ৰা-ছোৱালীৰ চিন্তা কৰি থাকোতেই যায়। মোক সিদিনা কৈছে—"আপোনাঘৰে ভাল, ঘৰত শাহু আছে নহয়, ঘৰত থকা ল'ৰা-ছোৱালী থাকিলেও চিন্তা নাই। আমাৰ যে বৰ অসুবিধা। অফিচৰ কামত মনেই নবহে, কেতিয়া ডাঙৰ হব, স্কুলত দিম ভাবহে চিন্তা।" আকৌ কৈছিল "জানে বাইদেউ, চাকৰিটোও এৰি দিব নোৱাৰো। বহুতদিন চাকৰি কৰিলো নহয়। আৰু এটা কথা—দেউতাকৰ সেইকেইটা টকাৰে শুকান বালি কিমান তিয়াব? ইহঁত ডাঙৰহে হৈছে মানে খৰচ বাঢ়িহে গৈছে।" সেইদিনা বৌৱেকহঁতৰ অলক্ষিতে কথা-বতৰা শুনি থকা অৰুণৰ মুখৰপৰা এষাৰ সাংঘাতিক কথা ওলাই গৈছিল—যিটো কথাৰ কাৰণে সি এতিয়াও মাজে মাজে দোষী অনুভৱ কৰে।

"বুজিছা বিজুনবৌ, মিতুনবৌ, যিবিলাক মহিলাই অফিচতো ঘৰৰ কথা কৈ খুব ঘমাই থাকে, সেইবোৰে ঘৰ, অফিচ একোতেই ভালকৈ মন বহুৱাব নোৱাৰে।" মাজুনবৌৱেক বিস্ময়ে কৈছিল—"আচলতে অৰুণ বিয়া কৰোৱাৰ আগতে নবৌৱেকবিলাকৰ বিপক্ষে অবিবাহিত দেওৰেকবিলাকে কথা কয়েই। বিয়া কৰোৱাৰ পাছতহে তেওঁলোকৰ স্বৰূপবিলাক প্ৰকাশ পায়।" অৰুণে কৈছিল—"তোমালোকে পিছে মোৰ ওপৰত বৰ বেচি টেকা মাৰিছা। মায়ে যে বীতা, বীনা হুতলে হুলখীয়া অৰুণমান জিৰণিও লব নোৱাৰে।" তাৰ পাছত ছুয়ো নবৌৱেকৰ লগত অৰুণৰ বেচ কথাৰ কটাকটি হৈছিল। আনকি স্কুলোজন ককায়েকে পধুলি কথাটো গম পাইছিল। ঘৰতে বস ককায়েকে ঘৰভাৰা কৰি থাকিবলৈও কিতাপিলে। মাকৰ মধ্যস্থতাতহে শেষিকা ঘৰৰপৰা ওলাই নগ'ল। মাকৰ যুক্তি—তেওঁ

পালন কৰিব লাগে নূপুৰে। "নূপুৰ, বীনাৰ গাটো বেয়া—তাকো নাধালে। ছুপৰীয়া তাইক বাৰ্লিপানী অলপ মিচিৰি দি খুৱাই দিবা দেই, আৰু তোমাৰ লগত খায় যদি অকণমান ভাত খুৱাই দিবা।"

"বীতাৰ বৰ পানী লাগিছে, হোমিওপেথিক দৰবটো তিনি ঘণ্টাৰ মূৰে মূৰে খুৱাব লাগে, বাব বজাত এপালি তুমি খুৱাই দিবা দেই।" এজনী যোৱেকে হয়তো ক'ব—"এই আকৌ গৰুৰ গাখীৰ নাথায়—আমুলস্প্রে এগিলাচকে খুৱাই দিবা দেই। অৱশ্যে গিলাচতকৈ তাই বটলত খাইহে বেচি ভাল পায়।" ইত্যাদি ইত্যাদি।

অকণে এদিন মাকক কৈছিল "তুমি চিন্তা নকৰিবা মা। মই তোমালৈ যিজনী বোৱাৰী বিয়া কৰাই আনিম, তেওঁ সদায় তোমাৰ কথামতে চলিব। তোমাৰ ঘৰলৈ 'ঘৰ জেউতি আনিম।" অকণে নিজেও বৰ আশা কৰিছিল তাৰ কাৰণে ছুপৰীয়া কোনোবাই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকিব। ইটো খোৱা সিটো খোৱা বুলি হেঁপাহেৰে আগবঢ়াই দিব। স্কুলৰপৰা ল'বা-ছোৱালী কেইটা আনিবৰ সময়ত যে চাবলৈ আৰু ভাল হব—"বাতুলক কণী এটা স্কুলৰপৰা আহিলে ভাজি দিবা দেই, সি আকৌ মাছৰ জোল খাবলৈ বৰ বেয়া পায়।" "নিতুলে আকৌ স্কুলৰপৰা আহি লুচিভাজি খায়হে ভাল পায়।" "নূপুৰ—দাদাৰৰ পেণ্টচাৰ্ট এজোৰ ধোবা ঘৰত আছে। ছুটা বজাতহে দিব বোলে, তুমি সক ল'ৰাব হতুৱাই অনাই থবা দেই—ইত্যাদি ইত্যাদি কিমান যে কৰ্মাচ।

আজিকালি নূপুৰে এইবোৰ অভিযোগ হিচাবেহে অকণৰ আগত ডাঙি ধৰা হ'ল। মাকৰ কথাবোৰো আজিকালি দেখোন বেলেগ বেলেগ লগা হ'ল। মাকে দেখোন নূপুৰ ক'ৰবালৈ ওলালেও বৰ ভাল নাপায় যেন লাগে। কিবা এটা আপত্তি দৰ্শাবই। বোৱেকহঁতৰ স্কুল, অফিচ বন্ধ হ'লেই মুখাচকা, মাকৰ ঘৰলৈ যোৱা আদি আছেই। আলহী-দুলহী আহিলে মাকেও কয়—"বোৱাৰী ডাঙৰ ছুজনী ঘৰত নাই। অতদিনা সময়েই নাপায় নহয়, তাঙৰ বোৱাৰী জেঠায়েকৰ

বৰলৈ গ'ল ; মাছু বোৱাৰী বজাৰ কৰিবলৈ গ'ল—কিবা কাপোৰ কানি কিনিবলৈ। সিহঁত দুয়োৱে বজাৰ-সজাৰ, ফুৰাচকা কাৰবোৰ এই বছৰ দিনতে চলাব নলগে বৰ অসুবিধা হয়।" বোৱেকহঁতৰ কথা— "নূপুৰ অহাৰপৰা কিন্তু আমি বৰ নিচিন্ত মনেৰে ঘৰৰপৰা ওলাই যাব পৰা হ'লো।" এদিনতো একনী বোৱেকে কৈয়েই পেলালে—"তুমি পৰীক্ষা নিদি ভালেই কৰিলা। আচলতে কি জানা, বেচি পঢ়িলে চাকৰি-বাকৰি কৰিবৰ মন যায়। ঘৰত থকাটোহে আৰাম। আমাৰ হে ভাল হ'ল, চাকৰিৰ নিচা ইমান বেচি হ'ল—দুদিনমান বন্ধ হ'লে অসুবিধাহে লাগে।"

নূপুৰৰ শুনি যোৱাৰ বাহিৰে অন্ত উপায় নাছিল। অৰুণক কেতিয়াবা কেতিয়াবা এইবোৰ কয়, অৰুণেও হাঁহি হাঁহি কয়—"হয় বৌহঁতে তোমাক ঠিকেই কৈছে। মায়ে যে তোমাক কিমান আশীৰ্বাদ দিছে। আৰু দাদাহঁতে যে তোমাক কিমান মৰম কৰে, ক'ৰবাৰপৰা আহি তোমাৰ খবৰেই প্ৰথম লয়।" মিঠাই আদি আনিলেও নূপুৰৰ হাতত দিবহি। পুতেক জীয়েকহঁতে আমনি কৰি কাঢ়ি লব খুজিলে কয় "যোৱা যোৱা খুড়ীক দিয়াগৈ, খুড়ীয়ে ভাগ কৰি দিব।" অৰুণে এইবোৰ দেখি, মানে গৃহিনী হিচাবে তাৰ পত্নীৰ স্থান খুউব উচ্চত দেখি সি বৰ আনন্দ পাইছিল, বৰ তৃপ্তি পাইছিল, বৰ গৌৰৱ অনুভৱ কৰিছিল। পিচলৈ এনেকুৱা হ'লগৈ—স্কুল, অফিচ থাকিলেতো ব্যস্ত থাকিব লাগেই আনকি বন্ধ দিনটো ঘৰখনক লৈ বেচি ব্যস্ত থাকিব লাগে নূপুৰেই। অৰুণে সকলোৰে অজ্ঞাতে লক্ষ্য কৰে—বোৱেকহঁতে যেন কেঁচুৱা কেইটা তেওঁলোকৰ ওচৰৰপৰা আঁতৰাই থবলৈ পালে ৰক্ষা পোৱাদি পায়। ঘৰুৱা জঞ্জালেৰে অতীষ্ঠ কৰি তোলা নূপুৰজনীৰ, নিমাতী নূপুৰজনীৰো কিন্তু এদিন মুখ খোল খালে।

কিবা বিশেষ কাৰণত অৰুণ চাৰিদিন গুৱাহাটীত আছিলগৈ। ঘূৰি প্ৰায় নটামান বজাত ঘৰ সোমাই অৰুণে দেখিছিল নূপুৰ গহীন। বস্তুবোৰ গামোছা, চাদৰ, চাদৰৰ পাৰি আৰু এইবোৰত

সেকেন্দ লগাই নূপুৰে কিবা লেখিছে। “বাঃ বৰ ধুনীয়া ধুনীয়া শায়োছা কাপোৰবোৰ ক'ত পালা ?”

“মই আমাৰ গাঁৱৰ শিপিনী সংঘত বোৱাই আনিছো।” তাৰ পাছত এটা সময়ত নূপুৰ কোঠাৰপৰা ওলাই গৈছিল। অৰুণক বিশেষ কথা কবলৈ সুবিধা দিয়া নাছিল। যাওঁতে কৈ গৈছিল “তোমাক এটা কথা কম বুলি ভাবিছো।”

“কোৱা, এতিয়াই কোৱা।”

“এতিয়া কব নোৱাৰি—তুমি যোৱা, ভাত পানী খাই জিৰাগৈ।” উজল-খুজলকৈ অথচ খুউব আগ্ৰহেৰে নূপুৰে বাঢ়ি দিয়া ভাতখিনি শেষ কৰি, গৰমপানীৰে ভৰি-হাত ধুই অৰুণ বিচনাত পৰিছিলগৈ। চাৰিদিন, মানে অৰুণ নথকা চাৰিদিন ঘৰখনত কি কি হৈছিল, আলহী-দুলহী কোনোবা আহিছিল নেকি ? এইবোৰ কথা সুধিবলৈ লৈয়েই, অৰুণৰ নূপুৰে কম বুলি কোৱা কথাটো শুনিবলৈ বৰ মন গ'ল। তথাপি সি নূপুৰৰপৰাই প্ৰথমে শুনিবলৈ আগ্ৰহেৰে বাট চাই ব'ল। কামকৰা ছোৱালীজনীয়ে থুচি থৈ যোৱা আঁঠুৱাখন আকৌ ভালকৈ খুচি খুচি নূপুৰে কৈছিল—

“তোমাক এটা কথা কব খুজিছো।” বেড চুইচটো অন কৰি দি অৰুণে ভাবিছিল “বাঃ কি ইমান ডাঙৰ কথা, ইমান যে পাতনি মেলিব লগা হৈছে ?” নূপুৰে গাকটো ঠিক কৰি শুই পৰিছিল। অৰুণে মনে মনে ভাবি পুলকিত হৈছিল—আশা কৰিছিল হয়তো ক'ব নূপুৰৰ আজি অলপ দিনৰপৰা গা ভাল নলগাৰ কথা। হয়তো লাজ লাজকৈ ক'ব সিহঁতৰ মাজলৈ কোনোবা আৰু এজনৰ আগমনৰ কথা। হাতখন মেলি অৰুণে নূপুৰক আৰু অলপ ওচৰলৈ টানি আনিবলৈ বিচাৰোতেই নূপুৰৰ কথা শুনি সি জিকাৰ খাই উঠিছিল। যিটো কথাৰ কাৰণে সি ইমান দিন দৃঢ় হৈ আছিল, সপোনতো যি কথা কল্পনা কৰিব নোৱাৰিছিল, সেই কথা সি কেতিয়াও মানি লব নোৱাৰে। কিন্তু নূপুৰৰ যুক্তি শুনি শুনি তাৰ সেইজনী নূপুৰ নিজৰ চিনাকি নূপুৰ নহয় যেন লাগিল। নূপুৰৰ যুক্তি শুনি শুনি সি এটা

সময়ত নূপুৰৰ পক্ষ লবলৈ বাধ্য হৈছিল। নূপুৰে কৈছিল—"সকলোৰে কাৰণে কৰি কৰি মই নিঃস্বহৈ গৈছো। নিজৰ একো জঞ্জাল নথকাকে, ইমানবোৰ থকৰা জঞ্জালৰ মাজত সোমাই মোৰ ভাল নলগা হৈ আহিছে।" আৰু বহুত কথা কৈছিল নূপুৰে। এটা সময়ত নূপুৰে উচুপি উঠিছিল।

এয়াও জানো নাৰী নিৰ্য্যাতনৰ এটা দিশ নহয়? সি নূপুৰক বুজাবলৈ চেষ্টা কৰিও হতাশ হৈছিল। সিও বুজি পাইছিল, প্ৰতিজ্ঞা কৰা যিমান সহজ, প্ৰতিজ্ঞা ৰক্ষা কৰা সিমান সহজ নহয়। উচুপি থকা নূপুৰজনীলৈ বৰ মৰম লাগি গৈছিল, আৰু এটা সময়ত সি নূপুৰৰ ওচৰত পৰাজয় স্বীকাৰ কৰিছিল।

তলে তলে বিবাহ প্ৰস্তুতি চলাব লগা হৈছিল। বেঙ্কৰপৰা পাঁচ হাজাৰ টকা ধাৰৰ অনুমোদন পোৱাৰ দিনা সি প্ৰথম মাকক কৈছিল সিহঁতৰ আঁচনিৰ কথা। কথাৰ পাতনিত সি অনুমান কৰিছিল প্ৰথমতে হয়তো মাকে অকণে ক'ৰবাত সৰহীয়া টকাৰ ঠিকা পোৱা বুলিয়েই ভাবিছিল। কিন্তু ভালকৈ কথাখিনি শুনাৰ পাছত নাতিনীয়েকক ভাত খুৱাই থকা মাকে ভাত খুৱাবলৈ এৰি দিলে। অস্বাভাৱিকভাৱে খণ্ডত অধৈৰ্য্য হৈ পৰিছিল। মাকৰ খং দেখি অকণে পৰিস্থিতিটো খুউব উপভোগ কৰিছিল। ককায়েক, বৌয়েক-হঁতক কথাটো কওতে, তেওঁলোকে তাক আগৰ কথা মনত পেলাই মৃদু কৰ্কথনা কৰিছিল। কথাটো মাত্ৰ অনুমোদন জনাইছিল, সংসাৰৰ কোনো অভিজ্ঞতা নথকা তাৰ ভায়েক-ভনীয়েক হালে। নূপুৰৰ প্ৰতি ঘৰখনৰ ব্যৱহাৰে তাক ব্যথিত কৰি তুলিছিল। তাৰ সহানুভূতি জাগিছিল। বেঙ্কৰপৰা পোৱা পাঁচ হাজাৰ টকা আৰু সিও দিয়া কিছু টকাৰে নূপুৰে জীৱনৰ নতুন অধ্যায় এটাৰ পাতনি মেলিবলৈ কালিৰেপৰা উঠি পৰি লাগিছে।

এতিয়া সি আজি বহুত দিনৰ আগতে মানে বিয়াৰ আগতে ঘৰ

সোমোৱাৰ কৰে বৰ সোমাবগৈ লাগিব। সদায় নূপুৰ তাৰ আগমনৰ কাৰণে ব্যস্ত হৈ থাকে। মিঠা হাঁহিৰে ইটো সিটো প্ৰশ্ন কৰে। খোৱাৰ টেবুলত ইটো সিটো বস্তুনাই দিয়ে। কিন্তু আজিৰপৰা আৰু তাক আদৰিবলৈ কোনো ব্যগ্ৰ হৈ নাথাকে।

হঠাৎ নীৰেনৰ মাও বুলি কৈ অৰুণ ওলাই আহিল। আজি অৰুণে ছুটাৰৰ হৰ্ণ নবজালে। নূপুৰলৈ বাৰে বাৰে মনত পৰিল, কালি নূপুৰ ওলাই যোৱা দৃশ্যটোলৈ। ফুলাম জাপানী চাটিটো বেকাকৈ কান্ধত পেলাই, সেউজীয়া শাৰী পৰিহিতা নূপুৰ ওলাই যোৱা দৃশ্যটো আকৌ অৰুণৰ মনত ভাহি উঠিল। যিখন গেটেৰে নূপুৰ ওলাই গৈছিল—সেইখন গেটে অৰুণ খুউব সন্তৰ্পণে সোমাই আহিল। কোনেও যেন গম পোৱা নাই, এনে ভাৱত গৈ পিচফালৰ দুৱাৰেদি গৈ নিজৰ কমত সোমালগৈ। টান মাৰি চকিখন আনি বহিলৈ সেইদিনা আবেলিকৈ লেবাৰ পেমেণ্ট কৰিব লগা হিচাব থকা ৰেজিষ্টাৰিখন উলিয়াই ল'লে। অৰুণে উমান পালে—কোনোবা যেন খুউব গম্ভীৰ খোজেৰে তেওঁৰ কমলৈ সোমাই আহিছে। নিশ্চয় মাকেই হব। তাক ছাগৈ ভাত খোৱাৰ কথা কবলৈ আহিছে। সি মূৰ ডাঙি চাব নোৱাৰিলে। "অৰুণ, তই যে পোনেই আহি টেবুলত বহিলিহি—ভাত খালি জানো? যা, গা-পা ধুই আহি ভাত খাই লহি। অৰুণে ভাবিলে—অপত্যস্নেহৰ ভাণ্ডাৰ মাতৃৰ হৃদয়।

"মই খাই-বৈ আহিছো মা।"

"বাহিৰতনো খালি কিয়? অ'তবোৰে খাব পাৰিছে, তোলৈও আছিব।" অৰুণক আৰু একো কথা কবলৈ সুবিধা নিদি মাকে আকৌ ক'লে—"তই দেখোন "স্বপ্নালয়লৈ" যাবলৈ মোক লগ ধৰিছিলি, ওলাবি, আজি আবেলিকৈ যাম। খুড়ীয়েকৰ ওচৰলৈ যাবলৈ ইহঁত দুজনীয়েও বিচাৰি আছে। আৰু এটা কথা অৰুণ, মই ভাবিছো, যদি টকা-পইচাৰ সুবিধা কৰিব পৰা যায়, চাকৰি বিচাৰি হাবাথুৰি খাই ফুৰাতকৈ আমাৰ ল'ৰা-ছোৱালীবোৰে দেখোন

দোকান-পোহাৰ আৰম্ভ কৰি দি কিছুমান ধুম উকোপ গঢ়ি তুলিব পাৰে। সৰু হ'লেও স্বাধীনতাৰে কোনো কাম কৰাতকৈ আনন্দ আৰু একো নাই।

মাকৰ কথা শুনি অৰুণৰ বৰ হাঁহি উঠিছিল। নৃপুৰৰ যুক্তিৰ আগত তেতিয়া হ'লে মাকৰ যুক্তি উফৰি গ'ল? 'বলে নোৱাৰা শিলক পৰি নমস্কাৰ' বুলি কোৱা কথাষাৰলৈ তাৰ মনত পৰিল।●●●

## আত্ম প্ৰত্যয় / হৰপ্ৰিয়া ( বাককিয়াল ) বৰগোহাঞি

তুঁহগুবিখিনি ফুটা চৰিয়াটোত বাকি দিয়াৰ লগে লগেই হাঁহজাক ক'ৰপৰা নো কোঢ়াল লগাই আহি খাবলৈ আৰম্ভ কৰি দিলেহি পুনিয়ে ভৰ্কিবই নোৱাৰিলে। খোৱাৰ মাজে মাজেও সিহঁতে যেয়ে যিমান পাৰে বিভিন্ন শব্দ কৰিলে। আত্মপ্ৰসাদৰ হাঁহি এটা মাৰিলে পুনিয়ে। সিহঁতে খোৱা দৃশ্যটো তাইৰ জানো কিয় ভাল লাগে। ভাল নেলাগিবনো কিয় ? কণী ফুটি ওলোৱাৰপৰা তাই জানো কম আপদাল কৰি ডাঙৰ কৰিছে সিহঁতক ? মাকে সিহঁতক জন্মহে দিলে। বাকী সকলো লেদেনা একটাৰ ভাৰ তাইৰ। ইতিমধ্যে খোৱা শেষ কৰি হাঁহজাক লাহে লাহে গুচি গৈছে। আমৰলিয়া হাঁহজনী শকত হৈছে, বগীজনীৰো পেটটো চুঁচৰি গৈছে মাটিত। ইহঁত দুজনীয়ে সোনকালেই কণী পাৰিব, তাই মনে মনে ভাবিলে।

হাতেৰে চকুহুটা আঁৰ কৰি পুনিয়ে ওপৰলৈ চালে। বেলি দুপৰ। একেবাৰে মূৰৰ ওপৰত। খাওঁ খাওঁকৈ ওলাইছে। মাকহঁত এতিয়াও পথাৰৰপৰা আহি পোৱা নাই। মৌজাদাৰৰ ঘৰত কঠিয়া তুলিবলৈ বুলি গৈছিল সেই উপজি পুৱাতে মাক আৰু বায়েক পাহিতা। কিছু-দিনৰ পৰা তাই মাথো ঘৰৰখীয়া। হাহ-কুকুৰাবোৰ ৰখীয়া। তাইৰ অৱশ্যে বেয়া নালাগে। ঘৰে ঘৰে কাম ᳵৰি ফুৰাতকৈ ঘৰতে থাকি এই পোহনীয়া চৰাই কেইটাৰ আলমৰাই ভাল। আৰু সেই মৌজাদাৰৰ ঘৰলৈ যাবলৈ তাইৰ অলপো ভাল নালাগে। মৰিবলৈ চাৰিদিন থকা মৌজাদাৰ বুঢ়াটো, কেনেকুৱা কৰে দেখোন তাইক। চৰমাৰি দিবৰ মন যায়। এবাৰ মাকৰ লগত তাই ধান দাবলৈ গৈছিল মৌজাদাৰৰ পথাৰত। গধূলি সময়ত হাজিৰাটো লবলৈ বুলি সিহঁত মৌজাদাৰৰ ঘৰত সোমাল। বুঢ়া আগচোতালতে বহি আছিল হোকা চিলিম লৈ।

লিইঁছ অহা দেখিয়েই বুঢ়া উঠিল। "অ', ওইত আহিলি হ'ব পায়। যা আইতাবৰপৰা পইচাকেইটা লৈ আহগৈ। আক হেৰ পুনি ৰ'চোন।" মাকে তাইক হাতে এৰি মৌজাদাবনীৰ ওচৰলৈ বুলি পিচফালে গ'ল। মৌজাদাৰেনো কি কয় শুনিবলৈ তাই ঠাইতে ভবক মাৰি ৰ'ল। হেঃ হেঃ কৈ সোলা মুখখনেৰে অস্বাভাবিক হাঁহি এটা মাৰি বুঢ়াই তাইৰ হাতত চিকুট এটা মাৰি ক'লে "তই বৰ ধুনীয়াজনী হৈছ অ' পুনি। গাভৰু হ'লি নে নাই?" অসভ্যটো ক'ৰবাৰ। জহনীত যোৱাটো! বৰ বেমাৰীটো! একেগোৰে মুখখন ভাঙি দিওঁ নেকি! মুখৰ ভিতৰতে যতমানে গালিসোপা পাৰি একে চোঁচাই তাই মাকৰ ওচৰ পালেগৈ। ওলাই আহোঁতে তাই নেদেখিলে বুঢ়াটোক, ভিতৰ সোমাল ছাগৈ। বাটত মাকৰ লগত একো মাতবোল নকৰাকৈ আহি থকা মাকে লক্ষ্য নকৰাকৈ থকা নাছিল। হেজাৰ কষ্টতো হাঁহি মাতি থকা ৰাংঢালী ছোৱালীজনীৰনো কি হ'ল হঠাৎ? আন্ধাৰতে মাকে তাইৰ মুখলৈ চাইছিল।

কি হ'ল তোৰ?—তাই প্ৰথম একো নক'লে।

ঐ কি হ'ল নকয় কিয়?—মাকে এইবাৰ গাত ধৰি জোকাৰি দিলে। চেপাকান্দোন এটা ওলাই আহিল তাইৰ। কোনোমতেই তাই কান্দোনটো ধৰি ৰাখিব নোৱাৰিলে।

"বৌ মই হ'লে আজিৰপৰা এই হতচিৰী হোৱা বুঢ়াটোৰ ঘৰত কাম কৰিবলৈ নাহোঁদেই। নাখায়ে থাকিম যা।" উচুপি উচুপি কোৱা কথাখিনিৰ অৰ্থ বুজিবলৈ মাকৰ সৰহপৰ নালাগিল। মৌজাদাৰৰ লুৎসা স্বভাৱটোৰ কথা তাই বাককৈয়ে জানে। গিৰিয়েক কাল হোৱাৰ দিন ধৰি আজি দহবছৰে তাই মৌজাদাৰৰ ঘৰত কাম কৰি আছিছে। তাই নাজানিবনে? গভীৰ হুমুনিয়াহ এটা ওলাই আহিল মাকৰ। ফুলমতীলৈ হঠাৎ মনত পৰি গ'ল তাইৰ। ফুলমতী। কুন্দত কটা চেহেৰা আছিল তাইৰ। ঔৰখজীয়া গাল দুখনত পকা থেকেৰাৰ বং। মাহীমাকৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰা ফুলমতীক নবছৰ বয়সতে দূৰ-সম্পৰ্কীয় মোমায়েক এটাই মৌজাদাৰৰ ঘৰত থৈ গৈছিলহি। সেই

ফুলমতী এদিন গাভৰু হৈছিল, দেহত যৌৱন উপচি পৰিছিল। পিছ বয়সীয়া মৌজাদাৰৰ অসভ্য চকুৰপৰা কিন্তু তাই সাৰি যাব পৰা নাছিল। কেবাদিনো কওঁ কওঁ বুলি ফুলমতীয়ে মৌজাদাৰনীক মৌজাদাৰৰ অস্বাভাৱিক ব্যৱহাৰৰ বিষয়ে কবলৈ সাহ কৰা নাছিল। কিজানি এনেটোৱেই তাইকহে বিপদত পেলায়। এদিন পিচে সেয়ে হ'ল। মৌজাদাৰৰ কামনাৰ জুইত তাই জাহ যাব লগা হ'ল। তাই কোনোমতেই নিজক ৰক্ষা কৰিব নোৱাৰিলে সেইদিনা। কুমাৰী জীৱনৰ বহুমূলীয়া সম্পদ সতীত্ব নষ্ট হোৱাত ফুলমতীয়ে লুকাই লুকাই কান্দিছিল। কিছুদিনৰ পিচতে তাই গম পালে তাই মাক হ'বলৈ আগবাঢ়িছে। মৌজাদাৰনীক যেতিয়া তাই দোষী কোন সৈ কাঢ়িলে মৌজাদাৰৰ পশু প্ৰবৃত্তি যেন পুনৰ সাৰ পাই উঠিল। সেই ফুল যেন কোমল ছোৱালীজনীক গুৰিয়াই গুৰিয়াই বাস্তালৈ উলিয়াই দি গাঁৱৰ মানুহে শুনাকৈ চিঞৰি কৈছিল—"মই গাখীৰ খুৱাই কেটা সাপ পুহিছিলো। এই মোৰ নাক, কাণ কাটিলে।" পিচদিনা পুৱা গাঁৱৰে ধনেশ্বৰ দদায়ে বাঁহ কাটিবলৈ বাঁহনিত সোমাওঁতেই ফুলমতীক ভিতিত চিপলৈ ওলমি থকা পালেগৈ। কথাটো সদৰি হ'বলৈ নৌ-পাওঁতেই মৌজাদাৰে খটো পোতাই পেলোৱাতহে গুৰুত্ব দিলে। কোনেও প্ৰতিবাদৰ টু শব্দ এটাও নকৰিলে। সেইদিনা তাইৰ ভাব হৈছিল গাঁওখনত মতা-মানুহ কোনো নাই—চব মৰি ভূত হৈ গ'ল। পুনিৰ মাক বাস্তৰলৈ ঘূৰি আহিল। পুনিৰ গাত ধৰি মৰম মিহলি মাতেৰে ক'লে—

"এৰা আই হৰিণাৰ মঙহেই বৈৰী। তাতে আমি সৰু মানুহ। সেইবোৰৰ লগত অকলে কেনেকৈ যুজিবি? তথাপিও গা বচাই যুৰিবি।" আন্ধাৰতো পুনিয়ে গম পাইছিল মাকে কান্দিছে। তাই আৰু একো নক'লে। সেই দিন ধৰি তাই মৌজাদাৰৰ ঘৰত কাম কৰিবলৈ যোৱা নাই। ঘৰতে থাকি ঘৰৰ কামবনখিনিৰ আউল মাৰে। হাঁহ-কুকুৰাজাকৰ প্ৰতিপাল কৰে।

মাকেও আহিছে নেকি চাবলৈ বুলি তাই পদূলিলৈ ওলাই গ'ল।

চকুৱে মনিব পাৰে মানে ভূৰলৈ চাই পঠিয়ালে পুনিয়ে। নাই, মাকহঁত আহাৰ কোনো উমঘায়েই নাই। দেখি হ'ব ছাগে। কিমান বা কঠিয়া তুলিবলগা হৈছে। তাই এইবেলি ভিতৰ সোমাল। পইতা ভাত কেইটামানকে খাই লব লাগিল। ঘৰখনত চাউল এমুঠিও নাই। কালিৰ দিনৰ ভাতকে পইতা কৰি থোৱা আছে। ৰাতিও ভাত খোৱা নহ'ল। শুকান কটিকে চোবাই তিনিওজনী শুই থাকিল। ৰাতি তাইৰ টোপনি নাহিল। বাঁহৰ চাঙৰ ওপৰৰ নগাচাৰিটোত ইকালৰপৰা সিকাললৈ বাগৰি ফুৰোতে বায়েকৰ টোপনি ভাঙি গৈছিল, হয়তো সেয়ে তাইক ধমক দিছিল পাহিতাই—"তই নাথাক কিয় অ', লোকৰো টোপনি ভাঙিছ।"

"নহয় অ' বাই, মোৰচোন ভোকতে পেটটো ভিতৰলৈ সোমাই সোমাই গৈছে।" বায়েকে একো কোৱা নাছিল। আন্ধাৰতে মাথো তাইৰ চুলিৰ কাঁকে কাঁকে আঙুলি বুলাই দিছিল। তাই টোপনি যাবলৈ চেষ্টা কৰিও নোৱাৰিলে। ৰাতিপুৱাও খোৱা নহ'ল তেনেকৈ। কটি এটুকুৰা ফিকাপানী এবাটিৰে খায়েই মাকহঁত ওলাই গ'ল। সিহঁতলৈ মনত পৰি তাইৰ বৰ দুখ লাগিল। ভৰদুপৰীয়াখন চিকাকটা ৰ'দ পিঠিত লৈ মাক আৰু বায়েকে পানীকঠিয়া তুলিছে আৰু তাই ঘৰৰ ভিতৰত আৰামত আছে। তাই আকৌ ভাবিলে ঘৰৰ কামবন-খিনিতো সকলো কৰিছে তাই। মাকহঁতে ঘৰৰ কুটা এগছ বন দাঙি ধৰিব নলগাকৈ তাই দেখোন সকলো জেওা মাৰিছে। তথাপিও মাকজনীক এই বয়সত লোকৰ ঘৰত কাম কৰাৰপৰা বেহাই দিব পৰা হ'লে বৰ ভাল আছিল। কথাটো চিন্তা কৰি কৰি তাই পাকঘৰলৈ সোমাই গ'ল।

পেটটো জোৰেৰে খামুচি ধৰিলে পুনিয়ে। আজি অলপ-দিনৰপৰা তাইৰ ভোক লাগিলেই পেটটো পাক মাৰি ধৰে। বুকুখন ৰমৰমকৈ পুৰিবলৈ আৰম্ভ কৰে। ছুটামান পেটত পৰিলেই আকৌ ভাল হৈ যায়। বাওঁহাতেৰে পেটটো খামুচি ধৰিয়েই তাই সোঁহাতেৰে কেৰাহীৰ ঢাকনখন উদঙাই দিলে। পইতাভাতৰ জেঁতেচি গোন্ধটো

তাইৰ নাকত লাগিল। বাটি এটাত ভাত এবাটি উলিয়াই লৈ পাতত নিমখ আৰু জলকীয়া দুটা গোটাই ললে। তেতিয়াহে তাইৰ মনত পৰিল পাতটি চাওঁত কাহুদীৰ টোপোলা এটা আছে। কলপাতেৰে বন্ধা টোপোলাটোৰপৰা তৰ্জনী আঙুলিৰে কাহুদী এচিকটা লৈ এইবাৰ তাই খাবলৈ আৰম্ভ কৰিলে। খাই উঠি তাইৰ বহু কাম আছে। হাঁহপোৱালি কেইটা চৰাব লাগিব, কেঁচু খান্দি খুৱাব লাগিব। কুকুৰাপোৱালি কেইটা মেলি দিও লগতে চাই থাকিব লাগিব। যিহে কাউৰী আৰু চিলনিৰ খঁক। কথাখিনি চিন্তা কৰি খাই থাকোতে তাই গমেই নাপালে বাটিৰ ভাত শেষেই হ'ল। পাতৰ নিমখ আৰু জলকীয়াৰ শেষ চেলেকটো মাৰি তাই ভাতৰ পানীখিনি কোট কোটকৈ পি খালে। পেটটো জুৰ পৰি গ'ল। গভীৰ তৃপ্তিৰে উগাৰ এটা মাৰি তাই বাটিটো ধুবলৈ বুলি পিচফাললৈ ওলাই গ'ল।

খালটোৰ পাৰত বাটি মাজি মাজি পুনিয়ে লক্ষ্য কৰিলে কোন-টুকুৰা ঠাইত খান্দিলে কেঁচু সহজকৈ ওলাব। হাঁহপোৱালি কেইটা একেবাৰে লঘোণত আছে। পোৱালি এগালো হৈছিল—গোট গোট পোন্ধৰটা পোৱালি। এতিয়া আঠোটা আছেগৈ। চৰ চিলনিৰ পেটত গ'ল। যিহে নোদোকা-নোদোক পোৱালি কেইটা তাইৰ চকুৰ আগৰপৰা চিলনিয়ে থপিয়াই নিলে। আৰু চোৰা কাউৰীবোৰ। সিহঁতে জানো কমখন কৰিলে তাইক? কুৰিটা কুকুৰা পোৱালিৰ পাঁচোটা নিলেই। চকুৰ আগতে শিলত আচাৰি আচাৰি খালে দেহি! তাইৰ বুকুখন বিষাই গ'ল। কি মৰমলগা কোমল ৰঙৰ আছিল পোৱালিকেইটি। এটাযে জন্মৰ দুদিন নহ'লেই—কেঁচুবৰণীয়া পোৱালিটো কোন টলকত থাপ মাৰি লৈ গ'ল কুকুৰাজনীয়েও তৰ্কিবই নোৱাৰিলে। কাউৰীজনী বাঁহৰ আগত পৰোতেহে তাইও গম পালে। তেতিয়া আৰু উপায় কি? ধনু এখন থকা হ'লে তেও বাটলুগুটি এচাটকে মাৰিব পাৰিলেহেতেন। সেই মুহূৰ্তত্তে তাই ধনু এখন সজাৰ কথা চিন্তা কৰিলে। ধনুখন সাজি, উই-হাফলু ভাঙি

বাটলুগুটি কৰি যাবিৰলৈ শিকে যানে কাউৰীয়ে গাঁতোটা কুকুৰা-পোৱালি হজম কৰিলেই। আজি এসপ্তাহমানৰপৰা অন্ততঃ কাউৰী চিলাই ধনুখন দেখি তাইক জোকাবলৈ আক সাহ কৰা নাই। বাটি থুই নৰাল্‌বিকৈ তাই ভিতৰ সোমাল। আহোতে গৰালটোৰ ছুৱাবেদি ভিতৰলৈ জুমি চালে পুনিয়ে। ফুটুকী কুকুৰাজনী উন্মনিত পৰিছে। গৰালৰ এচুকৰ পাচিটোত একান্ত মনে তাই কণীবোৰ তাজিছে। পোৱালি ওলাবলৈ সৰহদিন নাই, তাই মনে মনে হাঁহিলে। বাটলুগুটিৰ মোনাটো কান্ধত ওলোমাই, ধনুখন হাকোটাভালৰ পৰা নমাই তাই এইবাৰ আগছুৱাবেদি ওলাই আহিল। ছুৱাৰখন নাৰিকলৰ জৰীৰে বাহিৰৰপৰা বান্ধি মাকহঁত আহিছে নেকি চাবলৈ তাই আকৌ পদূলি মুখলৈ ওলাই আহিল।

আৰে এয়া কি দেখিছে তাই? নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান পালে তাই। স্বয়ং মৌজাদাৰ সিহঁতৰ পদূলিত! ভুল দেখিছে বুলি চকু দুটা মোহাৰি তাই আকৌ চালে। হয়, তাই ভুল দেখা নাই।

“আও, তই দেখোন ধনু-চনুলৈ মতাটো ওলোৱালি ওলাইছ, কলৈ যাবনো?”—নামাতো বুলি উলটিব খুজিও তাই উলটিব নোৱাৰা হ’ল।

“হাঁহ-পোৱালি চৰাবলৈ।”—তাই গহীন হৈ উত্তৰ দিলে।

“পিচে পদূলিলৈনো কিয় আহিছিলি?”

“বৌটিহঁত আহিছেনে চাবলৈ আহিছিলো।” তাই একেধৰণে গহীন হৈ উত্তৰ দিলে। উ, বৌটিয়েৰহঁত? সিহঁতৰ সন্তিয়া হ’ব। কঠিয়া তুলি কৰলৈ লৈছেহে এতিয়া। পিচে তইচোন একেবাৰে যাবলৈ এৰিলি। ব’লচোন ভিতৰলৈকে, অকণ বহোগৈ। এইকালে বকয়াৰ ঘৰলৈ বুলি ওলাই আহিছিলো, নাবাওঁ আক দে।”—কৈ কৈ বুঢ়া নওলা খুলি সোমায়েই আহিল। তাই লৰচৰ নকৰাকৈ ঠাইতে গছজোপাৰ দৰে ডবক মাৰি ৰ’ল।

"মই নাবাওঁ তিকটৈল। কিবা কথা আছে যদি ইয়াতে কৰক ?"
তাই আগন্তুকৈও গহীন হৈ উত্তৰ দিলে।

অথনি বৌটিয়ে কৈছিল ভাইতৰ ঘোলে শোৱা ঘৰটোৰ মুখত গৈছে, নতুনকৈ চোৱাৰ লাগে যেৰ কিনিব লাগে। আৰু তোৰ ভাল কাপোৰ-কানি কিবা আছেনে নাই। লচোন এই টকা পাঁচশ, থৈ দিবি। মনৰ মতনেৰে কাপোৰ এযোৰ লবি।"—কৈ কৈ বুঢ়াই পাঞ্জাবীৰ জেপৰপৰা টকাৰ মুঠাটো উলিয়ালেই। তাই অকণমান পিচুৱাই গ'ল।

"মোক টকা নেলাগে।"

"টকা নালাগে ?"—আচৰিত হৈ ক'লে মৌজাদাৰে।

"হঁ, মোক এনেয়ে পোৱা টকা নালাগে। আমাৰ অভাৱৰ বিপদ পাৰ হৈ গৈছে, এদিনোতো আপোনাৰ মৰম এনেদৰে উপচি পৰা নাছিল। কাম কৰিম, পইচা ল'ম, মই সেইটোহে জানো।"—তাই আগন্তুকৈ টানকৈ ক'লে কথাষাৰ।

নহয় অ' পুনি। দিনে দিনে তোৰ চেহেৰা মোক খা মোক খা হৈছে দেখোন। মই আৰু চাই থাকিব নোৱাৰো পাই। কেলেই তই বেয়া পাব হোঁ ? তাইৰ গোটেই গাটো চকুৰে চেলেকি বুঢ়াই আকৌ সেই লেজেৰা হাঁহিটো মাৰিলে। ফেটীসাপৰ দৰে কোঁচকৈ উঠিল এইবাৰ তাই।

"কুকুৰ সেইটোৱেই হ'বলা তোৰ কথা ? তোৰ ঘৈণীয়েৰ নাই ? ল'ৰা-ছোৱালী নাই ? মই তোৰ সৰু জীয়েৰৰ বয়সৰ নহওঁ ? ৰ বুঢ়া, বুঢ়ীমাৰক চিনি পোৱা নাই। কি বুলি ভাবিছ মোক ? চিলনিৰ মুৰত মৰা বাটলুগুটিৰে তোৰহে মুৰৰ খোলা উকৰাম, ৰ। দাঁত কৰচি কথাকেইটা কৈ তাই পিচুৱাই ধমুখন টোৱালে বুঢ়াৰ মুৰলৈ বুলি। কথা বিষম যেন পাই বুঢ়া ঠাইতে বহি দিলে। তাইৰো বাটলুগুটি অদুৰৰ চতিয়না গছজোপাৰ ডাল এটাত লাগি চাৰিকাল হৈ মাটিত পৰিল। তাইৰ চকুৰে যেন জুইহে ওলাইছে তেতিয়া। তাই ইটোৰ পিচত সিটোকৈ অবিৰাম চতিয়না গছজোপালৈকে বাটলুগুটি মাৰিলে।

"পুনি কি হ'ললো তোৰ ?" সোনপাহী খুৰীটিৰ মাতত্তহে সন্বিত ঘিৰি আহিল তাইৰ। হয়তো! ইমান সময়ে তাই গহজোপালৈ বাটলুগুটি মাৰি মাৰি সোনাৰ গুটিচোন শেষেই কৰিলে। তেতিয়াহে তাই গম পালে কোনোবা টলকত অসভ্য বুঢা পলাল। তাই খুৰীক ঘটনাটো ক'বলৈ বুলি বলনিত্তে বহি পৰিল। সকলো শুনি খুৰীটি জাপ মাৰি উঠিল।

"তই এয়া ভাল নকৰিলিনে কি ? মৌজাদাৰ দেউতাৰ দয়াতে ইমান দিন খাজনা নিদিয়াকৈ মাটি-টুকুৰাত থাকিবলৈ পাইছ পুনি, তই জাননে নাই ?"

"জানো খুৰী, সকলো জানো। সেইবুলি মানইজ্জত বিক্ৰী কৰিব পাৰিনে ?"—তাইৰ চকুত দৃঢ়তা আৰু আত্মপ্ৰত্যয়ৰ চিন স্পষ্টৰ-পৰা স্পষ্টতৰ হৈ উঠিল। সোনপাহীয়ে তাইৰ দৃঢ়তাৰ আগত নিজকে খুউব হীন যেন অনুভৱ কৰিলে। ●●●

## মানুহ অমানুহ / দীপিকা পূজাৰী

ৰৰপুত্তেক চন্দনে এচামুচ পানী মাকৰ মুখত বাকি দিলে। পানী মুখৰ ভিতৰলৈ নগ'ল। কোৱাৰিয়েদি বৈ আহিল।

"ও নিবৰ হ'ল মাহিৰলৈ…"—ভদ্ৰ ৰাজখোৱাই ক'লে। চন্দনৰ মুখখন সামান্য কোঁচ খালে, কপালখনো। চকুদুটা মোহাৰিলে সি। চন্দনৰ ভায়েক ৰণেন আৰু অভিজিতেও অনুৰূপ ভাব প্ৰকাশ কৰিলে। ৰৰজীয়েক মীৰাই কান্দিছে। তাইৰ চকুপানী ওলাইছে। "মা… অ মা…কলৈ গলা তুমি…।"—মীৰাই চিঞৰিছে। সৰুজীয়েক ৰমা গুৱাহাটীত। তাইক বিয়া দিয়া দুবছৰ হৈছে। তাই মাকৰ অসুখ হোৱা খবৰ নেপায়। অৱশ্যে তেনেকৈ একো অসুখ হোৱা নাছিল সাবিত্ৰীৰ। সেই কাৰণে হঠাতে এনেকৈ গুচি যাব বুলি কোনেও ভবা নাছিল। বনমালীক মীৰাই ক'লে—"ৰমালৈ টেলিগ্ৰাম এখন দিব লাগিছিল। ৰাজখোৱা খুড়াক ক'গৈ।"

বনমালীয়ে এইখন ঘৰৰ গৃহিনী সাবিত্ৰী বিচনাত পৰাৰপৰা কান্দিয়েই আছে। অৱশ্যে সাবিত্ৰী মাত্ৰ দুদিনহে বিচনাত পৰি আছিল। প্ৰথমতে বুকুৰ বিষ হ'ল। তাৰপিচত সেই বিষেই বাঢ়ি গৈ সাবিত্ৰীক মাৰিলে। মৰোতে বৰ কষ্ট পালে সাবিত্ৰীয়ে। বনমালীয়ে অনুভৱ কৰিছিল বিষটোৱে যেন তাৰ বুকুতো খুন্দা মাৰিছেহি।

গামোছাৰে চকু মচি মচি বনমালী ভদ্ৰ ৰাজখোৱাৰ ওচৰ পালেগৈ। "দেউতা ৰমা আইদেউলৈ খবৰ এটা…।" বনমালীৰ কথা শেষ হোৱাৰ আগতেই ভদ্ৰ ৰাজখোৱাই কৈ উঠিল "মই ৰাভিপুৱালৈই টেলিগ্ৰাম কৰিম।"

ৰাভিপুৱাৰলৈ আৰু বেচি সময় নাই। মানুহবোৰে সংকাৰৰ যা-যোগাৰ কৰিছে। চুবুৰীয়া আহিব পৰা সকলোখিনিয়েই আহিছে।

ডেকাবোৰৰ কেইটামান বাহ-কাঠ কাটিবলৈ গৈছে। দুটামানে হেচেক্ লাইট এটা জ্বলাবলৈ লৈছে। দহ-পোন্ধৰ মিনিটমানৰ ভিতৰত হেচেক্‌টো জ্বলি উঠিল। ডেকাকেইটাই হাঁহি পেলালে।

"বুঢ়ী বৰ বেয়া সময়ত গ'ল অ'…"—এটাই ক'লে।

"মোৰ বিবাট টোপনী ধৰিছিল। চেকেণ্ড খ' চাই ভাতকেইটা খায় শুইছিলোহে…।"—আন এটাই ক'লে।

"মই আক' ভাবিছিলো বুঢ়ী আজি ৰাতিটো থাকিব।" বনমালীয়ে সকলো শুনি আছিল। সাবিত্ৰীক সি নিজৰ মাকৰ দৰে ভাবে। এই চেণ্ডেলীয়া কেইটাই তাৰ আইক বুঢ়ী বুলি মতাত সি বৰ দুখ পালে। তাৰোপৰি এই সময়ত সিহঁতৰ কৌতুক মিহলি কথাবোৰ শুনি থাকিবলৈ তাৰ ধৈৰ্য্য নহ'ল। সি তাৰপৰা আঁতৰি আহিল।

আগফালৰ চোতালত সাবিত্ৰীক বগা কাপোৰেৰে ঢাকি শুৱাই থোৱা হৈছে। কাষত জ্বলাই থোৱা চাকি গছক বনমালীৰ সাবিত্ৰীৰ আত্মাটো যেন লাগিল। চন্দন, ৰপেন আৰু অভিজিতৰ মুখকেইখন ভাবলেশহীন। সিহঁতে প্ৰকৃততে দুখ পাইছেনে নাই ধৰিব নোৱাৰি। মীৰাৰ চকুজোৰ ৰঙা। তাই অলপ কান্দিছিল। মীৰাক ঘৰৰ ওচৰলৈকে দিছে। মাকৰ ঘৰলৈ আহিছিল মীৰা। মাকৰ অসুখ দেখি ৰৈ গ'ল। বিচনাত পৰি থাকোতে মীৰাই মাকক অলপ শুশ্ৰূষা কৰিবলৈ পালে। কেইগৰাকীমান চুবুৰীয়া তিকতাৰ লগত মীৰাই আগফালৰ চোতালতে বহি আছে। আটাইবোৰে সাবিত্ৰীৰ কথাকে পাতি আছে।

বনমালী ক'তো ৰৈ থাকিব পৰা নাই। তাৰ চকুৰপৰা ধাৰাসাৰে চকুপানী বৈ আছে। সি মীৰাৰ ওচৰ পালেহি। মীৰাই সৰুজনী ছোৱালী কোলাত লৈ আছে। ছোৱালীজনী টোপনীত লালকাল। মীৰাই ছোৱালীজনী বনমালীৰ হাতত দি ক'লে—"বনমালী এইক অকণমান ল'চোন। মোৰ অথনিৰপৰা লৈ লৈ হাত বিষাইছে।" বনমালীয়ে কণমানি মুহূৰ্ত কোলাত তুলি ললে আৰু তাকিলে দেহি ঐ টোপনীত যেনেই লালকাল। পুৰা হ'লে আইতাকক নেদেখি

হুলস্থুল লগাব হাগে। বনমালীয়ে আলফুলে মুদুৰ পিঠিখন মোহাৰি দিলে।

মীৰাৰপৰা কিছু দূৰত বৈ থকা গজেন চৌধুৰীৰ ঘৈণীয়েকে কৈছে—"বৰ ভাগ্যৱতী মানুহ। সংসাৰৰ সকলো কাম দেখি গ'ল।"

আন এগৰাকীয়ে ক'লে—"এৰা চন্দনৰ ল'ৰা-ছোৱালী হোৱা নাছিল পিচে সেই আশাও দেখি গ'ল।" আন এগৰাকীয়ে ক'লে—"পিচে বোৱাৰীয়েকৰ কেইমাহ··?"

"আক ছমাহমান আছে।"

"বৰ অহঙ্কাৰী পিচে দেই।"

এগৰাকীয়ে ফুচফুচাই ক'লে—"এ· মীৰাই শুনিব। শুনিছো শাহুৱেকৰ লগত বোলে মাত-বোলেই নাই।"

"আমিও শুনিছো। পিচে ভাঙৰ মানুহৰ কথা বাহিৰলৈ নোলায় বুজিছে।"

ৰাতিপুৱাই আহিছে। চুবুৰীয়া তিকতাবোৰ ঘৰাঘৰি গৈছে গৈ। বয়সস্থ দুজনমানে এচুকত বহি কথা পাতি পাতি চিগাৰেট হুপিছে।

"বুঢ়ীৰ সত্তৰ হ'লনে?"

"এ·· কৈছেনে পাৰেই হ'ল।"

"চেহেৰাত ধৰিব নোৱাৰি দেই।"

"সুখত আছিলতো।"

"সুখ, এৰা মনৰো সুখ অভাৱো নাই।"

"আমাৰো দিন আহি আছে কি কয় চক্ৰৱৰ্ত্তী?"

"ঠিকেই কৈছে, মোৰ আন চিন্তা নাই। ল'ৰা দুটা এচ্টাব্লিচড্। ছোৱালী দুজনীও সুখত আছে। মাত্ৰ অনন্তলৈ ভাল ছোৱালী এজনী আনিব পাৰিলেই ছুটী ল'ব পাৰোঁ।" অনতি দূৰত বৈ থকা মহেন্দ্ৰ বৰুৱাই ওচৰ চাপি আহি সুধিলে "কিহৰ ছুটীৰ কথা কৈছে?"

—"সংসাৰৰপৰা লোৱা ছুটীৰ কথা।"

—"এৰা মইো ছুটীহে বিচাৰিছো। পিচে বিচাৰিলেই ছুটী পোৱা

নেথায়।" মহেন্দ্র বৰুৱাৰ পাৰিবাৰিক জীৱন সুখৰ নহয়। ল'ৰাৰ চাকৰি, ছোৱালীৰ বিয়া আদি ভালেখিনি সমস্যা আছে।

বাক্তিপুৰান। সংকাৰৰ সকলো যা-যোগাৰ হ'ল। শ' শ্মশানলৈ নিবৰ বাবে সকলো সাজু হ'ল। মানুহৰ ভীৰ কমি আহিল। শ' কান্ধত লোৱাৰ লগে লগে বনমালীয়ে হুকহুকাই কান্দিবলৈ ধৰিলে। মীৰাই আচলেৰে চকু মোহাৰিলে। চন্দন আৰু বণেনৰ ঘৈণীয়েক জড়-পদাৰ্থৰ দৰে বৈ থাকিল। তেওঁলোকৰ মুখ ভাবলেশহীন।

চুবুৰীয়া মানুহবোৰ গ'লগৈ। ঘৰখনত এতিয়া চন্দনৰ ঘৈণীয়েক শিখা, বণেনৰ ঘৈণীয়েক বিনীতা আৰু তেওঁৰ ল'ৰা-ছোৱালীহাল, মীৰা, বনমালী আৰু দুই-এক আত্মীয়। বনমালীয়ে অনুভৱ কৰিলে ঘৰখনত যেন কোনো নাই। মীৰাই মাকৰ ফ'টো এখন পটিক'ৰ টেবুল এখনৰ ওপৰত থৈ সুন্দৰকৈ সজাইছে। বনমালীয়ে শেৱালীফুল একাঞ্জলি আনি ফ'টোখনৰ কাষত থলে। শেৱালী ফুল বৰ ভাল পাইছিল সাবিত্ৰীয়ে। হঠাৎ শিখা সোমাই আহি বনমালীক ক'লে —"এতিয়া এইবোৰ বাদ দিয়াচোন। ঘৰ-দুৱাৰবোৰ অলপ চাফা কৰা। মানুহ-দুনুহবোৰ আহিব।"— বনমালীৰ শৰীৰটো শিৰশিৰাই উঠিল। খন্তেক পিচত বিনীতা সোমাই আহি শিখাক ক'লে—"অলপ শুই ল'ব পৰা হ'লে ভাল আছিল নহয় বাইদেউ। গোটেই নিশাটো নোশোৱাকৈ থকাটো ধেমালি নহয় দেই। মই বাৰু বাদ আপোনাৰ কিন্তু এই সময়ত Rest-ৰ প্ৰয়োজন।"—বুজাব নোৱাৰা বেদনাত স্তব্ধ হৈ গ'ল বনমালী। সি অনুভৱ কৰিলে সাবিত্ৰীৰ এইখন ঘৰৰ মানুহবোৰৰ চেতনাত কেতিয়াবাই মৃত্যু হ'ল। সেইবাবে হাগৈ যোৱাকালি সাবিত্ৰীৰ মৃত্যুৱে তেওঁলোকৰ মনত কোনো জোকাৰণি তুলিব পৰা নাই।

যন্ত্ৰচালিতৰ দৰে বনমালীয়ে ঘৰ সাৰিছে। চ'কা মুচিছে। ইমানদিনে সি নিজক এইখন ঘৰৰ ভৃত্য বুলি ভবা নাছিল। কিন্তু আজি তাক শিখাই কামৰ নিৰ্দেশ দিয়াৰ লগে লগে সি অনুভৱ কৰিলে তাৰ পৰিচয় এটা সাধাৰণ ভৃত্যৰ বাহিৰে এইখন ঘৰত আন একো

নহয়। সাবিত্ৰীয়ে কিন্তু তাক নিজৰ পুত্ৰৰ দৰেই মৰম কৰিছিল। সি এইখন ঘৰলৈ আঠ বছৰ বয়সতে অহা। নিচেই সকতে তাৰ মাক-বাপেক ঢুকাইছিল। মোমায়েক-মামীয়েকে তাক তুলিতালি আঠ বছৰীয়া কৰি তাক সাবিত্ৰীৰ ঘৰত দিলেহি। তাৰপিচত এইখন ঘৰত তাৰ বিশ বছৰ পাৰ হৈ গৈছে। এতিয়া সি ডেকা। সাবিত্ৰীৰ মৰমৰ উমত সি কেতিয়া বিশ বছৰ পাৰ হৈ আহিল, সি গমেই নেপালে। সাবিত্ৰীয়ে তাক স্কুললৈয়ো পঠাইছিল। সিহে ছুদিনমান গৈ এৰি দিলে। এল. পি. স্কুলৰ প্ৰথম শ্ৰেণীত তাৰ বয়সীয়া ল'ৰা নায়েই। তাৰ লাজ লাগিল। সাবিত্ৰীহঁতৰ খেতি-বাতি আছে। ডাঙৰ হৈ সি খেতিত লাগিল। বাৰীখনো চাই। ভিতৰত কাম কৰিবলৈ ল'ৰা এটা আছে। সি আজিলৈকে চ'ফা মচা, ঘৰ সৰা— এইবোৰ কৰা নাই। তাৰ নিজকে পৰাধীন যেন লাগিল।

থৰি দিয়া মানুহবোৰ ঘূৰি অহা নাই। পাচফালৰ চোতাললৈ আহিল বনমালী। গৰু-গাইবোৰ মেলাই নাই। এই ছুদিন কি খাইছে ভগবানেহে জানে। গৰুক দানাপানী দিয়া কামটো সদাই সাবিত্ৰীয়েহে কৰি আহিছে। যোৱা ছুদিনে এই কথাটো বনমালীয়ে চিন্তাই কৰা নাই। লৰালৰিকৈ দানাপানী আনি গৰুসোপাৰ আগত দিলেহি সি। বনমালীয়ে দানাপানী দিয়া দেখি গৰুসোপাই তালৈ সন্দেহেৰে চালে। দমৰা কেইটাই ইফালে সিফালে চাই দানাত মুখ দিলে। ইহঁতৰ লগত বনমালীৰ সম্পৰ্ক আছে। কিন্তু গাইকেইজনীয়ে বনমালীলৈ চোঁচা মাৰি খেদি আহিল। পোৱালী ছুটাই সভয়ে তাৰ ফালে চালে। বনমালীৰ শোকে থুন্দা মাৰি ধৰিলে। গৰুসোপাই তাক সহজভাৱে লব পৰা নাই। পাৰ'জাককো মাতি মাতি চোতাললৈ নমাব নোৱাৰিলে বনমালীয়ে। আটাইজাকে শিলপৰা কপৌৰ দৰে থৰ লাগি বনমালীৰ ফালে চাই আছে। বৈ অহা চকুপানী বাধা দিব নোৱাৰিলে সি। গৰু-গাই, ছাগলী, হাঁহ-পাৰ—এইবোৰৰ খোৱা বোৱাৰ হিচাপ ৰাখিছিল সাবিত্ৰীয়ে। সেইবাবে সাবিত্ৰীক নেদেখি সিহঁত বিস্মিত, হয়তো বেদনাহতো।

শ্মশানৰপৰা মানুহবোৰ আহিল। গা-ধুই লৌকিক কৰ্ম কৰি চন্দন, ৰণেন আৰু অভিজিত বাৰাণ্ডাত বহিছে। চুবুৰীয়া ডেকাবোৰো সিহঁতৰ ওচৰতে বহি আছে। কিবা কথা পাতি গোটেইজাকে হাঁহিছে। চন্দনহঁতেও। মীৰাই ট্ৰেত লৈ অনা চাহ একাপ একাপকৈ সকলোকে দিছে। "ইমানবোৰ আজিকালি মানিব নোৱাৰি দেই। অন্ততঃ চাহ একাপ, চিগাৰেট এটা···।"—অভিজিতে কৈছে।

দিনটো যিমানে আগবাঢ়িছে মানুহৰ আহ-যাহো বাঢ়ি আহিছে। কথা, হাঁহি, টেপ, গাজা আদিৰ সোঁতত সাবিত্ৰী নামৰ মানুহজনীৰ মৃত্যুৰ খবৰ তল পৰি গৈছে। বনমালীৰ কিবা ভয় ভয় লাগিল। এৰাতিৰ ভিতৰতে মানুহে মানুহক এনেদৰে পাহৰেনে? সন্তানৰ ওচৰত মাকৰ গুৰুত্ব ইমান পলকতে কমি যায়নে?

আবেলি পৰত ৰমা পালেহি, লগত গিৰিয়েক। ৰমাহঁতৰ নিজৰ গাড়ী আছে। গিৰিয়েক-ঘৈণীয়েক দুয়ো নিজৰ গাড়ীৰেই আহিছে। এৰছৰীয়া ছোৱালীজনী থৈ আহিছে। বিয়াৰ পিচত ৰমাৰ বহুত পৰিবৰ্তন হৈছে। চেহেৰালৈ সৌন্দৰ্য্যৰ লগতে গাম্ভীৰ্য্যও আহিছে। বনমালীয়ে গম পাইছে কাইলৈ পুৱাই ৰমা যাবগৈ। ইয়াত থাকিব নোৱাৰে বহুত অসুবিধা।

বনমালী স্তব্ধ হৈ গ'ল। ৰমালৈ বৰ মৰম আছিল সাবিত্ৰীৰ। তাইক বিয়া দিয়াৰ এমাহমান পাচলৈকে কান্দি আছিল সাবিত্ৰীয়ে। অথচ মাকৰ বাবে ৰমাৰ দুটোপাল অশ্ৰু নাবাগৰিল। ৰমাৰে নহয় ঘৰখনৰ কাৰো সাবিত্ৰীৰ মৃত্যুত শোক কৰিবলৈ সময় নাই।

বনমালীৰ দৌৰি এইখন ঘৰৰপৰা ওলাই যাবৰ মন গ'ল। ঘৰৰ ভিতৰত যেন উশাহ বন্ধ হৈ যাব খুজিছে। পদূলি মুৰলৈ ওলাই আহিল বনমালী। বাহিৰত দিনান্তৰ অনুজ্জ্বল আকাশ। বিয়লিৰ কৰুণ হৈ অহা মুখলৈ চাই বনমালীয়ে ভাবিলে—বেলিটোৱে বিদায় লবৰ পৰত গোটেই পৃথিৱীখনে যেন কান্দে। পশু-পক্ষীবোৰেও আপোনজনৰ মৃত্যুত শোক কৰে। পৃথিৱীৰ বহুকোটি বছৰ হ'লহি। এতিয়াও ইয়াৰ নিয়ম-কানুন একে আছে। পশু-পক্ষীৰ লগত অৰণ্যৰ,

অৰণ্যৰ লগত মাটিৰ, মাটিৰ লগত ৰ'দ-বৰষুণৰ সম্পৰ্ক অটুট আছে। এটাৰ অবিহনে আনটোৰ ক্ষয়-ক্ষতি হয়—হৈছে। কিন্তু মানুহৰ মন সলনি হৈ গৈ আছে। মৰম, চেনেহ, দয়া, ক্ষমা—এইবোৰ নহ'লেও মানুহৰ এতিয়া চলি গৈছে। এইবোৰৰ লগত সম্পৰ্ক নৰখাকৈ মানুহ এতিয়া জীয়াই থাকিব পাৰিছে। পাৰিব। আচৰিত।·· লাহে লাহে এন্ধাৰ নামিল। বনমালীৰ ঘৰৰ ভিতৰ সোমাবলৈ কিবা ভয় লাগিল। ঘৰৰ ভিতৰত যেন প্ৰেম-ভালপোৱাবিহীন এজাক মৃত মানুহ ঘূৰি ফুৰিছে। মৃত মানুহসোপাৰ মাজলৈ যাবলৈ বনমালীৰ ভয় লাগিল। ●●●

## ডায়মণ্ড ৰিং / পূৰ্ণিমা শৰ্মা

ভাইটি জৰ্জে ডায়মণ্ড ৰিংটো মোলৈ থৈ গ'ল। এয়া এইমাত্ৰ আৰ্মী অফিচাৰ কেপ্টেইন গোৱেলে মোক দি থৈ গ'লহি। ৰিংটো বৰ সুন্দৰ হৈছিল ; মূল্য যথেষ্ট হ'ব। হীৰাৰ উজ্বল ৰশ্মিয়ে মোৰ অন্তৰখন অশান্ত কৰি তুলিছে। কিন্তু, মই কান্দিব পৰা নাই। ভাইটি জৰ্জ, তোমাক কিমান সকৰেপৰা তুলিলো। তুমি পৃথিবীৰ পোহৰ দেখাৰপৰা, বৌটিয়ে এই পৃথিবীত তোমাক এৰি থৈ যোৱাৰে পৰা মই তোমাৰ মাতৃ, ভগ্নী, পিতৃ। মই নিৰুপায়, পিতা ঢুকাল।

মোৰ তেতিয়া আঠ কি ন-বছৰ। তোমাৰ জন্মৰ আগে আগে পিতা ঢুকাল এই হস্পিতালতে। পিতা হস্পিতালত থাকোতে প্ৰায়ে মই বৌটিৰ সৈতে আহিছিলো। মাজে মাজে ৰাতিও আছিলো। হস্পিতালৰ নাৰ্চ বাইদেউহঁতক মই বৰ ভাল পাইছিলো। বিশেষকৈ মোক আকৰ্ষণ কৰিছিল তেওঁলোকৰ প্ৰাৰ্থনাৰ সময়খিনিয়ে। গীৰ্জাৰ ঘণ্টাৰ ধ্বনি আৰু প্ৰাৰ্থনাৰ সুৰে মোৰ কুমলীয়া হৃদয়ত অদ্ভুত ধৰণে সাঁচ বহুৱাইছিল। মই প্ৰাৰ্থনা কৰিছিলো—"পিতাক সোনকালে ভাল কৰি দিয়া যীশু।" চিষ্টাৰ মেৰীয়ে মোক খুউব মৰম কৰিছিল। মই তেওঁক আমনি কৰো প্ৰায়ে "চিষ্টাৰ মেৰী, মোক তোমালোকৰ দৰে পোছাক দিবানে?" তেওঁ কমালেৰে তেওঁলোকে মূৰত বন্ধা ভেইলৰ দৰে মোকো বান্ধি দিছিল। মোৰ যে কিমান ফুৰ্তি। তেওঁ কৈছিল—"তোমাকো মোৰ দৰে সাজ এজোৰ দিম।" মই তেওঁৰ লগত ঘূৰি ফুৰিছিলো। তেওঁ মোক শিকাইছিল যীশুৰ কথা। বাইবেলৰ কথা শুনি মই কল্পনাৰ জগতত উটি ফুৰিছিলো। ভগৱানৰ সন্তান যীশুৱে কৈছে—"এতিয়া কান্দি থকাসকল সুখী হ'বা;

তোমালোকে হাঁহিবলৈ পাবা।" মই দৌৰি চিষ্টাৰ মেৰীৰ কামত সহায় কৰি দিছিলো। বৌটি পিতাক লৈ ব্যস্ত আছিল। গাঁৱৰ দুই এজন মানুহে আহি খা-খবৰ কৰি আছিলহি। পিতাইৰ অসুখত ঘৰৰ খেতিৰ মাটিসকলো গ'ল। মাত্র বাকী থাকিল ঘৰৰ ভেটিটো আৰু কাঁহি-বাতি কেইটা। বৌটি পঢ়াশুনা নজনা অশিক্ষিত গাঁৱলীয়া ছোৱালী যদিও, পিতাইৰ অসুখ চহৰৰ হস্পিতালত চিকিৎসা কৰাইছিল। মোক বৌটিয়ে কৈছিল—"বুজিছ সকমাই, এই খৃষ্টান মানুহবোৰ কিমান ভাল; দেখিছনে ডাক্তৰ নার্চবোৰে ৰোগীক কিমান মৰম কৰে। তেওঁলোক দুখীয়াৰ প্রতি বৰ দয়ালু। মই নাথাকিলে তই এই চিষ্টাৰ মেৰীৰ আশ্রয় লবি। ফাদাৰো বৰ ভাল, তেওঁ তোক কেতিয়াও পানীত হাঁহ নচৰা অৱস্থাত পৰিবলৈ নিদিয়ে। বৌটিয়ে ইতিমধ্যে বহুত কথাৰ সন্ধেদ গোটাইছিল, মই বুজি পোৱা নাছিলো। কান্দি কান্দি কোৱা বৌটিৰ কথাখিনি শুনি আৰু বৌটিৰ আভঙ্গা ক্ষীন গাটোত বাঢ়ি অহা পেটটো দেখি ভাবিছিলো— বৌটিৰো পিতাইৰ দৰে কিবা অসুখ হৈছে; মই নিৰবে উচুপিছিলো। বৌটি পিতাইৰ ওচৰলৈ গৈছিল। মই কান্দি থকা দেখি চিষ্টাৰ মেৰীয়ে মোৰ মুখত চকলেট এটুকুৰা ভৰাই দি কৈছিল—"কান্দিলে যীশুৱে বেয়া পায়। সক ল'ৰা-ছোৱালীক তেওঁ বৰ মৰম কৰে, আশীর্বাদ দিয়ে।" কিনকিনিয়া বৰষুণ পৰিছিল তেতিয়া। মেৰীয়ে মোক কৈছিল—"চোৱা যীশুৱে সকলোকে ভাল পাই কাৰণে তোমাৰ পিতাক তেওঁৰ ওচৰলৈ লৈ গৈছে।" মই দেখিছিলো পিতাইক বগা কাপোৰ এখনেৰে মেৰিয়াই, বাঁহৰ চাঙী এখনত আমাৰ গাঁৱৰ মানুহ কেইজনমানে লৈ গৈছে। বৌটি কান্দি ঢলি পৰিছে। পুৱতি নিশালৈ বৌটিয়ে ভাইটি অর্জক জন্ম দিলে। অর্জৰ জন্মৰ তিনিদিনৰ দিনা বৌটিও ঢুকাল। মোক চিষ্টাৰ মেৰীৰ ওচৰত থৈ, বৌটিৰ সোণৰ গহনাখিনি মেৰীকে গতাই, মোক খৃষ্টান ধর্মলৈ মেৰীৰ দৰে হ'বলৈ কৈ গ'ল। তেতিয়াৰপৰা আজি বাইশ বছৰ মই এই হস্পিতেলখনতে আছো। মই এতিয়া চিষ্টাৰ জর্জিনা। আমাঁ অকিচাৰ

একজনে মোৰ শুশ্ৰূষাত সন্তুষ্ট হৈ ভাইটিৰ পঢ়াশুনাৰ দায়িত্ব লৈছিল আৰু ভাইটি জৰ্জ হৈছিলগৈ আৰ্মী অফিচাৰ।

জৰ্জে আজি অলপদিনৰ আগতে ব্ৰিগেডিয়াৰ পদলৈ প্ৰমোচন পালে। মই ভাবিলো—মই সংসাৰ নাপাতিলোৱেই। বংশৰ ঘৰৰ মাটি-ভেটিবো খবৰ নকৰিলো; সম্পৰ্কীয় দদাইদেউ একজন আছিল তেওঁকে লবলৈ ক'লো। গীৰ্জাঘৰটো, ৰোগীবোৰ আৰু যীশুৱেই মোৰ আপোন পৰিয়াল। এইবোৰেই মোৰ ঘৰ। জৰ্জৰ সংসাৰখন পাতি দিও বুলি একজনী শান্ত, মৰমলগা ছোৱালী ঠিক কৰিলো। নাম তাইৰ এলিজাবেথ। তালৈ এই বিষয়ে জনাই লেখাত প্ৰথমে সি আপত্তি কৰিছিল—সৈনিকক সংসাৰ কিয়? কিন্তু, পাছত সন্মত হৈছিল।

"বাইদেউ, তোমাৰ যি ইচ্ছা।"

জুনমাহত জৰ্জৰ বিয়া। বৌটিয়ে এৰি থৈ যোৱা গহনাখিনি পলিচ কৰালো। ভাইটিয়ে মোলৈ লিখিলে—"এলিজাবেথলৈ মই মাত্ৰ এটা ডায়মণ্ড ৰিংহে কৰাই থৈছো। বাকীবোৰ তুমি কি দিয়া দিবা বাইদেউ।" মোৰ মনত আনন্দ, আমাৰ এখন ঘৰ হ'ব। ভাইটিৰ ল'ৰা-ছোৱালীয়ে আনন্দেৰে ঘৰখন ওপচাই তুলিব। মই বৰদিনৰ বন্ধত সিহঁতলৈ ধুনীয়া ধুনীয়া উপহাৰ লৈ যাম। এলিজাবেথে ঘৰখন ধুনীয়াকৈ সজাই পৰাই থব। মোৰ মনটো উলাহেৰে ভৰি পৰিল। এলিজাবেথৰ কাৰণে কাপোৰ-কানি চিলোৱাত ব্যস্ত হ'লো মই। তেনেতে জৰ্জৰ এখন চিঠি পালো। "মৰমী বাইদেউ, বিয়া জুন মাহত নহ'ব, ছুটী নাপাম। পঞ্জাবৰ অমৃতসৰৰ স্বৰ্ণমন্দিৰত ডিউটি পৰিছে…।" ঠিক এসপ্তাহৰ পাছত এই সৰ্বনাশীয়া দিনটো আহিল। আজি কেপ্টেইন গোৰেলে হীৰাৰ আঙুঠিটো মোক দি গ'লহি। মই কি কৰিম? চাৰিওফালৰপৰা মোক অন্ধকাৰে বেৰি ধৰিছে। শিখ উগ্ৰপন্থীৰ হাতত মোৰ ভাইটি নিহত হৈছে। তাৰ শেষ বাক্যমতেই আঙুঠিটো মোৰ হাতত পৰিছে। মই বাৰে বাৰে চুমা খাইছো আঙুঠিটো। সোণেৰে বন্ধোৱা হীৰাৰ আঙুঠিটোত

এলিজাবেথ আৰু জৰ্জৰ নাম লিখা আছে। মই আজি কন্দা নাই। বাইবেলত আছে—"যীশুক যি বিশ্বাস কৰে, তেওঁ হতাশ নহয়।" মই মৌনহৈ গৈছো। মোক মাত লগাবলৈ অহা মানুহখিনিয়ে মোলৈ চাই আঁতৰি গৈছে। এয়া শেষত ফাদাৰ আহিছে। মই মূৰ তুলি চোৱা নাই। যীশু নাই, সকলোবোৰ মিছাই ভোল গ'লো। এইয়া ফাদাৰক দুগৰাকী চিষ্টাৰে লৈ আহিছে—তেওঁ বুঢ়াহৈ গৈছে। মোক সাবটি ধৰি তেওঁ প্ৰাৰ্থনা কৰিলে। মই বিংটো তেওঁলৈ আগবঢ়াই দি মোৰ মনৰ কথাখিনি কৈ তেওঁৰপৰা অনুমতি বিচাৰিলো—"ফাদাৰ আঙঠিটো মই স্থানীয় ছাত্ৰসন্থাৰ সম্পাদকৰ হাতত দি দিব বিচাৰো।" অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত নিহত হোৱা শ্বহীদৰ সাহায্য পুঁজিলৈ আঙঠিটো দিব খুজিলো। মই, জৰ্জিনাই মানৱ সেৱা কৰিছিলো। ভাইটি জৰ্জেও আৰ্মীত যোগ দি দেশসেৱা কৰিছে, মই সুখী হৈছিলো। যীশুক ধন্যবাদ জনাইছিলো। যীশুৰ আশ্ৰয়ত দিনবোৰ ভাল দৰে পাৰ হব বুলি ধাৰণা কৰিছিলো। পৰদেশত শত্ৰুৰ লগত যুঁজি ভাইটি জৰ্জৰ মৃত্যু হোৱা হ'লে, মই গৌৰৱেৰে বীৰৰ ভগ্নী বুলি আজি সমাধিস্থল পালেগৈহেঁতেন। এতিয়াও মই যাম। ভাইটিক কফিনত ভৰোৱাৰ আগতে শেষ চুমাটো দিমগৈ। জৰ্জ, আসঃ তাৰ ব্ৰিগেদিয়াৰ সাহেবে তুলি পঠোৱা ফটোখন। ফটোখন আৰু ডায়মণ্ড বিংটো, অসম ছাত্ৰসন্থালৈ সাহায্যৰ চিনস্বৰূপে দি দিম। বিংটোত ফাদাৰৰ এটোপাল চকুলো সৰি জিলিকি উঠিল। মই আচৰিত। ভগৱানৰ পুত্ৰ যীশুৰ দৰেই মই ফাদাৰক জ্ঞান কৰো; সেই ফাদাৰেও শোক কৰে। ফাদাৰৰ অনুমতি পায়ে মই স্থানীয় ছাত্ৰ সন্থাৰ কাৰ্য্যালয়লৈ খোজ ল'লো। ●●●

# অভিশপ্ত সেই দিনটো / অমৃত গোস্বামী

দীঘল খামৰ চিঠিখন পাই মোৰ মনটো চিৰিংকৈ গ'ল। এইখনো যদি কলিং লেটাৰ হয়। ভয়ে ভয়ে মেলি চালো খামটো। সঁচাকৈয়ে মোৰ অনুমান সত্য। এইখন কলিং লেটাৰ। বহুতদিন এটা কথাই ভাবিছো পিয়নজনক কৈ থম কলিং লেটাৰ আহিলে যেন মাৰ আগত নিদিয়ে। কিন্তু পিয়নজনক যে মই বহুতদিন ধৰি লগেই পোৱা নাই। এটা দিনত এখন কলিং লেটাৰ পাবলৈ উদ্বাউল হৈ থকা মোৰ মনটো তমসাচ্ছন্ন ঢাকনি এখনে যিভাৱে ঢাকি ধৰিলে তাৰপৰা পোহৰৰ বাটলৈ চাবলৈ চোন মোৰ ভয়েই লগা হ'ল।

কলিং লেটাৰ এখন আহিলেই মোতকৈও মোৰ মা বেছি উদগ্ৰীৱ হৈ পৰে। মায়ে ভাৱে মই এখন ইণ্টাৰভিউলৈ মতা কাগজ পালেই এটা চাকৰি পাম। যিটো চাকৰিৰ দ্বাৰা মোৰ আজ্ঞাৰ ঘৰখনলৈ আশাৰ সঞ্চাৰ আনিব পাৰিম। মই নিশ্চিত যে ইণ্টাৰভিউত পাচ কৰিব পৰা মোৰ কোনো উপযুক্ততা নাই। মোৰ হাতত আলাউদ্দিনৰ চাকি এটা নাই যে ঘঁহা মাৰিলেই দৈত্য এটাৰ সৃষ্টি হ'ব আৰু সেই দৈত্যটোক অৰ্ডাৰ দিয়া মাত্ৰেই মোক অপৰূপ ৰূপ-লাৱণ্যৰে সজাই তুলিব, খোজত দিব লয়লাস গতি, মহাদেৱৰ তপভঙ্গ কৰিব পৰা মদনৰ পঞ্চশৰ। কথাত সুৰৰ মাধুৰী, চকুত কটাক্ষ চাৱনি। ওহো, এই বিলাকবটো মোৰ একোৱেই নাই। লেকৰা ওঁঠৰ কৃশাঙ্গী দেহৰ মই এজনী সাধাৰণ যুৱতী। অভাৱ অনাটনে আজুৰি আজুৰি মোৰ চকুৰ পাতকৰ কমনীয়তা সমূলকে মোহাৰি পেলাই ক'ৰবাৰপৰা যেন ক্ৰোধৰ স্ফুলিঙ্গ কিছুমানহে গানি থৈ গ'লছি সংগোপনে।

স্বাস্থ্য ৰক্ষাৰ কাৰণে অতীতৰ মনিষীসকলে নিৰ্দ্ধাৰিত কৰি দিয়া আঁউসী একাদশীৰ লঘোন যে আমি মাহেকটোত কিমান বাৰ কৰিব

লাগে তাৰ হিচাব নাই। চিম্নীৰ মোৱাতত চাইকেলৰ টিউবত থকা পাম্প দিয়া নলী এডাল লগাই লৈ সজা টিপচাকিটোত যে কিমান বাত্তি তেল নোহোৱাকৈ পাৰ হৈ যায় তাৰ হিচাব কৰিবলৈও চোন আমাৰ সময় নাই।

আজি দুদিন ধৰি আইতাৰ বৰ টান। বাত্তিবাত্তি পৰ দিবলগা হৈছে। দদাইদেউহঁতৰ ঘৰবপৰা খুজি অনা তেলচাকি কালিয়েই পুৰি শেষ হ'ল। আজি আনিলে ঘূৰাই দিম বুলি কৈ আনিছিলো। কিন্তু আজিযে আনিবলৈ কোনো উপায়ে নাই। ভাইটিয়ে পৰীক্ষাৰ সময়ত পঢ়িবলৈ ক'ৰবাৰপৰা নাহৰগুটি দুটামান আনি থৈছিল। তাৰে কেইটামান জ্বলাই আজিৰ বাত্তিটো পাৰ কৰিব লাগিব। সি আচলতে নাহৰগুটি কেইটা এতিয়াই খৰছ কৰি পেলাবলৈ মন কৰা নাই। কিয়নো পৰীক্ষাৰ সময়তটো নাহৰগুটি পোৱা নাযাব। মায়ে তাক ভিতৰুলৈ মাতি নি কৈছে—"তই ইমান চিন্তা নকৰিবি চোন। ভাগ্যৱতীলৈ ইণ্টাৰভিউৰ কাগজ আহিছে। তাই চাকৰিটো পাই গ'লে দেখোন এই লেমৰ পোহৰতে পঢ়িব পাৰিবি। তোৰ পৰীক্ষালৈ আৰু ছমাহ আছেই। দিন পালে ক্ষণ পায়। তইনো কেলেই ইমান চিন্তা কৰিছ? হেৰ বোপাই নাহৰগুটি কেইটা দি দে।" ইতস্ততঃ কৰি ভাইটিয়ে গুটিকেইটা উলিয়াই দিলে।

ৰাত্তিটো কথমপি পাৰ হৈ গ'ল। আজি দিনটো যে কোনো মধ্যেই নাপাৰে। পুৰোহিতদেৱে কৈছে 'আজি বাৰ বজাৰ ভিতৰতে কিবা এটা হব।' মোৰ ইণ্টাৰভিউও আছে আজিয়েই। যাব লাগে নগৰলৈ। মোৰ কিন্তু যাবলৈ একেবাৰেই মন নাই। মৃত্যুশয্যাত আইতাক এৰি মইনো বাৰু ইণ্টাৰভিউলৈ কেনেকৈ যাম? ওচৰ-চুবুৰীয়া সকলোৱে ক'লে, "যা যা আই আমি আছোঁ নহয়। আইতাৰ বুঢ়ী মানুহ—মৰিবই। কিজানি আইতাৰক কৰা প্ৰতিপালনৰ আশীৰ্ব্বাদ স্বৰূপে তই চাকৰিটো পাবই।"

কান্দি কান্দি চকুৰপানী শেষ হৈ যোৱাৰ পাছত, প্ৰকৃততে মোৰ কান্দিবলৈ চকুত পানীয়েই নাছিল। তথাপিও মুমুৰ্ষ আইতাক সেৱা

কৰোঁতে মোৰ দুধাৰে চকুৰ প্ৰানী বৈ আছিল। হিয়াত উথলি উঠা বেদনাবিলাকে মোৰ হৃদয়খনৰ দুয়োপাৰ উপচাই যেন বৈ আছিব। চকুৰপানী টুকি টুকি মই বাট ললো জেঠাইদেউৰ পুত্তেক কিৰণ ককাই-দেউৰ লগত। ভাইটিয়ে পিছৰপৰা দৌৰি আহি বগৰ কৰি ক'লেহি, 'সেইদৰে কান্দি কান্দি নাযাবি অই—কোনোবাই আক' হৰণ কৰি আনিছে বুলি ভাবিব।'

নিৰ্দ্ধাৰিত সময়ত গৈ নিৰ্দ্ধাৰিত অফিচৰ মুখত থিয় দিলো। ইমান মানুহ! এই সকলোবিলাকেই কেণ্ডিডেট নেকি? ওচৰতে থিয় হৈ থকা বোৱাৰী গৰাকীক সুধিলো আপুনি ইন্টাৰভিউ দিব?

: হয়, আপুনি?

: ময়ো আহিছো।

বাটটো কান্দি আহোঁতে মোৰ ডিঙিটো একেবাৰে শুকাই আহিছিল। চাহ একাপৰ অত্যন্ত প্ৰয়োজনীয়তা উপলব্ধি কৰিছিলো মই। কিন্তু ক'ত পাম? আজি দুদিন আমাৰ ঘৰত একাদশী পালন। পেটৰ অসহ্য পোৰণিটোৱে মোক সেইকথা আকৌ সোঁৱৰাই দিলে। সক ভাইটিটোলৈ মনত পৰিল। সি যে কৈছিল আইতা মৰিলে ভালেই হব জান বাইদেউ। মানুহবিলাকে কিবা-কিবি দি মাত লগাবলৈ আহিব নহয়! বস্তুহঁতৰ ককাক মৰোতে এটা কম মাত লগোৱা বস্তুৰে ভৰি পৰিছিল। পিছত যে ইমান গেলা কল, কমলা, আপেল পেলাই দিবলগা হৈছিল। আমিও তেতিয়া বেছকৈ খাবলৈ পাম। অভাৱে মানুহৰ মনত কেনে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। সঁচাকৈ ভোকৰ জ্বালাত তেনেকুৱা কথাই চিন্তা কৰিবলৈ মন যায়। কিন্তু বস্তুহঁতৰ ঘৰৰ দৰে যে আমাৰ ঘৰত মাত লগাবলৈ মানুহ নাহে। ধনী আৰু দুখীয়া মানুহৰ মাজৰ ব্যৱধানটো সক ভাইটিটোৱে নাজানে। সেই কথা ভাবিলেও মনটো কিবা লাগি যায়। পেটৰ ভোকৰ অসহ্য তাড়নাত কথমপি ৰাস্তাৰ মুখটো আউজাই মই থিয় দি ৰ'লো।

ইতিমধ্যে আমাক বহিবৰ কাৰণে বাৰাণ্ডাতে বেঞ্চ কেইখনমান উলিয়াই দিলে। সেইদিনা আছিল দৰ্মহাৰ দিন।

অফিচৰ মুখতে আমি বেক পাবি বহি্ ব'লো। বগা শকত নিপোটল মানুহজনে দৰ্মহা দিছে। প্ৰত্যেকেই গণি গণি টকা লৈছে। আমাৰ আগেদিয়েই প্ৰত্যেকটো অফিচলৈ চাহ-মিঠাইৰ পয়োভৰ চলিছে। গৰম চাহৰ মিঠা গোন্ধ এটা আহি মোৰ নাকত লাগিছে। নাকৰপৰা গোন্ধটো যেন সৰ্বশৰীৰতে বিয়পি পৰিছে। এনেকুৱা লাগিছিল যেন একে কামোৰতে মিঠাইটো গিলি কোট্-কোট্‌কৈ চাহখিনি পি পেলাম। পিয়ন, চকীদাৰ, কেৰাণী, টাইপিষ্ট প্ৰত্যেকেই ইটো অফিচৰপৰা সিটো অফিচলৈ এনেয়ে পাইচাৰি কৰি ফুৰিছিল, যেন চাণ্টিঙৰ ভৰাহে। তেওঁলোকৰ খোজৰ প্ৰতিটো শব্দত যেন বাজি উঠিছিল—অপদাৰ্থহঁত তহঁতে ক'ত চাকৰি পাবি ? চাকৰি পাবলৈ তাবিজ লাগিব নাজান ? মন্ত্ৰপূত তাবিজ !

হাই পাৱাৰৰ চচ্‌মা পিন্ধা সুশ্ৰী টাইপিষ্ট এজন খুব ঘনাই ইফালৰ পৰা সিফাললৈ গৈছিল। যেতিয়া উচ্ছল যৌৱনা গাভৰুহঁতৰ কাষেদি পাৰ হৈ গৈছিল, তেতিয়া তেওঁৰ খৰক-বৰক খোজত ছন্দ পতন ঘটিছিল। তেওঁ সেইদৰে উজুটি খাই খৰক-বৰক খোজেৰে আমাৰ কাষেদি প্ৰায় চাৰি-পাঁচবাৰ মান পাৰহৈ যোৱাত আমি ইমান আমোদ পালো যে সকলো বিৰক্তি মুহূৰ্তৰ কাৰণে আঁতৰি গ'ল।

প্ৰথমে লগপোৱা বোৱাৰী গৰাকী বেছ ৰসাল আছিল। সুশ্ৰী মানুহজনে কেইবাবাৰো অহাযোৱা কৰাত কৈছে, "দেখিবলৈ বেচেৰা চকুত লগাই আছিল। ট্ৰাই এটা কৰি চাব পৰা হ'লহেঁতেন। পিছে মই আৰু' আগতেই জোট জৰীডালত বান্ধ খালোৱেই নহয়। হেৰি ডাঙৰীয়া! আমাৰ এনগেইজ হৈ আছে। এই সকলৰ ফালে মন কৰক। মোৰফালে নাচাব বুজিছে। যিডাল ডোলত বান্ধ খালো সেইডাল বৰ টান কেতিয়াও চিঙিব নোৱাৰি। প্ৰেমত পৰি বান্ধ খোৱা বুজিছে ?" মানুহ গৰাকীৰ কথা শুনি হাঁহিত আমাৰ পেটৰ নাড়ী ডাল ডাল হ'ল। তেখেতক পাই মোৰ মনৰ অস্থিৰতাখিনিও কিছু শাম কাটিছিল।

আমাৰ ইণ্টাৰভিউ চলি আছে। চাৰিটা পোষ্টৰ কাৰণে পাঁচশ

জন প্ৰাৰ্থী।' 'ফিলিপিটাত মোক আখতে কৰি থকা প্ৰাৰ্থীয়েই আছে। মাত্ৰ এটা লোকৰ বাবে চাৰ্গে কিমান হাজাৰ...কথাটো ভাবিলেই মূৰটোৱে কাম নকৰা হয়। মৃত্যুমুখী আইতাক লোৱাই বৈ আছিলো। মূৰটো খুব কামুৰিছে।

তেনেকুৱাতে এটা ঘোষণা শুনিবলৈ পালো। আমাক আধা-ঘণ্টাৰ কাৰণে বিৰতি দিয়া হৈছে। তাৰ পিছত আকৌ ইণ্টাৰভিউ আৰম্ভ হ'ব। বোৱাৰী গৰাকীয়েই লগ ধৰিলে চাহ একাপ খাই আহোঁ বুলি। চাহ খাবলৈ বুলি ওলাই আহি ওচৰত কোনো হোটেল আদি নথকাত আমি বিবুদ্ধি হৈ পৰিলো। মই অৱশ্যে অভ্যস্ত। তেখেতৰ হয়তো এই সময়ত ধুনীয়া একাপ চাহ খোৱাৰ অভ্যাস আছে। আমি ঘূৰিপকি ঘূৰোতেই তেখেতৰ ককায়েক এজন লগ পালো। তেখেতেই নিজৰ কোৱাৰ্টাৰলৈ নি আমাক চাহ খোৱালে। তৃপ্তিত চকু মুদ খাই আছিল।

আকৌ ঘূৰি আহিলো ইণ্টাৰভিউ দিবলৈ। সেই সময়ত মোৰ উৎকট মূৰ কামুৰিছিল। মোৰ চকুৰ অসুখ থকাৰ কাৰণে অকণমান চকুৰ পানী ওলালেই বা ৰ'দত খোজ কাঢ়িলেই মোৰ মূৰটো কামুৰিবলৈ ধৰে। যন্ত্ৰণাত মই ছাটি-ফুটি কৰি আছোঁ। বোৱাৰী গৰাকীয়ে মোৰ মনটো ভাল লগাবলৈ অনেক ধুহটীয়া কথা কৈছে। কাক কি প্ৰশ্ন সুধিলে সেইবোৰ সুধি আমি তাৰ ধুনীয়া ধুনীয়া উত্তৰৰ সৃষ্টি কৰিছো। মোৰ উত্তৰবিলাক শুনি তেখেতে মোক কৈছে, 'আপুনি ভাব মানে 'এম'।'

আচলতে মই আই, এম আদি কোনো পাৰ্টিৰ মানুহ নহয়। জন্মৰ-পৰাচোন মই অভাৱৰ বাদে আন একোকেই দেখা নাছিলো। গতিকে মই জেনে উত্তৰৰ সৃষ্টি নকৰিলো বাক কি কৰিব পাৰো! কাব্যিক প্ৰশ্নৰ কাব্যিক উত্তৰ দিবলৈ ছন্দময়, সুৰময়, গীতময় কথা কবলৈ-চোন মোক বহু বাক্যৰে মুঠেই নিশিকালে। তিতা অকটা বাক্যটোৱে যে মোৰ মাত কথা সকলোতে তিক্ততাৰ চাপ এটা বহুৱাই গ'ল তেখেতেতো নাজানে!

জেখেত্ত বাঙালী। অভাৱ কি বহু চিনি মাণাৱ আগৈ; উপভোগৰ কাৰণেই নিশ্চয় জেখেতে চাকৰি বিচাৰি আহিছে। মিপোচ্ছল এটি কেঁচুৱা চাকৰে-বাকৰে পৰিপূৰ্ণ ঘৰখনত এখি আহিবলৈও একো দিগ্দাৰ নাই।

মোৰ চকু মুদ খাই আহিছিল। দুদিন-তিনিদিন টোপনি খতি। মূৰটো অত্যন্ত কামুৰিছিল। আইতাদৈ মনত পৰিছিল বাৰে বাৰে। ইতিমধ্যে চাগৈ আইতাৰ দাহকাৰ্য্যও সমাপ্ত হৈ গ'ল।

উকা চোতালখনত চাগৈ দেউতা বহি লৈ তন্ময়হৈ আকাশৰ কালে চাই আছে। চকুৰ কোণদুটাত চকুৰ পানীৰ দাগ এটা স্পষ্ট-হৈ জিলিকি আছে। মায়ে চাগৈ মৃত্যুৰ সময়তো আইতাৰ মুখত পানীৰ এটোপাল দিবলৈ নাপাই নিজকে অপদাৰ্থ বোৱাৰী এজনী বুলি ভাবিবলৈ সংগোপনে উচুপি উচুপি বহি আছে। মাৰ শেঁতা চকু-জুৰিৰ আগত যেন আশা-নিৰাশাৰ অস্পষ্ট ছায়া এটাই মাজে মাজে ভুমুকি মাৰি গৈছে।

মোৰ নিশ্চয় তন্দ্ৰা আহিছিল। ভাগ্যৱতী দত্ত বুলি পিয়নজনে মতা শুনি মই থপ্ জপকৈ উঠিলো। পলিথিনৰ বেগটোত বান্ধি থোৱা চাৰ্টিফিকেট গোপা সযত্নে এবাৰ চকু ফুৰাই চালো। কলেজ উইকত পুৰস্কাৰ পোৱা বিভিন্ন চাৰ্টিফিকেটো সেই একেটা বেগতে আছে। সকলোখিনি লৈ আহিছো। কিজানিবা সেইখিনিয়েও কিবা কামত আহেই বা!

: নমস্কাৰ চাৰ।

: বহক।

নিঃশব্দে বহি পৰিলো।

: আপোনাৰ নাম ভাগ্যৱতী কোনে ৰাখিলে?

: আইতাই।

: আপুনি ভাগ্যৱতী হৈ কিয় কেৰেণী কৰিবলৈ আহিছে?

: পদ্মলোচনে চকুৰে নেদেখিবওতো পাৰে।

লগে লগে হাঁহিৰ ঢৌ এটা বাগৰি গ'ল কোঠাটোত।

: খবৰ কাগজ পঢ়ে ?

: নপঢ়ো চাৰ।

: আৰে খবৰ কাগজ নপঢ়ে কিয় ?

: পেটত পানী গামোচা বান্ধি খবৰ কাগজ পঢ়াৰ মানসিক প্ৰস্তুতি মোৰ নাই।

: মাৰ্ক্সিজিমৰ ওপৰত আপোনাৰ ধাৰণা কেনেকুৱা ? অৰ্থাৎ আপুনি মাৰ্ক্সীয় থিয়ৰীৰ ওপৰত কিবা অধ্যয়ন কৰিছেনে ?

: অসমীয়া মানুহে ভোক লাগিছে বুলি ক'লে মাৰ্ক্স পঢ়ে নেকি বুলি সোধে—ইয়াৰ অৰ্থ মই নুবুজিলো। আচলতে দুখীয়াৰ কথাকোৱা মানুহবিলাক বা প্ৰকৃত দুখীয়া হলেই মাৰ্ক্সবাদী হয় নে ?

: বাক বাক বুজিছো হৰ।

পানিপথৰ প্ৰথম যুদ্ধ কাৰ কাৰ মাজত লাগিছিল ? মাটাম্ৰু যুদ্ধ, কৰাচী বিপ্লব, সেটজ বিপ্লব, ইত্যাদি এশ এবুৰি প্ৰশ্নেৰে মোক ব্যতিব্যস্ত কৰি তুলিছিল। প্ৰত্যেকটো প্ৰশ্নৰে যথাযথ উত্তৰ দিছিলো যদিও প্ৰকৃততে মোৰ উত্তৰত তেখেতসকল সন্তুষ্ট হব পৰা নাছিল। তেখেত সকলে নিশ্চয় মই কোনোবা চি. পি. এম. দলৰ লিডাৰৰ কবলত পৰিছো বুলি ভাবিলে। প্ৰকৃততে তেনেকুৱা কোনো লিডাৰেই যে একনী সাধাৰণ দুখীয়া গাঁৱলীয়া খেতিয়কৰ ছোৱালীৰ লগত যে হলিগলি নকৰে বা কথাবাৰ্ত্তা নহয় সেই কথা চাগৈ তেখেতৰ দৃষ্টিৰ অগোচৰ।

মোৰ চিঞৰি চিঞৰি কবৰ মন গৈছিল—আমাক এইদৰে প্ৰতাৰণা কৰিবলৈ কিয় মাতি আনিলে ? দহটা টকাৰ বিনিময়ত আমাৰ ঘৰত যে কিমান দুৰ্য্যোগৰ অন্ত হ'লহেঁতেন ! সেই দুৰ্য্যোগকো আওকাণ কৰি মোৰ দৰেই চাগৈ কত দুৰ্ভগীয়া প্ৰাৰ্থীয়ে ধাৰ কৰি টকা আনি গোটেই দিনটো ইয়াতে বহি কটাই দিছেহি সোণালী ভৱিষ্যতৰ অলীক কল্পনা কৰি।

দপ্ কৈ মোৰ খং উঠি আহিল, আমাৰ শিক্ষা ব্যৱস্থাৰ ওপৰত। যি শিক্ষাই আমাক জীয়াই থাকিবলৈ নিশিকাই, ভৱিষ ওপৰত থিয়

যি খোজকাঢ়াৰ পৰিৱৰ্তে চুকবিৰলৈ শিকাই, যি কান্দোন বুকুত লৈ কুন্ঠিত হৈছিলোঁ সেই কান্দোনকে চিৰদিন সাৰথি থাকিবলৈ আমাক বাধ্য কৰাই সেই শিক্ষাৰ প্ৰয়োজন ক'ত? যি শিক্ষাৰ চাৰ্টিফিকেট বাকচত ঠাই বন্দী কৰাৰ বাদে অন্য কামত নাহে তেনে অদৰকাৰী চাৰ্টিফিকেটসমূহ জ্বালি-চিৰি পেলাই দিবৰ মন গ'ল।

তেতিয়া অফিচৰ ঘড়ীত চাৰি বজাৰ সংকেত বাজি উঠিছিল। বেলিটো আঁতৰি গৈ পশ্চিম দিগন্তত ডুবু-ডুবু হৈছিল। খিৰিকিৰ আইনাত তাৰ প্ৰতিবিম্বটো পৰি জিলিকি উঠিছিল। মোৰ বাবে আশাৰে বাট চাই থকা মাৰ মুখখনে যেন বেলিটোৰ মাজত আহি লুকাভাকু খেলিছিল।

স্তব্ধ হৈ কিছুপৰ মই খিৰিকিৰ আইনাখনলৈ চাই থাকিলোঁ। বুজা-নুবুজা অস্পষ্ট ছায়া এটাই মোৰ মনৰ মাজত ভুমুকি মাৰিলে।

: আপুনি যাব পাৰে।

মই ওলাই আহিলোঁ। এতিয়া মাতিলে সুনীতি দেৱীক মানে সেই বগাল মোৱাৰী গৰাকীক। তাইৰ কপালত বেলিটোৰ দৰে জ্বলি থকা ফোঁটটোত মোৰ চকু পৰিল। ঠিক এই দৰেই চাগৈ আমাৰ আইতাৰ চিতাৰ জুইকুৰাও দপ্‌দপ্‌কৈ জ্বলি উঠিছে।

আইতাৰ সংসাৰৰ জ্বালা-যন্ত্ৰণা পুৰি শেষ কৰি নিয়া জুই। চিতাৰ জুইৰ লেলিহান শিখাই পুৰি শেষ কৰি নিয়ক বৰ্তমান সমাজ ব্যৱস্থাৰ গতিধাৰাক। কোবা-কুবিকৈ মই খোজ ললোঁ চিটিবাচৰ ফালে। ●●●

# বৰদৈচিলা / পুষ্প দেৱী

উদং পথাৰখনৰ মাজেদি অকলশৰে আহি থাকোঁতে সুৰভিয়ে বুকুৰ মাজত গভীৰ শূন্যতা অনুভৱ কৰিলে। তাইৰ দৃষ্টি উদাস। উকা ফুলস্কেপ কাগজ এখিলা ভালকৈ লক্ষ্য কৰিলে দেখা পোৱা বাঘটোৰ ছবিখনৰদৰে, তাইৰ চকুহাল চালে গম পোৱা যায় যে তাইৰ জীৱনৰপৰা এতিয়াও দুৰ্যোগৰ দানৱটো আঁতৰি যোৱা নাই। মুকলি পথাৰত দৌৰিফুৰা দামুৰি এটাৰ হেম্বেলনি শুনি উচাপ খাই উঠিল সুৰভি। তাইৰ বুকুখনে হাঁহাকাৰ কৰিলে। জনশূন্য উদং পথাৰখনৰ মাজত তাই সৰগপৰা মানুহৰ দৰে থিয় হৈ ৰ'ল। চৌকালে ডিঙি মেলি মেলি চালে তাই। কাকো দেখা নেপালে। দূৰত শুকান নৰাবোৰত অলোৱা জুইৰ ধোঁৱাবোৰ কুণ্ডলিপকাই আকাশলৈ উঠিছে। দামুৰিটোৱে মাকক বিচাৰি ফুৰিছে। সুৰভিৰ মূৰটো ঘূৰাই যোৱা যেন লাগিল। পৃথিৱীখন তাইৰ সন্মুখত চক্ৰাকাৰে ঘূৰিছে। তাই অন্ধকাৰ দেখিলে। নৰাবোৰৰ মাজতে বহি দিলে সুৰভিয়ে। নিজকে তাইৰ বৰ নিষ্ঠুৰ যেন ভাব হ'ল। কিন্তু, তাই যে উপায়বিহীন। দুৰ্ভিক্ষৰ দানৱে জিভামেলি খেদি ফুৰিছে তাইক। শীতৰ হাড়কঁপোৱা জাৰত, গৰম কাপোৰৰ অভাৱত তাইৰ মাক সদায় যেতিয়া থৰ্থৰকৈ কঁপি থাকে, সুৰভিৰ বুকুখন তেতিয়া দুখেৰে আৰ্দ্ৰ হৈ পৰে। মাজনিশা তাইৰ চকুৰ পানীয়ে বুকুৰ মাজত সাৱটিলৈ থকা প্ৰতীকৰ চুলিবোৰ তিতি যায়। প্ৰতীকে প্ৰশ্ন কৰে—"মা কি হৈছে ?" সহজতে উত্তৰ দিয়ে সুৰভিয়ে—"সোণ, আমাৰ ঘৰখন একেবাৰে উকথা, বৰষুণ পৰিছে।" "মই ডাঙৰ হ'লে ঘৰটো ভালকৈ সাজিম দেই মা।" সুৰভিয়ে তাৰ চুলিবোৰত হাত বুলাই দি কয়—"তুই থাক সোণ। সাজিবি, ডাঙৰ হ'লে ঘৰটো ভালকৈ সাজিবি।"

খৰ ‖ সুৰভিয়ে ভাৱে, তাইৰ ভাগি যোৱা ঘৰখন আমো কোনোবা-দিনা সাজিব পাৰিব ? প্ৰত্যেকজনী ছোৱালীৰে বুকুৰ মাজত এখন ঘৰৰ সপোন থাকে। মাক-বাপেকৰ ঘৰত থাকোতে প্ৰতিজনী ছোৱালীয়ে বুকুৰ মাজত সংগোপনে সাঁচি ৰখা ঘৰখনৰ মিঠা মিঠা কল্পনাৰ মাজত ডুব গৈ থাকে। সুৰভিয়েও বুকুৰ মাজত এখন ঘৰৰ সপোন উমনি ৰাখিছিল। তাইয়ো ভাবিছিল—এদিন তাই মাক-দেউতাকৰ ঘৰখন এৰি থৈ এখন নতুন ঘৰলৈ যাব। নতুন ঘৰখনত এজন নতুন পুৰুষৰ কাষত আঠুলৈ চিৰজীৱনৰ কাৰণে নিজকে সেইজনৰ কাষত সমৰ্পণ কৰিব। সেইজন পুৰুষে গোটেইজীৱন তাইক নিৰাপত্তা দি ৰাখিব। এদিন তাইৰ সপোন দিঠক হোৱাৰ ক্ষণ উপস্থিত হ'ল। তাই সৌৰভৰ সৈতে কলেজত পঢ়ি থাকোতে চিনাকি হৈছিল। দুয়োৰে চিনাকি এদিন ভালপোৱালৈ ৰূপান্তৰ হ'ল। দুয়োৰে হৃদয়ৰ তীৰত গঢ়লৈ উঠিল এটি তাজমহল। সৌৰভৰ ককায়েকহঁতৰ সন্মতি নাছিল যদিও শেষত সৌৰভৰে জয় হ'ল। দুটি প্ৰগতিশীল মনৰ ডেকা-গাভৰুৱে সামাজিক সাম্প্ৰদায়িকতাৰ প্ৰাচীৰ ভাঙি মিলনৰ বাটলৈ ওলাই আহিলে। এটি সুন্দৰ অট্টালিকাৰ পদূলি গছকি সুৰভি ন-বোৱাৰী হৈ সোমাই আহিল। একোৰে অভাৱ নাছিল সুৰভিৰ। এজন সুপ্ৰতিষ্ঠিত, সৎ চৰিত্ৰৱান স্বামী—এজনী নাৰীয়ে তাতকৈ আৰু কি বিচাৰিব পাৰে! এদিন সুৰভিয়ে সুধিছিল—"আমাৰ দুয়োৰে ভালপোৱাবোৰৰ অংশীদাৰ হবলৈ আমাৰ মাজলৈ তৃতীয় এজনক আদৰি আনিবলৈ মন নাযায়নে তোমাৰ।" সৌৰভেও বুজিছিল এটি শিশুৰ সৌসনা মাতে তেওঁলোকৰ সুখৰ সংসাৰখনৰ মধুৰতা আৰু বৃদ্ধি কৰিব। তথাপি সৌৰভে কৈছিল—"সুৰ, আৰু এবছৰৰ পাছত। মই ট্ৰেইনিং শেষ কৰি আমেৰিকাৰপৰা ঘূৰি আহোঁ।" সুৰভিক আমেৰিকালৈ লৈ যোৱাৰ ইচ্ছা আছিল যদিও মাকৰ সন্মতি নথকাৰ কাৰণেই এৰি থৈ যাবলগা হ'ল সৌৰভে। তেতিয়াও বিদেশী বিতাৰণ আন্দোলনৰ জুই উমি উমি জ্বলি আছিল অসমত। ক্ৰমাগতে দপ্ দপ্কৈ জ্বলি

উঠিল এই জুই। সকলো জপিয়াই পৰিল আন্দোলনত। সৰ্বস্ব ত্যাগ কৰি হ'লেও দেশ ৰাখিব লাগিব। ত্যাগৰ তোৰণেদিহে মুক্তিৰ সূৰ্য্য সোমাই আহে। সুৰভিৰ দেউতাক আছিল স্বাধীনতা যুজাৰু। তায়ো আৰম্ভ কৰিলে নাৰী সংগঠন। মহিলা সংগ্ৰাম সমিতিৰ তাই সম্পাদিকা। তাই, তাইৰ অঞ্চলৰ প্ৰতিগৰাকী নাৰীৰ হৃদয়ত সিঁ চি দিলে মুক্তিৰ অমৃত তৃষ্ণা। এই আন্দোলনৰ ইতিহাসৰ জ্বলন্ত অধ্যায় এটিৰ সাক্ষী হ'ল সুৰভিৰ শাহুৱেক। শাহুৱেকক ঘৰৰ খুটাত পখাৰে বান্ধিলৈ সুৰভিৰ ওপৰত সামৰিক বাহিনীয়ে জঘন্য অত্যাচাৰ চলালে। আন্দোলনৰ ধুমুহাত বহুতে বহুত হেৰুৱালে। বহুতো অসমীয়া গাভৰুৱে অবৈধ মাতৃত্বৰ বোজা বহলগা হ'ল। দিকহাৰা অসহায় হৈ পৰিল সুৰভিৰ নিচিনা সহস্ৰ নাৰী। আৰু সুৰভি? তাইৰ যুগ্মজীৱনৰ তাজমহলটো যেন অনিশ্চয়তাত কঁপি থাকিল।

তথাপি তাই দুৰ্বল হোৱা নাছিল। সৌৰভ যেতিয়া আছে, তাইৰ কোনো চিন্তা নাই। আদৰ্শবাদী পুৰুষ সৌৰভ। সুৰভিয়ে ভাবিছিল—সৌৰভ এদিন আহিব। সুৰভিয়ে সকলো কথা কৈ দিব। সৌৰভে তেতিয়া হয়তো ক'ব—"তোমাক ইতিহাসে সুঁৱৰিব সুৰ। তুমি মহান ত্যাগী। তুমি স্বদেশৰ জুইৰ শিখাৰে ধোৱা, জুইয়ে পোৰা সোণ।" তাইক আকৌ সাৱটি লব সৌৰভে। কিন্তু সুৰভিৰ প্ৰতীক্ষাৰ দিনবোৰ দীঘল হৈ যাবলৈ ধৰিলে। লগে লগে গম পালে তাই, তাইৰ গাত অবৈধ মাতৃত্বৰ চিন স্পষ্ট হৈ ধৰা দিছে। তাইক ঘৰখনৰ কোনোৱে ভাল দৃষ্টিৰে নোচোৱা হ'ল। সৌৰভলৈ কেইবাখনো চিঠি লেখি কোনো উত্তৰ নাপালে তাই। তাই বৰ চিন্তিত হ'ল। এদিন সৌৰভৰ নবৌয়েকে তাইক ক'লে—"সুৰভি, তুমি এতিয়া মাৰাৰ ঘৰলৈ যোৱাটোৱেই ভাল হ'ব। সৌৰভ আহিলে পুনৰ আহিবা।" সুৰভি গুচি আহিছিল মাকৰ ঘৰলৈ। মাকক সুৰভিয়ে সকলো কথা কৈছিল। তাই কৈছিল "মা, এই সন্তানটো অবৈধ। ইয়াৰ পিতৃ সৌৰভ নহয়।" সদ্যজাত শিশুটিৰ মুখলৈ একেথৰে চাই ৰৈছিল সুৰভিয়ে। তাই বুজিছিল, এই শিশুটি তাইৰ জীৱনৰ কলংক।

তাত মাতৃৰ গৌৰৱ নাই। তথাপি তাক তাই দলিয়াই পেলাব নোৱাৰিলে। তাৰ কুলকালিৰ দৰে সকল মুখখন দেখি, সুবতিৰ অন্তৰখন মমতাৰে ভৰি পৰিল। বায়েক সেৱিকাৰো মমত পৰিছিল তাইৰ। সুব্ৰতৰ লগত সেৱিকাৰ বিয়া হোৱা দহ বছৰেই হ'ল। এটি সন্তানৰ অভাৱে সেৱিকাৰ সংসাৰখনলৈ দুখৰ ভাৱৰ কঢ়িয়াই আনিছে। সৰলাই আলফুলে শিশুটি সুবতিৰ কোলাত তুলি দিলে। নাম থলে প্ৰতীক। ত্যাগ, স্বদেশপ্ৰেম আৰু পাশৱিকতাৰ প্ৰতীক। প্ৰতীকৰ খবৰ সৌৰভলৈ লেখাৰ আগতেই সুবতিয়ে শুনিবলৈ পালে, আমেৰিকাৰপৰা ঘূৰি আহোঁতে দুৰ্ঘটনাত মৃত্যু হ'ল সৌৰভৰ। গাঁৱৰ সেউতীপেহীয়ে কপালৰ সেন্দুৰৰ ফোঁটটো মচি দিয়াৰ সময়ত, সুবতিৰ প্ৰতিবাদ কৰিবলৈ মন গৈছিল। তাইৰ মনে কৈছিল— সৌৰভ জীয়াই আছে। সৌৰভে নবৌৱেকইঁতৰ চিঠিৰ কথাবোৰকে সঁচা বুলি ভাবিছে। সৌৰভৰ হয়তো সুবতিৰ প্ৰতি ঘৃণা জন্মিছে।

তাই ধৈৰ্য্য নেহেৰুৱালে। তাইৰ আশা, সকলো কথা জনাব পাৰিলে, সৌৰভে এদিন তাইক বিচাৰি আহিব। সুবতিয়ে মাক সৰলাৰ কাষতে অকণমান নিৰাপদ ঠাই বিচাৰি পালে। তাইৰ ভাৱ হয়, মাতৃৰ হৃদয়ৰ দৰে পৃথিৱীৰ সকলো মানুহৰে হৃদয় থকা হ'লে। সুবতিৰ মাকৰ অৱস্থা দিনক দিনে বেয়া হৈ আহিছিল। ধুমুহাই চিৰিকি চিৰিকি কৰাৰ পাছত শুকাই নিস্তেজ হোৱা কলপাত এখিলাৰ দৰেই সৰলাৰ অৱস্থা। জীৱনৰ ধুমুহাই জুকলা কৰা সুবতিয়ে, টকাৰ অভাৱত মাকক ঔষধ এটাও আনি খুৱাব নোৱাৰে। যিবা মাটি কেইডৰা আছিল, তাকো লুইতে সৰহ দেখিলে। পানীয়ে নৰবাহেঁতেন অন্ততঃ কেইমাহমান খাব পাৰিলেহেঁতেন। সুবতিয়ে এটা চাকৰিৰ কাৰণেও চেষ্টা কৰিছিল। কিন্তু তাই সোনকালেই বুজি পালে, টকা নহ'লে, ভৰি নহ'লে চাকৰি পোৱাৰ দিন এতিয়াও অহা নাই। অগত্যাতেদি নিজক বিক্ৰী কৰি তাই কেতিয়াও চাকৰি নলয়। সুবতি নিৰুপায়। সেয়েহে তাই আজি নিষ্ঠুৰ

হবলৈ বাধ্য হ'ল। নহ'লে কাৰ ওচৰতনো হাত পাতিব সুৰভিয়ে ?

তাইৰ কথাবোৰ জনাৰ পাচত সমাজে এৰি থৈছে তাহাতক। প্ৰত্যেকেই তাইক ঘৃণাৰ চকুৰে চায়। কোনো কোনোৱে কয় "এইক গাঁৱৰপৰা বাহিৰ কৰি দিব লাগিছিল।" কোনোবা এজনীয়ে কয়—"গৰ্ভতে এই কলঙ্কবোৰ নষ্ট কৰি নেপেলালি কিয় ?" সুৰভিয়ে একো কৰা নাছিল। ইচ্ছাকৰি তাই পাপকাৰ্য্যত লিপ্ত হোৱা নাছিল। সেয়েহে শিশুৰ তেজেৰে দুহাত কলুষিত কৰাৰ সাহস তাইৰ নাছিল। আজি তাই এই কাম কৰাৰ কথা গম পালে গাঁৱৰ মানুহবোৰে হয়তো ভাবিব তাই কলংকৰ চেকা ধুবলৈকে এইটো কৰিলে। আচলতে তাই অন্য একো উপায় বিচাৰি নাপালে। মাকে তাইৰ কথা ভাবি ভাবি নিঃশেষ হৈ গৈছে। তাই বিপদ সাগৰত ধৈৰ্য্যেৰে বঠা মাৰিছে। মাকৰ সন্মুখত তাই কোনোদিন দুৰ্বল হৈ দেখুওৱা নাই। বহুত দিন বহুত ৰাতি তাই নীৰৱে কান্দিছে। মানুহবোৰৰ উপহাস, অৱহেলা, ঘৃণাবোৰে তাইৰ বুকুখন থকা-সৰকা কৰে। মানুহবোৰৰ ব্যৱহাৰত অতীষ্ঠ হৈ তাইৰ কেতিয়াবা ক'ৰবালৈ গুচি যাবৰ মন যায়; কেতিয়াবা আত্মহত্যা কৰিবৰ মন যায়। পিচ মুহূৰ্ততে তাই বুজি পায়—যিবোৰ মানুহে তাইক কোনোদিন বুজিবলৈ চেষ্টা কৰা নাই, সিহঁতৰ আগত দুৰ্বলতা প্ৰকাশ কৰি লাভ কি ? সেয়েহে তাই নিজকে অভিনেত্ৰী বুলি ভাবিবলৈ যত্ন কৰিছে আজি-কালি। জাকজমকীয়া সাজপাৰ, কৃত্ৰিম প্ৰসাধনৰ মাজত সোমাই থকা অভিনেতাজনৰ মাজৰ আচল মানুহজন সহজে চিনিব নোৱাৰি। কৃত্ৰিম ব্যৱহাৰ পাতি আৰু হাঁহিভৰা মুখখনেৰে সৈতে সুৰভিয়ে যেতিয়া তাইক উপহাস কৰা মানুহবোৰৰ সন্মুখেদি প্ৰতীকক হাতত ধৰি পাৰ হৈ যায়, তেতিয়া হয়তো তাইৰ বুকুৰ মাজত চটফটাই থকা আচল মানুহজনী কোনোৱে দেখা নেপায়। তাই অভিনয় কৰিব জনা হৈছে। সচেতন অভিনেত্ৰী তাই। সুদক্ষ অভিনেতাই অতি ধৈৰ্য্য সহকাৰে নাটকৰ আটাইতকৈ কৰুণ দৃশ্যটোও অভিনয় কৰি যায়।

দৰ্শকৰ চকুপানী দেখি তেওঁ বিচলিত হৈ নপৰে। সুৰভিয়ে আজি-কালি তাৰে জীৱন অভিনয়, পৃথিৱী ৰঙ্গমঞ্চ।

দিনকদিনে সুৰভিৰ মাকৰ অৱস্থা বেয়া হৈ আহিছিল। সিখন গাঁৱৰ মুকলীধৰলৈ মনত পৰিছিল তাইৰ। মুকলীধৰ তাইৰ বাপেকৰ সমনীয়া, বিপদৰো বন্ধু। তাইৰ বাপেক মৰোতে তেওঁ সান্ত্বনা দি কৈছিল—"নাকান্দিবি আইজনী, বাপেৰ মৰিছে হয়, আমি আছো নহয়। টানে আপদে আহিবা—।" তাই মুকলীধৰৰ ওচৰলৈকে গ'ল। মুকলীধৰ দোকানৰ গাদীত অকলশৰে বহি আছিল। সুৰভিয়ে ক'লে—"দদাইদেউ বিপদত পৰি আহিছো, টকা দুশ ধাৰলৈ দিয়ক। মাৰ বেমাৰ। সোনকালেই পৰিশোধ কৰিম।" মুকলীধৰৰ কাষত এসময়ৰ অঞ্চলটোৰ আটাইতকৈ ৰূপহী ছোৱালী সুৰভি। বহুতৰে আশা আছিল তাইলৈ। পিচে, তাইহে আটাইৰে আশাত চেঁচাপানী ঢালি, অচিন কাঠৰ খোৰা লগাই নিজৰ বিপদ নিজে চপাই আনিলে। মুকলীধৰে ভাবিলে তাইৰ এতিয়া একোৱেই নাই। মুকলীধৰে অলপ দেখি সুৰভিৰ মুখলৈ চাই ৰ'ল। তাৰ চকুহুটা তিৰবিৰাই উঠিল—আও এইজনীৰ জেউতী দিনক দিনে বাঢ়িছেহে। "সুৰভি, তই মোক ধাৰ মাৰিব নেলাগে। তোৰনো আজি আছে কোণ, আছে কি? তোক দুশ নেলাগে মই চাৰিশ দিম। তই মাজে মাজে আহি থাকিবিচোন সুৰভি। চাও আহচোন অকণমান—," মুকলীধৰৰ হাতখন তাইৰ কান্ধে দীঘল হৈ আহিল। তাই চিঞৰি উঠিল—"এৰি দে লম্পট…।"

সুৰভি খৰখেদাকৈ গুচি আহিছিল। তাইৰ বাপেকৰ তুল্য মানুহজন ইমান অসৎ। তাইৰ ঘৃণা উপজিল তালৈ। তাইৰ মন আছিল, তাই যেন মুকলীধৰৰ গালত ভৰিৰ চেন্দেলখুলি চৰিয়াই দিব। কিন্তু বহুত কথা ভাবিলে তাই। মানুহে গম পালে তাইকেই জগৰীয়া কৰিব। অভাৱত পৰিছে তাই। সকলো বেয়া কাম কৰিব পাৰে। সেয়েহে তাই মনে মনে জাঁতৰি আহিল। সঁচাকে তাই বৰ অকলশৰীয়া। সৌৰভৰ অভাৱ বেচিকৈ অনুভৱ কৰিলে তাই। সেই নিশা

তাই অকণো তন্দ্ৰ নোৱাৰিলে। চকুলোৱে তাইৰ গাৰুটো জুৰুলি জুপুৰীকৈ তিতিলে। সৌৰভৰ ফটোখন বুকুৰ মাজত সাৱটি ধৰি কৈছিল—"মোক ক্ষমা কৰিবা সৌৰভ, তুমি বেয়া পোৱা কাম মই কোনোদিন কৰা নাই। তোমাৰ পত্নী হৈ মই কোনোদিন বেয়া পথত ভৰি দিব নোৱাৰো।" পুৱতি নিশা তাই কোঠাৰ খিৰিকিখন খুলি বাহিৰলৈ চাই পঠিয়ালে। এচাটি বতাহে তাইৰ মনটো ধুই নিকা কৰি দিলে। ফুলু ফুলুকৈ বৈ থকা নৈখন চাই চাই তাইৰ ভাল লাগিল। পলাশজোপা ৰঙা হৈ ফুলিছে। ব্যৰ্থহৃদয়ৰ কেঁচা তেজবোৰ যেন তাত সিচৰিত হৈ আছে। সৌৰভে পলাশফুল বৰ ভাল পাইছিল। সেই পলাশজোপাৰ তলত বহি বহি তাই আৰু পলাশে বহুত কল্পনা কৰিছিল। পৰিৱেশটোৱে তাইৰ মনাকাশৰ ক'লা ডাৱৰবোৰ আঁতৰাই দিলে। যন্ত্ৰবদবেই তাইৰ হাতখন বাকচটোৰফালে আগবাঢ়ি গ'ল। এলবামটো উলিয়াই এখন এখনকৈ ফটোবোৰ চালে। তাইৰ বাকচটোত ভমকাফুলীয়া পাটমুগাৰ কাপোৰ কেইসাজ জিলিকি আছে। তাই কাপোৰবোৰ পিন্ধিবলৈকে নাপালে। ভাপ ভগাই নাই কাপোৰবোৰৰ। এদিন তাই নগৰত "ইন্টাৰভিউ" এটা দিবলৈ যাওঁতে কাপোৰ এযোৰ পিন্ধি ওলাইছিল। বাটতে সেউতীপেহীয়ে ক'লে—"উকাসাজ পিন্ধিবি। এইবোৰ বিধবা মানুহে পিন্ধিব নেপায়।"

কিন্তু কিয়? ফুলাম সাজপাৰ পিন্ধিলেই যে মৃত স্বামীক অসন্মান কৰা হয়, তাই তাৰ একো যুক্তি বিচাৰি নাপালে। "নাপায়" নামৰ অস্ত্ৰেৰে আমাৰ সমাজৰ বিধবা নাৰীসকলক নিষ্পেষণ কৰি আহিছে। বিধবা হ'লেই যাব নাপায়, খাব নাপায়, পিন্ধিব নাপায়, মাখো নাপায় নাপায় নাপায়…। সুৰভিয়ে ভাৱে এইবোৰ অৰ্থহীন কথা। মনৰ সততা, পবিত্ৰতাহে আচল বস্তু। তাই মুগাৰ কাপোৰ সাজ উলিয়াই আনিলে। সৌৰভে এই কাপোৰসাজ বৰ ভাল দেখিছিল। কাপোৰসাজ পিন্ধি, সেন্দুৰৰ কৌট এটা লৈ তাই সক আইনাখনত নিজৰ মুখখন চালে। তাইৰ মাক সোমাই আহি আচৰিত হ'ল—"মু

খুৰ ঝি, তই আকৌ কলৈ যাব সুৰভি।" সৰলাই জীয়েকক দেখি হুকহুকাই কান্দি পেলালে। সুৰভিয়ে যেন এটা সপোনৰ মাজতহে ঘূৰি লৈ আছিল। মাকৰ উচুপনিয়ে তাইক নিষ্ঠুৰ বাস্তৱলৈ ঘূৰাই আনিলে—"মা, মা, মই কলৈকো নাযাওঁ মা। মই সেন্দুৰৰ কৌটাটো এতিয়াও অন্তৰৰপৰা মচি পেলাব পৰা নাই। সৌৰভ এদিন আহিব মা।" সৰলাই জীয়েকক বুকুৰ মাজত সাবটি ধৰিলে। তেওঁ জানে সুৰভিয়ে এতিয়াও আশা বুকুত বান্ধি সৌৰভৰ কাৰণে বৈ আছে। আশা। মানুহৰ হৃদয়ত বৈ থকা চিৰন্তন প্ৰৱাহ। সকলো মানুহেই কিবা এটা পাবলৈ আশাৰে বৈ থাকে। এই প্ৰতীক্ষাৰ শক্তিয়েই জীৱন। কোনোবাই বিচৰাটো পায় আৰু কোনোবাই নেপায়। আশাতে জীয়াই আছে সুৰভি।

সুৰভিয়ে জানে, তাইৰ চিন্তাতে মাক বেচি দুৰ্বল হৈ পৰিছে। মাক নহ'লে বাৰু তাই কেনেকৈ জীয়াই থাকিব? নাই, মাকক কেতিয়াও মৰিবলৈ নিদিয়ে তাই। মাকক জীয়াই ৰাখিবলৈকে আজি প্ৰতীকক নগৰৰ মানুহ এঘৰত দি টকা দুশলৈ উদং পথাৰখনৰ মাজেদি ঘূৰি আহিছে তাই। প্ৰতীকে কাম কৰিব পৰা হোৱা নাই। মানুহঘৰৰ কেঁচুৱাটো চাব পাৰিব। সিও দুবেলা দুমুঠি খাবলৈ পাব।

সুৰভিৰ কাণত এতিয়াও দামুৰিটোৰ হেম্বেলনিটো বাজি আছে। প্ৰতীক যেন তাইৰ পাচে পাচে দৌৰিছে। সুৰভিয়ে দেখিলে আকাশ-খন ক'লা। বেলিটো আকাশৰপৰা নামি গৈছে। অদূৰেদি ৰেলগাড়ী এখন উকি মাৰি পাৰ হৈ গ'ল। এজাক বতাহ প্ৰবল বেগেৰে আগবাঢ়ি আহিছে। বুকুখন বৰ গধুৰ যেন অনুভৱ হ'ল তাইৰ। দুখৰ ভাৰখনে খোজ দিব নোৱাৰা কৰি দিছে। খৰখেদাকৈ আগবাঢ়িবলৈ যত্ন কৰিও ব্যৰ্থ হৈছে তাই। ধুমুহাৰ শক্তিয়ে তাইৰ গতিক বাধা দিছে। সুৰভিয়ে বিনিকি বিনিকি ঘৰটো দেখিছে। ঘৰৰ ভিতৰত অসহায়া মাক অকলে শুই আছে। পথাৰৰ মাজত থিয় হৈ থকা গছজোপা উভালি পৰিল। বৰদৈচিলা মাকৰ ঘৰলৈ যাবলৈ

আহিছে। বৰদৈচিলাই বাটৰ খৰ-খুৱাবোৰ উৰুৱাই লৈ যায়। মানুহে আকৌ সাজে। সুবতিয়ে ধুমুহাৰ মাজতে থিয় হৈ ভাবিলে, তাইৰ ঘৰেই নাই। নিঠুৰ সময়ৰ বৰদৈচিলাই তাইৰ বুকুৰ মাজৰ ঘৰখন উৰুৱাই লৈ গ'ল। তাইৰ আজি প্ৰবল ধুমুহাৰ বুকুত বৈ ভয় লগা নাই। চুলিবোৰ তাইৰ বাউলী হ'ল। তাই অনুমান কৰিলে মাক থকা ঘৰটো ধুমুহাত কঁপিছে। ধুমুহাৰ হোঁ-হোঁৱনিৰ লগতে, এৰি থৈ অহা প্ৰতীকৰ আকুল বিননি যেন ভাঁহি আহিছে। তাই আকাশৰ ফালে দুই হাত মেলি দিলে। তাই বিচাৰে সেইজাক ধুমুহা, যি সমাজৰ অন্ধতা ধুই নিব পাৰে। সেইজাক ধুমুহাৰ প্ৰতীক্ষাৰে তাই, যি সৌৰভৰ হৃদয়ৰ হেৰুৱা দৃষ্টি ঘূৰাই আনিব পাৰে। ●●●

## শেষ সিদ্ধান্ত / নিশিপ্ৰভা ভূঞা

ইস্ বাস ! ইমান ঠাণ্ডা পৰিছে। উপন্যাসখনৰ পাতত মনটো ইমান নিবিষ্ট হৈ আছিল যে সময়ৰ কথা একেবাৰে পাহৰিয়েই গৈছিলোঁ। ঘড়ী চাওঁ, বাৰ বাজিবলৈ মাত্ৰ বিশ মিনিটহে আছে। নিজৰ জীৱনৰ লগত বহুত কথাত মিল থকাত বিশেষকৈ নায়কৰ লগত মোৰ চৰিত্ৰৰ মিল ইমান বেছি বাবেই ছাগে সময়ে মোক অকণো আমনি কৰা নাছিল। আঠুৱাখন দাঙি নিপুৰ অকণমানি মুখখন চুলিবে আগুৰি থকা দেখি, লাহেকৈ গুচাই দি তাইৰ সৰু কপালখনত চুমা এটা খালোঁ। মোৰ চেঁচা হাতখন তাইৰ মুখত লগাত তাই গাটো লৰাই আনফালে সিফালে মুখ কৰি শুই পৰিল। মই লাহেকৈ তাইৰ কাষতে শুই পৰিলোঁ। এইবাৰ তাই চকু নেমেলাকৈয়ে দুই হাতেৰে মোৰ ডিঙিটোত গৰামাৰি ধৰি কুচি-মুচি মোৰ বুকুৰ মাজত সোমাই ললে।

টোপনিয়ে আজি মোক এৰা দিলে যেন পাইছোঁ। সিটো কোঠাত মাৰ লগত শুই থকা দীপুৱে কাঁহিছে। মায়ে তাক কৈছে, "বগৰিবোৰ খাবলৈ ইমান হাক দিওঁ, শুনা নহয়, এতিয়া ইমান কাঁহিছ। তোৰ লগতে মইও শুব পৰা নাই। ৰ, ভিক্স অকণমানকে সানি দিওঁ। কালিলৈ দৰৱ আনিবলৈ ক'ব লাগিব। বমতোলা বাপেৰক সৌৰবাই নিদিলে ক'ত মনত পৰিব ? এনেয়ে তাৰ এনে দশা হয়নে ?" শেষৰ বাক্যটো মোৰ বৰ দুখেৰে কোৱা যেন লাগিল।

কমলা থাকোতে দীপু মোৰ লগত অলপ কম লাগে। মাকক পালে সি আনক নিবিচাৰে। নিপু কিন্তু সদায় মোৰ লগত। কামলৈ যোৱা সময়খিনিৰ বাহিৰে তাই অকণো মোৰ লগ নেৰে।

আজি পাঁচ মাহেও তাই মাকৰ অভাৱ অনুভৱ কৰা নাই যেন লাগে। কিন্তু দীপুৱে বহুত দিনলৈকে অনৱৰত কেঁকুৰি আছিল। তাতো যাৰ লগ পাইছে সি স্বাভাৱিক অৱস্থাতে আছিল। এদিন নিপুৱে কৈছিল, "জানা দেউতা, দীপুৱে কৈছে, চিনেমা চাবলৈ যাওঁতে আমাৰ মাক হেনো কোনোবাই লৈ গৈ ঘৰত বন্ধ কৰি থৈছে, সঁচানে দেউতা? মা ইমান ডাঙৰ ছোৱালী, গুচি নাহে কিয়?" দীপুৱে বিজ্ঞভাৱে কয়—"মই দুষ্ট কৰিলে মায়ে যেতিয়া মোক শোৱাকোঠাত বন্ধ কৰি থয়, মই পলাব পাৰো জানো, ক'চোন?" অন্যমনস্কভাৱে মোৰ মুখৰপৰা ওলাই যায়—"ইহঁতক কি কোৱা যায় বাৰু?"

আজি আৰু টোপনি নাহিব নেকি? বাৰে বাৰে কল্পনালৈ ইমান মনত পৰিছে কিয়? আগতে কোনোদিনে এনে অৱস্থা হোৱা নাছিল। সংসাৰ ত্যাগী কল্পনাক আজি পাঁচ মাহেও এবাৰো আজিৰ দৰে ভবা নাছিলোঁ। কল্পনা বিজয়ৰ লগত সুখী হোৱা নাই নেকি? তাই বাৰু আমাৰ কথা ভাবিছেনে?—আজি অন্ততঃ মই ভবাৰ দৰে। লাগ-বান্ধ নোহোৱা কথাবোৰ ভাবি থাকোঁতেই অকণমান টোপনি আহিছিল হ'বলা।...কল্পনা আহিছে! আহিয়েই মোক এজাউৰি শুনাইছে, "এইখন ঘৰ কৰি থৈছা নে? এদিন মই নাথাকোতেই এনে হয়নে? বিচনা-কাপোৰৰ অৱস্থা চোৱাচোন...।" মই ইঙ্গিতেৰে মুখত আঙুলি দি মা আছে বুলি বুজাইছোঁ। তাই ভয় খোৱাৰ দৰে জিভা কামুৰি পাছত সিয়াঁৰিছে তাই আগতেও এনে কৰে। কিবা কথাত মোৰ ওপৰত খং উঠিলে মোৰ চুলি টানে আৰু সক ছোৱালীৰ দৰে নকওঁ—নোবোলালৈকে নেৰে। মুখ ভেঙুচাই সিয়াঁৰেও। সেইবোৰ ভাবিলে খং উঠক চাৰি মোৰ মনটো সেমেকি উঠে। মই ইমান নির্লজ্জ।

"দেউতা কেলেই এনেকুৱা কৰিছা?" নিপুৰ মাতত মোৰ-সপোন ভাগিল। "নাই মা, সপোন দেখিছিলোঁ। ৰাতি পুৱাল। আইতা উঠিল হবলা। উঠা, চুৱেটাৰ আৰু চেণ্ডেল পিন্ধি লোৱা লেই।"

দীপুক দুধ এটা খুৱাই বিচনাৰপৰা নমাই দিলোঁ। মই আকৌ সংগোপনৰ কথাতে মোৰ গলোঁ।

আজি কেইদিনমান কল্পনাই বাৰকৈ মনত পৰিছে। তেওঁ বাৰু সুখেৰে থকা নাই নেকি? কল্পনাই মাত্র দুশাৰী কথাৰ এখন চিঠিৰে মোৰ সুখৰ সংসাৰ ভাঙিবে নোহাৰি তাই বিজয় বৰুৱাৰ লগত গুচি গ'ল। মই তাইক তাইৰ মনৰ জোখাৰে অলংকাৰ পাতি, পোচাক পৰিচ্ছদ, দামী আচবাবপত্র, সুন্দৰ ঘৰ দিব পৰা নাছিলোঁ হয়, কিন্তু মোৰ বিশ্বাস মোৰ প্রেম, মোৰ আনুগত্য সকলো দিছিলোঁ। আৰু আছিল নীপু-দীপুৰ দৰে দুটি সুন্দৰ সন্তান, যাৰ বাবেই মই বহুতৰে ঈৰ্ষাৰ পাত্র হৈছিলোঁ।

এদিনৰ বাবে নীপু-দীপুক লৈ গাঁৱৰ ঘৰলৈ গৈছিলোঁ। সেইদিনা ৰাতি উঠাৰ আশাত ইহঁত দুয়োটা মোৰ লগত ওলাল। গধূলি ঘূৰি আহি দেখো ঘৰত দুৱাৰ বন্ধ। ওচৰ-চুবুৰীয়াৰ ঘৰত ঘৰৰ চাবি। আৰু বিচনাৰ ওপৰত দুশাৰী কথাৰ এখন চিঠি—

"বিজয়ৰ লগত মই আহিলোঁ, মোক নিবিচাৰিবা। সন্তানৰ দায়িত্ব তোমাৰ।

—কল্পনা।"

বিজয় মোৰ বন্ধু। সেই সূত্রে কল্পনাৰো বন্ধু আছিল। মই কাকো একো ক'ব নোৱাৰিলোঁ। গাঁৱৰ ঘৰৰপৰা মাক লৈ আহিলোঁ। এই প্রায় পাঁচমাহ এইদৰেই চলি আছোঁ। আজি কেইদিনমান মনটো বৰ অস্থিৰ লাগিছে। মায়ে ডাক্তৰক দেখুৱাবলৈ সকিয়াই আছে।

সেইদিনা বৃহস্পতিবাৰ। আচৰিত ভাৱে মোৰ আৰু কল্পনাৰ জন্মবাৰ আছিল বৃহস্পতিবাৰ। কল্পনাৰ লগত বিয়াও হৈছিল বৃহস্পতিবাৰে। আজি বৃহস্পতিবাৰে মোৰ নামত অফিচত এখন চিঠি পালোঁ; কল্পনাৰ আখৰ। ভাগ্যে সেই সময়ত মোৰ ওচৰত কোনো নাছিল। চিঠিখন লওঁতে হাতখন থৰ্-থৰ্ কৰে কঁপিছিল।

কোনোমতে জেপত ভৰাই থলোঁ।। কাৰণো মন নবহিল। ঘৰ পাই চাহটোপা খাওঁতেই মানে খোৱাৰ অভিনয় কৰোঁতেই মায়ে ক'লে, "তই কেনিও নেযাৱ নহয় ? মযে ইহঁত দুটাক লৈ সৌ বকুলৰ ঘৰৰ-পৰা আহোঁগৈচোন। জন্মদিন পাতিছে হেনো।" মই ভালেই পালোঁ।। মাইহঁত যাবলৈহে পালে, মই চিঠিখন উলিয়াই ল'লোঁ।। দীঘল চিঠি। কোনো সম্বোধন নাই। পঢ়ি গলোঁ:

"মোৰ চিঠিখন পাই হয়তো পঢ়িবৰ ইচ্ছা নহ'ব। ফালি পেলাবৰ মন যাব। তথাপিও পঢ়িবা। সেইদিনা দুশাৰী কথাৰে তোমাৰ লগত সকলো সম্বন্ধ শেষ কৰি ওলাই আহিছিলোঁ।। ভাবিছিলোঁ, তোমাৰ কেবড় নোপোৱাবোৰ সকলো পাম, পাইছিলোঁও। বিজয়ৰ অৰ্থ, সম্পদ সকলোবোৰ মোৰ হৈ গৈছিল। আনকি বিজয় নিজেও। কিমান মোহত জানো ডুবি আছিলো ? মোৰ মোহভঙ্গ কেতিয়া হ'ল জানো ? যেতিয়া মই গম পালো মই বিজয়ৰ সন্তানৰ মা হ'বলৈ ওলাইছোঁ, মই তেতিয়াৰপৰাহে ভিতৰি ভিতৰি নীপু-দীপুৰ বাবে পাগল হৈ উঠিলোঁ।। মই যে তোমাৰ সন্তানৰ বাহিৰে আন কাৰো মা হোৱাৰ অধিকাৰ নাই। নীপু-দীপুক এৰি অহাৰ পাছত যি দুখ, যি শূন্যতা অনুভৱ কৰা নাছিলোঁ, নতুনকৈ সেই শূন্যতাই মোক বেঢ়ি ধৰিলে। লগতে তোমাৰ বাবেও। বিশ্বাস কৰিব পাৰিবানে ? তোমাৰ বাবেও এনে আকুলতা মই কোনোদিনে অনুভৱ কৰা নাছিলোঁ।। মই জানো তুমি মোক খুউব বিশ্বাস কৰিছিলা। আজিও কৰিবানে ? তুমিতো জানা, মই কেতিয়াও মিছা কথা নকওঁ।"…

স্বামী, সন্তান পৰিত্যাগ কৰি কমলাই এতিয়া মোৰ বিশ্বাস বিচাৰিছে। মোৰ তাইক চোবাই পেলাবৰ মন যাব লাগিছিল, কিন্তু নগল। মোৰ চকু দুটা পুৰি জৰ্‌জৰকৈ পানী ওলাই আহিল। আকৌ চিঠিখনৰ বাকী অংশত চকু ফুৰাই গলোঁ।। তাই লিখিছিল,— "বিজয়ে মোক লক্ষ্য কৰি আছিল। মোৰ অস্থিৰতাৰ কথা তেওঁ উপলব্ধি কৰিব পাৰিছিল। বিজয় কামলৈ ওলাই যোৱাৰ পিছতে মই বিচনাখনত পৰি হুক্-হুককৈ কান্দি দলোঁ।। আবেলি আহি

বিজয়ে সুধিলে, "মিনিয়ে কৈছে, তুমি বোলে কান্দিছিলা, তয় কৰিছা নেকি? তাৰ কোনো কাৰণ নাই।" মই একো উত্তৰ নিদিলোঁ। কেইদিনমান পৰাপৰকত বিজয়বপৰা আঁতৰি থাকিবলৈ লগোঁ। বিজয়ে কি ভাবে নাজানো। নিবয়ে মোৰ কাৰ্যকলাপ লক্ষ্য কৰে। মানুহজন বৰ সৰল। মোতকৈ তুমি বেছিকৈহে জানা। মই মন স্থিৰ কৰিলোঁ। মই দৃঢ় প্ৰতিজ্ঞ হলো, বিজয়ক সকলো খুলি ক'ব লাগিব। এদিন দৰৰ এটা খাবলৈ কওঁতেই মোৰ সকলো ধৈৰ্যৰ বান্ধ খুলি গ'ল। মই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলোঁ। কান্দি কান্দি কলোঁ, মোক তুমি মুক্তি দিয়া। নীপু-দীপুৰ বাহিৰে আন কাৰো মা হোৱাৰ মোৰ অধিকাৰ নাই। এতিয়াহে মোৰ গভীৰ অনুশোচনা আহিছে; সিহঁতক এৰি আহি মই বৰ ভুল কৰিলোঁ। তুমি মোক ক্ষমা কৰা। মই যেন লৰি গৈ এতিয়াই সিহঁতক সাৱটি ধৰিমগৈ। কিন্তু মই কাকো একো ক'ব নোৱাৰোঁ। এতিয়া কাৰোপৰা জোৰেৰে একো আদায় কৰাৰ মোৰ অধিকাৰ নাই। সেই অধিকাৰ মই পৰিয়ালৰ সকলোৰেপৰা হেৰুৱাই পেলাইছোঁ। মোৰ নিজৰ প্ৰাণ-সম ধঁকৰা মানুহজনৰ ভৰি দুটাত সাৱটি ধৰি ক্ষমা খুজিমগৈ। মোৰ এনে ভাৱ হৈছে। মই কি কৰিম বিজয়। তুমি মোক উপায় দিয়া। বিজয়ে স্তব্ধ হৈ মোৰ সকলো কথা শুনি আছিল। নিৰ্বিকাৰ-ভাৱে তেওঁ মোৰ মূৰত হাত থৈ ক'লে, "তুমি নিশ্চিন্ত থাকা কল্পনা। মই সকলো ঠিক কৰি দিম। তোমাৰ ইচ্ছামতেই সকলো হ'ব।...

আজি এসপ্তাহৰ পিছত মই এতিয়া মুক্ত। বিজয় কলিকতালৈ গৈছে। পোন্ধৰ দিনৰ পিছতহে ঘূৰিব। যাওঁতে তেওঁ মোক কৈ গৈছে, "মই ডাক্তৰ মানুহ। মই তোমালৈ আক ক্ৰিবা লিখিব লাগিবনে? তুমি মোক ক্ষমা কৰিবানে? পুৰুষে বাৰে বাৰে কৰা ভুল নাৰীয়ে ক্ষমা কৰে। নাৰী বাবেই মই কৰা ভুল ক্ষমাৰ অযোগ্য নেকি? তুমি হয়তো ক'ব পাৰা মই যদি বাৰে বাৰে ভুল কৰো? কিন্তু মই কেতিয়াও ভুল নকৰোঁ। ভুলে মানুহক ভুল নকৰিবলৈ শিকায়। মাতৃ যেতিয়া, মই আক তেনে ভুল কেতিয়াও নকৰোঁ।

কিয়নো দীপু-নীপুৰ অস্থি-মজ্জা মোৰ অস্থি মজ্জাৰ লগত মিলিত হৈ আছে। লগতে আছে তোমাৰ বিশ্বাস আৰু সেই স্নেহ। সেই ধৰ্মই মোক ৰক্ষা কৰিলে। মই বোকাত নামিছিলোঁ। এতিয়া সেই বোকা ধুই পৰিষ্কাৰ হলোঁ। আমাৰ ঘৰত মই মোৰ আগৰ স্থানকণৰ কাৰণেই ব্যাকুল হৈ পৰিছোঁ। পুৰুষ হিচাপে তোমালোক দুয়োজনেই সৎ। মই আজিলৈকে কোনো ফাঁকি দিয়া নাই। যি সৎ, সি সত্ত আৰু সতী। পঞ্চসতীৰ আখ্যান তুমিও জানা।

ইতি—

কল্পনা।"

মই মন স্থিৰ কৰিলোঁ। মাক ঘৰত থৈ আহিব লাগিব। মই জানো, মায়ে কল্পনাক কেতিয়াও ক্ষমা নকৰে; মোৰ বাইদেউ, ভনীহঁতেও; আনকি কল্পনাৰ মাকেও। মই জানো নাৰীৰ শত্ৰু পুৰুষতকৈ প্ৰবল নাৰীহে। আৰু মই যিদৰে আনৰণৰা জোৰকৈ একো আদায় কৰিব নোৱাৰো, সেইদৰে মোৰ নিজৰ ক্ষেত্ৰটো মোৰ সিদ্ধান্তই শেষ সিদ্ধান্ত। ●●●

## এপাক ৰঙঘূণ লাগে / মীৰা দত্ত

বাহৰপৰা নামিয়েই গাঁৱলৈ যোৱা ৰাস্তাটোৱে আগবাঢ়ি গ'লো। পকী ৰাস্তাৰপৰা সোণপৰীয়া গাঁৱলৈ প্ৰায় দুই কিলোমিটাৰ। এই চোৱা পথ অতিক্ৰম কৰিবলৈ যান-বাহনৰ কোনো সুবিধা নাই। বিক্সা দুই-এখন ক'বৰাত পালেও গাঁৱলীয়া ৰাস্তা বুলি যাবলৈ টান পায়।

মূৰৰ ওপৰত জেঠৰ প্ৰখৰ ৰ'দ। খোজকঢ়াৰ অভ্যাস হেৰায়ো গৈছে। ছোৱালীজনীয়ে খোজকাঢ়িবলৈ পাই ভোৰ-ভোৰাই আহিছে। মোৰ মনত কিন্তু এক নতুন উত্তম।

আজি বহুবছৰৰ মূৰত নিজৰ গাওঁ সোণপৰীয়ালৈ আহিছোঁ। ছোৱালীজনী এই প্ৰথম আহিছে। তাই মোৰ জনমভূমিখন দেখাই নাই।

খুৰীয়ে খবৰৰ উপৰি খবৰ পঠায়। মাজতে খুৰাৰো টান অসুখ হৈ গ'ল। তথাপিতো মোৰ আজৰিয়েই নাই। কিবা নহয় কিবা এটা লেঠা ওলায়েই।

এইবাৰ কিন্তু দহোবন কাটি কৰি থৈ ওলাই আহিলোঁ। খুৰীয়ে খবৰ পঠাইছিল: "গাঁৱত ৰবসবাহ পাতিছে। পাৰিলে এপাক মাৰিবি। নাতিনীজনীও লৈ আহিবিছোন। তাই ছাগে ৰব এজনী হ'ল। খুৰাবেও তোৰ কথা কৈ থাকে।"

গাঁৱত ৰবসবাহ ভাওনা এটা বহেবেকীয়া উৎসৱৰ নিচিনা। দূৰণিত থকা আত্মীয়-স্বজনেও আহি এই আনন্দত যোগ দিয়ে। সেইদিনা নামঘৰত সমূহীয়াকৈ নাম-প্ৰসঙ্গ কৰি ৰাতিলৈ ভাওনা পাতি বছৰটোৰ কাৰণে গাওঁখনৰ আৰু বাইজৰ মঙ্গলৰ কাৰণে ভগৱানৰ আশীষ বিচাৰে। খুৰীৰ আমন্ত্ৰণ আৰু ৰৱমক এইবাৰ মই উপেক্ষা কৰিব নোৱাৰিলোঁ।

গাঁৱৰ ওচৰ চপাৰ লগে লগে মোক ল'ৰালিৰ স্মৃতিয়ে খুন্দুৰি ধৰিলে। কিমান যে দ'ৰা-কন্যা খেলিছিলোঁ। কপল'ৰা দাইটিৰ জামুজোপা থাবলৈ যাওঁতে এবাৰ জেওবাত লাগি মোৰ নতুন ফ্ৰকটো ফাটিছিল। বণ্ডিলীহঁতৰ বাৰীত পনিয়ল বিচাৰোঁতে, তথিত কাঁইট সোমোৱাত মই বহুত দিন তালদৰে খোজকাঢ়িব নোৱাৰিছিলোঁ। ৰাতি টোপনি যাওঁতে খুৰীয়ে মনে মনে কাঁইটডাল উলিয়াই দিছিল। আঘোনমহীয়া ধানৰ ভাঁড়ৰীৰ কাষত লুকা-ভুকি খেলোঁতে মোৰ সোণৰ ফুলি এপাত হেৰাল। সেইদিনা কিন্তু মনত বৰ ভয় খাইছিলোঁ। লগৰ চম্পা, জোনাকী, বেজুহঁতে কৈছিল—"সোণৰ বস্তু হেৰাব নাপায়। অমঙ্গল হয়।" ৰাতি সেইদিনা খুৰাইয়ো খং কৰিছিল। কিবা এটা হোৱাৰ ভয়ত মই কান্দি পেলাইছিলোঁ। খুৰীয়ে কিন্তু একো কোৱা নাছিল।

ঃ"আৰু কিমান দূৰ আছে মা?"

ছোৱালীজনীৰ মাতত অতীতত বিচৰণ কৰি ফুৰা মোৰ মনটো বাস্তৱলৈ উভতি আহিল।

"আৰু বেছি দূৰ নাই। এই হাবিখন পাৰ হ'লেই, আমাৰ গাওঁ পাম।" তাই খোজকাঢ়ি ভাগৰি পৰিছিল। তাতে হাবিখনৰ কথা কোৱাত চকুত ভয়ৰ চাৱনি এটা ফুটি উঠিল।

এইখন হাবিলৈ সৰুতে আমিও ভয় কৰিছিলোঁ। হাবিত ভূত ওলাই বুলিয়েই আমাৰ বিশ্বাস আছিল। অৱশ্যে আজিকালিও ভূতলৈ ভয় কৰে।

ডাঠ হাবিখনত নাহৰ গছেই খুউব বেছি আছিল। বহাগ বিহুৰ সময়ত নাহৰ ফুলৰ গোন্ধে আমাক উতলা কৰিছিল।

. গাঁৱৰ বিয়াবিলাকতো তেতিয়া নাহৰ পাতৰ গেট সাজিছিল। আজিকালিৰ দৰে তেতিয়া কাপোৰৰ বা ফিটাৰ 'গেট' সজাৰ নিয়ম নাছিল।

হাবিখনৰ ওচৰ পাওঁতে ছোৱালীজনীৰ ভয় ভাৱটো নোহোৱা হ'ল। ময়ো কম আচৰিত হোৱা নাছিলোঁ। তাত যে এখন ডাঙৰ

হাবি এসময়ত আছিল তাব চিন-মোকাম নাইকিয়া হ'ল। তাব ঠাইত সক-ডাঙৰ কেইবাটাও ঘৰ দেখিলো। নাহৰগছবোৰ আৰু নাই। ফুটুকা গছবিলাকেহে এসময়ত তাত যে এখন হাবি আছিল সেইটো সোঁৱৰাই দিব।

খুৰাৰ চোতালত ভৰি দিয়া মাত্ৰকেই গোটেইখন হুৱাহুৱা লাগি গ'ল। খুৰাৰ ব্যস্ততাৰ অন্ত নাইকিয়া হ'ল। খুৰী সম্ভৱতঃ পাছফালে আছিল। খুৰাৰ চিঞৰত উধাতু খাই আহিল।

: আইও হোৱালীজনী চোৱাছোন, কেনেকৈ ব'দত ঘামি-জামি তেনেই জুকলি-জুপুৰি হৈ আহিছে। যোৱাছোন যোৱা, ইহঁতলৈ চৰবৎ-তৰবৎ এটোপাকে লৈ আনা। বিচনি দুখনো আনিবা। এইবোৰ আকৌ হোৱাই নোহোৱা একেই বুইছ। দিনটোত ফুৰাৰমান ঘূৰে নেকি?

-মই কথাটো ধৰিবই পৰা নাছিলো। ওপৰলৈ চাইহে দেখিলো, বিজুলী বিচনি ওলমি আছে।

গাওঁখনৰ বহুত উন্নতি হ'ল। বিজুলী যোগান হ'ল। খোৱা পানীকণো আহিল। ৰাস্তা-পদুলিও যথেষ্ট উন্নত হ'ল। আগৰ গো-বাটৰ ওপৰেদি এতিয়া মটৰগাড়ী যোৱা হ'ল। গাওঁখনৰ উন্নত দেখি মনৰ কোনোবাখিনিত গৌৰৱ অনুভৱ কৰিলোঁ। মোৰ ছোৱালীজনী স্বাভাৱিকতে অবাক হৈছিল।

: "কি চাই আছ অ' আই। মই তোৰ ককাৰ। কেনেকৈ চিনি পাবি। মাৰেই আহিবলৈ পাহৰিলে। আজি কত বছৰৰ মূৰত তাই ওলাইছেহি। তইঁতক নেদেখাকৈয়েই মৰিম বুলি ভাবিছিলো।" মোৰ ফালে চাই খুৰাই সুধিলে: "ভাল তইঁতৰ সকলোৰে। জোঁৱাইৰ ভালনে? ল'ৰাকেইটা—ছাগে ডেকাই হ'ল।

খুৰাৰ অভিযোগ মিহলি কথা কেইটাত মোৰ বুকুৰ কোনোবা-খিনিত বিষ অনুভৱ কৰিলো। অজানিত অপৰাধবোধে মনটো আবৰি ধৰিলে। দোষী-দোষী ভাব এটাৰে অনুস্বৰে সুধিলো—

: "এতিয়া আপোনাৰ ভাল খুৰা?"

: "আছো আক আই। যঁয়ে নামাবিলে কেনেকৈ এইখন সংসাবব পৰা যাবি।"

খুৰীয়ে ছুগিলাচ চৰবৎ বনাই আনিলে। চৰবৎ গিলাচ খাইহে দেহাটো কিছু শাঁত পৰা যেন লাগিল। মই অহাব খবৰটো ইতিমধ্যে চুবুৰীটোত প্ৰচাৰ হৈ গ'ল। চিনাকি অচিনাকি বহুত মুখে খুৰাৰ চ'বাঘৰত ভীৰ কৰিলে। নিবদা মবৌয়ে আহিয়েই চিঞৰি দিলে—
: "ঐ আই গোটেইজনী কাটি পৰিছ। এইজনী তোৰ ছোৱালী নেকি? মাকে-জীয়েকে সমানেই হলি। কি নাম অ' আই তোৰ?" ছোৱালীজনীলৈ চাই সুধিলে।

: জয়শ্ৰী।

কমলইঁতৰ ববমাই ক'লে—"নহবনো কেলৈ। আমাৰ দৰে তাই গাঁৱত বোকা-পানী খচকি, ভুঁই কই, ধান দাই খাবলগা হৈছে জানো? জোকেও তেজ এটোপা খাবলৈ নাপায় তাইঁতক। সকতেই তাইৰ চেহেৰাটো দেখোন পকা থেকেৰাটো যেন আছিল।"

মানুহখিনিৰ মোৰ প্ৰতি ছোৱা ধাৰণাটো শুনি মনে মনে অপ্ৰস্তুত হ'লো। তেওঁলোকৰ অজ্ঞতাৰ কাৰণে বেজাৰো লাগিল।

ৰেচন কাৰ্ডৰ চাউল, দাইল, চেনি বিচাৰি ফুৰোঁতে আমাৰ যে হাহাঁকাৰ তেওঁলোকে যদি অলপ জানিলেহেঁতেন। ৰেচনৰ চাউলত থকা দীঘল-দীঘল পোকবোৰ দেখা হ'লে কিজানি তেওঁলোকেই ওকালিয়াই নাড়ী-ভুৰু উলিয়াই পেলালেহেঁতেন। দৰমহাৰ নামত পোৱা টকা কেইটাই মাহটো জোৰাবলৈ কিমান হিচাব-নিকাচ কৰিব লাগে, সেইয়া ভুক্ত ভোগীয়েহে জানে। তথাপিতো এই মুহূৰ্তত তেওঁলোকৰ বিশ্বাসখিনি ভাঙি দিবলৈ মোৰ ইচ্ছা নহ'ল। সেই প্ৰসঙ্গৰপৰা আঁতৰি আহি লাহেকৈ সুধিলো : "আপোনালোকৰ ববমা?"

: "আছো আক আই কোনোমতে জীৱটো বুকুত সুমুৱাই।"

: "মুখ-হাত ধুই, জা-জলপান এটা খাই ল'হি আহ। ইমান দূৰৰপৰা আহিছ। ভাগৰ লাগিছে হবলা।" খুৰীয়ে মাতিলেহি।

: "যা, যা, আই, কিবা এটা খাই ল'গৈ। দুদিনমান থাকিবি নহয়।" কমলইতৰ ধৰমাই সুধিলে।

নিবদা নবৌয়ে ক'লে—"তাই যে ঘৰখনলৈ পাহৰা নাই।"

খুৰাৰ গৰ্বত সত্যৰতঃ বুকুখন ফুলি উঠিছিল। সেইকাৰণে নিবদা নবৌৰ কথাবাৰত মুখ পাতি ধৰিলে—"কিয় পাহৰিবহে, কিয় পাহৰিব। তাইকতো ময়েই ডাঙৰ কৰা।"

মোৰ শৈশৱ, মোৰ কৈশোৰ অতিবাহিত হৈছিল এইখন ঘৰতেই, এইখন গাঁৱতেই। খুৰা-খুৰীৰ অপত্য স্নেহৰ মাজত মই দিনবোৰ পাৰ কৰিছিলো। মোৰ দেউতাই দূৰণিৰ এখন চাহ-বাগিছাত চাকৰি কৰিছিল। বাগিছাত শিক্ষাগ্ৰহণৰ অসুবিধাতেই মই খুৰা-খুৰীৰ লগত থাকিবলগীয়া হৈছিল।

জলপান খাই থাকোঁতেই খুৰীক সুধিলো: "ইহঁত কোনো নাই নেকি?"

: নাই অ'। বলিনটো ঘৰত নাথাকেই। দিনটো ঘূৰিয়েই ফুৰে। খুৰাৰকৈ পি. ইউ.টো দি পাছ কৰিব নোৱাৰিলে—এতিয়া কি কৰি ফুৰিছে সিহে জানে। পোনা নামঘৰলৈ গৈছে। খুৰাৰৰ অসুখ হোৱাৰপৰা বৰকৈ হুলস্থূলবিলাক সহ্য কৰিব নোৱাৰে নহয়। ডাক্তৰেও আৰামত থাকিবলৈ কৈছে। তাতে আজিকালি খুৰাৰে ভাওনা সবাহত বৰকৈ আনন্দ নাপায়। ককাইদেউ ঢুকাৱৰপৰা খুৰাৰে ভাৱনা-সবাহ হ'লে মনে মনে চুৰিয়াৰ আগেৰে চকুপানী টোকা দেখিছোঁ।"

বুকুখনত মোৰ কোনোবাই হাতুৰীৰে ঢংকৈ মাৰি দিলে। দেউতালৈ মনত পৰি শোকটোৱে খুন্দামাৰি ধৰিলে। খুৰীৰো চকুকেইটা চলচলীয়া হ'ল।

হঠাৎ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ দেউতা চাৰিবছৰ মানৰ আগতে ঢুকাল। ভাওনাত দেউতাই সদায় ৰজাৰ ভাও লৈছিল। সুন্দৰ, সুশ্ৰী দেউতাক সাইলাখ ৰজাৰ দৰেই লাগিছিল। খুৰা-দেউতাই প্ৰায় একেলগে ভাও কৰিছিল। দেউতাই বচন কোৱাৰ লগে লগে নাম-

ঘৰত কাঁহ পৰি জীন যোৱাৰ নিচিনা হয়। এবাৰ 'শকুনিৰ প্ৰতিশোধ' নাটকত দেউতাই যুধিষ্ঠিৰ আৰু খুৰাই শকুনি ভাও লৈছিল। খুৰী, মা, পেহীহঁতে দেউতাইতক খুব জোকাইছিল, ঘৰতে শত্ৰু হ'ল বুলি। কিন্তু বাস্তৱ জীৱনত তেওঁলোকৰ ভাতৃস্নেহ সুগভীৰ আছিল। তেওঁলোক অভিন্ন।

: "কি হ'ল তই দেখোন জলপানৰ বাতি হাতত লৈ বৈ থাকিলি ? খা-খা, দুখ কৰি লাভ নাই। জগতৰ এইয়া চিৰন্তন বীতি। সকলোৱেই যাব লাগিব এদিন। তেখেত যেনিবা দুদিন আগতেই গ'ল, সিমানেই। তই খাই-বৈ খুৰাৰৰ ওচৰতে বহগৈ। মই চকটো পাতি লওঁ। ভাওনা চাবলৈ যাবি নহয়..."

নামঘৰত ডবা, শঙ্খ, কাঁহ বাজি উঠিল। আয়তীসকলৰ উকলিত সন্ধ্যা গাওঁখনৰ বুকুলৈ এক গভীৰ প্ৰশান্তি নামি আহিছে—এনে অনুভৱ হ'ল। ভক্তিভাৱত মুখটো দোঁ-খাই আছিল।

দিনটোৰ ভাগৰে জুমুৰি দি ধৰিছিল যদিও মনটো সতেজ কৰি ভাত-পানী খাই আমি আটায়ে ভাওনা চাবলৈ গ'লো। খুৰাই গোঁসাইৰ ওচৰৰ লাইখুটাটোতে আঁউজি বহিলে। দৃশ্যটো দেখি মোৰ মনটো কেনেবা কেনেবা লাগিল। এই খুটাটোৰ ওচৰত গাওঁখনৰ জ্যেষ্ঠ লোকজনহে বহে। তেন্তে খুৰাতকৈ বয়সস্থ লোক গাওঁখনত নায়েই নেকি ? কথাটো জানিবলৈ মনটো উচ্‌পিচাই থাকিল। অকণমান সুবিধা পাই খুৰীক সুধিলো। খুৰীয়ে হুমুনিয়াহ এটা কাঢ়ি ক'লে : "নকবি আৰু, গাঁৱত এতিয়া বয়সীয়াল মানুহ নাই বুলিবই পাৰ। অকাল মৃত্যুৱে গাওঁখনৰ মানুহখিনিক গ্ৰাস কৰি পেলাইছে।

: "ইয়াৰ কাৰণ কি ?"

: "অভাৱ অনাটনত মানুহবিলাক জুৰুলা হৈছে। দিনটো হাড়-ভঙা পৰিশ্ৰম কৰিও পেট ভৰাই এসাজ খাবলৈ নাপায়।"

: "মানুহবিলাকে খেতিও দেখোন যথেষ্ট কৰে। আগতেতো এনেকুৱা অৱস্থা নাছিল।"

: "খেতি কৰে হয়, ভঁৰালতো শস্য নাথাকে।"

: কিয়…?

: "বেছি ভাগ মানুহেই আধিয়া মাটিত খেতি কৰে। সেই কাৰণে শস্যৰ আধা-ভাগ মাটি আধিয়া দিয়া ঘৰলৈকে যায়। কাৰোবাৰ নিজা মাটি এটুকুৰা আছিল যদিও, ল'ৰাৰ চাকৰি যোগাৰ কৰোতেই বন্ধকত বা বিক্ৰীত গ'ল। আজিকালি চাকৰি এটা পাবলৈ বোলে টকাহে লাগে। বি-এ, এম-এ, পাছ কৰিলেও, টকা নহলে চাকৰি নাপায়। গাওঁখনৰ প্ৰায়বোৰ মানুহৰ বছৰটোৰ তিনিমাহ, চাৰিমাহ মানহে খাবলৈ জোৰে। তাৰ পাচত মানুহখিনিৰ পানীত হাঁহ নচৰা অৱস্থা হয়। তোক এইবোৰ কথা কোৱাই নাই, আজিকালি গাওঁ আৰু আগৰ গাওঁ হৈ থকা নাই। গাঁৱৰ কথা কবলৈ লাজে লাগে।…

পঢ়া-শুনা কৰি ল'ৰাবোৰে হালকোৰ নধৰা হ'ল। মদ, জুৱাই গাওঁখন চানি পেলালে। বুঢ়া বাপেক কেইটাইনো কিমান তৰাব। এবাৰ বেমাৰত পৰিলেই আৰু উঠিব নোৱাৰে।" কাণৰ কাষলৈ আহি খুৰীয়ে ফুচ-ফুচাই ক'লে—"নৰামৰ জীয়েকৰ ঘৰতে তিনিমাহ। এতিয়া তাইঁতক বাইজে এঘৰীয়া কৰি থৈছে।"

: কি? উচপ খাই গলো মই। নগৰত অৱশ্যে বাটে-পথে নৱজাত শিশু পৰি থকাৰ কথা শুনিছো যদিও, এই কথাটো মই সহজভাৱে লব নোৱাৰিলো।

মনটো মোৰ সেমেকি আহিল। সকলো উত্তম নিমিষেত নিঃশেষ হৈ গ'ল। বায়নৰ খোলৰ চাপবো কিছু সময়ৰ বাবে যেন থমকি ৰ'ল। মোৰ চেনেহী গাওঁখনৰ এই অধঃপতনত মনটোৱে আৰ্তনাদ কৰি উঠিল। গাওঁখনৰ ল'ৰাখিনিক চিঞৰি চিঞৰি ক'বৰ মন গ'ল—

"তহঁত গাওঁখনৰ কলঙ্ক। তহঁতৰ অক্ষমতাৰ বাবেই আজি সোণ-পৰীয়া গাঁৱৰ বাইজে তিল্-তিলকৈ মৃত্যুৰ ক্ষণ গণিছে।" কিন্তু মুখেৰে ফুটাই একো কব নোৱাৰিলো। মোৰ মগজুত নানা প্ৰশ্নই জুমুৰি দি ধৰিলে। শিক্ষাই হেনো মানুহক জ্ঞানী আৰু বুদ্ধিমান কৰে। তেন্তে এওঁলোক প্ৰকৃতি শিক্ষিতনে? সে শিক্ষা গ্ৰহণৰ আৱশ্যকতাৰ কাৰণেই শিক্ষা গ্ৰহণ কৰিলে? নহলে যি সময়ত যুৱ-

শক্তিয়ে আলোড়নৰ সৃষ্টি কৰিছে সেই সময়ত ইহঁত কিয় পৰমুখাপেক্ষী হৈ বহি থাকি, অফুৰন্ত শক্তি, সময়বোৰৰ অসৎ ব্যৱহাৰ কৰিব।

মনটো মোৰ অশান্তিয়ে ভৰি পৰিল। মণিকূটত থকা সিংহাসনলৈ চাই পঠিয়ালো। এক অজান আশঙ্কাত বুকুখন মোৰ কঁপি উঠিল। নিজৰ অজ্ঞাতেই হাত দুখন তুলি কৰজোৰ কৰি সোণপৰীয়া গাঁৱৰ বাইজৰ মঙ্গলৰ কাৰণে ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনালো। মণিকূটৰ ছালৰ ফুটাই দি দেখিলো—আকাশৰ বুকুত ওলমি থকা পূৰ্ণিমাৰ জোনটো এটুকুৰা কজলা মেঘৰ আঁৰত লুকাই পৰিছে। হয়তো অলপ পিচতে এজাক বৰষুণ আহিব। মনতে ভাবিলো, সোণপৰীয়া গাঁৱৰ কলুষতাখিনি ধুই নিকা কৰি নিবলৈকে এজাক বৰষুণৰ অতীব প্ৰয়োজন। আহক্ সজোৰে এজাক বৰষুণ। ●●●

## স্বাতন্ত্ৰ্য / পঞ্চমী ভট্টাচাৰ্য

চেমিমক হঠাতে কণমানি ল'ৰাটোৰ সৈতে আমাৰ ঘৰত দেখি আচৰিত হ'লো। স্কুলৰপৰা আজি সোনকালে আহিছিলোঁ।— আবেলিকৈ অসুখ হৈ থকা পেহীক খবৰ কৰিবলৈ যাম বুলি। ঘৰৰ গ্ৰহং কমত তাইক সেইদৰে বহি থকা দেখি আনন্দ পোৱাৰ লগতে আচৰিতো হৈছো। কাৰণ তাই ধুবুৰীৰ ফালে ক'ৰবাত থাকে বুলিহে বিয়াৰ পিচতে দিয়া চিঠিৰপৰা গম পাইছিলো। ইমান দূৰ কিয় আহিলে, কাৰ লগত আহিলে, তাই সুধীনে আদি বিভিন্ন প্ৰশ্নই মনটো জুমুৰি দি ধৰিলেহি। আনহাতে তাইৰ মুখাৱয়বলৈ চাইও একো ধৰিব নোৱাৰিলো। তাইৰ আগৰ কথা গম পাই গিৰিয়েকে তালাক্ দিলে নেকি বাৰু? কিন্তু মোৰ ওচৰলৈ কিয় আহিব। বিশ্ববিদ্যালয়ত পঢ়া দুবছৰত অন্তৰঙ্গ বান্ধৱী আছিলো কাৰণেই বিপদৰ দিনত মোৰ ওচৰলৈ আহিছে নেকি বাৰু? মানে মই ধাৰণাই কৰিব পৰা নাই চেমিমৰ উপস্থিতিৰ কাৰণ কি?

"কি ভাবিছা? মোক হঠাতে দেখি আচৰিত হৈছা নিশ্চয়। কালিয়েই যোৰহাটলৈ আহিলো। আজিৰপৰা এওঁলোকৰ ইয়াত চেমিনাৰ এখন আছে। তালৈকে এওঁ ডেলিগেট হৈ অহাৰ কাৰণে আমিও লগতে আহিলো।"

"কালিয়েই আহিলা! ক'ত থাকিলা কালি? কালিয়েই আমাৰ ঘৰলৈ নাহিলা কিয়?"

"কালি গধূলি আহি পোৱাৰ বাবে হোটেলতে থাকিলো। ভাবিছিলো তোমালোকৰ ঘৰ বিচাৰিম বুলি। কিন্তু, তোমালোকৰ ইয়াত কি আচৰিত, বিজুলী এখনো নাই। যিবা দুখন পালো ইমান দূৰলৈ নাহে বোলে। সেয়ে দূৰলৈ আহিব নোৱাৰি বেছি দাম ভৰি বাচ আস্থানৰ ওচৰতে থকা থ্ৰি-ষ্টাৰ হোটেলতে থাকিবলগা হ'ল।"

"হয়তো, আমাৰ ইয়াত সেইটোৱেই অসুবিধা। সন্ধ্যা হোৱা মাত্ৰকে বিয়া দেখিবলৈ নোপোৱা। ক'তো আজিও দেখোন বন্ধু-বৰ্গ আৰু বাকী মানুহও দেখা নাই?"

"মানুহ আহিছিল। চাহ-তাহ খাই চেমিনাৰলৈ পলম হ'ব বুলি গুচি গ'লগৈ। বয়বস্তুৰ কথা—ৰ'বা মোক ক'বলৈ দিয়া। আজি পুৱাতে গৈ এওঁৰ ৰুমমেট ওলালহঁতে হোটেলত। বজাৰৈদায়ত থকা তেওঁৰ ঘৰলৈ জোৰ-জবৰদস্তি কৰি লৈ আনিলেগৈ।"

"তাৰ মানে আজি আমাৰ ঘৰত নাথাকা?"

"আজিয়েই গুচি আহিলে বেয়া পাব নহয়।"

চেমিমক দেখাৰপৰাই মোৰ মনটোত খুন্দিয়াই থকা প্ৰশ্নটো সুকণ্ঠা উলিয়াই সুধিলো। পঢ়ি থাকোঁতে অনবৰত লগ পাই থকাৰ কাৰণেই নেকিয়েই জানো যিকোনো কথাই নিঃসঙ্কোচে চেমিমক সুধিব পাৰিছিলো আৰু ক'বও পাৰিছিলো। কিন্তু ইমান দিনৰ বিৰতিত আগৰ সহজ ভাব যেন আঁতৰ হ'ল। তাতে বিভিন্ন অভিজ্ঞতাৰ বাবেই মানুহৰ মুখ চাই এতিয়া ভিতৰখনও ধৰিব পৰা হৈছোঁতো। গতিকে যিকোনো মানুহৰ লগত কথা পাতোঁতে যথেষ্ট সাৱধান হৈ চলো। তথাপি অৱশেষত সঙ্কোচভাৱে সাৰবি সুধিলো—তোমাকতো বেচ সুখী যেনেই লাগিছে। তোমাক এতিয়া এনেদৰে পাই তুমি ভালেই কৰিলা যেন লাগিছে।

"তুমিতো আগৰ কথাবোৰ জানাই। যদিও জালুকবাৰীত থাকোঁতে তোমালোকৰ আগত ক্ষোভ প্ৰকাশ কৰা নাছিলো—কিন্তু, এই বিষয়ত মই কলেজত পঢ়া দিনৰেপৰাই অসন্তুষ্ট আছিলো। তোমাকতো মই আমাৰ ঘৰলৈ যাওঁতে কৈছোৱেই। এওঁৰ লগত বিয়া ঠিক হোৱাৰ কথাটোও তুমি গম পাইছিলাই।"

"অঁতো। মই থকাৰ দিনাই তোমালোকৰ ঘৰলৈ তেখেত প্ৰথম আহিছিল। কিন্তু তাৰ পিচত দিনাই মোলৈ চিঠিত লিখিছিল তোমাৰ বিয়া ভাঙিলে বুলিছে।"

"অঁ। তাই তেতিয়া ঠিকেই লিখিছিল। বিহুত থকাটিয়ে

এওঁলোকৰ খুৰাকৰ বৰত্ত লৈ হুলস্থূল লগাইছিল নহয়। আমাৰ বাবাকো গালি পাৰিলে। মোৰ বাবে বাবাই গালি খাবলগা হোৱাত খুউব দুখ লাগিছিল। মই সেইদিনাৰ মুৰতহে সম্পূৰ্ণ কৈ চেতনা পালো। মা-বাবাইতে বৰ ভয় খালে সেইবাবে।"

"তুমিতো মোলৈ একো লিখা নাই।"

"ঘ'ৰা। ক'ম বুলিয়েইতো মুখ মেলিছো। হুলস্থূলৰ পিচত খুৰাকে এদিন আহি এইখন বিয়া কেতিয়াও নহয় বুলি কৈছিলহি। মই কিন্তু ভাগি পৰা নাছিলো। কাৰণ জানো মানুহে বিচৰা প্ৰত্যেকটো বস্তুৱেই কেতিয়াও নাপায়। সেয়ে, মই আচৰিতো হোৱা নাছিলো। আৰু প্ৰথম প্ৰস্তাৱ দিয়াৰ দিনাই এওঁক মই কৈছিলো ধনটি আৰু মোৰ সম্পৰ্কৰ কথা। আৰু লগতে এইটোও কৈছিলো—আজি সাত বছৰ ধনটিৰ লগত এনে সম্পৰ্ক ৰাখি কি কাৰণে তাৰ লগত বিয়া নহওঁ বুলি সিদ্ধান্ত ল'লো। এওঁৰ কথাটো তোমাক মই আগতেই কৈছিলো। কিন্তু এওঁ যে তলে তলে মোৰ কথা ভাবিছিল, সেই কথাটো নাজানো। মোৰ সিদ্ধান্তত তেওঁ ভাল পাইছিল। আৰু সেয়ে খুৰাকে বিয়াখন ভাঙি থৈ যোৱাৰ এমাহৰ পিচতে ঘৰৰ সকলোকে আচৰিত কৰি লগৰ মানুহ কেইজন মানক লগতে লৈ, সেইদিনাই নিকাহ কৰাৰ বুলি আমাৰ ঘৰ পাইছিলহি; আৰু সেয়ে তোমালোকক কাকো নজনোৱাকৈয়ে লৰা-লৰিকৈ বিয়া পাতিবলগা হ'ল।"

মোৰ মুখৰপৰা অতৰ্কিতে ওলাই গ'ল—আচৰিত দেই। মানুহে এনেই নকয়—জন্ম, মৃত্যু আৰু বিবাহৰ কথা কোনেও নাজানে বুলি। বাৰু ধনটিলৈ তোমাৰ মনত পৰেনে ?

"পৰে, কিয় নপৰিব বাৰু। মানুহহে। তথাপি মোৰ ভাবি ভাল লাগিছে—এনেয়ে অনাই-বনাই ঘূৰি ফুৰা ল'ৰাটো তেও এই ঘটনাৰ আগতে এটা গত লাগিল।

"অ', এতিয়া ইয়াতে আছে নেকি। মই এদিন লগ পাইছিলো।"

"এওঁ মোক যোৰহাটলৈ মন্নো যায় বুলি কওঁতেই জোকাইছিল— 'তুমি আগৰ তোমাৰ মানুহজনক লগ পালে মোক এৰি পলাবা নেকি আকৌ?"

হুয়োজনীয়ে একেলগে হাঁহিলে। কণমাণি ল'ৰাটোৱেও যেন কিবা ৰসহে পালে। সিও খিল্‌খিলাই উঠিল। ইতিমধ্যে সি আমাৰ ঘৰৰ মানুহখিনিৰ লগত আপোন হৈ পৰিছে। চেমিমে ল'ৰাটোৰ ফালে চাই ক'লে—"ধনটিৰ ইয়াক দেখিলেহে যেয়া লাগিব চাগে নহয়?"

"সঁচাই ই বৰ মৰম লগাটো হৈ পৰিছে। তাতে এটা-দুটা মাতও ফুটিছে।" চেমিমৰ দৰেই ল'ৰাটো বেচ শান্ত।

দেউতাকোতো শান্ত!

তুমিনো কিয় ধনটিৰ লগত বিয়া নোহোৱা বুলি ঠিৰাং কৰিলা? বিশ্ববিদ্যালয়ত থাকোতেতো ধনটি এদিনো নোখোৱাকৈ নাথাকে; আৰু তুমিও তো প্ৰায়ে ফুৰা তাৰ লগত।"

প্ৰথমৰেপৰা ধনটিৰ মনৰ লগত প্ৰায়বোৰ ক্ষেত্ৰতে মোৰ মনৰ বিৰোধহে দেখা পালো। প্ৰথমতে যেতিয়া আমাৰ কথাটো গম পাই বাবাইঁতে মোক মাৰিছিল তেতিয়া বাবাই সোধোত সি একোকে নক'লে, তথাপি মই তাৰ কথাই ভাবি আছিলো। কাৰণ, মুছলিম হলেও ভাৰতীয় নাৰীৰ সংস্কাৰ মোৰ মনতো আছিলতো। যেতিয়াৰ পৰা মই নিজ ইচ্ছাৰে একো কৰিব নোৱাৰা হ'লো, তেতিয়াৰপৰা লাহে লাহে ধনটিৰ প্ৰতি টানটো কমি আহিল। প্ৰথম অৱস্থাত একেবাৰে যেনেকৈ কৈছিল, যেন গোটেই পৃথিৱীত মোৰ শুভাকাঙ্ক্ষী অকল সিহে। মা-বাবাইঁতে মোৰ কাৰণে যেন অকণো নাভাবে। মন্নো ৰাতি টৌপনি ক্ষতি কৰি কৰি নোট বনাই আৰু বি-এ. পাচ কৰাত যথেষ্ট সহায় কৰিলোঁ। কিন্তু সি যেতিয়া মোৰ প্ৰত্যেকটো কথাতে, কামতে হস্তক্ষেপ কৰিবলৈ ল'লে তেতিয়াৰপৰাই মোৰ মনে মনে খং জমা হ'বলৈ ল'লে।"

মই ক'লো—এই কিন্তু বিশ্ববিদ্যালয় এৰাৰ আগৰ কেইদিনমানৰ

পৰা তোমাক লক্ষ্য কৰিছিলোঁ, যদিও কেতিয়া মই তোমাক নক'লো। মোৰ এনে লাগিছিল তুমি যেন কিবা এটা দুখ লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিছা। কাৰণ সেই কেইটা দিনত তুমি আগতকৈ বেছি স্ফূৰ্তিত আছিলা। কিন্তু পুৱা শুই উঠাৰ পিচতেই তোমাক দেখিলে এনে লাগিছিল তোমাৰ যেন ৰাতিৰ টোপনি পূৰ হোৱা নাই—কিবা চিন্তা কৰি আছা।

চেমিমে টপৰাই ক'লে—"তুমি দেখিছো মনোবিজ্ঞান নপঢ়াকৈ মনোবৈজ্ঞানিক হৈ গ'লা।"

"নহয়হে, বিষয়টোৰ প্ৰতি ৰাপ আছেতো। বাক কৈ যোৱা তুমি।"

"বিশ্ববিদ্যালয়ত ঘটা ঘটনাটো তুমি জানিছিলা। বোধহয়। মোৰ বাইটিৰ দেওবেকজনৰ লগত ডিজিটিং কৰত কথা পাতি থাকোতেই ধনটি আহি তাকে দেখি মোক যে গালি পাৰিছিল, সেইদিনাই মই সিদ্ধান্ত ল'লো আৰু মিছামিছি চিন্তা কৰি লাভ নাই। মই ধনটিৰ লগত কেতিয়াও সুখী হ'ব নোৱাৰো। মানুহৰ স্বকীয়তাতকৈ, ইচ্ছাৰ স্বাধীনতাতকৈ একো ডাঙৰ হ'ব নোৱাৰে। সহুৰ দৰে স্বতন্ত্ৰতাকো এটা সীমালৈকেহে এৰিব পাৰি। মাইকী মানুহ হ'লো বুলিয়েই মোৰ স্বকীয়তাক সম্পূৰ্ণকৈ জলাঞ্জলি দিব নোৱাৰো নহয়। জানাইতো মোৰ চেটাৰ শিকাৰ মন আছিল বুলি। চেটাৰখন কিনি লৈ ছুদিনমান ঘৰৰ ওচৰত থকা সঙ্গীত শিক্ষানুষ্ঠানটোলৈ গৈছিলোহে, আহিল নহয় বাধা; 'নাই ঘৰতে শিকা,—কি কিতাপ লাগে আনি দিম।' চাকৰিৰ ক্ষেত্ৰতো মই ভাল সুবিধাটো হেৰুৱালো। কোনোমতে নৰ্মচ্ থকা বাবে ঘৰৰ পৰা পোন্ধৰ মাইল আঁতৰৰ কলেজখনত চাকৰিটো পাইছিলো। নাই, কোনোপধ্যে নিদিলে। হিংসা নে সন্দেহ, নে কি মই একো বুজি নাপাও বুইছা। তোমাৰ আগত কথাখিনি কৈহে মোৰ ভাল লাগিছে। নহ'লে মোক ছাগৈ কি ভাবি আছিলা। ভাষু, মুমু, জ্যোতিহঁতে মোক নিশ্চয় বদমাচ বুলি ভাবিছে। আমাক ইমানখিনি অপমান

কৰাৰ পিচত ধনটিৰ প্ৰতি এতিয়া পুতৌহে হৈছে। কিন্তু, এওঁৰে ধনটিৰ একদম্ বিপৰীত বুলি ক'ব পাৰা। পিচৰ জীৱনত দিনবোৰ কেনেদৰে যায় ক'ব নোৱাৰো; কিন্তু বৰ্তমান নিজৰে ভাল যেনেই লাগে।"

সন্ধ্যা সময়ত চেমিমৰ মালিক আহি তাইক লৈ গ'লহি। মানুহজন বেচ স্ক্ৰি। ভাল লাগিল। অলপ দূৰ আগবঢ়াই দিলোগৈ। ঘূৰি আহোতে বাটত আগৰ কথাবোৰ মনত ভুমুকি উঠিছে—কেনেকৈ বিশ্ববিদ্যালয়ত পঢ়ি থাকোতে ধনটি প্ৰায়ে যায় হোষ্টেললৈ। জালুক-বাৰীত সন্ধ্যা ফুৰাটো প্ৰচলিত যদিও চেমিমে ধনটিৰ লগত কৃষ্ণচূড়াৰ তলে তলে ৰাস্তাত ঘূৰি ফুৰিবলৈ ভাল নাপায়। তাই প্ৰায়ে কয়। কিন্তু ধনটিয়ে জোৰ কৰে। সেয়ে হয়তো তাই বেছি আপত্তি কৰিলে ধনটিয়ে তাইৰ চৰ্ত মানি লৈছিল যেন লাগে। কাৰণ সন্ধিয়া নামাজ পঢ়াৰ আগে আগে তাই হোষ্টেল পায়হি। তাই চৈয়দ বংশৰ ছোৱালী। সেয়ে তাই ধৰ্মীয় ৰীতি-নীতিবোৰ মানি চলে। কেতিয়াবা ধনটিৰ লগত মাজ্‌ৰালৈ তাই যায় বুলি জানো। সি চাগে এইবোৰ ক্ষেত্ৰত তাইক থকা-বাধা নকৰে।

সঁচাই মানুহৰ মন অতি বিচিত্ৰ। ভালপায় বুলিয়েই বাক এইদৰে পিঞ্জৰাত চৰাই বান্ধি ৰখাদি মানুহৰ মনটোক বান্ধি ৰাখিব পাৰেনে। কিহৰ কাৰণে যে এনে মানসিকতা হয়! নাৰী সদায় পুৰুষৰ তলত বুলি পুৰুষৰ সকলো কথাই মানি ল'ব নেকি? চেমিমে ঠিকেই কৰিলে—আজিৰ বিশাল পৃথিৱীখনৰ লগত খাপ খাবলৈ হ'লে সীতাৰ দৰে জুইত জাপ দি পৰীক্ষাৰ সন্মুখীন নহ'লেও হ'ব। নাৰীওতো পুৰুষৰ দৰে মানুহহে! গতিকে, পুৰুষৰ দৰে নাৰীবোৰো স্বতন্ত্ৰ তথা স্বকীয় বিবেক-বুদ্ধি, ইচ্ছা-অনুভূতি আছে। ●●●

## আন্ধাৰ নিশাৰ শেষত / প্ৰভা চাংকাকতি

বিমানখনৰপৰা নামি নমিতা কিছু বিমোৰত পৰিল। আজি প্ৰায় আঠ বছৰৰ পাচত নমিতা জেঠায়েকৰ ঘৰলৈ বুলি আহিছে। এই কেইবছৰতে ঠাইখন বহু নতুন হ'ল। আগৰ সৰু সৰু কেঁচা ঘৰবোৰৰ ঠাইত বহুত ধুনীয়া ধুনীয়া পকীঘৰ হৈ উঠিল। আঠ বছৰৰ আগৰ সেই সকু ঠাইখনৰ চিন প্ৰায় হেৰাই গৈছে। আগৰ যত নমিতাৰ জেঠায়েকৰ ঘৰ আছিল, সেই ঠাইত এটা নতুনকৈ ছমহলীয়া ঘৰ সাজিলে। তাই উপায়বিহীন হৈ চিনাকী কাৰোবাক পাই নেকি নিৰীক্ষণ কৰিলে। কিন্তু কিছু পৰৰ পাছত ওচৰৰ ঘৰটোৰ ফুলনিডৰাত কাম কৰি থকা আদহীয়া মানুহজনক জেঠোৱেকৰ নাম কৈ ঘৰৰ ঠিকনা সুধিলে। অকণমান চিন্তা কৰি মানুহজনে ওচৰৰ সৰু খেৰী ঘৰ এটালৈ আঙুলিয়াই দেখুৱালে। বাঁহৰ জপনাখন খুলি নমিতা সোমাই গ'ল। বন্ধ দুৱাৰখনৰ মুখত ৰৈ কাৰোবাৰ নাম ধৰি মাতিলে—"ৰমা, অ' ৰমা।" কোনো সঁহাৰি নাই। এইবাৰ আগতকৈ ডাঙৰকৈ মাতিলে—"জেঠাইদেউ, অ' জেঠাইদেউ।"

"কোন?" ভিতৰৰপৰা এটি ক্ষীণ কণ্ঠস্বৰ ভাঁহি আহিল। অলপ পাছতে দুৱাৰখন খুলি জেঠায়েকৰ ঘৰত কাম কৰা বুঢ়ী গৰাকী ওলাই আহিল।

"অ' নমি আইদেউচোন। কিমান দিনৰ মূৰত। আহা আহা, ভিতৰলৈকে।" মানুহ গৰাকী ব্যস্ত হৈ পৰিল।

"ঘৰত আৰু কোনো নাই নেকি?" প্ৰশ্নসূচক দৃষ্টিৰে নমিতাই বুঢ়ীলৈ চালে।

"আইদেউ স্কুললৈ গৈছে। অলপ পৰৰ পাচতহে পাবহি।"

"স্কুললৈ কিয় ?" নমিতা কিছু আচৰিত হ'ল।

"আইদেৱে স্কুলত চাকৰি এটা পালে নহয়। আজি চাৰি বছৰেই হ'বৰ হ'ল। দেউতা ঘৰবপৰা গুচি যোৱাৰ পাছত আইৰ যে কি বিলাই। নাখাই নবই কেৱল কান্দিয়ে থাকে। তাৰ পিছত যেনিবা দেউতা ওলাই যোৱাৰ এমাহ মানৰ পিছতে হেড মাষ্টৰণী বাইদেৱে আইদেউক চাকৰিটো ঠিক কৰি দিলে।"

"ৰমা ?"

"ৰমা ঢুকাল নহয়, আজি দেখোন পাঁচ বছৰ মানেই হ'ল, তুমি জানো খবৰ পোৱা নাছিলা ?"

"ঢুকাল ? কেনেকৈ ? কি হৈছিল ?" উৎকণ্ঠাত নমিতাৰ ডিঙি শুকাই গৈছিল।

"সেইবোৰ বহুত কথা। এতিয়া হাত-মুখ ধুই পানী-ছুনি এটোপা খাই লোৱা। পিচে-পৰে সকলো শুনিবা।"

"নাই নালাগে। মোক কেৱল এগিলাচ ঠাণ্ডা পানী দিয়া। জেঠাইদেউ আহিলে চাহ-তাহ খাম।"

মূঢ়া এটা উলিয়াই নমিতা আগফালৰ বাৰাণ্ডাতে বহিল। জেঠোৱেক ঘৰবপৰা গুচি গ'ল, জেঠায়েকে স্কুলত চাকৰি কৰে, ৰমা ঢুকাল, সকলোবোৰ যেন নমিতাৰ কাৰণে অভেদ্য সাঁথৰ। বুঢ়ী গৰাকীয়ে নমিতাক এঘটি পানী আৰু এগিলাচ চৰ্বত দি গ'লহি। পানী ঘটি চকুৱে-মুখে চটিয়াই নমিতাই চৰ্বত গিলাচ খালে। তাৰ পাছত সমুখৰ আলিটোৰ ফালে চাই কিবা ভাবিলে। আলিটোৰ সিটো পাৰে থকা অ'াহতজোপা এই কিবছৰতে বহুত ডাঙৰ হৈছে। এচাটি মৃদু বতাহ আহি অ'াহতৰ পাতবোৰ কঁপাই তুলিলে। লগে লগে নমিতাৰ মন পচোৱাৰ বাত স্মৃতিৰ পাপৰিবোৰ উৰি উৰি আঠ বছৰৰ আগৰ দিনবোৰলৈ গুচি গ'ল।

বাৰ বছৰ মানৰ আগতে কোনোবা এটা আবেলি ঠিক আজিৰ দৰে গৰম দিনৰ আবেলি এটাত নমিতা মাকৰ সৈতে জেঠায়েকৰ ঘৰলৈ আহিছিল। মেট্ৰিক পৰীক্ষা দি নগৰত ফুৰিবলৈ অহা নমিতাৰ

সেইদিনা আনন্দেবে অন্তৰ ভৰি উঠিছিল। জেঠায়েক-জেঠৌয়েকৰ মৰম আৰু ৰমাৰ লগৰী পাই তাই নিজৰ ঘৰখনৰ কথা পাহৰি গৈছিল। নমিতাৰ জেঠৌয়েক সুব্ৰত বৰুৱা এজন ব্যৱসায়ী আছিল। জেঠায়েক আৰু একেজনী জীয়েক ৰমাৰ সৈতে বেচ এটা সুখী পৰিয়ালেই আছিল। নমিতা ৰমাতকৈ তিনি বছৰ মানৰ সৰু যদিও দুয়োৰো বন্ধুত্ব গঢ়ি উঠিছিল বং-বহইচ, হাঁহি-ভাযোচাৰ যোগেদি।

ৰমা। মৰম লগা মুখৰ ১৭।১৮ বছৰীয়া এজনী চকুতলগা যুৱতী। তাইৰ হাঁহিভৰা মুখখনত নমিতাই কাহানিও অকাল মৃত্যুৰ আগ-জাননী দেখা পোৱা নাছিল। কিন্তু সেই লাৱণী মুখৰ হাঁহি কিয় চিৰদিনৰ বাবে হেৰাই গ'ল নমিতাই বুজি নাপালে। তাই জানে জেঠৌয়েকৰ টকা-পইচাৰ অভাৱ নাই, কিন্তু চৰিত্ৰৰ ফালৰপৰা তেওঁ মদ আৰু জুৱাৰ প্ৰতি দুৰ্বল আছিল। নমিতাই মেট্ৰিক পাচ কৰি চাৰিবছৰ জেঠায়েকৰ ঘৰত থাকি কলেজত পঢ়িছিল, আৰু সন্মান সহকাৰে অসমীয়াত দ্বিতীয় বিভাগৰ প্ৰথম স্থান অধিকাৰ কৰি পাচ কৰিছিল। এই চাৰিবছৰে নমিতা জেঠায়েকৰ পৰিয়ালৰে এজনী হৈ পৰিছিল। মাজে মাজে নমিতাই জেঠায়েক আৰু জেঠৌয়েকৰ মাজত সামান্য ধকা-খুন্দা লগা শুনিছিল। জেঠৌয়েক মানুহজন ব্যৱসায়ৰ ক্ষেত্ৰত পুৰা আঠ-ন'বজাৰপৰা ৰাতি দহ-বাৰ বজালৈ বাহিৰতে থাকে। কি ব্যৱসায় কৰে নমিতাই নাজানে। দুই-এক মানুহে 'ঠিকাদাৰ বাবু' বুলি মতা শুনি তাই জেঠৌয়েকে ঠিকা কৰে বুলিয়ে ধৰি ললে।

এদিনৰ কথা। নমিতা কলেজৰপৰা আহি দেখিলে তাইৰ পঢ়া কোঠাত এজন যুৱকৰ লগত ৰমাই কথা পাতি আছে। সিহঁতে কিবা এটা কথাত ইমান মনোযোগ দি আছে যে নমিতা সোমাই অহাও গম পোৱা নাই। নমিতাক নিচেই ওচৰতে দেখি ৰমা চকৃখাই উঠিল। লাজকুৰীয়া হাঁহিৰে ৰমাই প্ৰশান্ত নামৰ ল'ৰাজনৰ লগত নমিতাৰ পৰিচয় কৰাই দিলে। নমস্কাৰৰ বিনিময়ত দুয়ো চা-চিনাকি হৈ "ক'ত ঘৰ, কোন ইয়েৰত পঢ়ে" ইত্যাদি দুই-চাৰিটা কথা পাতি প্ৰথমে দিনা পাৰ কৰিলে। তাৰ পাছত নমিতাই দেখিলে প্ৰশান্ত প্ৰায়ে ৰমাৰ

ওপৰতে আছে আৰু বটাৰ পাছত বটা ধৰি মনৰ কথা পাতে। নমিতাই পাকঘৰত জেঠায়েকক দুই-এটা কামত সহায় কৰি দি সময়বোৰ কটায়। বমাই কৈছিল প্ৰশান্তৰ কথা। তাই প্ৰশান্তক ভাল পায়। সি বোলে প্ৰথম শ্ৰেণীৰ ইঞ্জিনিয়াৰ। বৰ ধনী মানুহৰ ঘৰৰ ল'ৰা। দেউতাকৰ লগত পাৰ্টি এটালৈ যাওঁতে প্ৰশান্তৰ লগত বমাৰ প্ৰথম চিনাকি, আৰু সেই চিনাকিয়ে ক্ৰমাত আত্মীয়তালৈ পৰিণত হৈ পৰে। বমাৰ মাক-বাপেকে এই ক্ষেত্ৰত কোনো আপত্তি নকৰিলে। ঠিকাদাৰৰ ছোৱালীৰ ইঞ্জিনিয়াৰৰ লগত বিয়া, সৌভাগ্যৰেই কথা। কিন্তু সৌভাগ্যৰ গোলাপৰ কোমল পাহিৰ মাজত যে ধ্বংসকাৰী ওৰ পোক লুকাই থাকিব পাৰে, তাক কিছুমান স্বাৰ্থান্ধ পিতৃ-মাতৃৰ চকুত নপৰে যাৰেই গোলাপৰ পাহি অকালতে মৰহি যাবলগা হয়। বমাবো বোধকৰো সেয়ে হ'ল।

বি-এ পাচ কৰাৰ দুমাহ মানৰ পাছতে হাইস্কুল এখনত চাকৰি এটা পাই নমিতা জেঠায়েকৰ ঘৰৰপৰা শিৱসাগৰলৈ গুচি গৈছিল। তাৰ পাছত সম্পূৰ্ণ আঠবছৰৰ পাছত তাই প্ৰথম জেঠায়েকৰ ঘৰলৈ আহিছে। সেই থাঁহতজোপাৰ তলত যেন তাই আৰু বমাৰ শৈশৱৰ বহুত স্মৃতি লুকাই আছে। কথাবোৰ ভাবি থাকোতে কিমান সময় অতিবাহিত হ'ল তাই গম নাপালে। জপনাখন খুলি জেঠায়েক সোমাই আহিল। নমিতাই জেঠায়েকৰ মুখলৈ চালে। সকৰুণ চিন্তাক্লিষ্ট এখন মুখ। বয়সতকৈ বহুত বেচি বুঢ়ী হৈ গৈছে। ওচৰ আহি নৌ-পাওঁতেই তাই চিঞৰি মাতিলে, "জেঠাইদেউ!" জেঠায়েকে ওচৰ পাই নমিতাৰ মুখলৈ একেবাৰে কিছুপৰ চাই থাকি হঠাতে তাইক দুই-হাতেৰে সাৱটি ধৰিলে।

"নমি কেতিয়া আহিলি। তই অত দিন ক'ত আছিলি? যোৱাটো যে মনত পৰিল।" মানুহ গৰাকীয়ে হুকহুকাই কান্দি উঠিল।

"জেঠাইদেউ, ব'লক ভিতৰলৈ যাওঁ। এইবাৰ মই বহুত দিন থকাকৈ আহিছোঁ। থেৰ কথা পাতিম।" জেঠায়েকক হাতত ধৰি নমিতাই ভিতৰলৈ টানি লৈ গ'ল—"কাৰ লগত কথা পাতিবি

আই। মোৰ ঘৰ মৰিশালি হৈ গ'ল।" বুঢ়ীৰ উচুপনি বন্ধ হোৱা নাছিল।

নমিতাই আন বাহিৰা কথা উলিয়াই জেঠায়েকক প্ৰবোধ দিবৰ চেষ্টা কৰিলে। ৰাতি ভাত-পানী খাই উঠি জেঠায়েকে নিজৰ জীৱন বুৰঞ্জীৰ পাত নমিতাৰ চকুৰ আগত এখিলা এখিলাকৈ লুটিয়াই গ'ল।

তাত লিখা আছিল ৰমাৰ কথা, প্ৰশান্তৰ কথা আৰু ৰমাৰ বাপেকৰ চৰিত্ৰৰ অধঃপতনৰ কথা। কেনেকৈ প্ৰশান্ত নামৰ প্ৰৱঞ্চক প্ৰেমিকৰ কামনাৰ জুইত পৰি ৰমা নামৰ ফুলকোমল যুৱতীজনী আত্মদাহ যাবলগা হ'ল। সেই কাহিনীয়ে নমিতাক বাৰুকৈয়ে আঘাত কৰিলে। নমিতাই ইয়াকে বুজিছিল ৰমাৰ কোমল অন্তৰে প্ৰশান্তক নিজৰ কৰি আদৰি লৈছিল। কিন্তু প্ৰশান্তৰ প্ৰেম নিষ্কলুষ নাছিল। সি যতেই চাকৰি কৰে তাতেই ৰমাৰ দৰে একোজনী প্ৰেমিকা গোটাই লয়। টকা-পইচাৰ অভাৱ তাৰ নাই, চেহেৰাও বেচ চকুত লগা। গতিকে পা-পইচা, বস্ত্ৰবাহানি দুই এপদ দি সি অতি সহজে প্ৰেয়সী গোটাই লবলৈ সমৰ্থ হয়। বেচেৰীহঁতেও ইঞ্জিনিয়াৰৰ পত্নী হৈ সৌভাগ্যৱতী হোৱাৰ সপোন দেখি নিজৰ সৰ্বস্ব প্ৰেমিকৰ চৰণত অৰ্পণ কৰে। প্ৰেম পুষ্পৰ মৌ চুহি, ভোমোৰা পলায় নতুন ফুলৰ সন্ধানত। ফুল থিতাতে মৰহি যায়। কিন্তু আজলী ৰমাই এই ব্যৱসায়ী প্ৰেমৰ কথা কল্পনাও কৰা নাছিল। গতিকে প্ৰশান্তই তাইৰপৰা যেতিয়া লাহে লাহে আঁতৰি গ'ল, তাই অনুভৱ কৰিলে তাই অবৈধ মাতৃত্বৰ ভাৰ লবলৈ ওলাইছে। বহুতো চিঠি-পত্ৰ দিও প্ৰশান্তৰ যেতিয়া কোনো সঁহাৰি নাপালে উপায়ান্তৰ হৈ ঘৰৰ আগৰ পুখুৰীটোত জাঁপ দি তাই আত্মহত্যা কৰিলে।

এই ঘটনাই মাকৰ হিয়া ভাঙি চুৰমাৰ কৰিলে। দুখত ভাঙিপৰা অন্তৰখন এষাৰ প্ৰবোধ বাণীৰে সান্ত্বনা দিবলৈ কোনো নোহোৱা হ'ল। ৰমাৰ দেউতাকক কিন্তু এই ঘটনাই অকণো বিচলিত কৰিব পৰা নাছিল। তেওঁৰ নিজৰে নৈতিক অধঃপতন হৈছিল গতিকে আনৰ

ঘটনাই যেউঁৰ অন্তৰত কোনো আলোড়নৰ সৃষ্টি কৰিব নোৱাৰিলে। মদ আৰু জুৱা মানুহজনৰ প্ৰিয় সঙ্গী আছিল। তাৰ লগতে একবাকী সুন্দৰীও লগ লাগিলহি। এই তিনি প্ৰেয়সীৰ প্ৰেমে মানুহজনক পতনৰ পাৰলৈ ঠেলি লৈ গ'ল। জুৱা খেলি প্ৰায়বোৰ সম্পত্তি আধা-মুলিকৈ বেচিলে। তিৰোতাৰ হাতৰ, কাণৰ সকলো অা-অলংকাৰ তিনি প্ৰেয়সীৰ পূজাত আহুতি দিলে। অৱশেষত এদিন ওচৰৰ মুক্তানাথ মহাজনৰ ঘৰৰ কাম কৰা ছোৱালীজনী লৈ বমাৰ বাপেক ঘৰৰপৰা উধাও হ'ল।

জোনাকত বহি বহি আকাশলৈ চাই কথাখিনি কওঁতে নমিতাই দেখিলে মানুহ গৰাকী বেজাৰত ভাগি পৰিছে। মাত থোকা-থুকি, দুই চকুৰেদি দুধাৰি চকুলো বৈ গৈছে। নমিতাই সান্ত্বনা দিবলৈ কথা বিচাৰি নাপালে। অলপ সময় থকাৰ পাছত বুঢ়ীয়ে আকৌ ক'লে, "মাষ্টৰণী বাইদেৱে দয়া নকৰা হ'লে মইয়ো আজি কিজানি জীয়াই থাকিব নোৱাৰিলোহেঁতেন।"

"সেইদৰে নক'ব জেঠাইদেউ। ভগৱান আপোনাৰ সহায় হওক, এতিয়া ব'লক শোওঁগৈ, বহুত ৰাতি হ'ল।" গধুৰ মনেৰে দুয়ো বিচনালৈ গ'ল। দুয়ো দুখন বিচনাত শুই পৰিল। নমিতাৰ টোপনি নাহিল। দিনটো পৰিশ্ৰমৰ অন্তত জেঠায়েৰৰ সোনকালেই টোপনি আহিল। নানা চিন্তাই নমিতাক জুমুৰি দি ধৰিলেহি। তাতে ভাদ মাহৰ গৰম। হঠাতে নমিতাৰ কাণত পৰিল কাৰোবাৰ উচুপনি। দুৱাৰখন খুলি বাৰাণ্ডাত থিয় হৈ নমিতাই দেখিলে দুমহলীয়া ঘৰটোৰ তলৰ মহলাৰ বাৰাণ্ডাত এজনী দহবাৰ বছৰীয়া ছোৱালী। তাই উচুপিছে। ওচৰতে শকত-আৱত বয়সস্থ যেন লগা এটা মানুহ। ছোৱালীজনীৰ হাতত ধৰি মানুহটোৱে ভিতৰলৈ টানিছে। কিন্তু তাই যাবলৈ অসম্মতি প্ৰকাশ কৰাত মানুহটোৱে তাইৰ গালত এটা চৰ সোধাই দিছে। তাই উচুপি উচুপি বাৰাণ্ডাৰ খুটা এটাতে ধৰি বৈ আছে। মানুহটোৰ দুই-এটা কথা আহি নমিতাৰ কাণত পৰিলহি। নমিতাই তাৰপৰা অনুমান কৰিলে ছোৱালীজনী ঘৰৰ

ব্ৰয় কৰা ছোৱালী। মানুহটো বৰং মালিক, মালিকণী প্ৰকৃতিৰ নৈতিক, ধৰ্মত কোনো নাই। সেই সুযোগ সি লবলৈ বিচাৰিছে। তাৰমানে তুমি তুমি চাই কোনৰ পোহৰত নমিতাই দেখিলে কামনা-লালসাৰ এখন বিকৃত মুখ, এহাল লোলুপ চকু। কণমানি ছোৱালী-জনীৰ ওপৰত বয়স ভাটি দিয়া মানুহটোৰ এনে পশুৰ ব্যৱহাৰ দেখি নমিতাৰ গাৰ তেজবোৰ গৰম হৈ উঠিল। তাই ক'ব নোৱাৰাকৈয়ে সশব্দে এটা গল হেকাৰি মাৰি দিলে। মানুহটো কিছু সংযত হ'ল আৰু ছোৱালীজনীক তাৰপৰা যাবলৈ কৈ ভিতৰ সোমাল। ঠিক তাৰ অলপ সময়ৰ পিচতে এখন গাড়ী আহি মানুহঘৰৰ পদূলিমুখত ৰ'লহি। গাড়ীৰপৰা এগৰাকী মহিলা নামিল। কাপোৰ-কানি বিশৃঙ্খল, খোজ অসংযত। এজন যুৱকে গাড়ীৰপৰা নামি মহিলা গৰাকীক ধৰি নি বাৰাণ্ডাত থিয় কৰালে আৰু ছুয়ো আলিঙ্গন কৰি বিদায় ললে। যুৱক পুনৰ গাড়ীত উঠি গ'লগৈ। মহিলা গৰাকী ভিতৰ সোমাল। তেতিয়ালৈকে নমিতা সৰগ পৰা মানুহৰ দৰে জঠৰ হৈ বাৰাণ্ডাতে থিয় দি থাকিল। তাই যেন বহুত কথাৰ আজি সন্ধান পালে। অনিচ্ছা আৰু ইচ্ছাকৃতভাৱে হোৱা ধৰ্ষিতা নাৰীৰ ছবিবোৰ দেখি নমিতাৰ শৰীৰৰ তেজবোৰ প্ৰতি শিৰা-উপশিৰাই দি বিদ্যুৎ প্ৰবাহৰে উঠানমা কৰিবলৈ ধৰিলে। গাটো ঘামেৰে তিতি গ'ল। তাই এইবোৰ কি দেখিছে? তাই যেন নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই। নাৰী জাতিৰ আজি কিয় ইমান অধঃপতন হ'বলৈ পালে? যি নাৰীক 'গৃহলক্ষ্মী' আখ্যা দিয়া হয়, সেই নাৰী আজি অধোগামিনী হৈ নৰকৰ আৱৰ্জনাত লুটি-বাগৰ খাইছে। নমিতাই শুনিবলৈ পায় নগৰে-চহৰে, অলিয়ে-গলিয়ে অধঃপতিতা নাৰীৰ সংখ্যা দিনে দিনে বাঢ়ি গৈছে। কিছুমানে স্বইচ্ছাৰে, আত্মতৃপ্তিৰ কাৰণে অধোগামী হৈছে, কিছুমানক সমস্যাই বাধ্য কৰাইছে। এই ছুয়ো শ্ৰেণীৰ নাৰীয়েই সমাজৰ ধূমকেতু স্বৰূপ। এই ৰমণীসকলৰ ধ্বংসমুখী অভিযান বন্ধ কৰিব নোৱাৰিলে দেশ ৰসাতললৈ যাবলৈ বেচি দিন নালাগিব। তাই ভাবিলে যে যিটো সময়ত দেশ প্ৰগতিৰ জখলাৰে দোপতদোপে

আওতাৰ লাগিছে, যিটো সময়ত মানুহে সভ্যতাৰ উচ্চ শিখৰত উঠি যি সগৌৰৱে চন্দ্ৰত ঘৰ সজাৰ সপোন দেখিছে, ঠিক সেই একে সময়তে এচাম মানুহে ভোকৰ তাড়নাত এমুঠি অন্নৰ কাৰণে নিজৰ দেহাৰ ব্যৱসায় কৰিবলগা হৈছে। সেয়া জানো মানৱ জাতিৰ চৰম ব্যৰ্থতাৰ এক জ্বলন্ত উদাহৰণ নহয়? মানুহে যদিও সভ্যতাৰ জয়ঢোল বজাই ফুৰিছে তথাপি নৈতিক অধঃপতনে সমাজক ধূমকেতুৰ ধ্বংসস্তূপৰ মাজলৈ ঠেলি পঠাব। নমিতাই উপলব্ধি কৰিলে এখন নিকা সমাজ লাগে, এটা বৃহৎ নাৰীশক্তি লাগে—যি শক্তিয়ে নাৰীক অধঃপতনৰ পৰা ৰক্ষা কৰিব পাৰিব; যি শক্তিয়ে কামনা-বাসনাৰ জুইত দগ্ধ নোহোৱাকৈ নাৰীক সংযমী ও সাহসী হ'বলৈ প্ৰেৰণা যোগাব পাৰিব, আৰু তেতিয়াহে নাৰী প্ৰগতিৰ পথত আগবাঢ়োঁতে খোজে পতি উজুটি খাবলগা নহয়।

নমিতাই ভাবিলে তাই তেনে এটা নাৰী সংগঠন অতি সোনকালে গঢ়ি তুলিব। তাৰ দ্বাৰা নাৰীৰ লক্ষ্য, আদৰ্শ আৰু দায়িত্বৰ বিষয়ে সচেতন কৰি আঁচনি প্ৰস্তুত কৰিব। তেতিয়া হয়তো কিছু পৰিমাণে হ'লেও অধঃপতিতা নাৰী উপকৃত হ'ব। তাই বহুত কথাই ভাবিলে। তাইৰ টোপনি অকণো নাহিল। নিচেই পুৱাতে উঠি তাই গাধোৱা ঘৰত সোমাল। তাই দুদিনমান থকাকৈ আহিছিল যদিও থাকিবলৈ ইচ্ছা আৰু নহ'ল। তাইৰ বহুত কাম আছে, আজিয়ে যাব লাগিব। এটা নাৰীশক্তি, বৃহৎ নাৰী জাগৰণ। নমিতাৰ কেৱল এটাই চিন্তা। গাত পানী ঢলাৰ লগে লগে তাইৰ দেহ-মন কিছু শাঁত পৰিল। চকুৰ আগত ভাঁহি উঠিল এগৰাকী, দুগৰাকী, হাজাৰ গৰাকী মূৰ্তিমতী নাৰীৰ ছবি। সীতা, সাবিত্ৰী, দময়ন্তী—এখন নিকা নাৰীসমাজ। স্বামী-পুত্ৰৰে ভৰপূৰ সহস্ৰ গৰাকী সুগৃহিনী। তেওঁলোকৰ সফলতা আৰু সততাৰ মাজত পতিতা নামৰ ৰমণীজনী বিলীন হৈ গৈছে। ঠিক এয়ে উপযুক্ত সময়। তাই আৰু পলম নকৰে। লৰালৰিকৈ তাই কাপোৰ-কানি পিন্ধি জেঠায়েকৰপৰা বিদায় লৈ ঘৰৰ বাহিৰ হ'ল। ●●●

## প্ৰতীক্ষা / মঞ্জুলা শৰ্মা

জেলত থকাৰ অভিজ্ঞতা আজিলৈ তেনেকৈ পোৱা নাই যদিও, কয়দীৰ নিঃসঙ্গ, চিন্তাক্লিষ্ট জীৱনৰ জীয়া উপলব্ধি শেৱালীয়ে বাককৈয়ে ধাৰণা কৰি লবপৰা হৈছে। আজি প্ৰায় দুমাহ ধৰি, বেমাৰী মুমূৰ্ষু মাকৰ ওচৰত কটোৱা উজাগৰী ৰাতিবোৰত, চেলৰ ভিতৰত সোমাই থকা কয়দীতকৈও যেন বেচি শাস্তি ভোগ কৰি আছে তাই।

কোঠাটো আজি অৱশ্যে কিছু পৰিষ্কাৰ পৰিচ্ছন্ন লাগিছে। যোৱা সপ্তাহত, বৰষুণত চাল বুলিবলৈ ওপৰত দিয়া ভগা টাইলৰ ফাঁকে ফাঁকে বৰষুণ পৰিছিল। খিৰিকীবোৰতো ঢাকি দিয়া ঢাৰিবোৰ নষ্ট হৈ যোৱা বাবে খিৰিকীৰেও বৰষুণ পৰে। সেয়ে, আজি ৰাতিপুৱাই বেৰবোৰ"আকৌ কিছুমান ভগা ঢাৰিৰ টুকুৰাবে মেৰামতি কৰি, মজিয়াখন 'দেটল' পানী ছটিয়াই মছি, বিচনাৰ কাপোৰ-কানিবোৰও ধুই-পখালি দি, ধূপ-ধুনা জ্বলাই দিয়া বাবে, এই দুমাহত কটোৱা আন উজাগৰী ৰাতিবোৰতকৈ আজি যেন মনটো কিবা বেলেগ বেলেগ লাগি আছে তাইৰ।

বাহিৰত কলপাতত পৰা দুই-এটোপাল নিয়ৰৰ টোপ্-টোপ্ শব্দ, দূৰৰ বাৰীমূৰত মাজে মাজে হিয়া বিদৰা দুই-এটা ফেঁচাৰ কৰ্কশ মাত, আৰু উজাগৰী বেমাৰী মাকৰ যন্ত্ৰণাৰ প্ৰতীকী শব্দত বাহিৰে তাই যেন আইন একেৱেই শুনা নাই। এই দুমাহত টোপনি বুলিবলৈ এক মিনিট সময়ো মাকে বিচনাত কাটি হুৱই পৰা নাই। শুব নোৱাৰেও। কাৰণ মাকৰ কেন্সাৰ হৈছে। জিভাৰ কেন্সাৰ। অদ্ভুত অথচ অতি কুলক্ষণীয়া বেমাৰ। যাৰ বাবে শেষ হৈ যায় এটা জীৱনৰ লগতে এটা পৰিয়াল; যাৰ বাবে তিল্-তিল্কৈ শেষ হব লাগে পৰিয়ালৰ প্ৰতিটো ব্যক্তিৰ মনৰ সকলো শান্তি সুখ তথা আশাৰ সপোন।

ইমান সময়ে শেৱালীয়ে লেপখন জাপি লৈ তাৰ ওপৰতে গাৰু

ছুটা ভুলি দি মাকক আউজাই ধৰি আছিল। বাওঁহাতখনত কং নোহোৱা যেন অনুভৱ কৰি অলপ সলাই লওঁ বুলি হাতখন লাহে লাহে আনিব খোজোতে মাকৰ মুখৰ ফালে চকু থৈ তাই দেখিলে খিক টোপনি নহ'লেও যেন অলপ তন্দ্ৰালু হৈ মাকে চকু ছুটা মুদি দিছে।

বাইঁৰ দুৱাৰখন শব্দ নোহোৱাকৈ অতি সাৱধানে খুলি তাই লাহে লাহে ওলাই আহিল বাহিৰলৈ এই সুযোগতেই। তাই বহুদিনৰ মূৰত যেন অনুভৱ কৰিব পাৰিলে……

আকাশখন ইমান সুন্দৰ!

ইমান ফৰকাল!

চিনাকী গোন্ধ এটা নাকত লাগি যোৱাত তাই যেন উমান পালে, শেৱালি ফুলৰ গোন্ধ। শৰত আহিল। তাৰ মানে দুৰ্গা পূজাও আহিল। ইমান দিনে বেমাৰী মাকৰ আলপৈচান ধৰি, কোঠাৰ ভিতৰতেই কটাই থকা বাবে বাহিৰৰ জগতখন তাই যেন পাহৰিয়েই গৈছিল। এখোজ দুখোজকৈ শেৱালি জোপাৰ কায চাপিলে তাই। তাইৰ মনত পৰিল যোৱা বছৰ নে তাৰ আগৰ বছৰতেই মাকৰ লগত সক বাইদেৱেকৰ ঘৰলৈ যাওঁতে এই শেৱালি পুলিটো তাইয়েই আনিছিল। মাকে তাইক কোৱা এতিয়াও মনত আছে—চোতালৰ তুলসীজোপাৰ ওচৰতেই কই থ'। শৰত কালত যেতিয়া ফুল ফুলিব পিৰালিতেই বহি দুয়ো মা-জীয়ে সুবাস ল'ম। আমাৰ নিঃসঙ্গ জীৱনত ইও এক সঙ্গী হব।" মনটো তাইৰ সেমেকি গ'ল। মাকেতো সেই সুবাস সুস্থ শৰীৰে এদিনো লব নেপালে। বোধকৰো শেৱালিজোপাৰ কথাও মনত নাই। কোন মুহূৰ্ত্তত যে মাকে দুৰ্ভগীয়া শেৱালিজনীৰ কথাও পাহৰি তাইক এৰি গুচি যাবগৈ, তাকে ভাবি তাই অতি দুৰ্বল হৈ গ'ল।

ইমান সময়ে তাই চোতালতেই আছিল। শীতল বতাহ এজাক গাত লগা যেন অনুভৱ হোৱাত তাই হাতেৰে পিঠিখন খেপিয়াই গম পালে ব্লাউজটো পিঠিৰ ফালে বহুখিনি ফাটিছে। ফাটিবই।

দুখৰ আপোনাকেই তো লোৱা এই ৰাস্তাটো লোৱা বাবে উপহাস পোৱাহে…

ঠিক দুৰ্গা পূজাৰ সময়েই আহিল কেতিয়াও। ৰাস্তাৰ কাপোৰবোৰ, কোঁটা চাদৰ এখন, চেণ্টৰ বটল এটা আৰু মাকৰ বাবে বগা কপাহী চাদৰ এখনৰ টোপোলাটো লৈ সিদিনা কাজল আহিছিল সিইঁতৰ ঘৰলৈ। পূজালৈ তেতিয়া এসপ্তাহ সময় আছিল। সিদিনাই নহয়, প্ৰতিদিনে, প্ৰতিবেলাই আহিছিল। প্ৰথমে সকিয়া সময়ত ৰেডিওটো হাতত লৈ (সিইঁতৰ ঘৰত ৰেডিও নথকাৰ সুযোগ লৈ, গান শুনোৱাৰ ছলত)। তাৰ পিছত বাতিপুৱা, আৰু তাৰ পিছত প্ৰায় সময়ৰ নিৰ্দ্ধাৰণ নোহোৱাকৈয়ে কাজল আহিছিল। কথা পাতিছিল তাইৰ লগত ইটো-সিটো, শাকে-পাতে, যিহকে তিহকে। প্ৰথমে পঢ়াশুনাৰ কথা, গাঁৱলীয়া ৰাজনীতিৰ কথা, সঙ্গীতৰ কথা (কাজলে সুন্দৰ গান গায়, কলেজৰ শ্ৰেষ্ঠ গায়কৰ সম্মানো কাজলে পাইছে)। তাৰ পিছত শৰৎৰ পদুমী-মালতীহঁতৰ প্ৰণয়ৰ গুপ্ত কথা, আৰু লাহে লাহে যেন শেৱালীৰ লগত বহু কিবা-কিবি গভীৰ কথা আলোচনা কৰিবলৈও সঙ্কোচ নকৰিছিল। আৰু শেষত তাইক চিৰদিনৰ বাবে নিজৰ কৰি লোৱাৰ শেষ সিদ্ধান্তটোও সি কৰি লৈছিল।

নাই, তাই আৰু বেছি দূৰলৈ নেভাবিলে। মাকৰ এই দুৰ্বল অৱস্থাত তাইৰ চকুত পানী দেখিলে আৰু দুৰ্বল হৈ যাব। সেয়ে গুলাই অহা তপত চকুলো দুটোপাল তাই মচি পেলালে।

তাই কোভত কঁপি উঠিল। কাজলে তাইক স্পষ্টকৈয়ে প্ৰতাৰণা কৰিলে। আদৰ্শবাদীৰ মুখা পিন্ধি কাজলে সমাজৰ এটা শ্ৰেণীৰ গাত কালীমা সানি কাপুৰুষৰ নিৰ্লজ্জ স্বৰূপটো উদঙাই দিলে।

কাজলে বি-এ পাছ কৰি ঘৰত বহি থকা সময়তে আৰম্ভ হৈছিল আন্দোলন; অস্তিত্ব ৰক্ষাৰ আন্দোলন, দেশমাতৃক বচোৱাৰ আন্দোলন। অসমৰ আকাশ-বতাহ মুখৰিত কৰি "জয় আই অসম" ধ্বনিয়ে একাকাৰ কৰি দিলে অসমীয়াৰ মন। কাজলেও স্থানীয়

উদীয়মান যুৱক হিচাবে আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক হৈ বহু ত্যাগ কৰিলে। পুলিচ, চি-আৰ-পিৰ হাতত বহু নিৰ্য্যাতনও ভোগ কৰিলে। আৰু সেই ভুলকলীয়া দিনটোও আহিল। শেৱালীয়ে কথাবোৰ ভাবি দুখত, কোতত থৰ্-থৰ্‌কৈ কঁপিব ধৰিলে, তাই পুনৰ স্মৃতিৰ মাজতে সোমাই পৰিল……

কাজলক ঘৰত বিচাৰি নেপাই গাৱঁৰ কোনোবা শত্ৰুৰ নিৰ্দেশত চি-আৰ-পিৰ দল এটা সিহঁতৰ ঘৰতো সোমাইছিল। কাজলৰ অমূল্য, প্ৰতিভাসম্পন্ন জীৱন আৰু দেশমাতৃৰ পূজাৰ বিনিময়ত সেই পশুহঁতে তাইৰ বহু বছৰৰ সাঁচতীয়া যৌৱনৰ মৌ-কোঁহ কাঢ়ি লৈ গ'ল। তাই লাঞ্ছিতা হ'ল, তাই পতিতা হ'ল। তাই সমাজৰ এলাগী হ'ল। তাই সতীত্ব দান দি 'শহীদ' হ'ল, 'জীৱন্ত শহীদ'।

তিল্‌-তিল্‌কৈ শেষ হব দিয়া জীৱনটোৰ ক্ষণ গণি গণি তাই ভবিষ্যতৰ জীৱন যুদ্ধত নামি পৰিল। তাই সংগ্ৰামত নামিল। অসমৰ আন ছশ নবৈজন শহীদে স্বীকৃতি পালে, এককালীন সাহায্য পালে, ফুলৰ মালাৰে শেষ শ্ৰদ্ধা পালে আৰু তাই গাঁৱৰ বাইজৰ সমালোচনা, ঘৃণা লৈ কগ্ন মাকৰ শুশ্ৰূষা কৰি অৰ্ধমৃত জীৱন কটাব-লগীয়া হ'ল। কাজলেও তাইক এৰিলে। জীৱনৰ সঙ্গী কৰা কাজলৰ প্ৰতিশ্ৰুতি নতুন চাকৰিৰ আনন্দই পাহৰাই পেলালে। আনৰ কথা শুনি কাজলে তাইকো অপবিত্ৰ বুলি আঁকোৱালি নলবৰ সিদ্ধান্ত কৰিলে। কাজলৰ বিয়াও হৈ গ'ল কোনোবা নগৰীয়া ছোৱালী এজনীৰ লগত।

ইমান সময়ে কথাবোৰ ভাবি ভাবি যেন তাই উশাহ লবই পৰা নাছিল। দীঘলকৈ উশাহটো লৈ তাই কোন সময়ত যে ঘৰৰ ভিতৰ সোমাল কবই নোৱাৰিলে। মাকৰ ওচৰতে বাঁহৰ বিচনা-খনতেই বহি তাই পুনৰ এবাৰ কথাবোৰ লুটিয়াই চালে।

… … …

চাৰিজনী বাহেকৰ ভিতৰ শেহতীয়া হিচাবে আটাইতকৈ মৰমৰ আছিল তাই। দেউতাকৰ তামৰ দোকান আছিল। হৰি মহাজন

বুলিলে এই অঞ্চলত এটা পৰিচিত নাম আছিল। কিন্তু দেউতাকৰো উচ্চ ৰক্ত চাপত অকাল মৃত্যু হোৱাত ঘৰৰ অৱস্থা সম্পূৰ্ণ বদলি হৈ গ'ল। ভাগ্যে দেউতাক থাকোতেই বাইদেৱেকহঁতক সৎপাত্ৰত গতাব পাৰিছিল। কিন্তু তাই হতভাগীয়েহে পৰিধি নোহোৱা বেদনা বৃত্তৰ কেন্দ্ৰহৈ ওলমি ৰ'ল।

মাকৰ এই অসুখ ডাক্তৰৰ দ্বাৰা ধৰা পৰাৰ প্ৰায় ছ মাহেই হ'ল। স্থানীয় চিকিৎসালয়ত সামৰ্থ অনুযায়ী চিকিৎসাও কৰা হ'ল যদিও একো কামত অহা নাই। মহিলা সমাজত মাক অতি সৰবৰহী। নাম গোৱা, বিয়া, সবাহ বা আন মহিলা অনুষ্ঠানতো তেওঁ আগৰণুৱা আছিল। সেয়ে ৰাতিপুৱাৰপৰা খা-খবৰ লবলৈ অহা লানি নিছিগা মানুহৰ সোঁত। অৱশ্যে ৰাতিটো তাইৰ বাবে চিৰদিনেই নিঃসঙ্গ। কেতিয়াবা মানুহবোৰ আহিলে খুব ভালও লাগি যায়, কেতিয়াবা বিৰূপ মন্তব্যত হতাশও হৈ পৰে তাই।

"ভেলোৰলৈ নিব লাগিব।

...ইয়াত এনেকৈ চাই থাকি লাভ নাই · "

..."তুই এদিনতেই যাব যেনেই লাগিছে...বেচেৰী ছোৱালীজনীলৈ দুখেই লাগে...ইত্যাদি।"

এনেবোৰ উক্তিত তাইৰ নিজৰ ওপৰতেই নিজৰ পুতৌ জন্মে। যিয়েই নহওঁক, সোনকালে কিবা এটা হৈ যোৱাটোকেই তাই কামনা কৰে। তাৰ পিছৰ জীৱনৰ কথা এতিয়াই ভবা নাই। সময়ে যি ফালে নিয়ে, সেই ফালেই যাব। হয়তোবা ইতিহাস হৈ হৰি মহাজনৰ অস্তিত্ব জীয়াই ৰাখিব। নহলেবা নিজে নিজেই আঁতৰি যাব পৃথিবীৰপৰা।

......"মা-জনী! মোক অকণমান পানী দে, মোৰ বৰ পিয়াহ লাগিছে অ'।" মাকৰ অস্পষ্ট মাতত তাই চক্ খাই উঠিল। তাইৰ মুখখন হাতেৰে খেপিয়াই দি মাকে তাইক চুমা এটি খালে। তাৰ পিছত কৈ গ'ল—"তোক মই সৎপাত্ৰত গতাই চিন্তা মুক্ত হৈ যাব নোৱাৰিলো। পাৰিলে পঢ়া-শুনা অলপ কৰি নিজৰ সংস্থান এটাৰ

বাবে চেষ্টা কৰিবি। ডাঙৰ ভিনুদেৱেৰাক কৈছো সকলো। সিয়েই মোৰ ডাঙৰ ল'ৰাৰ নিচিনা। তাৰ দিহা-পৰামৰ্শ মতেই চলিবি। বোধকৰো—মই আৰু বেচিদিন নেবাচিম। তোক যথেষ্ট কষ্ট দিলো মা!"

শেৱালীয়ে মাকৰ চকুত পানী দেখিলে। সকলোবোৰ কথা তাইৰ মুহূৰ্তৰ বাবে কিবা যেন অপ্ৰাসঙ্গিক যেন লাগিল। পাভলকৈ হৰ্‌লিক্স অলপ গুলি দি তাই পুনৰ হাতেৰে আউজাই মাকক ধৰি লাহে লাহে চামুচেৰে খুৱাব ধৰিলে।

ৰাতি পুৱাবলৈ বেচি সময় নাছিল। ৰাতিৰ গভীৰতা কিছুমান চিনাকী পখীৰ কিৰিলিৰে লাহে লাহে কমি আহিছিল। শেৱালীয়ে কিন্তু অনুভৱ কৰিছিল পুনৰ বাৰ, যে তাইৰ জীৱনৰ ৰাতিপুৱাবলৈ আৰু ব···হু দূৰ বাকী আছে। ●●●

## সৰ্বেশ্বৰী পৰ্ব / সুষমা বৰদলৈ

আজি দুদিনমান নামতী আইতা সৰ্বেশ্বৰী নামঘৰলৈ যোৱা নাই, কাৰণ বৰবটো গোসাই থাকিলে সৰ্বেশ্বৰী আইতাৰ মুৰটো ঘূৰায়, বায়ু আছে। তাতে আকৌ চাপৰিচুকৰ মণ্ডলনী আই সিদ্ধেশ্বৰীও অহা নাই। সুযোগবাকী নথকাত কপাহীৰ মাক, ভেদেউৰ মাক, ঘিটিৰৰ ঘৈণীয়েক, দীঘলাৰ ঘৈণীয়েকহঁতে কথাটো পাতিবলৈ সুবিধাই পালে। তেনেকুৱাতে তামোলকটাৰ পৰাই কতিয়াৰ মাকে মাত লগালে— বোলে বুইছে কথা বুলিলেই বতাহ। কথাগৈ দ গঁাৱৰ বাৰৰি চুক পালেগৈ। কালি আমাৰ কতিয়াৰ বাপেকে কঁকালৰ বিষৰ তেল একণ ভ্ৰবাবলৈ বিন্দাবনি আইৰ ওচৰলৈ গৈছিলে, তাতেই শুনি আহিছে। তেনেকুৱাতে মাদৈৰ মাকে মাহধোৱাৰপৰাই ক'লে— "হয়নে, কথা সিমানলৈকে পালেগৈনে?" মাকৌৰ মাহীয়েকে কটাৰীখনেৰে কুঁহিয়াৰ ডোখৰত কোবটো মাৰি ক'লে, "হ'বই, বুঢ়ীৰ জানো কম উৎপাত হৈছিল। এদিন মাদৈৰ বাপেকক লগাই.মোক কৰখন মাৰ খুউৱা নাই। তাইক হেনো মই খোৱাত কষ্ট দিছো, তাই হেনো দিনে দিনে খিণাই গৈছে, আপোনালোকে দেখিছেই নহয়, তাই দেখোন আগৰেপৰাই খিণ ছোৱালী। তেনেকুৱাতে টেপৰীৰ মাকে শৰাই সজাবলৈ সকলো ঠিকঠাক কৰি ক'লে:

"বুইছে, মই আপোনালোকক কোৱাহে নাই, আপোনালোকে উলিয়ালতহে উলিয়াইছোঁ। আজি নামঘৰলৈ আহোতে বকুলীহঁতৰ ঘৰ সোমাইছিলো ফুলৰ চানেকি এখন বিচাৰি। বকুলীৰ মাকে বোলে— বাইদেউ! গাঁৱৰ কথাবোৰ শুনিছে নহয়? মই ক'লো শুনিছোঁ। কি হ'ব? ধনীৰ ঘৰৰ কথা তল পৰিব। তোমাৰ আমাৰ ঘৰৰ হোৱা-হেঁতেন কি চলাহেঁতেন। তেওঁ ক'লে—এৰা, হলা গছতহে বাঘী কুঠাৰ মাৰে। মই ক'লো—তুমি সইত কথাকে কৈছা। এই বুলি কৈ

মই নাঘৰৰ পাঁলোহি। কভিয়াৰ মাকে কোৱা শুনিলাই নহয় কথা বোলে বাষৰি চুক পাইছেগৈ। আকৰা তলে তলে কিমানলৈ শিপাইছে। সৰ্বেশ্বৰী আয়ে লোকৰ দোষবোৰহে খুব দেখে।" তেনেকুৱাতে মিঠাইৰ ঘৈণীয়েকে আদা কুটি থকাৰপৰাই মাত লগালে, "মিছা কথা এটা এই গাওঁখনত এনেয়ে বিয়পি নপৰে দেই। কোনোবাই ক'লেও ক'বাগৈ দেও, মই ভয় কৰা নাই। অহা-যোৱা কৰোঁতে বোলে বাটৰ দুবৰি মৰিছে। দেখাই দেখিছে নহয়। ভগৱান আছে দেই, তেওঁ চাইছে আছিলে। মোকো এসময়ত বুঢ়ীয়ে শাহুক লগাই কিমান যে গালি খুৱালে। গালি খোৱাই, ফলা খৰিৰ মাৰো খালো। বুইছে শাহু চুকাৰৰপৰাহে শান্তিৰে ভাত এসাজ খাইছোঁ। এতিয়া পিছে বুঢ়ীয়ে কি কৰে চাই ল'ম ৰ'বা। আজিকালি ল'বাৰ কথাহে দেই, চকক মুখি কোনেও চাউল নবঢ়ায়।" এইবেলি তিলেশ্বৰৰ ঘৈণীয়েক বাঙলীয়ে মিঠাইৰ ঘৈণীয়েকৰ ওচৰলৈ চাবিখন নি সুধিলে—মই আকৌ কালি ছোৱালীজনীৰ ঘৰৰপৰা পাইছোহিহে। পিছে কোৱাচোন কথাটোনো গোটেইখনতে সদৰি হ'ল ক'ৰপৰা হে?" মিঠাইৰ ঘৈণীয়েকে একো ক'বলৈ নৌ পাওঁতেই কপাহীৰ মাকে ক'লে, "তুমিও ভাল সুধিছা। আমাৰ সেই গেবেলীৰ মাকৰ চকুত কোনেও ধূলি দি সাৰিব নোৱাৰে বুইছা। আজিকালি গেবেলীৰ মাক পটানী মণ্ডলৰ ঘৰত প্ৰায়েই ধান জাৰিবলৈ যায়। তেওঁ তাতে সকলো গমপায় বুইছা। পটানীয়ে গম পোৱা মানেই গাওঁহে নালাগে আক যে কিমান পাৰগৈ। মানুহে কথাতে কয় বোলে এইখিনিতে মাৰিলে টিপা গড়গাঁও পালেগৈ শিপা। মানুহৰ চকুহে দেও। এবাৰ যেনিবা কিবা কামত গৈছে। দিনটো তাঁত-বাতি কৰিবলৈ কিহৰ ইমান কামটো আছেহে? কোৱাচোন বাক। বুইছা গাওঁখন তেনেই নষ্ট পালে, তেনেই নষ্ট পালে।" কথা সিমানতে সামৰি আটাই কেইগৰাকী নামত বহিল।

এসময়ত নাম ভাঙিল। কপাহীৰ মাকে মাহ-চাউল বিলোৱাৰ-পৰাই কভিয়াৰ মাকক কাণৰ ওচৰতে ফুচফুচাই ক'লে—"সৰ্বেশ্বৰী

আইদৈ পাত এখন দিব। পাতখন দিয়াৰ চলেৰে তুমি যাওঁতে সোমাই আহিব খা-খৰৰ লৈ যাবাচোন।"

মাহ-চাউলৰ পৰ্ব শেষ কৰি সকলো ঘৰাঘৰি গ'ল। কতিয়াৰ মাকেও সৰ্বেশ্বৰীৰ মাহ-চাউলৰ পাতখন দি যাওঁ বুলি সৰ্বেশ্বৰীৰ ঘৰলৈ সোমাল। সৰ্বেশ্বৰীয়ে বাৰাণ্ডাত বহি ঘৰৰে ছালোৱা ভেকোলাৰ লগত কথা পাতি আছিল। কতিয়াৰ মাকক দেখি ভেকোলা উঠি গ'ল। কতিয়াৰ মাকে মাহ-চাউলৰ পাতখন সৰ্বেশ্বৰীৰ আগত দি ক'লে, "আই আজিচোন কেইবাদিনো নামঘৰলৈ যোৱা নাই। তাতে আকৌ সেই চাপৰিচুকৰ মণ্ডলনীও নাই। আপোনালোক ছুয়োগৰাকী নাথাকিলে, নামৰ আগগুৰি ধৰেঁ তাই নাই। সৰ্বেশ্বৰীয়ে মাহ-চাউল ছুটামান শিৰত লৈ জীয়েক মালতীক ক'লে—যাচোন নবৌয়েৰক খুৱাইবলৈ চাহ এটোপা আনিবলৈ কগৈ।" এই বুলি সৰ্বেশ্বৰীয়ে কতিয়াৰ মাকক ক'লে, "নক'বা দেও, ৰতৰটো গোমোঠা হৈ থাকিলে মূৰটো বৰ আচন্দ্ৰাই কৰে। সেই কাৰণে আজি ছুদিনমান যাবই পৰা নাই। কতিয়াৰ মাকে বোলে "এনেকুৱা কথাত ৰতৰ বেয়াহে নেলাগে এনেয়ে ঘূৰাৰ আই।" আৰু কিবা এটা ক'বলৈ মুখ মেলোতেই বোৱাৰীয়েকে চাহ এভাগ আনি কতিয়াৰ মাকৰ আগত থৈ ক'লে, "চাহ খাওক।"

—"দিয়া, বৰ পিয়াহ লাগিছে দেও। সেই চোতালৰ ছাঁ ছুহাত যাওঁতেই গ'লো নহয়। নামঘৰত আজি চাৰিঘৰৰ শৰাই। কামো ভালেমান।"—এই বুলি একে শোহাই চাহবাতি খাই কতিয়াৰ মাকে ভামোল এখন মুখত ভৰাই ক'লে—"কেলেই আইক চাহ একণ নিদিলা দেখোন?" সৰ্বেশ্বৰীয়ে বোলে চাহবোৰ খাই থাকিলে বাতি সমূলি টোপনি নাহে। আজিকালি দিনটোত এবাৰহে খাওঁ, বুইছা। কতিয়াৰ মাকে ক'লে—"চাহ খালেহে নালাগে নাথালেও মনত এনেকুৱা অশান্তিখন লাগি থাকিলে কি টোপনি আহিব আই।" এইবাৰ সৰ্বেশ্বৰীয়ে বোলে,—"তুমিলো কি কথাবোৰ কৈ আছাহে, মই সমূলি ধৰিবই পৰা নাই। ক'ত কি হৈছে কোৱাচোন। এই কেইদিন

মোৰ গা ভাল নহয় কাৰণে নামঘৰলৈ যোৱা নাই। কতিয়াৰ মাকে ক'লে, এ, থক আই যোকলো কি লুকুৱাব লাগিছে। কথাষে গোটেই গাঁৱতে ফুটি-কাটি ওলাল। ইফালে হেনো বাৰবি চুক পালেগৈ। এই বুলি পীৰাখন ওচৰলৈ নি কাণে কাণে ক'লে, "আই এতিয়াও সময় আছে। পাছে চুকৰ ভগৰী বাইৰ তাবিজ এটা যদি তাৰ গাকৰ ভলত থয় সকলো ঠিক হৈ যাব। পিছে মই উঠিলোহে আই, সাজ লাগিবৰে হ'ল। অ' বোৱাৰী, অ' মালতী আছিলে। দেই।" কথা-কেষাৰ কৈয়ে কতিয়াৰ মাকে ঘৰলৈ বুলি খোজ ল'লে।

কতিয়াৰ মাকৰ কথাবোৰ ভাবি-গুণি সৰ্বেশ্বৰীৰ বাতি পেটলৈ ভাত নগ'ল। বিচনাত বাগৰ দি সৰ্বেশ্বৰীয়ে ভাবিবলৈ ধৰিলে, কতিয়াৰ মাকৰ কথাবোৰ সঁচা নেকি? আজিকালি সি বহুত ৰাতিহে ঘৰ সোমায়। দিনত প্ৰায় ঘৰত নাথাকেই। বাতি সৰ্বেশ্বৰীৰ টোপনি নাহিল। ঘৰতো একো খুলিয়ালে।

পিচদিনা সৰ্বেশ্বৰী সোনকালে নামঘৰলৈ গ'ল। কালি কতিয়াৰ মাকে কোৱা কথাবোৰ শুনিবৰপৰাই গাটো ইচাট-বিচাট লাগি আছিল। আজি নামঘৰ পাই তেওঁ দেখিলে যেন আজি তেওঁক লৈ গোপিনীসকলে আঁৰ চকুৰে কিবা কথাহে পাতিছে। কতিয়াৰ মাকেহে দেখি "আই আহক" বুলি বহিবলৈ ঢাৰি এখন আগবঢ়াই দিলে। ভাদৈৰ মাকে তামোলৰ বটাটো আগত দি ক'লে, "আইচোন আজি দুদিনমান নামঘৰলৈ অহাই নাই।" সৰ্বেশ্বৰীয়ে বোলে—"এ নকবা, গাটো ভাল নহয় দেও।" ইফালে সৰ্বেশ্বৰীয়ে নেদেখাকৈ টিহকৰৰ ঘৈণীয়েকে ভেদেউৰ মাকৰ টিকাতে কিলাকুটিটোৰে হে চোকা মাৰি ক'লে—"গা মন ভালেই সকলো ভাল।" আন এগৰাকীয়ে ক'লে বোলে গাতকৈ মনৰ হে কথা, মন ভাল নহ'লে কি হৰিনাম ল'ব, নহয় জানো? কথাৰ পাক ক'ৰবাত। "হয়, হয়" বুলি কেউগৰাকীয়ে গলাগিলে। সৰ্বেশ্বৰীয়ে কিবা এটা কওঁ বোলোতেই তিলেশ্বৰৰ ঘৈণীয়েকে ক'লে—"কাইলৈ পিচবেলা নামঘৰলৈ আমাকো মাতিছে। সকল'বাই কিবা কাগজ এখন আনিছিলে চহী নিবলৈ। আমি আকৌ

লিখিব নাজানো কাৰণে বুঢ়া আঙুলিৰে চাৰটো টিপা মাৰি কাগজত দি দিলোঁ। আৰু দুগৰাকীমানে ক'লে, "আমিও আঙুলিৰ চাব একোটা দিলোঁ। সকলোৱেই বোলে হ'ব হিচাবটোহে ওলাব লাগে। সৰ্বেশ্বৰীয়ে ভাবিলে ইহঁতক আকৌ নামঘৰলৈ কিহলৈ মাতিছে। একো বুজিব নোৱাৰি সুধিয়েই পেলালে—"কিনো হৈছে মই একোকেই ভু পোৱা নাই অ'।" ভাদৈৰ মাকে বোলে, "আই আপুনিহে ক'ব নোৱাৰে, গাওঁ তল-ওপৰ। কিবা বোলে নোহোৱা-নোপোজা কাম এটা হ'ব গাঁৱত। চহী দিয়া মতা-মাইকী সকলো মানুহ নামঘৰত গোট খাব। সৰ্বেশ্বৰীয়ে বোলে "হয়নে?" "হয়, মতামানুহবোৰ ৰাতি গোট খাব আৰু মাইকী মানুহবোৰ দিনত গোট খাব।" কেইগৰাকী মানে মাত লগালে। কথাবোৰ শুনি সৰ্বেশ্বৰীৰ গাটো জ্বৰ ঘমাদি ঘামিল। বুজিলে পুতেকক লৈ গাঁৱত কিবা মেল-চেল হ'ব লাগে।

সৰ্বেশ্বৰীৰ নামত মন নবহিল। নাম ভগাৰ লগে লগে কোবা-কুবিকৈ ঘৰলৈ আহি চোতালতে বৈ থকা জীয়েকৰ হাতত মাহ-চাউলৰ টোপোলাটো দি জপনাখন ঠেকেচ্ কৰি মাৰি ধনীৰাম মণ্ডলৰ ঘৰ পালেগৈ। বোৱাৰীয়েক সোণপাহীয়ে শাহুৱেক নামঘৰৰপৰা আহি বাহিৰে বাহিৰে তেনেকৈ গুচি যোৱাত আচৰিত হ'ল আৰু মালতীয়েও তজকে ধৰিব নোৱাৰিলে। সোণপাহীয়ে মালতীক ক'লে, "মালতী আইনো নামঘৰৰপৰা আহি চাহ এটোপা নোখোৱাকৈ ক'লৈ গ'ল? আনদিনা হ'লে টোপোলাটো মেলিয়েই নাতিয়েকক কলটো দি চাহকণ খায়। আজিনো কি হ'ল। যাওঁতেও চোন সোনকালে গ'ল, আহিও সেয়া ঘৰ নোসোমালেই বাহিৰে বাহিৰেই গ'ল। ক'তা গাঁৱত দেখোন কাৰো জ্বনৰীয়া টানটুন হোৱাৰো খবৰ পোৱা নাই। কথাটোনো কি মই ধৰিবই পৰা নাই।" মালতীয়ে বোলে গৈছে কিবা কাৰণত, আহিব দিয়া।

সৰ্বেশ্বৰীয়ে খড়ৰ ডমকত একেকোৱেই ধনীৰাম মণ্ডলৰ ঘৰ পালেগৈ। মণ্ডলনী সিদ্ধেশ্বৰীয়ে সৰ্বেশ্বৰীক দেখি চোতালৰ আগৰ

পৰাই আগবঢ়াই নি বাবাণ্ডাতে চাবি এখন পাবি বহিবলৈ দিলে। নিজেও তামোলৰ বটাটো আনি ওচৰতে বহি সূতা উঘাই থকা জীয়েক চম্পাক চাহ কৰিবলৈ কৈ সৰ্বেশ্বৰীক ক'লে, "বুজিছে, মই আজি সাদিনমান নামঘৰলৈ যাবই পৰা নাই। তাতে চম্পাই তাঁত এখনো লগাব খুজিছে। সেউত্তাকবো গাটো বৰ ভাল নহয়। ইফালে আক' বাপুকণেও পৰীক্ষা দি গুৱাহাটীৰপৰা আহিছে। সি অহাৰপৰা তাৰ লগৰ বন্ধু-বান্ধৱবোৰ আহে। সিহঁতৰ লগত কথা-বতৰা পাতি থাকোতেই খোৱা-বোৱাবো সময় অসময় নোহোৱা হৈছে। তাত হেনো ল'ৰা সোপাই গাঁৱত নতুন কিবা এখন পাতিব খুজিছে নহয়, আমাৰ ঘৰতেই গোটেই সোপা গোট খাই আলোচনা কৰে। এইবাৰ সৰ্বেশ্বৰীয়ে কিবা এটা ক'ব খোজোতেই মণ্ডলনীয়ে ক'লে - এইবোৰত আকৌ আপোনাৰ মইনাই হে বেছি জোৰ দিছে। আজি আমাৰটোক লৈ যোৰহাটলৈ গৈছে, কিবা বোলে লিখি-পঢ়ি আনিব। মই আকৌ সেইবোৰ একো ভুকে নাপাওঁ। সিহঁতে কালি বুজাইছে বুজিছোঁ। মই ক'লো বোপাইহঁত ওহঁতে যি ভাল দেখ কৰ। এতিয়া আৰু আগৰ দিন নাই। আজিকালি হেনো বহুত জেগাতে হৈছে। মইনাই আমাৰ চম্পাকে আৰম্ভ কৰিবলৈ কৈছে। মোৰ দিবৰ মন নাই। সেউত্তাকে তাইক চকুৰ আঁতৰেই নকৰে। এইবাৰ আৰু সৰ্বেশ্বৰীৰ বুজিবলৈ বাকী নাথাকিল। সৰ্বেশ্বৰীয়ে চাৰিখন এহেঁচোক ওচৰলৈ নি অলপ পোনহৈ বহি ক'লে, "মণ্ডলনী, মই তেন্তে যি শুনিছোঁ সকলো সঁচা।" সিদ্ধেশ্বৰীয়ে ক'লে—"আপুনি যি শুনিছে সকলো সঁচা। আমাৰ নিচিনা বহুত মানুহ আছে, সেইবিলাকৰে সুবিধা হ'ব।" তেনেকুৱাতে ভিতৰৰ পৰা চাহৰ বাতি লৈ চম্পা ওলাই আহিল আৰু ঠাইকন মোহাৰি সৰ্বেশ্বৰীৰ আগত বাতিটো থৈ ক'লে, "আইতা, চাহ খাওক। লগতে মাককো চাহ এভাগ দিলে। সৰ্বেশ্বৰীয়ে পিত্ত জ্বলিছে বুলি কৈ সিদ্ধেশ্বৰীৰ বাতিলৈ নিজৰ বাতিৰপৰা চাহ অলপ বাকি দি এচোক খাওঁ নাখাওঁকৈ শোহাটো মাৰি তামোল এখন মুখত ভৰাই ক'লে—"বুইহা মণ্ডলনী, দেশত চলিছে বুলি সাতপুৰুষত নোহোৱা

কাম এটা কৰিবলৈ দিব নোৱাৰি। নহ'লে এইবোৰ ভাল দেখা নাই।"—এই বুলি চাহৰ বাতি নিবলৈ অহা চম্পাই বাতিটো লৈ ভিতৰলৈ যাওঁতেই সৰ্বেশ্বৰীয়ে ভাইলৈ খোপাকৈ চাই ক'লে—'বুইছা, তুমি আমি জীয়াই থাকোতে এইবোৰ হ'বলৈ দিব নোৱাৰি।' সিদ্ধেশ্বৰীয়ে ক'লে, "এতিয়া দিনকাল উলটিল। ল'ৰাই আমাৰ কথা কি শুনিব। তাহাতে জেনো এইখন পাতিবই।" সিদ্ধেশ্বৰীৰ কথাবোৰ শুনি সৰ্বেশ্বৰীৰ গাটো বিচাই ডকাদি ডাকিলে। সৰ্বেশ্বৰীয়ে মনতে ভাবিলে বাক দেখা যাওকচোন ক'ৰ পানী ক'লৈ যায়। সৰ্বেশ্বৰীয়ে মণ্ডলনীক ক'লে, বুইছা এইবোৰ কথা আৰু বেছি বাহুল্য হ'বলৈ দিব নোৱাৰি। ইমানতে নাক-কাণ বান্ধিব লাগিব। নহ'লে সকলো যাব বুইছা, সকলো যাব। তুমি কাইলৈ নামঘৰলৈ যাওঁতে মোৰ ভাত সোমাই যাবা।" এই বুলি সৰ্বেশ্বৰীয়ে ঘৰলৈ খোজ ললে।

সৰ্বেশ্বৰীয়ে এইবোৰ ভাবি-গুণী আহোতে কেতিয়ানো ঘৰৰ পদূলিমুখ পালেহি গমকে নাপালে। ঘৰ পাই সৰ্বেশ্বৰীয়ে হাত-ভৰি ধুই কাপোৰ সলাই হাতত টিপ চাকিটো লৈ গোসাই ঘৰত চাকি দিবলৈ গ'ল। বোৱাৰীয়েক সোণপাহীৰ আজি শাহুৱেকৰ কাৰ্য্যকলাপ দেখি পেটতে হাত-ভৰি লুকাই আছে। কাৰণ কিবা অকণমান কামত খুঁত পালেই শাহুৱেকে গালিত সাতপুৰুষ উদ্ধাৰ কৰে। ভাগ্যে মালতীৰ নিচিনা ননদেক এজনী আছে বুলিহে। তাই যেনিবা মাকৰ কথাত মুখ পাতি ধৰে। আজিও কিজানি শাহুৱেকে উৰহৰ খং ভগা চাৰিত জাৰে। সেই কাৰণে শাহুৱেক গোসাই ঘৰৰপৰা ওলাই আহিলেই চাহটোপা দিবলৈ জুহালৰ গুৰিত সকলো যতনাই থলে। মালতীয়ে কোলাত লৈ থকা ভতিজাকক নবৌয়েকৰ হাতত দি মাকে গোসাই ঘৰত প্ৰাৰ্থনা গোৱা মুগুনি কিনো কৰিছে মনে মনে দুৱাৰৰ ফাঁকেদি চাই আছিল। মাকে আজি 'কিমতে ভকতি'ৰ ঠাইত গোসাইৰ আগত নিজৰ দুখ বৰ্ণাই সেৱা কৰিছে। মালতীৰ মনটো উগুল-থুগুল লাগিল। আজি মাকৰ কি হ'ল। আজি সোণ-পোনাকো বিচৰা নাই। সৰ্বেশ্বৰী গোসাই ঘৰৰপৰা ওলাই জুহালৰ

ভৰিত ৰহিল। সোণপাহীয়ে ল'বাটো গুৱাই জবালবিকে চাহটোপা বাকি শাহুৱেকৰ আগত দি ক'লে—"আই চাহ খাওক।"

"নাখাওঁ। ঘিউ-মউ যি সোপা খাইছোঁ, সেই সোপাই পেট ভৰি আছে।" জুইকুৰা খুচৰি খুচৰি সৰ্বেশ্বৰীয়ে নিজে নিজে ক'বলৈ ধৰিলে—"ইয়ালৈকে তোক পঢ়ুৱালো। এপতীয়া কালতে বাপেৰ ঢুকাল। মই তাঁত খুন্দি খুন্দি বাউসীৰ বিষ কৰি তোক পঢ়ুৱাই মানুহ কৰিলোঁ। এসময়ত তোক পঢ়ুওৱাৰ লগতে মাটি কেইডৰাও বন্ধকত গৈছিল। ককায়েৰে বাৰ মাইল বাইচ্‌কল কোবাই মাষ্টৰী কৰি মাটি কিডৰা মোকোলাই লগতে আৰু দুডৰা গোটাই ঘৰখন পোহৰ কৰিছে বুলিহে এমুঠি নিজেও খাবলৈ পাইছোঁ আৰু আনকো দিবলৈ পাইছোঁ। তই এতিয়া এইবোৰ কৰি মোক সুখ দিছ। আহ আজি ভাত খুৱাম। আজি চকলৈ জুইকে নিনিও।" অতপৰে মালতীয়ে মাকৰ কথাবোৰ শুনি থাকি ক'লে, "তই সক ককাইদেউক কিয় দোষ দিছ? সিইঁতে যি কৰিব খুজিছে, খুউব ভাল কৰিছে। আজি সি যোৰহাটলৈ গৈছে, দেৰি হ'লে চম্পাইঁতৰ ঘৰতে ভাত খাই শুই থাকিব।—হয়নে, এইবাৰ ভাতবো জুতি ল'লেগৈনে? মই বুজিছোঁ, মই আজি নামঘৰত চব গম পাই আহিছোঁ।" মালতীয়ে ক'লে, "নহয়, দেৰি হ'লেহে নাহো বুলি কৈছে, আহিবও পাৰে।" সৰ্বেশ্বৰীয়ে ক'লে—"বুজিলোঁ, চব বুজিলোঁ, গোসায়ে মোক ইয়ালৈকেহে জীয়াই ৰাখিছে।" এইবাৰ মালতীয়ে অলপ খং কৰি ক'লে—বৌতি, তই এইবোৰ কি কৈছ? গাঁৱত সকলোৱেই ভাল পাইছে, তই যে কি আৰু পায়, একেবাৰে আগৰ যুগৰ হৈ আছ। চম্পাৰ মাকহে ভাল বুজালেই বুজে। আজি সকল'বাইতে তোৰ নামটোও নিছে। মই লিখি দিছোঁ।"

কি কলি, কি কলি, মই মত দিছোঁ? বকৰাৰ বংশৰ নাম ডুবুৱাব খুজিছ। বুইছ, দৈবাসন ভল গ'লেও মই এনেকুৱা কাম কৰিবলৈ নিদিওঁ। এবাৰ যি কলি। হৰি হৰি, এনেকুৱা কাম সাত পুৰুষত হোৱা নাই আৰু দেই।" সৰ্বেশ্বৰীয়ে খড়ত ক'লে কথাকেইটা।

"হেবৌ আমি কাবো বংশৰ নাম ডুবুৱাওঁ। আমি পাৰিবহে নাম উজলাব।" মালতীয়ে ক'লে।

"বাক, বাক, মই জীয়াই থাকোতে একো উজলাব নালাগে।"

"বৌতিয়ে একো কথা বুবুজ। তোৰপৰা যে আৰু কেতিয়াবা বিপদত পৰিব নালাগিব কোনে জানে ?"

"হেবৌ তইও ককায়েৰৰ পত্তিৰ্তে গৈছ অ' আই। হেবৌ ক'চোন বাক মোৰপৰা কি বিপদ হ'ল ?"

"কেলৈ পাহৰিলি, তই যে এবাৰ মিছলীয়াৰ পাল্লাত পৰিছিলি। পাহৰিলি, এবাৰ যে মাঘ বিহুত চাপৰি চুকৰ খহুৱাৰ পুতেক গেলাক আমাৰ যে ক'লা ছাগলীটো বেচিলি। তোক যে পঞ্চাশ টকা বুলি ত্ৰিশ টকা দি গ'ল। মই স্কুলৰপৰা আহোতে মোক দেখুৱালি। মই লিখি ত্ৰিশ টকা পালো। তই লগে লগে গৈ গেলাক ক'লিগৈ, গেলাই তোক কি ক'লে, বোলে মেখেলাৰ খোচনিত থৈ ক'ৰবাত পেলালে, এতিয়া আৰু' মইহে নিদিয়া হ'লো। এনেকুৱাতে কয় বোলে বুঢ়ীৰ মৰিবৰ সময়ত পৰকিতি লৰিছে। যাওক, যাওক, আপোনাৰ ছাগলী এতিয়া ভাগ-বিতৰা হৈ গ'ল, তেলত পৰিল। মনত পৰিছেনে এতিয়া ?" মালতীয়ে কথাখিনি কৈ মাকৰ মুখলৈ চালে।

অ', সেই ভাহানিৰ কথাটো। এ থক থক অ' লেখিব পঢ়িব নজনা মানুহক ঠগি কেইকাল খাব অ' ? মানুহে কথাতে কয় বোলে ছুষ্টৰ একাল, সন্তৰ সৰ্বতিকাল। হেবৌ আমাৰ দিনত ছোৱালী পঢ়াশালিলৈ যোৱাৰ নিয়মেই নাছিল। ল'ৰাও থুউৰ কমেইহে গৈছিল। এতিয়া তহঁত পঢ়িব জনাবোৰ ইয়াকেহে কৰিছ। তহঁতৰ দিনত যি কৰ কৰিবি, আমাক শান্তিৰে মৰিবলৈ দে।" তেনেকুৱাতে বোৱাৰীয়েকে ক'লে, "মালতী, আই সমাজলৈ যাবলৈ বেয়া পাইছে, আইক কামটো ঘৰতে কৰাবা।" এইবাৰ সৰ্বেশ্বৰীৰ ধৈৰ্য্যৰ বান্ধ ছিঙি গ'ল। "কি ক'লি ? ছালছিপা ভিকছুৰ জীয়েক। ঘৰতে সেয়া কৰাবিহি। আৰু এবাৰ্ তোৰ মুখত যদি এই কথা শুনো ৰবকচু ভালে ভালে তবাম। আজি ৰ, ৰবমইনা আহক পাৰি এসেকা।" আৰু বেছি হ'বলৈ

নৌপাওঁতেই মালতীয়ে মাত লগালে, "অ' বৌতি, তই হোৱাতো নোহোৱাতো নবৌক গালি পাবি থাক কেলেই ? নবৌ দুখীয়া মানুহৰ ছোৱালী হ'ব পাৰে। নবৌৰ নিচিনা সহজ-সৰল, স্বভাৱে চৰিত্ৰই সৰ্বগুণী বোৱাৰী পাইও কেইজনী আছে অ' ? নবৌক দেখোন নৈৰ সিপাৰত বিয়া থাবলৈ যাওঁতে তই দেখি পচন্দ কৰি, মেলেঙী চুকৰ ভদ্ৰেশ্বৰ দাইতিৰ হতুৱাই খোজা-বচা কৰাই তয়ে ককাইদেউক বিয়া কৰাই দিছিলি। এতিয়া নবৌক ঠেকেচি থাক কিয় দুখীয়া বুলি ?"

মালতীৰ কথাত সৰ্বেশ্বৰীয়ে বোৱাৰীয়েকক এচাট গালি শুনাই মালতীক ক'লে, "মালতী তোৰ মুখখন বৰ বাঢ়ি গৈছে দেই। তই তাইক উচটাই উচটাই একেবাৰে বেয়া কৰিলি। মানুহে কথাতে কয় নহয় বোলে চল পালে কুকুৰে গলৈ জপিয়ায়। তই চাই থাকিবি। তোৰপৰা লাই পাই পাই আৰু কেইদিনমানতে তাই মোক উজুটিত নিব।"

ইমান পৰে সোণপাহীয়ে সোণপোনাক শুৱাই থৈ আহি মালতীক ক'লে—মইনাই অকণৰ হাতত কিতাপ-কলি, কাগজ-পত্ৰ কিছুমান যি পঠাইছে। তোমাৰ টেবুলতে মই থৈছোঁ। তুমি মইনাৰ টেবুলত সামৰি-সুতৰি থোৱাগৈ। সৰ্বেশ্বৰীয়ে মাত লগালে—"অ' হয়নে লিখা-পঢ়া কৰি পকা কৰিবলৈ কাগজ-পত্ৰ ঘৰ পালেহিয়েইনে? মই সকলো বুজিলোঁ। কালি কতিয়াৰ মাকে কোৱা কথাবাৰ চুলি এডালৰ সমানো মিছা নহয়। মই যাৰে খেলা দেখুৱাম মই যদি বৰুৱাণী হওঁ। সি ঘৰৰ ভাতত জুতি নোপোৱা হ'ল। হেবো ভাতৰ জুতি নে, বগী ছোৱালীৰ হাতৰ চাহৰ জুতি এতিয়া বুজিলোঁ।"

এইবাৰ মালতীৰো খং উঠিল। খং কৰিয়েই মাকক ক'লে— "তোৰনো আজি মাৰঘৰৰপৰা আহি পোৱাবে পৰা কি হৈছে? তাত্তি ক'চোন। ইমান ভাল কাম এটাত তই কিয় বিঘিনি পথালি দিছ ?"

"অ' তাই নজনাই হ'ল। হেবো তোৰ গুণধৰ ককায়েৰে মতলৱ

ঘৰৰ ভাত-চাহেৰ জুতি লোৱা নাই। মণ্ডলৰ মুখতে যাবী হোৱা জীয়েকক তোল লৈছে। অথনি মই পৈ সকলো তলা নলা লৈ আহিছোঁ। মতা-মাইকী সকলোৰে চট্টী লৈছে। কাইলৈ বোলে কিবা লিখাপঢ়া কৰিব। উস্ তাই বগা ছালচটাৰে মোৰ ল'ৰাক ভুলাইছে। ৰ, মই কাইলৈ বাক্তিপুৰাই ভগবীবাইৰ গুচৰৰপৰা তাবিজ এটা আনিমগৈ। চাম ক'ৰ পানী ক'লৈ যায়। তাই কুলক্ষণীয়ে তিনিমাহতে কলাই ঠিকাদাৰৰ কাৰ্তিক যেন ল'ৰাটোৰ মূৰটো খালে। এইবাৰ মোৰ ল'ৰাটোৰো মূৰটো খাবলৈ লম্ভিছে।" এতিয়াহে মালতীয়ে মাকৰ খং ক'ত বুজি পালে। তাই ক'লে, "বৌতি, তই চম্পাক এনেয়ে দোষ দিছ। চম্পা বিধবা হোৱাটো চম্পাৰ দোষ নহয়। তাইক বিয়া নকৰোৱা হ'লেও কলাই ঠিকাদাৰৰ পুতেক মৰিলহেঁতেন। ঠিকাদাৰৰ হুপইচা হ'ল বুলিয়েই পুতেকে পৃথিৱীত ভৰিকে নিদিয়া হ'ল। বাপেকৰ টকা খেলাবলৈ পাই তিনিআলিৰ গুমটিখনৰপৰা বাহিৰত পাণ-তামোল সজাইছে হয়। সেই গুমটিখনৰ বুঢ়াটোৰ বোলে জীয়েক এজনীও আছে। সি তাইতে ভোলগৈ ঘৰলৈ নাহেই বোলে। কেইদিন আমাৰ কণপাই দাইতিহঁতে দেখিছে, বোকাৰে পুতুৰি-পুতুৰি হৈ কেইবাদিনো ঘৰ সোমাইছে। এদিন বোলে তিলেশ্বৰ কাইতিহঁতে নামঘৰত ভাওনা চাই আহোঁতে গুমটিখনত বহি খাই-বৈ টং হৈ হিন্দী গানৰ কলি টানি আছে। সেইবোৰ বহুতে জানে আৰু তাৰ টিবি হৈছে বুলিও বহুতে জানে। সি বাতি প্ৰায়েই ঘৰলৈ নহা হ'ল। ঠিকাদাৰে পুতেকক ঘৰ লগাবলৈ সেই আমাৰ গাঁৱৰ দেখনিয়াৰ ছোৱালী চম্পাত চকু দিলে। ঘটকালি কৰিবলৈ লগালে কাক জান, সেই গৰুচোৰ কণগুটি দালালীক। কণগুটিয়ে ভালেই পালে। মাটি কেইভৰামান আধিলৈ কৰলৈ পোৱাৰ আশাত মণ্ডলৰ কাষ চাপিল আৰু নানা ছলাহী কথাৰে মণ্ডলক পকাই পেলালে। মণ্ডলে ঘৰ দুৱাৰ ধন-ধান দেখি নিজৰ ভাগ্যক ধন্যমানি ঠিকাদাৰৰ পুতেকলৈ জীয়েকক বিয়া দিলে। কোনে কোনোৱে হেনো মণ্ডলক ল'ৰাৰ স্বভাৱৰ কথা কৈছিল। পিছে মণ্ডলে কণগুটিৰ মেৰপাকত পৰি বোলে

পাৰ্ত কত হোৱাগী বুঢ়ী হৈ আছে। মোৰ হোৱালীয়ে ধনী ঠিকাদাৰ ল'ৰা পোৱা দেখি হিংসা লাগিছে। গুলোটাই মণ্ডলেহে গালি পৰা হ'ল। কেনৈ তই দেখোন নামঘৰত শুনি আছিছিলি, মণ্ডলৰ জেঁৱায়েকে কলৰ শুৰিতে তেজ বতিয়ালে। কলগুটিয়ে বোলে ৰবগছৰ তলত দৰা নামিছিল। ৰবগছৰ বুঢ়া ডাঙৰীয়াৰ দোষ লাগিল বুলি বুঢ়া ডাঙৰীয়াৰে বগাহাঁহ আগবঢ়ালে। পিছে দোষ লগা নাই। চুলাই মদে তাৰ কলিজা বহু আগতেই শেষ কৰি পেলালে। বুইছ বৌতি সেইবোৰ বহুত কথা তই নাজান। বিধবা হোৱাতো চম্পাৰ দোষ নহয়। দোষ বাপেক মাকৰ। আনকি বাপুকণ ককাইদেউকো বিয়া ঠিক কৰিছে খবৰ দিছে। কিন্তু বাপেকৰ এক কথা। তই চম্পাক মিছাই দোষ দি আছে। দোষ বাপেক-মাকৰ আৰু সমাজৰ এচাম দালালীৰ। তই কথাটো ভুল বুজি আছ। মই কওঁ শুন। এইবাৰ মালতীয়ে নৰম্ সুৰত মাকৰ ওচৰলৈ গৈ ক'লে—শুন বৌতি আমাৰ গাঁৱত এখন বয়সস্থ মানুহৰ স্কুল পাতিব। আজিকালি চৰকাৰে পঢ়িব শুনিব নজনা মানুহৰ কাৰণে প্ৰাপ্তবয়স্ক শিক্ষা আঁচনি লৈছে। সকলো খৰচ চৰকাৰে দিছে। আমাৰ মইনা ককাইদেউ আৰু বাপুকণ ককাইদেউহঁতে গৈ সকলো লিখি-পঢ়ি আনিলে। প্ৰথম আমাৰ নামঘৰতে আৰম্ভ কৰিম। দিনত মাইকী মানুহবোৰক চম্পাই পঢ়াব। তাই মেট্ৰিক পাচ কৰি আছে নহয়, তাইক আমি উলিয়াই আনিম। ৰাতি মতা-মানুহবোৰক ৰাজেন ককাইদেৱে পঢ়াব। সেই কাৰণে তোৰ নামটোও মই দিছোঁ। চহীটোও দিব পাৰিবি আৰু টকা কেইটা লিখিবও পাৰিবি। বুইছ বৌতি তই অলপ লিখাপঢ়া জানিলে পেলাইতৰ নিচিনাবোৰে তহঁতৰ নিচিনাবোৰক ঠগিব নোৱাৰে। তোৰ কিয় মনত নাই যোৱা বছৰ যে ভেকুৰাৰ ঘৈণীয়েক বৰমাই যে জেঁৱায়েক ঢুকুৱা চিঠিখন পাই চলিতে খোচমাৰি থৈ বিয়া খাবলৈ গ'ল। গধূলি পুতেক আহিলত দেখুৱালত ঘৰত কন্দা-কটা লাগিল। তই দেখোন কৈছিলি, পঢ়িব নজনা মানুহ কাৰণে ইমান ডাঙৰ ঘটনা এটা দেহি চালতে গোজা মাৰি বিয়া খাই আহিলগৈ। তেনে চা, পঢ়িব নজনা

সোঁহত কেতিয়াবা বিপদত পৰিব লাগে। সেই কাৰণে আমি এতিয়া গাৱঁত সকলো মতা আৰু মাইকী মানুহৰ নাম লিখি থৈছোঁ। সকলোকে আমি পঢ়ুৱাম।"

ইমান পৰে সৰ্বেশ্বৰীয়ে মালতীৰ কথাবোৰ সৰগ পৰা মানুহৰ দৰে শুনি আছিল। তাৰ পিছত লাহেকৈ ক'লে, "এৰা পাই আমি পঢ়িব শুনিব নজনা মানুহ, ইমান দকৈ কথাটো গমিবই নোৱাৰো। মই ভাবিছিলো গাৱঁত যিহে বু-বু বা-বা চলিছে কিজানিবা আকৌ সি বাবী ছোৱালী আনেই।" কৈ কৈ সৰ্বেশ্বৰীয়ে পানীৰ কেটলিটোৰ তলত মুখাই থোৱা জুইকুৰা ফু-মাৰি জ্বলাই দি ক'লে, হক দে বৰ ভাল হৈছে। হেৰৌ মোৰনো কি পঢ়িবৰ দিন আছে। আমাতকৈ বহুত গাভৰু মানুহ আছে, সিহঁতকে পঢ়ুৱাবি। চম্পাক কাইলৈ ইয়ালৈকে ভাত খাবলৈ মাতিবি। তোৰো কলেজ বন্ধ, তইও তাইক সহায় কৰিব পাৰিবি। আমাৰ সেই কেৰকণৰ ঘৈণীয়েক খুৰীয়েৰকো খবৰটো দিবি।" এই বুলি কৈ সৰ্বেশ্বৰীয়ে বোৱাৰীয়েকক মাতিলে। "বোলো বোৱাৰী ক'ত আছ?" সোণপাহী এনেয়ে আজি থৰহৰি কম্পমান হৈ আছিল। শাহুয়েকৰ কোমল মাত শুনি সাউৎ কৰে ওচৰ পালেহি। "যাচোন ঢেকীশালৰপৰা শুকান খৰি একোচা আন, চকলৈ জুই নিও। ভালেমান বাতি হ'ল। হেৰৌ ল'ৰাটো শুৱালি? তাক কিবা খুৱালিনে?"

"খুৱালো" বুলি সোণপাহীয়ে শাহুয়েকক ভাত বাঢ়িবলৈ সকলো যোগাৰ কৰি দিলে। আখলৰ শুৰিত শাকভাজি থাকোতেই সৰ্বেশ্বৰীয়ে বোৱাৰীয়েকক ক'লে—"বোৱাৰী, তই আকৌ মোৰ কথাবোৰত লাগি নাথাকিবি পায়। শহুৰেৰ ঢুকাবৰ পাচৰ পৰা মোৰ মন ঠিক নাইকিয়া হ'ল। মূৰত বাৰেকুৰি চিন্তা। ক'ব লাগে এটা, কওঁ এটা। অ' বোৱাৰী শুন, এ কিবা বোলেনে মইনা আহিলে এইবোৰ কথাৰ কুটকে ফুলিয়াবি। সি আহিছেই হবলা। তই বা, মালতীয়ে পঢ়ি আছে হব পায়, তাইকো কৈ আহ এইবোৰ বাতে তাই তাক নকয়। বা-বা সেয়া কপনা খুলিছেই, সি আহিছেই।"

"বাক আই, মই যাওঁ।" সোণপাহী ওলাই গৈ কিছু সময়ৰ পিচত আকৌ মহাত সৰ্বেশ্বৰীয়ে সুধিলে—"ক'লিনে তাইক ?"

"ক'লো আই।"

"অ, হেৰি নহয় বোৱাৰী, তই পাঠশালা কেই শ্ৰেণীমান পঢ়িছিলি নহয়, মোক কাইলৈ ৰামায়ণৰ এখণ্ড পঢ়ি শুনাবিচোন।"

সোণপাহীয়ে লাহেকৈ ক'লে, "আই মই কিতাপত মাথবে মাহ মাৰিবলৈ যোৱালৈকেহে পঢ়িছিলো।"

"হ'ব তেনে, তাকে ছুপৰীয়া শুনাবি। ৰবমইনা আজি তইঁতৰ ঘৰত থাকিব হ'ব পায়।"

"থাকিব। কাইলৈ স্কুল বন্ধ নহয়।"

"এবা সি নাথাকিলে ঘৰখন বৰ উকা উকা লাগি থাকে। যা তাত পানী হ'ল। তই ঠাই-ঠুই আটাই পানী-ছানি দেগৈ। কাইলৈ সোনকালে উঠিব লাগে।" ●●●

## মনবিহংগম / বিমল ৰাজখোৱা

এয়া স্বাগতাৰ কথা—

বহু অতীত হেৰাই গ'ল। স্বাগতাই ভাৱে, অকলৈয়ে ভাৱে। নিৰলাত নিৰ্জনতাত নিজৰ বহুবোৰ স্মৃতি ৰোমন্থন কৰি কৰি নিজৰ মাজত নিজক বিচাৰি বিচাৰি তাই হাবাথুৰি খায়। তাইৰ জীৱন কাহিনী যেন এক অভিলেখহে, ক'তো কোনো কথাৰ মিল নাই, সেই অতীত, এই বৰ্ত্তমান আৰু অনাগত ভৱিষ্যতেই বা কি? ক'ত যে আঁৰ লাগি থাকিল। আঁৰ ভাঙিব নাজানিয়েই যেন তাই আজি এইদৰে বন্দী হ'ল এক এনাজৰী বান্ধোনেৰে বান্ধ খাই। নহয়—ইটো সঁচা নহয়, জীৱন মানেই সংঘাত, জীৱন মানেই বিপৰ্যয়, Struggle for existance. তাই নিজেই নিজক বুজাব খুজিছে। সুবুজালেতো নহব। জীৱনটোক তাই পুংখানুপুংখভাৱে উপলব্ধি কৰিছে। উপলব্ধিতেই যে মানসিক আৰাম আছে।

...এতিয়া এই দোভাগ ৰাতি, বিনিদ্ৰ তমসা। সুদীপ্তৰ ৰোগ শয্যাৰ কাষত তাইৰ মনত পৰিছে। এয়া জানো সুদীপ্ত হয়? সেই তাহানিৰ সু-শোভন সুদীপ্ত। আজিৰ চেহেৰা আৰু তাহানিৰ চেহেৰা? ক'তনো মিলতো থাকিল? কতোৱেই মিল নাই। নাই মুখত সেই মন ভাল লাগি যোৱা হাঁহি, নাই সেই দীঘল ভুবাহুৰ সবল মাংসপেশী, নাই সেই সুগন্ধি চুলিৰ পিছলৈ চুচি আঁচোৰা সৌন্দৰ্য, সেই মাত, সেই কণ্ঠ, সেই বাগ্মীতা, সেই মেধা। সকলোবোৰ আকস্মিক দুৰাৰোগ্য ব্যাধিৰ কৱলত মোলান পৰি গ'ল। সেই সুগন্ধ সুৰভি বতাহত ক'ৰবালৈ উঁাহি গ'ল। কবিয়ে কিয়নো কয়,

"অবিচাৰ জগতত নকৰিবা তুমি অবিচাৰ
কৰা প্ৰভু নিখিলাই হৃদয়ৰ ষোড়শোপচাৰ"

স্বাগতাৰ যোড়শোপচাৰ প্ৰভুয়ে খিণ কৰিলে। সেয়েহে তাইৰ জীৱন জোৰা সংগ্ৰামৰ মাজতে প্ৰভুৰ প্ৰতি থকা অকুণ্ঠ ভক্তিৰ বিনিময়তো তাই পাবলৈ বিচৰা খিনি পাই পাই হেকৱাই পেলাইছে। বিগত জীৱনৰ কথা, মনত পৰিলে তাইৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ কেউটা স্তৰ সামৰি থ'বলৈ মন যায়। শৈশৱ কাল কিদৰে অতিবাহিত হৈছিল এতিয়া মনত পৰিলেনো কিটো হ'ব? কৈশোৰ কাল সকলোৰে আনন্দময়,—কিন্তু কবিয়ে কোৱা কথাবোৰ দেখোন একেবাৰে ধ্ৰুৱ সত্য—

"মৰীচিকা দেখি আমি বহিছো সততে
আকাশ কুসুম কামী
সংসাৰ মৰুৰ দহনত পৰি
শৰীৰ উঠিছে ঘামি"—

এবা তাইতো মৰীচিকাৰ পাছতেই ধাকুৰি ঘুৰিছে। আজিও ঢুকি পোৱা নাই বিচৰাটো ; নেপাবও চাগৈ।

আৰু যৌৱন, যৌৱন যেতিয়া আহে তেতিয়া জীৱন কিমান মনোময় হয়। কিমান সজীৱ হয়। নোপোৱা পাবলৈ নজনা জানিবলৈ কি অপাৰ তৃষা হয়। সেয়া স্বাগতাৰো হৈছিল, কিন্তু সেই দিনত ৰক্ষণশীল সমাজখনত স্বাগতাহঁতৰ সমসাময়িক সকলো ছোৱালীৰে জীৱন কাল বা যৌৱন কালত অনেক বাধা-নিষেধ থকা সত্বেও নিজক বহু বিষয়তে সংযত কৰি ৰাখিবলগা হৈছিল। মাক-দেউতাক, পা-পৰিয়াল সকলোৰে শাসনৰ বান্ধৰী বৰ কঠোৰ আছিল। সেয়াও যুগৰ প্ৰভাৱ। সেইকালত সকলো ছোৱালী তেনেদৰেই চলিছিল—কিন্তু আজিৰ যুগৰ কি দ্ৰুত পৰিৱৰ্তন? স্বাগতাই ভাবে, ভাবিয়ে থাকে—স্বাগতা একৰকম মেধাৱী ছাত্ৰীয়ে আছিল কিন্তু শিক্ষা-ব্যৱস্থাৰ বিশেষ সা-সুবিধা সিহঁতে বৰকৈ নাপাইছিল। সমাজ পৰিয়াল, বিয়াৰ বজাৰ এইবোৰো কুণ্ডলী পকাই আছে নহয়। কেতিয়া পাকত সোমাই পৰিব লাগে তাৰ ইয়ত্তা নাই। সময়ে বাগৰ সলায়। স্বাগতায়ো মনৰ আশা-আকাঙ্ক্ষা নানা কাৰণতে

মনতে সাৱৰি ৰাখি মেট্ৰিক পাছ কৰিয়ে সন্তুষ্টি লাভ কৰে। যাক মেউতাকে যিমানখিনি বিচাৰিছিল সিমানখিনি তাই কৰিলে। সেয়ে তাইৰ আনন্দ, সুখ। কিন্তু উচ্চ শিক্ষাৰ আকাংক্ষা তাইৰ অৱচেতন মনত সজীৱ হৈয়ে থাকিল।… ?

…চাকৰি কৰিবলৈ স্বাগতাৰ বৰ মন যায়। শিক্ষয়িত্ৰীয়ে হওঁক, 'প্ৰফেচাৰণীয়ে হওঁক বা ডাক্তৰণীয়ে হওঁক মহিলা এগৰাকী যেন বৰ শোভনীয় হয়। সাজে-পোচাকে, কথাই-বাৰ্তাই, খোজে-কাটলে কিবা এটা জনাৰ ভাব প্ৰকাশ পায়। মহিলা সমাজখনক আগবঢ়াই নিয়াত যেন অনুপ্ৰেৰণা অনুভূত হয়। আটায়ে-আদৰ সম্ভাষণো কৰে। সেয়েনেকি স্বাগতাৰ মনৰ মাজত থকা এই গোপন কামনাই মূৰ দাঙি উঠে। তাইৰ মনটো সজীৱ কৰি তোলে।

হয় ঠিকেই তাইৰ আশা পূৰ হ'ল। তাই এগৰাকী শিক্ষয়িত্ৰী হোৱাৰ সুবিধা অকণ যেনিবা পালে। ছোৱালী শিক্ষাৰ অভাৱ দূৰ কৰিবৰ বাবে ঘৰৰ ওচৰতে বাইজে মিলি এখন ছোৱালী হাইস্কুল খুলিবলৈ যো-জা কৰিলে। কিন্তু শিক্ষকতা কৰিবলৈকে কাৰোবাক পোৱা টান। পিছপৰা সৰু নগৰখনত শিক্ষিতৰ সংখ্যা নিচেই কম। লাহে লাহে হ'বগৈ। 'এতিয়াই হ'ল, বহুত হ'ল। স্কুল দূৰতে যাওক কলেজেই দেখোন কেইবাখনো হ'ল। শিক্ষিত ল'ৰা-ছোৱালীৰ সংখ্যাও অগণন। আৰু সেই তেতিয়া স্বাগতাৰ যেতিয়া উচ্চ শিক্ষাৰ সময় আছিল, তেতিয়া এখন ভাল হাইস্কুলেই নাই। স্বাগতাইও ঘৰৰপৰা আঁতৰি গৈ আন এখন ঠাইতহে এইৰূপ শিক্ষাকে লাভ কৰিছিল। যিকি নহওঁক এজন অৱসৰ প্ৰাপ্ত শিক্ষকৰ প্ৰচেষ্টাত আৰম্ভ হোৱা স্কুলখনত স্বাগতাইও মূৰটো সুমুৱালে। উকীল এজনে ইংৰাজী বিষয়টো পঢ়াবলৈ গাত ল'লে। অন্যান্য অসমীয়া বিষয়বোৰ পঢ়াবৰ বাবেই স্বাগতাই নিযুক্তি পালে—তাইৰ ভাল লাগিছিল। নিজকে স্বাধীন স্বাধীন লাগিছিল। সাহিত্যত ৰাপ থকা স্বাগতাই পঢ়াৰ দিনতে সৰু প্ৰবন্ধ, কবিতা, গীত ৰচনা কৰি ভাল পাইছিল। নিজেই হাতে লিখি দুই-চাৰিবে সৈতে মিলিজুলি সৰু-সুৰা আলোচনী উলিয়াইছিল। এনেবোৰ কামে

স্বাগতাৰ মনটো সৰস কৰি তুলিছিল। যৌৱনৰ ৰঙীন বাসনা, মনোৰম উপলব্ধি, জীৱনৰ চৰম আনন্দৰ পৰিকল্পনা এইবোৰেও তাইৰ মনৰ মাজত পখা বান্ধিছিল। সকলোৱে তাইৰ গুণাৱলীৰ প্ৰশংসাও কৰিছিল—দিন বাগৰি যায়। কেতিয়াযে জীৱনৰ মাজলৈ সুদীপ্ত সোমাই পৰিল? কোন ফাঁকেদি আহি মনৰ মণিকোঠাত সুদীপ্তই পখা বান্ধিলে স্বাগতাই আজিও এই নীৰৱ মুহূৰ্ততো মনত পেলাব পৰা নাই। সুদীপ্তক ভাল লাগিছিল। তাইৰ এনেয়ে ভাল লাগিছিল। গুণ আছিল, জ্ঞান আছিল, মানসিক উদাৰতা আছিল। উন্নত আকাঙ্ক্ষা আছিল। সাহিত্য-কলা-সংস্কৃতিৰ প্ৰতি ধাউতি আছিল। আত্মপ্ৰত্যয় আছিল। স্বাগতাক বা আন কাৰোবাক হ'লেও নিৰানন্দ আশ্ৰয় দিবৰ বাবেও সক্ষম আছিল। সেই কাৰণেই কিজানি বেয়া নালাগিছিল। কিন্তু সুদীপ্তক আপোন কৰিলৈ নীড় বান্ধিবলৈ মন গৈছিলনে নাই সেই সময়ত স্বাগতাই অনুভৱ কৰিব পৰা নাছিল। মন ঠিক কৰাও নাছিল।

সু-দূৰৰ সুদীপ্ত মনৰ নিচেই ওচৰ চাপি আহিছিল অজ্ঞাত-সাৰেই। সময়ৰ বা দূৰত্বৰ ব্যৱধানে মনৰ সান্নিধ্য নিলগাব পৰা নাছিল। ভাৱৰ আদান-প্ৰদান চলিছিল, বিয়া-বাকৰ প্ৰশ্ন কিন্তু সহজতে উঠা নাছিল। বিয়ানো আকৌ কি? সামাজিক দায়বদ্ধতা মাত্ৰ। মনৰ মানুহ বাচি লোৱা; কিন্তু সমসাময়িক সমাজখনত ব্যক্তিগত মতামতৰ প্ৰমূল্য বৰ নাছিল। দুখন ঘৰৰ মাজত সকলো মিল হ'লেহে বিয়াৰ প্ৰশ্ন সমাধান হয়। সেয়ে সুদীপ্তক স্বাগতাই লগ পাইছিল আলহী স্বৰূপেহে, জীৱন সঙ্গীৰূপে পাব লাগিব বুলি নহয়। তথাপি এটা সময় আহিল। সুদীপ্ত-স্বাগতাৰ বিয়াখন হ'ব লাগে। কোনো পক্ষৰে আপত্তি নাই। এটা আপত্তি অৱশ্যে আছিল সেয়া উভয় পক্ষৰে। সুদীপ্ত ঘৰৰ ডাঙৰ ল'ৰা যথেষ্ট দায়িত্ব সম্পন্ন। গতিকে কিছু দায়িত্ব পালন কৰালৈ অলপ বৰ লাগিব। স্বাগতাৰ ঘৰতো একেই কথাৰে প্ৰতিধ্বনি। দেউতাক অসুস্থ, সৰু ভায়েক-ভনীয়েক দুটা অলপ টনকিয়াল হ'ব লাগে ইত্যাদি। এইবোৰ

অতিক্ৰম কৰিবলৈকো দুয়ো সন্মত। কাৰণ দুয়ো দুয়োকো ভালকৈ বুজিছিল।

সময়ে ভেটকা মেলিছিল—সিহঁতৰ বিয়া হৈছিল। আড়ম্বৰৰ মাজেৰেই। দুয়ো আছিল অলপতে সন্তুষ্টি লাভ কৰা ধৰণৰ। যি আছিল যি পাইছিল তাতেই দুয়ো তৃপ্ত, মানুহে বেটিকৈ কিয় বিচাৰে—কিন্তু যি কাৰণেই নহওঁক মানুহে বিচাৰে। বিচাৰি বিচাৰি মানুহ কেতিয়াবা পিছলিও পৰে। স্বাগতাৰো তেনে হৈছিল। আকাংখা তাইৰো হৈছিল। কিন্তু হ'লেও স্বাগতাই হাৰ মানিছিল। আৰ্থিক ঐশ্বৰ্য্যৰ কথা আওকাণ কৰি সুদীপ্তৰ অকাট্য যুক্তি দৰ্শনৰ আগত স্বাগতাৰ বাসনাৰ পৰাজয় ঘটিছিল।

"বুজিছা স্বাগি, মই তোমাৰ ব্যক্তি স্বাধীনতাত কোনো ধৰণেৰেই হস্তক্ষেপ নকৰো। আমাৰ পৰম্পৰৰ প্ৰতি থকা অকুণ্ঠ বিশ্বাসেই আমাৰ ঐশ্বৰ্য্য, আমাৰ জীৱন বাটৰ সাৰথি। তাৰ বিনিময়ত তুমি যি মৰ্ন যায়, তাকে কৰিব পাৰা। মই সদা সন্মত।"—প্ৰত্যুত্তৰত স্বাগতা নিমাত। স্বাগতাক উচ্চ শিক্ষিতা কৰিবলৈ সুদীপ্তই যিখিনি পাৰিলে ত্যাগ কৰিলে। স্বাগতাৰো মনোকামনা পূৰ্ণ হ'ল—"এৰা জীৱনলৈ অহা শুভ সময়বোৰ সদায় যদি শুভ হৈ থাকিলহেঁতেন · ?"

"দীপ তুমি ইমান ক্লান্ত হৈ পৰিছা কিয়? তোমাৰ ক্লান্তিয়ে যে মোৰ মন বৰ দুৰ্বল কৰে"—

"মই যে ইমান সোনকালে এনেভাৱে অকামিলা হৈ পৰিব লাগিব ধাৰণা কৰা নাছিলো স্বাগি! সেয়ে ভাবিছো মই কিজানি তোমালোকক এৰি আঁতৰিব লাগিব। মোৰ সকলো থকা সত্বেও ভগৱানে মোক একো নাইকিয়া কৰি কিয়যে ব্যথিত কৰিছে? তোমাৰ যে বৰ কষ্ট হৈছে—মনোকষ্ট, শাৰীৰিক কষ্ট; কিমান যে তুমি মোৰ বাবে কৰিছা।"

"দীপ তুমি ঠিকেই আছা। পৃথিবীখন যিমান সুন্দৰ বুলি আমি নাভাবো লাগিলে, ই সিমানেই অসুন্দৰ হৈ পৰে। তুমি এতিয়া অসুস্থ। এই অসুস্থতা সদায় নাথাকে দীপ!—চোৱা এই দোভাগ

ব্যক্তি সকলো টোপনি যগন মাথো সাবে আছো মই আৰু আহা তুমি, কিবা কিবি অশুভ চিন্তা কৰি কৰি...টোপনি যোৱাৰ চেষ্টা কৰাচোন"...

...স্বাগতাৰ নিজৰ কিন্তু টোপনি নাই অদ্ভুত ভাৱনাই তাইক ভবাই তুলিছে। সেই অতীত, এই বৰ্ত্তমান। অতীত হেৰাই গ'ল, তাৰ কথা সুঁৱৰি লাভ নাই। মানসিকভাৱে তাইৰ নিজৰ দুৰ্ব্বলতা-খিনি সুদীপ্তক দেখুৱাব নোখোজে। বৰঞ্চ উৎসাহ যোগাবৰ চেষ্টা কৰে—বৃথা। টোপনিৰ মাজে মাজে সুদীপ্তৰ অস্ফুট কেঁকণি—টোপনি অনা পিলটোৰ একোল খুৱাই দিয়াৰ পাছত সুদীপ্ত কিছু শান্ত হৈছে। বহু কথা বহু চিন্তা আৰু বহু বেদনাই স্বাগতাক আমনি কৰেহি। জীৱনটো উপভোগ্য হোৱাৰ সময়তে মানুহটো বিকলহৈ পৰিল কিয়? সংসাৰৰ হাটখন মেলিলৈ ভালকৈ সামৰিবলৈ, ভালকৈ বেহাবলৈ নৌপাওঁতেই আবেলি হ'লেই দেখোন। আন্ধাৰে, তেনেই আগুৰি ধৰিব—"মই বাৰু বাট পামনে?"—তাইৰ ধৈৰ্য্য অসীম, অধৈৰ্য্যক তাই প্ৰশ্ৰয় নিদিয়ে।

কেতিয়াবা অধৈৰ্য্য নহৈও নোৱাৰি। কিমানযে খাটে এই মানুহটোৱে অকল নিজৰ বাবেইতো নহয়। ইষ্ট-মিত্ৰ, বন্ধু-বান্ধৱ সকলোৰে বাবেই খাটে। খাটি-খাটি ভাগৰি নপৰা চেহেৰাটো দেখিলে স্বাগতাৰ খঙো উঠে—পুতৌও জন্মে, কিনো কৰে মানুহটোৱে কেৱল কামত চিন্তা, গৱেষণাগাৰত দিনৰ দিনটো ব্যস্ত। সুদীপ্ত এজন বিজ্ঞানী হোৱাৰ পথত। তেওঁৰ সুনাম কাগজে-পত্ৰই প্ৰকাশ পাইছে। স্বাগতাই তাৰবাবে নিজক সৌভাগ্যৱতী বুলিয়েই ভাবিছিল, যিমান পাৰে উৎসাহ-উদ্দীপনাও যোগাইছিল।

...কিন্তু...কিন্তু...কিয় হঠাতে সেই দিনটো আহিল, সেই অমঙ্গলীয়া দিনটো। গৱেষণাগাৰত সোমাই ব্যস্ত হৈ থাকোতেই কিবা বিজুতি ঘটিল, সকলো চুৰমাৰ হ'ল, কিবা এটা অঘটন ঘটি গ'ল। সুদীপ্ত দুনীয়া হ'ল। হাত এখন অকৰ্ম্মণ্য হ'ল, চকুৰ দৃষ্টি কমি গ'ল, মুখখন বিকৃত হ'ল, মানুহটো প্ৰায় পঙ্গু হৈ পৰিল, যশস্যাৰ শিখৰত

উঠাৰ সময়তে বিঘিনি ঘটিল, যশস্তাৰ বাবে হাবাথুৰি খাওঁতে ভাগ্যই তেওঁলৈ কঢ়িয়াই আনিলে চৰম দুৰ্ভাগ্য—কিয় তেন্তে ভগৱানে সুদীপ্তক এই প্ৰতিভা দান কৰিছিল আৰু দানেই যদি কৰিছিল তেন্তে তাৰ বিকাশ ঘটিবলৈ নৌপাওঁতেই কিয় বিনাশ কৰিলে !

নিৰ্জন মুহূৰ্তত আজি বিগত জীৱনৰ বহু কথাই মনত তোলপাৰ লগাইছে। অতীতৰ বহু ভাল-বেয়া কথা মনত পৰিছে। আৰু যে কত কথা আছে। মনত পৰিলে মন ভৰি উঠে। কিন্তু সেইবোৰৰ একো প্ৰয়োজন নাই।—প্ৰয়োজন হ'লেও মনত পেলাবলৈকো সময় নাই। দিনৰ কোলাহল ব্যস্ততা তিক্ততা অসুস্থজনৰ শুশ্ৰূষা এইবোৰতে দিন নাযায়—সুপুৰাই দেখোন। ভাবোনো কেতিয়া ?—

আজি তাই আৰু সুদীপ্ত কেৱল পুংতৌৰ পাত্ৰ। সকলোৱে আহি "আয়ৈ দেহি" বুলি হুমুনিয়াহ পেলাই আঁতৰি যায়। কেৱল সহানুভূতিৰ বাবেই যেন সিহঁত জীয়াই আছে। মানুহৰ হয়তো ধাৰণাবোৰ এনেকুৱাই। কোনোবা এজন আহি ক'বহি, "খবৰ এটা কৰিবলৈ আঁহো আঁহো বুলিও সময়কে উলিয়াব পৰা নাই। তেওঁ এতিয়া কেনে আছে ?" ইত্যাদি মন ভাল লগোৱা কথা। কিন্তু এনে এটা দিন আছিল, সময় আছিল, যেতিয়া তাহাঁতৰ ঘৰখনত দিন ৰাতিৰ একো পাৰ্থক্য নাছিল। য'ত আহিছিল, গৈছিল, খাইছিল, বৈছিল। হাঁহি-খিকিন্দালি কৰিছিল। সময় কেনি গৈছিল উমানেই পোৱা নগৈছিল। আজি কিন্তু সময় বৰ গধুৰ। পাৰহৈ নাযায়হে নাযায়। দৰব, ডাক্তৰ, চিকিৎসা, চকুলো আৰু wheel chair-ত বহি থকা সুদীপ্ত যেন কু-দীপ্ত হৈ পৰিছে দিনে দিনে। স্বাগতাই চকুৰ আগতে এইবোৰ কি পৰিৱৰ্তন দেখিছে ?

এৰা এই সুখ-আনন্দময় পৃথিবীখনতে যে দুখ-বেদনাও সমানেই থুপ খাই আছে, সেইকথা যেন জীৱনৰ সোণালী সময়খিনিত স্বাগতাই এদিনো কল্পনাই কৰা নাছিল। চকুত ৰঙীণ সপোন লৈ আৰম্ভ কৰা জীৱন যে ইমান বৰ্ণহীন হৈ পৰিব পাৰে ? শান্ত-সুস্থ মনবোৰ যে এদিন অশান্ত-অসুস্থ আৰু বেদনাকাতৰ হ'ব পাৰে ; তেন্তে

এনে জীৱন লাগে কিয় ?—কিন্তু নহয় এয়েতো জীৱন, ভোগ-ত্যাগ, দুৰ্ভোগ এইবোৰৰ সমষ্টিয়েই জীৱন।

...ভাবি ভাবি স্বাগতাৰ মনে যেন ডেউকা মেলি দিয়ে। ভাবময় ৰাজ্যখনৰ খেলি-মেলিৰ মাজলৈ পাখি কোবাই কোবাই উৰি ফুৰিবলৈ—লাহে লাহে হাতত সাৰে ভৰিত সাৰে স্বাগতাই তাইঁতৰ যুগ্মজীৱনৰ একমাত্ৰ সাক্ষী টোপনি মগন কন্যা অনন্যাৰ কপালত এটি দীঘলীয়া চুমা আঁকি দিয়ে—এটি প্ৰতিজ্ঞা, স্বাগতাই সুদীপক অমৰ কৰিব অনন্যাৰ মাজেদি—। ●●●

## ভগ্নস্বৰ / নিবেদিতা চাংকাকতি

ঘড়ীটোৱে টং টং কৈ বাৰটাৰ ঘণ্টা মাৰি দুপৰ নিশাৰ সংকেত দিলে। এতিয়াও মোক নিদ্ৰাদেৱীয়ে নিচুকাই টোপনি নিয়াব পৰা নাই। যিমানে দিনটোৰ শ্ৰান্ত-ক্লান্ত দেহাটোক নিদ্ৰাদেৱীৰ কোলাত মূৰটো থৈ অলপ বিশ্ৰাম দিয়াব খুজিছোঁ, সিমানে মোৰ মগজুৰ ভিতৰ-খনত কিছুমান কথাই কিল্‌বিলাবলৈ লাগিছে। নহয়, আজি মই এই কথাবোৰ লিখি ৰাখিবই লাগিব।

এন্ধাৰতে মই শেতেলী এৰি মোৰ টেবুলখনৰ ওচৰ পালোঁহি। নানা ধৰণৰ ৰঙা, নীলা, বেঙুনীয়া টুকুৰা-টুকুৰ পোহৰবোৰে এন্ধাৰৰ মাজতে নাচি নাচি মোৰ চকুৰ আগত জাল তৰিলে। ওচৰতে মা আৰু সৰু ভাইতিটো একান্তমনে শুই আছে। সিহঁতৰ দৰে গোটেই পৃথিৱীখনে যেন দিনটোৰ ব্যস্ততাৰ অন্তত অলপ বিশ্ৰাম লৈছে। কেৱল মই মাত্ৰ সাৰে আছোঁ।—মাত্ৰ মই।

দুপৰ নিশাৰ এই নিৰৱ-নিস্তব্ধতাই মোক যেন আলফুলে পৃথিৱী-খনৰপৰা বহুত নিলগলৈ আঁতৰাই লৈ গৈছে। অস্পষ্ট আকাশৰ তলত ওলমি থকা অযুত তৰাৱলীৰ লগতে পৃথিৱীখনো যেন এটা ডাঙৰ তৰাহৈ মোৰ চকুৰ আগত ওলমি পৰিল। মই মাত্ৰ শুনিবলৈ পালোঁ।—জীৱশ্ৰেষ্ঠৰ সমস্ত ব্যস্ততাৰ সীমান্তত এটি মাথো সুৰ—যি সুৰত ভাঁহি আহিছিল হাজাৰ ভোকাতুৰ কণ্ঠৰ করুণ আৰ্তনাদ। তাৰ লগে লগে অবিৰত গতিৰ অধোগতি; সৃষ্টিৰ নামত ধ্বংস; সভ্যতাৰ নামত বৰ্বৰতা আৰু অসংখ পাতনি। এইবোৰেই মোৰ মগজুৰ ভিতৰত সোমাই নিশাৰ বিশ্ৰামৰপৰাও বিৰত ৰাখি, দেহটোক উজাগৰী-নিশাৰ যন্ত্ৰণা জাপি দিছে। কিন্তু মোৰ এই যন্ত্ৰণা কোনে বুজিব? মই ক'ব পৰা নাই, মই লিখিব পৰা নাই; কিন্তু মই লিখিবই লাগিব।

মা, দেউতা আৰু এটা ভাইটিৰে সৈতে আমাৰ পৰিয়ালটো এটা সৰু পৰিয়ালেই আছিল। কিন্তু ভাগ্যচক্ৰত দেউতাই জীৱন-সংগ্ৰামৰ প্ৰস্তুতিত কৃতকাৰ্য্য হ'ব নোৱাৰি দৰিদ্ৰতাৰ শিকলি ভিস্তিত মেৰিয়াই কথমপি পৰিয়ালটো পৰিচালনা কৰিছিল। অন্ত দ'বা-হোৱালীৰ দৰে বহুত সপোন আগত ৰাখি মোক স্কুলত নাম লগাই দিছিল। পঢ়াৰ প্ৰতি আগ্ৰহ আছিল মোৰ অসীম। কিন্তু পঢ়া-টেবুলৰ পাঠ্য-হীন শূন্যতাত মোৰ আকাংক্ষিত মনৰ দুৱাৰ জাপ খাই গ'ল। মই পঢ়িব নোৱাৰিলোঁ। মই অনুভৱ কৰিলোঁ—কোনো এটা কামৰ প্ৰতি কেৱল আগ্ৰহ থাকিলেই নহ'ব, কাম সম্পূৰ্ণ কৰিবলৈ আৰু বহুত কিবা-কিবি লাগিব।

সেই দিনটোৰ কথা মনত পৰিলে আজিও মোৰ গা শিয়ৰি উঠে। সেইদিনা মোৰ কি হৈছিল ক'ব নোৱাৰোঁ। মোৰ নৈতিক চেতনা অভাৱৰ কিলত পৰি হেৰাই যাবৰ উপক্ৰম হৈছিল। চাৰিওফালে কেৱল অভাবে আগুৰি ধৰাত মোৰ নিজৰ জীৱনটোৰ ওপৰতেই ধিকাৰ জন্মিছিল। মনৰ ভিতৰত দোৰা-চাপৰা কৰা বিদ্ৰোহৰ গ্লানি উফৰি মাইতক বিদ্ৰূপ কৰিলে, মোৰ মুখৰ এটি বাক্য-বাণেৰে—'তহঁতি যদি এমুঠি আহাৰকে দিব নোৱাৰ, তেনেহ'লে ইমান কষ্টত ৰাখিবলৈ আমাক জন্ম দিছিলি কিয় ?' দেউতাক এই কথাষাৰে হয়তো বেয়াকৈ আঘাত হানিছিল। অলপ সময় চকীখনতে জলকামাৰি বহি থাকি দেউতা ক'ৰবালৈ ওলাই গৈছিল। তেতিয়া দিনান্তত দিনমণি লাহে লাহে দিগন্তত বিলীন হৈছিল। সেইদিনা দেউতা ঘৰলৈ ঘূৰি অহা নাছিল। সেই নিশাও আজিৰদৰে মই উজাগৰে আছিলোঁ। বহুত চিন্তাৰ মায়াময় চক্ৰবেহুৰ মাজত চটফটাই—চটফটাই।

পিছদিনা পুৱাই ঘৰৰ ওচৰত হুলস্থূল শুনিবলৈ পালোঁ।—পইকীয়া ইঞ্জিনিয়াৰৰ ঘৰত বোলে চোৰ এটা ধৰিলে। সকলো দৌৰ মাৰিছে চোৰ চাবলৈ। মনৰ কৌতুহল দমাব নোৱাৰি ময়ো ঘটনাস্থলীলৈ বেগাই খোজ ললো। ডেকাবোৰে গৰম তেজ দেখুৱাৰ কাৰণে আগ-পিছ নুগুণি···"চাওঁ চোৰক ময়ো দুখোচামান দিওঁ" বুলি ভিৰ ফালি

সোমাই গৈছে। ভিৰৰ মাজত শুনিবলৈ পালোঁ। দেউতাৰ অসহায় কৰুণ আৰ্তনাদ, "মই চোৰ নহও, মোক নামাৰিব। মই মাত্র শইকীয়াৰ ঘৰৰ কুকুৰটোলৈ বুলি থোৱা ভাতকেইটাকে মোৰ ভোকাতুৰ ল'ৰা-ছোৱালী দুটালৈ বুটলি লৈছিলোঁ।" মই নেমাৰিব নেমাৰিব বুলি চিঞৰি চিঞৰি তেজেৰে লুতুৰি-পুতুৰি হৈ পৰিথকা দেউতাক সাৱটি ধৰিছিলোঁ। দুই-এঘোচা মোৰ গাতো লাগিছিল। হুলস্থুলৰ মাজতে শুনিবলৈ পাইছিলোঁ।—"সেইজনীক চোচোৰাই আন অ', তাইকো দোঘোচামান দে।" "বৰ ভাল বস্তু, এনেকুৱা বস্তু ঘৰত থাকিলে ঘৰলৈকে শ শ টকা আহে, দেউতাকে সিদ্ধি খান্দিব লাগিছে কেলেই ?...।" মই চিঞৰি উঠিছিলোঁ।—আপোনালোকৰ মুখ বন্ধ কৰক। সভ্য মানুহৰ মুখত আকৌ এই অসভ্যালি কিয় ? দেউতাক যে ইমান আঘাত কৰিলে, দেউতাই কি চোৰ কৰিছিল ? আপোনালোকৰ ডেকা তেজৰ পিৰ্‌পিৰণি যদি অসহায় মানুহৰ ওপৰত প্ৰয়োগ নকৰি নিষ্পেষিত জনগণক উদ্ধাৰৰ কামত খটুৱালেহেঁতেন, তেনেহ'লে দেউতাৰ আজি এনে দশা হ'বলৈ কেতিয়াও নাপায়। মানুহৰ সেই অত্যাচাৰৰ বলি হৈ দেউতা লাহে লাহে মৃত্যুৰ মুখলৈ গ'ল। মৃত্যু-শয্যাত দেউতাই মোক সেহাই সেহাই কৈছিল- "মাজনী আগবাঢ়ি তোক জন্ম দিছিলো, কাৰণ ভগৱানে মোক জন্ম দিয়াৰ শক্তিকণ দিছিল। মনত ৰাখিবি, তইঁতৰ এতিয়াও জীয়াই থকাৰ অধিকাৰ আছে। আৰু এই অধিকাৰক কাকো হস্তক্ষেপ কৰিবলৈ নিদিবি। কিন্তু আজি মোক জীয়াই থকাৰ অধিকাৰৰ পৰাও সিহঁতে মোক বঞ্চিত কৰিলে।"

সঁচাকৈ, ধনহীন দৰিদ্ৰ হোৱাতকৈ চহকীঘৰৰ পোহনীয়া কুকুৰটো হোৱায়েই ভাল। দেউতাই কুকুৰটোলৈ বুলি থোৱা অন্ন এমুঠি লৈ অহাৰ অপৰাধতে মানুহৰ বৰ্বৰতাৰ বলি হ'ব লগা হ'ল। কিন্তু উচ্চ-শ্ৰেণীৰ আসন অধিকাৰ কৰি থকা কতই আজি ৰাইজৰ টকা আত্মসাৎ কৰিছে—সেইবোৰ কি অপৰাধ নহয় ? আজি জীৱশ্ৰেষ্ঠৰ সৰহ সংখ্যকে কি শ্ৰেষ্ঠ কাম কৰিছে ? নগৰৰ গলিয়ে গলিয়ে আজি হৈছে

কি ? ডাঙৰ ডাঙৰ দালানবোৰৰ তলত কি কুকাৰ্য চলিছে ?—সেইবোৰ চাবলৈ আজি কোনো নাই। আমাৰ দৰে নিষ্পেষিত মানুহক কেনেকৈ আৰু জোৰেৰে ভিতি চেপি নিঃশেষ কৰিব পাৰি, তাৰ প্ৰতিহে সকলোৰে চকু।

পৃথিৱীখন যেন আকাশত কঁপিব লাগিছে! অলক্ষিতে হাতত্বখন চকুৰ ওচৰ পালেগৈ। চকুত তপ্ত চকুলো; স্মৰণীয় ক্ষণত অন্তৰৰ অন্তহীন বেদনাবোৰ উথলি উঠি চকুৰ পৰ্দা ভেদি বাহিৰলৈ ওলাই আহে। পৃথিৱীখনে যেন নাচি নাচি মোৰ চকুপানীবোৰক বিদ্ৰূপ কৰিব লাগিছে।

সঁচাকৈয়ে আকাশত ওলমি থকা সেই পৃথিৱীখনত বহুতো কলংকৰ ক'লা ক'লা দাগ পৰিছে। আজি মই সেইবোৰ লিখি বাখিব লাগিব। গাকতলত খেপিয়াই খেপিয়াই জুইশলাটো উলিয়াই চালোঁ।—মাত্ৰ কাঠি এটা আছে; মাত্ৰ এটা! তাৰে লেম্‌টো অলালো। কিন্তু লেম্‌টো নজ্বলিল, মুমাই থাকিল। জোকাৰি চাওঁ লেম্‌টোত তেল নাই। নাই, আজিও লেখিব নোৱাৰিলোঁ; মাত্ৰ কাঠি এটা—লেমটোও শুদা! কথাবোৰে ভিতৰখনতে চিঞৰিবলৈ লাগিল। ৰুদ্ধ-কণ্ঠত কথাবোৰ প্ৰতিধ্বনিত হৈ ভিতৰতেই বিলীন হৈ গৈছে। মোৰ চিঞৰি চিঞৰি ক'বৰ মন গ'ল। কিন্তু মোৰ স্বৰ ভগ্ন। ভগ্ন হৃদয়ৰ করুণ আৰ্তনাদ শুনিবলৈ আজি কাৰো সময় নাই। ●●●

## শিক্ষা / ববিতা ফুকন ( বৰকটকী )

অইন দিনা সি এনেকুৱা নকৰে। আজিহে কৰিছে। দুদিন-মানৰ পৰা তাৰ লিখা-পঢ়াৰ প্ৰতি আগ্ৰহটো বেচি হৈছে। কথাটো ঘৰৰ বাকীবোৰেও মন নকৰা নহয়। পিছে সেইটোক প্ৰমোদ বৰুৱাৰহে কথাটো বেচিকৈ চকুত পৰিছে। সেয়েহে পৰহি মাককো কৈছিল কথাটো, "বোলো কথাটো মন কৰিছানে মায়া—ই প্ৰণৱ সেখোন দুদিনমানৰ পৰা পঢ়া-টেবুলৰপৰা গুঠাই হ'ল। ৰাতিও এডোখৰলৈকে 'লাইট' জ্বলাই কিতাপ পঢ়ে।" মায়াৰাণীয়ে মিছিকিয়াই হাঁহিলে—"ভালহে হৈছে ল'ৰাৰ পঢ়াৰ প্ৰতি মন হৈছে। দিনে-ৰাতিয়ে গোঁসাই ঘৰত সোমাই তাকেই প্ৰাৰ্থনা কৰোঁ, ল'ৰাটোৰ যেন পঢ়া-শুনাত মতি হয়। ভগৱানে চকু মেলি চাইছে।" প্ৰমোদ বৰুৱা মনে মনে থাকিল। সদায় এনেকুৱা হয়। মায়াৰাণীৰ কোনো কথা যেতিয়া তেওঁ মানি ল'ব নোৱাৰে তেতিয়া সদায় মনে মনে থাকে।

সেয়েহে আজি কলেজৰপৰা অহা প্ৰণৱক বাৰীৰ চুকৰ পৰাই মন কৰি আছিল বৰুৱাই। আজি কলেজৰপৰা আহিয়েই প্ৰণৱে পোনেই পঢ়া টেবুললৈ গ'ল। অইন দিনা সি এনেকুৱা নকৰে। আহিয়েই কিতাপখন থৈ ( কিতাপ মানে হাতত লৈ যোৱা মোটা বহিখন মাত্ৰ ) কাপোৰ সলোৱাৰ আগতেই মাকক চিঞঁৰে—বৰ ভোক লাগিছে খাবলৈ দিব লাগে। আজি কিন্তু আহিয়েই টেবুলত কিবা বিচাৰিবলৈহে লাগিল। আৰু মাককো নিচিঞৰিলে— চিঞৰিল ভনীয়েকককহে।

: ভণ্টি, অ' ভণ্টি-ই, ভণ্টি-ই-ই, এইপিনে আহ সোনকালে।

: প্ৰণৱৰ মাত শুনি মাক ওলাই আহিল পাকঘৰৰপৰা। "কি হ'ল অ', কি লাগে কচোন মষে দিওঁ। ভাইক মই কাম এটাত লগাই থৈ আহিছোঁ।

: তুমি মোৰ টেবুলৰপৰা কিতাপ দুখন নিছিলা নেকি ?

: "কিতাপ ?" মায়াৰাণী অবাক। "মই আৰু তোৰ টেবুলৰপৰা কিতাপ নিবলৈ যাম কিয় ?

: "তেনেহলে ভন্টিক মাতা। ভন্টি···ই···ই এইপিনে আহ, সোনকালে। আহিছিলিনে ? এতিয়া মুগুনাৰ ভাও জুৰিছে।"

প্ৰমোদ বৰুৱাই দূৰে দূৰেই কথাবোৰ লক্ষ্য কৰি আছিল। প্ৰণয়ে ক'ব নোৱাৰে দেউতাক ঘৰত আছে বুলি। নহ'লে জানো ইমানকৈ চিঞৰিব পাৰে ? বৰুৱায়ো একো গম নিদিলে। এনেয়েও সন্তানৰ সকলো কথাৰ ওপৰত মাত মাতি দমাই থোৱাতো তেওঁ পছন্দ নকৰে। সিহঁতৰ অলপ স্বাধীনতাৰো প্ৰয়োজন। অৱশ্যে আজিৰ কথা সুকীয়া। তথাপি ক'ৰ পানী ক'লৈ যায় চাওঁচোন— এনে এটা ভাৱতে তেওঁ বাৰীত কাম কৰি থকাৰপৰা ওলাই নাহিল।

ল'ৰা-ছোৱালী দুটাক মানুহ কৰিবলৈ যথেষ্ট কষ্ট কৰিছে প্ৰমোদ বৰুৱাই। তেওঁৰ সাধ্য অনুযায়ী সিহঁতক সকলো দিছে। একোৰে পৰা বঞ্চিত কৰা নাই। যিখিনি দিব নোৱাৰে সেইখিনিও যৰমেৰে পাহৰাই ৰাখিবলৈ চেষ্টা কৰিছে। এসময়ত তেওঁৰ চাকৰি সৰু আছিল। কিন্তু এতিয়া তেওঁৰ বহুত উন্নতি হ'ল। সিহঁতৰ অভাৱবোৰ তেওঁ পূৰাব পৰা হৈছে। সিহঁতৰ আগত নিজকে আদৰ্শ পিতৃ হিচাপে থিয় কৰাবলৈ যিমান পাৰে চেষ্টা কৰিছে। কথাবোৰ চিন্তা কৰি কৰি মনটো মাৰি পেলালে বৰুৱাই। তেওঁৰ আশা পূৰণ নহ'ব কিজানি !

ভন্টিৰ দীঘলীয়া বেণী দুদালত ধৰি খাওঁ খাওঁ মূৰ্তিৰে তেতিয়াও চিঞৰি আছিল প্ৰণয়ে। ভন্টিয়ে আটাহ পাৰিছিল। বৰুৱাই খিৰিকিখনেৰে জুমি চালে। মাকে দুয়োটাৰে মাজত সোমাই এৰুৱাই দিবলৈ চেষ্টা কৰিছে। কিন্তু নতুনকৈ উঠি অহা ডেকা—তাতে আজিৰ যুগৰ—মাকে জানো বলে পাৰে ! নাই আৰু চাই থাকিব নোৱাৰি। বাৰীৰপৰা ওলাই আহিল বৰুৱা। পিছপিনলৈ হাত দুখন দি গহীন গহীন খোজেৰে তেওঁ প্ৰণয়ৰ 'ৰুম'ৰ পিনে আগবাঢ়িল।

: "কি হ'ল প্ৰণয় ? তাইক কেলেই ইমান অত্যাচাৰ কৰিছ ?" দুৱাৰ মুখতে দেউতাকক দেখি প্ৰণয়ে প্ৰথমতে থত্‌মত্‌ খালে। কিন্তু পিছ মুহূৰ্ত্তত নিজকে চম্ভালি লৈ ক'লে, "দেউতা এই মোৰ টেবুলৰপৰা কিতাপ এখন নি লুকুৱাই থৈছে।"

: "তই কি কিতাপ নিচ ভণ্টি ?"

: "কৰ্চৰ কিতাপ। তাকো মোৰ নহয়। প্ৰদীপৰ।"—প্ৰণয়ে ওপৰতে মাতিলে।

: "প্ৰণয় তাইক এৰি দে।" প্ৰয়োজনতকৈ কঠোৰ ভাৱে ওলোৱা দেউতাকৰ কথাষাৰ শুনি ভণ্টিক এৰি দিলে প্ৰণয়ে।

: "ভণ্টি তই ইয়াৰপৰা যা।" কথাষাৰ ক'বলৈহে পালে দেউতাকে—বাঘৰ মুখৰপৰা সাৰি যোৱা হৰিণীৰ দৰে দৌৰ মাৰিলে ভণ্টিয়ে।

প্ৰমোদ বৰুৱাই স্থিৰ দৃষ্টিৰে প্ৰণয়লৈ চালে। দেউতাকৰ চকুৰ চাৱনী সহ্য কৰিব নোৱাৰি তলমূৰ কৰিলে প্ৰণয়ে। দেউতাকে চায়েই থাকিল। প্ৰণয়ৰ অস্বস্তি লাগিল।

: "কৰ্চৰ কি কিতাপ ?"

: "মে-মে-মেট্‌চৰ"—ঘেঁহাই উঠিল প্ৰণয়ে।

: "প্ৰণয় এই দুখন তোৰ কিতাপ হয়নে ? হয়নে এই দুখন তোৰ কিতাপ ?" পিছপিনে কঁকালত পেলাই থোৱা হাত দুখনৰপৰা সোঁ-হাতখন হঠাৎ প্ৰণয়ৰ চকুৰ আগত দাঙি ধৰিলে প্ৰমোদ বৰুৱাই। প্ৰণয়ৰ মূৰৰ ভিতৰত যেন প্ৰচণ্ড বোমা বিস্ফোৰণহে ঘটিল। ভৰিৰ তলৰপৰা যেন পৃথিৱীখন আঁতৰি গ'ল। চকুৰ আগত সহস্ৰ তৰা উৰিবলৈ ধৰিলে। ডিঙিটো শুকাই খৰ্‌খৰীয়া মাৰিলে।

: "মই তোৰ কিতাপবোৰ চাওঁতে পাইছিলো। আমাৰ দিনত কিন্তু মেট্‌চৰ কিতাপবোৰ এনেকুৱা নাছিল। আজিকালি কৰ্চত এনেকুৱা কিতাপ লাগে বুলি, স্কুল-কলেজত এনেকুৱা শিক্ষা দিয়ে বুলি মই নাজানিছিলো। আমিও তোৰ বয়সৰপৰাহে বুঢ়া হৈছোহি। মাৰে বৰ বং পাইছিল, তোৰ পঢ়াৰ প্ৰতি আগ্ৰহ হৈছে বুলি।"

দেউতাকৰ কঠোৰ আৰু ব্যঙ্গ মাতটো পিছলৈ কিন্তু লুকাভুকি হৈহে ওলাইছিল। ইমান সময়ে হতভম্ব হৈ চাইথকা মাকে লৰা-ধৰিকৈ আঁতৰি গ'ল।

দেউতাকৰ হাতৰপৰা আলোচনী দুখন ল'বলৈ হাত আগ নাবাঢ়িল প্ৰণৱৰ। যান্ত্ৰিক ভাৱে গাৰ দুয়োকাষে দুয়োখন হাত লিপিত খাই লাগি থাকিল। টেবুলৰ ওপৰত আলোচনী দুখন পেলাই থৈ আঁতৰি গ'ল প্ৰমোদ বৰুৱা। যাওঁতে চচ্মাযোৰ খুলি হাতৰ আঙুলিৰে চকুকেইটা মোহাৰি যোৱাও দেখিছিল প্ৰণৱে।

নিৰ্বাক নিস্পন্দ হৈ ঠাইতে ঠিয়হৈ ৰ'ল সি। কি যে হৈ গ'ল। প্ৰণৱে ভাবিছিলে এইবোৰ কিতাপ দেখিলে দেউতাকে তাক মাৰপিট্‌ কৰিব, গালি পাৰিব। কিন্তু এয়া কি কৰিলে দেউতাকে? তাতকৈ যদি তাক দুটা চৰ লগাই দিলেহেঁতেন। কিহে পাইছিল বাৰু তাক প্ৰদীপৰপৰা এইবোৰ কিতাপ আনিবলৈ। মাক-দেউতাকক এইদৰে ফাঁকি দিবলৈ, মিছাতে ভটিৰ ওপৰত অত্যাচাৰ কৰিবলৈ? টেবুলত পৰি থকা যৌন উত্তেজক আলোচনী দুখনৰ বেটুপাতত থকা গাভৰু দুজনীয়ে নিজৰ অৰ্দ্ধ উলঙ্গ দেহা দুটা আৰু উদঙাই যেন প্ৰণৱক ব্যঙ্গ কৰি সুধিলে—"প্ৰণৱ আৰু কিবা দেখুৱাম?" অসহ্য লাগিল প্ৰণৱৰ। বুকুৰ ভিতৰখন যেন ফাটি যাব এতিয়া। থিয় হৈ থকা ঠাইতে হঠাতে আঠুকাঢ়ি মাটিত মূৰটো লগাই কান্দি উঠিল প্ৰণৱে—"মোক ক্ষমা কৰা দেউতা। নহয় নহয় মোক শাস্তি দিয়া। কঠোৰ শাস্তি।" ●●●

## দৈনন্দিনৰ এদিন / মিনতি হাজৰিকা

সদায় কৰি থকা কামখিনিকে যে মীনাহঁতৰ দৰে ছোৱালীবোৰক ভাটৌ শিকোৱাৰ দৰে শিকাই থাকিব লাগে, কথাটো ভবাৰ লগে লগে শ্যামলীৰ খঙটো উঠি গৈ আছে। ৰাতিপুৱা পাঁচ বজাতে শুই উঠাৰ পৰা এই পৰলৈকে তিনিটা সন্তানৰ আলপৈচান ধৰি, তাৰ মাজতে গিৰিহঁতৰো ফাই-ফৰমাচ ৰাখি ঘৰৰ দৈনন্দিন কামখিনি কৰোঁতে কুকুৰ খোজেৰে কোঠা কেইটাৰ ভিতৰত অহা-যোৱা কৰোঁতে মেখেলাৰ পাতলি কেতিয়াবা জপটিয়াই ধৰি ফটাৰ অৱস্থা হয়। সেই কাৰণে আজিকালি শ্যামলীয়ে ঘৰত কাম কৰাৰ সময়ত চেকুৰি ফুৰিলেও আমনি নকৰাকৈ পিন্ধিবলৈ শাৰী দুখনমান আনি লৈছে।

মীনাজনী যে সাক্ষীগোপালহে। সদায় কৰা কামখিনিকেইটোৰ পাচত সিটো কৰাৰ কথা হয় সুধি থাকিব লাগিব, নহয় মুখেৰে নিজে কাম কৰি থাকোতে সোঁৱৰাই থাকিব লাগিব। আজি যে দহ-বজাৰ ভিতৰত আজৰি হৈ "জাগৰণ সংঘ"ত গোট খাবগৈয়ে লাগিব। চাৰে দহবজাত "জাগৰণ সংঘ"ৰ গোটেই মহিলাখিনি গোট খাই এইবাৰ হৈ যোৱা প্ৰলয়ঙ্কৰ বানপানীৰ সাহায্যৰ কাৰণে টকা, কাপোৰ, খোৱাবস্তু বিচাৰি ওলাই যাব। ওলাই যোৱাৰ আগতে দিনটোৰ কাৰণে উত্তম, প্ৰিতম আৰু মৰমীৰ কাৰণে সময়ত খাব পৰাকৈ বস্তুখিনিও যোগাৰ কৰি যাব লাগিব। মীনাকো তাইৰ ভাগৰখিনি দি সিহঁত তিনিটাক চাবৰ কাৰণে দঢ়াই দঢ়াই কৈ যাব লাগিব।

এইবোৰ কৰোঁতে কৰোঁতে দহৰ ঘৰলৈ ঘড়ীৰ কাঁটা গলেই আৰু। দেৰি হোৱাৰ কাৰণে শ্যামলীয়ে চাদৰখন পিন্ধি পিন্ধিয়েই ঘৰৰ গেটখন খুলি ওলাই যাব খুজিও হঠাৎ মনত পৰিল প্ৰিতমৰ কাঁহৰ দৰবটো খুৱাবলৈ মীনাক সোঁৱৰাই দি আহিবলৈ পাহৰিলে। কি যে বিপদ! সংসাৰৰ সকলো জঞ্জাল, দায়িত্ব অকল মাকবোৰেই কিয় মূৰ পাতি

লব লাগে? কথাটো ভাবি মৃণাললৈ শ্যামলীৰ খাঙীলৈকো খং উঠিল।

খোজকঢ়াৰ প্ৰতিযোগিতাত দিয়া খোজেৰে আহি শ্যামলী "জাগৰণ সংঘ" পালেহি। ইতিমধ্যে সংঘত গোট খোৱা মহিলাখিনি আলিবাটলৈ ওলাই আহিছিলেই গন্তব্যস্থানলৈ বুলি শ্যামলীয়ে মহিলা সকলৰ লগত খোজ মিলাই খোজ দিয়াৰ পাচতহে কেতিয়াও হাতত আনিবলৈ নেপাহৰা ছাতিটোৰ কথা মনত পৰিল। লগে লগে ছাতিটো মেলি লোৱাত এগৰাকীয়ে মাত লগালে, "আও ইমান দৌৰা-দৌৰিৰ কোবত কিন্তু এই গৰাকীয়ে হ'লে ছাতিটো আনিবলৈ পাহৰা নাই দেই।

"ঐ আই কিয়নো নানিম? গধূলিকৈ বিয়া এখন খাবলৈ যাব লাগে, এতিয়া ৰ'দে ৰ'দে ঘূৰি ফুৰি চেহেৰাটো পোৱা বেঙেনাৰ দৰে কৰি গৈ। বিয়াঘৰতটো আক কৈ ফুৰিবগৈ নোৱাৰিম মোৰ চেহেৰাটো ভালেই আছিল, দিনটো বান-বিধ্বস্ত সকলৰ কাৰণে সাহায্য বিচাৰি ৰ'দে-ৰ'দে ফুৰাৰ কাৰণেহে এনে হ'ল! গতিকে অলপ যত্ন লৈছো আৰু!"—শ্যামলীয়ে উত্তৰ দিলে।

"আপুনি কিন্তু বৰ ভাল কাম কৰিলে দেই। আপোনাৰ ছাতিৰ তলত সোমাই লওঁ যাতে ময়ো অলপ ৰ'দৰপৰা সকাহ পাওঁ। আন এগৰাকী কাষ চাপি আহিল। লগৰ বাকীখিনিয়ে কথাখিনিত আমোদ পাই হাঁহিলে। কিন্তু অনুসন্ধিৎসু এগৰাকীয়ে প্ৰশ্নবোধক সুৰত ক'লে, "এই কাতি মহীয়ানো কোনে বিয়া পাতিছে হেৰি?" জানো বুজিছেনে—গিৰিহঁতে কৈছে, মই যাব লাগে যাম আৰু। শ্যামলীয়ে উত্তৰ দিলে।

কেনেকৈয়ে ঘণ্টাবোৰ পাৰ হৈ গ'ল শ্যামলীয়ে গমেই নেপালে। ঘড়ীৰ কাঁটা লাহে লাহে গৈ চাৰে তিনিটাৰ ঘৰ পালেগৈ। শ্যামলীৰ চট্‌ফটনি লাগিল ঘৰলৈ যাবলৈ। কাতি মাহৰ দিন চুটি, অলপ পাছতে দেখোন আন্ধাৰ হ'বই। ইতিমধ্যে লগৰ বাকীখিনিৰ সৰহ ভাগৰে ঘৰলৈ উভোটাৰ উচ্‌পিচনি লাগিল।

কেইবাৰণ্টাও শ্যামলীক নেদেখাকৈ থকা হুবহুবীয়া প্ৰিতমে মাকক দেখাৰ লগে লগে সাৱটি ধৰিলেহি। দিনৰ ভাগৰে হেঁচা মাৰি ধৰা শ্যামলীয়ে প্ৰিতমক কোলাত লৈ চকী এখনত বহি পৰাৰ লগে লগে উত্তম আৰু মৰমীও কাষ চাপি আহি "মা আহিলা" বুলি মাকৰ গাত গা ছুটা ঘঁহালেহি। এই খিনি যে শ্যামলীৰ কাৰণে পৰম তৃপ্তি—তিনিটা সন্তানক কাষত লৈ। কিন্তু মৃণাল আহি খদম্‌দম্ লগাই দিলেহি।

"হ'লনে, হ'লনে? ব'লা দেৰি কৰিব নোৱাৰি।"

"উস্ ৰাম! ইমান তৎ নাইকিয়ানো কৰিছা কেলেই? মোৰ কিন্তু অকণো যাবৰ মন নাই। দিনটো ঘূৰি-ফুৰাৰ ভাগৰ, তাতে এতিয়া আকৌ উত্তম, প্ৰিতম আৰু মৰমীক এৰি আকৌ ওলাই যাব লাগিব।

"ক'ত যাবা মা। ক'ত যাবা? তিনিওটাই চিঞৰি উঠিলে। আমাকো লৈ যাবানে মা?"

"এতিয়া ৰাতিয়েই হব আৰু! তোমালোক সৰু সৰু ল'ৰা-ছোৱালীক ৰাতি ফুৰিবলৈ মানা কৰিছে। ৰাস্তাত যে পুলিচ থাকে তেওঁলোকে ধৰিলৈ যাব।" শ্যামলীয়ে কথাকেইটা কোৱাৰ লগে লগে সহজতে মান্তি হৈ গ'ল তিনিওটা। বিৰাট ফাঁকিটো দি কিন্তু শ্যামলীৰ মাতৃ-মনটো ক'ৰবাত অকণমান মোচৰ খাই গৈছিল।

মৃণাল বৰুৱা আৰু শ্যামলীয়ে নিজৰ গাড়ীতেই নগৰৰ পোহৰ বাটপথ পাৰ হৈ আন্ধাৰ বাট পালেগৈ। মৃণাল বৰুৱাই গাড়ী নৰখাই গৈয়ে থকা দেখি শ্যামলীয়ে মাত লগালে, 'হেৰা কলৈ গৈ আছা আৰু? পেট্ৰল ডিপো ঘূৰি ঘূৰি বিয়া খাবলৈ অহাৰ দুগুণ বাট গৈ কিনি আনি এতিয়া বাট ভুল কৰি পেট্ৰল খৰছ কৰি কলৈ গৈ আছা? ইমান আহিও আজি ঘৰটো পোৱাহি নাই কিয়?

শ্যামলীৰ কথাষাৰ শেষ হোৱাৰ লগে লগে যিটো ঘৰৰ আগত পাতলকৈ জোকাৰ মাৰি গাড়ীখন ৰৈ যাব খুজিও আগুৱাই নিলে মৃণাল বৰুৱাই। শ্যামলীয়ে পুনৰ মাত লগালে, "কি হ'ল?"

বিয়া ঘৰটো এইটোৱেই। কিন্তু বিয়াঘৰত বিয়াৰ পৰিৱেশ নাই কেলেই? আধা সজা বভা, লাইট, মানুহ একো নাই দেখোন। কথাটো কি? মোৰ বিয়াৰ তাৰিখ ভুল হোৱা নাই তো? ব'লা ব'লা আৰু ইয়াত ৰ'ব নোৱাৰি। কোনোবাই দেখিলে বৰ লাজৰ কথা হ'ব।

মৃণাল বৰুৱাৰ কথাষাৰ শুনি শ্যামলীৰ কান্দি দিবৰ মন যোৱাকৈ খং এটা উঠিল। বিয়াৰ প্রেজেণ্টটো ভালকৈ চাই কিনিবলৈ সময় নিদিয়াকৈ আনি, অত প্রেট্রল খৰছ কৰি আহি কি দেখিলেহি বাৰু? বিয়াৰ তাৰিখটোনো বাৰু ঠিকমতে চাব নোৱাৰিলানে? শ্যামলীয়ে কৈয়ে পেলালে, "কি মানুহহে তুমি? মই ৰাতিপুৱাৰপৰা ঘৰখনৰ জঞ্জাল মাৰি, বাইজৰ কামত ঘূৰি আহি তোমাক ঠিকমতে বিয়াখাবলৈ লগ দিবহি পাৰোঁ। আৰু তুমি বিয়াৰ তাৰিখটোকে ঠিকমতে চাই মনত ৰাখিব নোৱাৰা। তোমাৰ বিয়াৰ তাৰিখ চোৱাঁ। নিশ্চয় ভুল হৈছে। নহ'লেনো কোনোবাই এই কাতি মাহত বিয়া পাতে নেকি? চোৱাঁচোন ল'ৰা-ছোৱালী তিনিটাকো কেনেকৈ কাঁকি দি আহিছিলো!"

দুহাতে মাছ আৰু পাচলিৰ টোপোলাবে মাকক দেখাৰ লগে লগে প্ৰিতমৰ মুখত হাঁহি বিৰিঙি উঠিল। মাকৰ হাতত মাছৰ টোপোলাটো দেখাৰ লগে লগে উত্তমৰ বৰ আনন্দ লাগিল। সি যে মাছ খাবলৈ ইমান ভাল পায়। "মাছ আনিছা মা" বুলি সি জাপ মাৰি উঠিল।

তিনিওটা সন্তানৰ মাজত সোমাই মাছ দেখুৱাই থাকোতেই মৃণাল বৰুৱাই বিয়াৰ নিমন্ত্রণী পত্ৰখন আনি শ্যামলীৰ আগত দাঙি ধৰি ক'লেহি, "বিয়ালৈ এসপ্তাহ বাকী আছেহে!" ●●●

## কাবেৰীৰ অসুখ / বীণাপাণি বৰকটকী

দৈনন্দিন হোষ্টেলৰ দৰে চলি থকা ঘৰখনৰ একে সোপা কামকে কৰি কৰি কাবেৰীৰ অসহ্য লাগিছে। তাইৰ বিয়া নোহোৱা হ'লে কি মহাভাৰতখন অশুদ্ধ হ'লহেঁতেন? তাইৰ লগৰ কিমানৰ এতিয়াও বিয়া হোৱা নাই। কিমানে যে কলেজত পঢ়ি আছে। দেউতাক মাকহঁতে কিয় নভবা-নিচিন্তাকৈ ধনী মানুহ দেখি বিয়া দিলে বাৰু? বিয়া নোহোৱাহেঁতেন তায়ো পঢ়ি শুনি ঘৰখনকে কিবা এটা উপকাৰ কৰিব পাৰিলেহেঁতেন। এতিয়াটো তাই কৰো বুলি একো কৰিব নোৱাৰে। ঘৰখনৰ নিয়মৰ বান্ধ লৰচৰ কৰিলে হুলস্থূল হ'ব।

-কাবেৰীৰ কথাবোৰ মনত পৰিলে কিবা সপোন সপোন যেন লাগে। তাইক যে গাড়ীয়ে গাড়ীয়ে গৈ কেনেকৈ সকলোৱে চাইছিল। লগৰ বন্ধু এজনৰ লগত প্ৰকাশো এদিন গৈছিল। প্ৰকাশক সিহঁতৰ ঘৰৰ সকলোৱে ভাল লাগিল। কাবেৰীৰো ভালেই লাগিছিল।

ওচৰ চুবুৰীয়া সকলোৱে ছোৱালীৰ ভাগ্য দেখি ঈৰ্ষান্বিত হৈছিল। দেউতাক উদাৰ প্ৰকৃতিৰ লোক। সেয়েহে তেওঁ নীচতাক প্ৰশ্ৰয় নিদিছিল। ধন-সম্পত্তিৰ কাৰণে তেওঁৰ অলপো মোহ নাছিল। তেওঁ ল'ৰা-ছোৱালী কেইটা যাতে পঢ়িশুনি সজ চৰিত্ৰবান হ'ব পাৰে তাকেহে চিন্তা কৰিছিল।

সমান তিনিটা ল'ৰা-ছোৱালী কলেজত পঢ়ওৱা মুখৰ কথা নহয়। সেয়েহে কাবেৰীক বিয়া দিয়াৰ কথা চিন্তা কৰিলে। কাবেৰীৰ কিন্তু যেনে-তেনে বি.-এ.টো পাচ কৰি চাকৰি এটা লৈহে বিয়া সোমাবলৈ মন আছিল। ঘৰুৱা অৱস্থাই তাইক বিয়াত সোমাবলৈ বাধ্য কৰাইছিল। তাইতকৈও ভায়েক-ভনীয়েকহঁতক পঢ়ুৱাবৰ কাৰণেই তাই কলেজ এৰি বিয়াত বহিল। তাইৰ আশা ভঙ্গ হোৱা যেন ভাবি

সেউজাকে কৈছিল, তোৰ ভাগ্য ভাল, ভাল মানুহ পাইছ। সম্ভ্ৰান্ত এটা পৰিয়াল। ইচ্ছা হ'লে ঘৰতেও পঢ়িব পাৰিবি। ভনীয়েক নন্দিনীয়ে কৈছিল, "বাইদেউ তুমি কলেজত পঢ়ো বুলি ক'বা। ভকত পঢ়িবাই। আজিৰ যুগত অন্ততঃ বি-এ. পাচ নকৰাকৈ কেতিয়াও বিয়া হ'বই নাপায়। তেওঁলোক চহকী মানুহ, তোমাক কলেজত পঢ়াব কথা কবই।" আৰু বহুতে কৈছিল, নগৰ বান্ধৱী কৃষ্ণাইতেও কৈছিল।

কাবেৰীয়ে কেতিয়াবা ভাবে শ্যামলীইতে বাৰু তাইৰ আশাভঙ্গৰ কাহিনীসমূহ গম পাইছেনে? দুটা ল'ৰা-ছোৱালীৰ সৈতে সম্পূৰ্ণ এখন ঘৰৰ গৃহিণী হৈ যে তাই ধনৰ-দৌলেৰে হৃদয় ভাগিছে তাৰ বাতৰি বাৰু কোনোবাই পাইছে নেকি? যিজনী কাবেৰীয়ে স্কুল-কলেজৰ সভা-সমিতি, খেল-ধেমালী, পূজা-পাৰ্বণ একোয়েই বাদ নিদিছিল, তাইৰ যে গাধোৱা ঘৰত গুণ-গুণকৈও গান এটা গোৱাৰ অধিকাৰো আজি নাই—সেই কথা কোনেও গম নোপোৱাটোকেই কামনা কৰে কাবেৰীয়ে।

সংস্কৃতত অনাৰ্চ লৈ বুলি ভবা কাবেৰীয়ে যে আজিকালি বাতৰি কাকতখনো মেলিবলৈ সময় নাপায় সেই কথা বাৰু তাইৰ প্ৰিয় বাইদেউ জ্যোতিকা বৰুৱাই জানিছেনে?

বাইদেউয়ে যে বিয়াৰ খবৰ কৰিবলৈ আহি কৈছিল, "তুমি গল্প লেখিবলৈ এৰি নিদিবা দেই। তোমাৰ লেখাবিলাক ইমান কোমল।" কিমান ৰঙীণ কল্পনা যে কল্পনা হৈয়ে ৰ'ল তাইৰ।

আজি ইমানদিনে তাই নিজৰ মানুহজনকে বুজি নাপালে। ঘৰখনত একোৰে অভাৱ তাই অনুভৱ কৰিবলগা হোৱা নাই। শহুৰেকৰ বাগান আছিল। তেখেতে অজস্ৰ সম্পত্তি কৰি থৈ গৈছে। পুতেকহঁতে চলাই মেলি কৰি খালেই হয়। ডাঙৰ পুতেক বিকাশে বাগান চলায়। প্ৰকাশ আৰু পৰাগে কাৰবাৰ কৰে। কাৰবাৰৰ বাদে যেন প্ৰকাশে অন্য একোৱেই চিনি নাপায়। এগৰাকী বিবাহিতা পত্নী, দুটা সন্তান আছে বুলি তেওঁ হয়তো সপোনতো ভাবি নাপায়।

অৱশ্যে অসুস্থ হ'লে কাবেৰীক যে চিকিৎসা কৰোৱা নহয়, এনে নহয়। যান্ত্রিকভাৱে ডাক্তৰ আহে। দৰৰ আৰু দামী টনিক দুই এবটল দি যায়। দূৰৈৰপৰা দেখা মানুহে হয়তো তাই স্বৰ্গত আছে বুলিয়েই ভাবিব। কিন্তু যাৰ এবাৰ মাত্তেই হাজাৰ ঔষধৰ কাম কৰে সেইজনৰো যে অন্তৰত মৰমৰ অভাৱৰ কথানো তাই কাক বুজাই কব। নিজৰ বুকুখনকে যে তাই বুজাব নাজানে।

এজনী ননন্দ ঘৰত আছে। চিত্ৰলেখা নাম। অত্যন্ত বিশ্বাসী। এলাপেচা ল'ৰাক যাচিবলৈকে সাহস নাই।

জেশাহুৰেক এগৰাকী আছে। তেওঁ আহিলে যে কাবেৰীৰ খুব ভয় লাগে। তেওঁ কেৱল কাবেৰীৰ দোষকে দেখে। ডাঙৰ মানুহৰ ঘৰলৈ বিয়া হৈছে আৰামত থাকে। ল'ৰা-ছোৱালী কেইটাৰো খোৱা-বোৱাত আঁসোৱাহ নমৰে। তেওঁলোক আহিলে কাবেৰীয়ে একোৱেই নজনা হয়। কাবেৰীক যেন অকণমান হেয় জ্ঞান কৰে। কাবেৰীৰ নিজকে বৰ অপদাৰ্থ যেন লাগে।

নন্দেক চিত্ৰলেখাই কাবেৰীক ইটো-সিটো আদেশ দি অতিষ্ঠ কৰি তুলিব, "নবৌ সিহঁত খুব আৰামত উঠা ল'ৰা-ছোৱালী। বাইদেৱে ঘৰত হাত তিয়াই ভাত খায়। চাকৰ-বাকৰে ঘৰ পৰিপূৰ্ণ। খুব সাৱ-ধানেৰে কাম কৰিবা যাতে বেয়া নাপায়।" আদেশ জাৰি কৰি চিত্ৰ-লেখা ভাগিনীয়েকহঁতক লগতলৈ ফুৰিবলৈ বা খেলিবলৈ ওলাই যায়।

ডাঙৰ জাকে কলেজত অধ্যাপিকা কৰে। ল'ৰা-ছোৱালী কেইটা চাবলৈ ছোৱালী এজনী ৰাখিছে। তায়ো সৰহখিনি সময় সিহঁতৰ লগতেই কটাই দিয়ে। ডাঙৰ জাক মাজে-মাজেই সাৰি যায়। পুৰণি নিয়ম-কানুনত চলা মানুহ। শাহুৱেকে যাকে-তাকে ৰান্ধনী ঘৰত সোমাবলৈ নিদিয়ে। ভিতৰুৱা প্ৰায় সকলো কামৰ দায়িত্ব কাবেৰীয়েই বহন কৰিবলগীয়া হয়। নিজৰ ল'ৰা-ছোৱালীক সময়মতে খুউৱা-বুউৱা এইবোৰ একোৱেই কৰিবলৈ সময় নাপায়। জেশাহুৰেক আহিলে যে তেওঁলোকৰ শুশ্ৰূষাৰ ত্ৰুটি নকৰে। কিয়নো কাবেৰী হৈছে দুখীয়া আৰু সাধাৰণ গাৱঁলীয়া মানুহৰ ছোৱালী।

ৰূপালী নামৰ বিয়া দিয়া নন্দেকজনী আছিলে কিন্তু কাবেৰীয়ে খুব ভাল পায়। এইখন ঘৰত একনীয়েই মাত্র মানুহ আছে যিয়ে কাবেৰীৰ দুখ বুজি পায়। তাইৰ খোৱা-বোৱাটো সিমান বেচ-পেচ নাই। কাবেৰীয়ে অকলে পাকঘৰত কাম কৰি থকা দেখিলে ৰূপালীয়ে পাৰে-মানে সহায় কৰি আজৰি কৰি দিয়ে। ফুৰাবলৈকো উলিয়াই নিয়ে কেতিয়াবা কেতিয়াবা।

ইমানদিনৰ মূৰত আহি ৰূপালীয়ে কাম কৰা দেখিলে মাক ভনীয়েকহঁতে সিমান ভাল নাপায়। চিত্ৰলেখাইটো নবৌয়েকক চেক-চেকায়েই উঠে, "ইমানদিনৰ মূৰত তাই আহিছে, এসাজ মুকলি-মূৰীয়াকৈ খাবলৈ তুমি আকৌ তাইক পাকঘৰতে সুমুৱাইছা। তোমাৰ যে অলপো দয়া-মায়া নাই নবৌ।" দয়া-মায়া শব্দটোৰে চিত্ৰলেখাই কি অৰ্থ বুজাই কাবেৰীয়ে বুজি নাপায়।

এবাৰ ঘৰলৈ যাওঁতে কাবেৰীয়ে ঘৰৰপৰা কিতাপবিলাক লৈ আনিছিল। চেগমাৰি তাৰ মাজতে পৰীক্ষাটো দিব বুলি। কিতাপ লৈ অনাৰ কথা গম পাই মাক আৰু চিত্ৰলেখা জকি উঠিল। "মাকৰ ঘৰৰপৰা ভাল বস্তু আনিব নোৱাৰিলে, ফটা কিতাপ সোপাকে বুকুত বান্ধি লৈ আনিছেগৈ। কলেজত পঢ়িব। প্ৰফেচাৰণী হ'বলৈ মন। মঞ্জু প্ৰফেচাৰণী হোৱা দেখি তাই ছাগে হিংসাতে মৰিছে। মঞ্জুৰ জোৰ তাই পাৰও লাগিব নহয়! তাইৰ দেউতাক উকীল। ঘৰৰ অৱস্থাও ভাল। তাইৰ লগত তোৰ বজিতা নাথায় নহয়।"

তাই সেইদিনা পাৰে-মানে কান্দি কিতাপ-পত্র সোপাই সুমুৱাই থ'লে। ওলাই অহা চকু-পানীখিনি সংগোপনে মচি তাই ঘৰৰ কামত লাগিলগৈ।

ঘৰত থাকোতে কাবেৰীয়ে গল্প লিখিছিল। দুই-চাৰিটা গল্প স্কুল-কলেজৰ আলোচনীত প্ৰকাশো হৈছিল। ৮৩ চনৰ ৰক্তাক্ত নিৰ্বাচনে তাইৰ মনৰ দুৱাৰখন আকৌ খুলি দিলে। তাই ৰাতি উঠি উঠি গল্প লেখিলে কেইবাটাও। কেইবাখনো নতুন কাগজত তাইৰ গল্প প্ৰকাশো পালে। লেখনীৰ মাজেদি তাইৰ সুপ্ত প্ৰতিভা জাগি

উঠিল। পৰিচিত হৈ গ'ল সমাজৰ আগত। স্থানীয় মহিলা সমিতি-খনৰ বছেৰেকীয়া অধিবেশনত সভানেত্ৰীত্ব কৰিবৰ কাৰণে নিমন্ত্ৰণ কৰি থৈ গ'লহি কেইগৰাকীমান বিশিষ্ট মহিলাই। কাবেৰীক মহিলা সমিতিৰ সভানেত্ৰী হিচাবে মতা কথাটোত মজুৱো মনে মনে ক্ষুণ্ণ হ'ল। কিয়নো ইমান শিক্ষিত মানুহ গৰাকী থকাটো কাবেৰীয়ে জেনে এটা সম্মান পোৱাটো কোনেও বাঞ্ছা কৰা নাই। ঘৰখনত এখন সৰু-সুৰা যুদ্ধই চলিল। খবৰ-কাগজত গল্প লিখি নাম জহাইছে বুলি মাকেতো পুতেক অহাৰ লগে লগেই খেচ্‌খেচকৈ ক'লে, "ঘৈণীয়েৰৰ মতলব ভাল দেখা নাই। খবৰ কাগজত কিবা গল্প উঠাইছে। অকল সেয়েনে আমাৰ ঘৰৰ বোৱাৰী হৈ মহিলা সমিতিত সভানেত্ৰী হ'বলৈ যায়। পাৰোতে জানো মানুহে নকয় যে ধনীৰ ঘৰৰ বেটীকো আনিবা, দুখীয়াৰ ৰাণীকো নানিবা। তাই টোকোনাৰ জীয়েক নহয়, ইয়াত আহি উচ্চপদ পালেহি।"

মাকৰ কথাবিলাক প্ৰকাশৰ কাণত সোমালনে নাই তাই নাজানে।

ৰাতি শুবৰ সময়ত মাত্ৰ কৈছিল, "তুমিনো কি নলগা জেগত লাগি থাকাহে। কিনো দৰকাৰ মাইঁতে বেয়াপোৱা কামবোৰ কৰিবলৈ।

সেইদিনা কাবেৰীয়ে একো মতা নাছিল। মাতিৰৰ প্ৰয়োজনো অনুভৱ কৰা নাছিল তাই। যিজন মানুহৰ হৃদয় বোলা বস্তুটোৱেই নাই সেইজনকনো প্ৰাণৰ কথা কোৱাৰ কি প্ৰয়োজন? তাই যে নিজকে চিনি পাইছে সেয়ে তাইৰ কাৰণে যথেষ্ট।

পিছদিনা পুৱাতে উঠি ঘৰৰ যাৱতীয় কামখিনি কৰি তাই পিকেটিং কৰিবলৈ ওলাই গ'ল। শান্তিকামী নিৰীহ পিকেটিংকাৰীৰ ওপৰত পুলিচে লাঠি চালনা কৰিলে। কাবেৰীৰ মূৰত আঘাট লগাত তাই বাগৰি পৰিল। হস্পিতালত কাবেৰীক দেখা কৰিবলৈ বোৱা মানুহে ভৰি পৰিল। তিনি কালি কালি গৈ যেতিয়া প্ৰকাশে বুজিব পাৰিলে যে কাবেৰীৰ ত্যাগৰ ফলত এগৰাকী বৃদ্ধাৰ জীৱন ৰক্ষা

হৈছে। সকলোৱে যেতিয়া আৰবি ধৰি কাবেৰীৰ স্বামী বুলি প্ৰকাশক সন্মান জনালে তেতিয়াহে প্ৰকাশৰ চকু মুকলি হ'ল। সাধাৰণ মানুহ পৰি থকাৰ দৰে পৰি আছে বুলি কাবেৰীক চাবলৈ যাবলৈ অপমান বোধ কৰি থকা প্ৰকাশে যেতিয়া কাবেৰীৰ যশস্তাৰ সুগন্ধ পালে তেতিয়া অভিভূত হৈ প্ৰকাশে ভাবিলে, সঁচাকৈ আভিজাত্যৰ মোহে তেওঁক অন্ধ কৰি থৈছিল। কাবেৰীৰ কপালত হাত দি প্ৰকাশে সক সৰুকৈ ক'লে, "কাবেৰী, মোলৈ চোৱাচোন কা…বে…ৰী। তোমাৰ ত্যাগে মোৰ চকু মুকলি কৰি দিলে। চোৱা কাবেৰী মই আজি নতুনকৈ আহিছো, তোমাৰ ওচৰলৈ।

প্ৰকাশক ওচৰত দেখি কাবেৰীৰ দুচকুৰে ধাৰাসাৰে অশ্ৰু বৰলৈ ধৰিলে। প্ৰকাশে কাবেৰীৰ মূৰত হাত ফুৰাই দিলে মৰমেৰে। চকুৰ পানীখিনি মচি দি ক'লে, "নাকান্দিবা কাবেৰী, তোমাৰ আদৰ্শ মহান। তুমি সতী জয়মতী, মূলা গাভৰুৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱা।"

সেহাই সেহাই কাবেৰীয়ে ক'লে, "মই জানো প্ৰকাশ, মোৰ প্ৰকাশ কেতিয়াও আন্ধাৰত থাকিব নোৱাৰে। ই এদিন নহয় এদিন প্ৰকাশিত হ'বই। বিষটোৱো যে আজি মোৰ বাবে কিমান তৃপ্তিদায়ক।" ●●●

## উপহাৰ / পূৰ্ণিমা দেৱী বৰদলৈ

মনোৰমাই তিতা চুলিকোচা শুকাবলৈ মেলি দি আগফালৰ টিবিত বহি হাতত সেইদিনাৰ বাতৰি-কাকতখনত চকু ফুৰাওঁতেই মাধৱ বৰাৰ ক্লাচ ছিক্সত পঢ়া ছোৱালী ৰূপালীৰ জন্মদিনলৈ নিমন্ত্ৰণ কৰি গ'লহি তাইৰ ককায়েক দিবাকৰে।

'যাম বাৰু' বুলি শলাগি পঠালে যদিও মনোৰমা ভিতৰি মহা চিন্তাত পৰিল। কালি এটা বাৰ্থডে' শেষ কৰি আহিছেহে ওচৰৰে মিস্টাৰ প্ৰমোদ বৰুৱাৰ ঘৰত। নগলে খুউব বেয়া পাম বুলি মিচেচ্ বৰুৱাই কৈ যোৱাত যাবই লগা হ'ল। ইমান ওচৰতে নগলেনো কি ভাবিব বাৰু? তাতে টানে-আপদে বৰুৱা-বৰুৱানীয়ে কম সহায় কৰেনে? ওচৰ-চুবুৰীয়া মানুহৰ লগত মিলি থকাতো উচিত বুলি ভাবি যেনে-তেনে নিমন্ত্ৰণটো ৰক্ষা কৰিলে। কিন্তু আজি কি কৰা যায় ভাবি-চিন্তি একো পাৰ পোৱা নাই। পাৰ নোপোৱাৰে কথা। মনোৰমাহঁতৰ আঠজনীয়া পৰিয়ালটো নিজে চলিবলৈকে বৰ টনা আঁজোৰা কৰিব লাগে। পুত্ৰ সন্তানৰ বাবে আশা কৰি এজনী দুজনীকৈ পাঁচজনী ছোৱালীৰ পিতৃ হোৱাৰ পাছতহে এটি পোনাৰ মুখ দেখিছে। তাৰো বছেৰেক হোৱাই নাই। ছোৱালী কেইজনীয়ে জনাহোৱাৰে পৰা সদায় জন্মদিন নপতাৰ বাবে আপত্তি কৰি থাকোতেই দিন গৈছে। কেক্ কাটি, বেলুন আঁৰি, মম ফুৱাই মুমুৱাই, হেপ্পিবাৰ্থডে' গীতটো গাই মানুহক খুৱাই-বুৱাই উপহাৰ লৈ বাৰ্থডে' নাপাতিলেও মনোৰমাৰ পিৰিয়েক বাজেনে বছেৰেকত একোবাৰকৈ নাম গোৱাই বাইজৰ আশীৰ্বাদ নোলোৱাকৈ থকা নাই। বিশেষকৈ ডাঙৰজনী জীয়েক তোলনী হওঁতে আৰু পোনাটিৰ শুদ্ধি সবাহত অলপ ডাঙৰকৈয়েই নামগোৱা পাতিছিল। বাজেনে

কয় আশীৰ্বাদটোৱেই ডাঙৰ বস্তু। ই যেন বজাৰৰপৰা কিনি আনি দিয়া উপহাৰতকৈয়ো মূল্যবান। জন্মদিন পাতি উপহাৰ দিয়াটো বা লোৱাটো বাজেনে অলপো পচন্দ নকৰে। অৱশ্যে বিয়া, লগুণদিয়নী আদি নোওৱা ধুউৱা কামত কিবা এটা দিয়া (সামৰ্থ্য অনুযায়ী) বেলেগ কথা। সেইবাবে তেওঁ বাৰ্থডে' বা জন্মদিন পতাৰ পক্ষপাতী নহয়। অৱশ্যে তেওঁ কাকো বাধাও নিদিয়ে। নিজে সেইবিলাকত অংশগ্ৰহণ নকৰিলেও ঘৰৰ কাকো যাবলৈ বাধা নিদিয়ে আৰু উপহাৰো পৰাপক্ষত হাঁহিৰ নোৱাৰাকৈয়ে দি পঠায়। প্ৰায়ে টকা কেইটামান দিহে জন্মদিন খোৱা হয়। কাৰণ অফিচ ছুটীৰ পিছত চাউল, দাইল, আলু আদিৰ বজাৰ কৰি থাকোতে গধূলি হৈ যায় আৰু শেষত প্ৰেজেণ্টেশ্যনৰ নামত টকাহে দি পঠোৱা হয়। এইদৰে দিনবোৰ গৈ আছে। অফিচৰ সামান্য কেৰাণী হৈয়ে বহুত কৰিছে বাজেনে।

আজি ২৯ তাৰিখ। অফিচ বন্ধ। ঈদৰ বাবে। অলপ আগতে বাকচৰ তলিত ঘূকতি-পাকতি চাই টকা ত্ৰিশটা পাই গিৰিয়েক বাজেনক বজাৰলৈ পঠাইছে। কি ক'ত পায় জানো, চাউলো অলপ কম আছে ৰাতিৰ সাজলৈ। পোনাটিৰ জলপানো শেষ হ'ল। একো নাপায় যদি সেইকেইটা টকাৰে। চাউলকেইটামান আৰু মাছ বা মাংস অকণ আনিলেই হয়, বন্ধুবাৰ যেতিয়া কোনোবা ভাতখোৱা আলহীও আহিব পাৰে। জলপানৰ টিন্ আনিবলৈ পইছাই নুজুৰিলে খুদ চাউল কেইটামান বাতি লৈ লুথুৰী বনাই খুৱাব পোনাক। দৰমহা পাব এক তাৰিখেহে। এই দুদিননো কেনেকৈ চলা যায় তাকে চিন্তা কৰি উৱাদিহ পোৱা নাই মনোৰমাই। শিৱসাগৰৰ পৰা যদি দেউতাকেই আহিলহেঁতেন। আহিলেতো শুদা হাতে নাহে, মোনা ভৰি আহিব। ঘৰৰে ধানৰ চাউল, শাক-পাচলি আৰু কত কি। জীয়েকৰ মৰমত দেউতাক মাজে মাজে আহি থাকে। টাউনৰ ভাড়া ঘৰত থাকি এবা গছৰপৰা খেৰ গছলৈ সকলো কিনি দিন চলোৱা কিমান কষ্ট বুজোঁভাইহে বুজিব। প্ৰতিমাহে বাজেট

মিলাওঁতে মিলাওঁতে সদায় ঘাটি পৰে। বিয়াৰ পাছত মনোৰমাই আজিলৈকে ভাল কাপোৰ এযোৰকে লব পৰা নাই। এতিয়া লোৱাৰো সাধ্য নাই। কাৰণ উঠি অহা ছোৱালীকেইজনীকে কাপোৰ-কানি, কিতাপ-পত্ৰ, জোতা-মোজা, ইউনিফৰ্ম আদিৰ যোগাৰ দিব নে নিজে কাপোৰ লব। আজি কালি বিছুত তাই ব্লাউজ এটা লবলৈকো সকলোৰে মুখলৈ চাই লব লাগে। তাৰোপৰি সময়মতে মিত্তিৰ কুটুমৰ বিয়াবাক লগুণদিয়নী, অন্নপ্ৰাশন আদিৰ নিমন্ত্ৰণ ৰক্ষা নকৰিলে মিত্তিৰ নৰয়। গিৰিয়েক হ'ল বুলিনো কিমান কৰিব দোষ দিবই নোৱাৰি। অকিচৰ দুই এজনৰপৰা মাজে মাজে টকা ধাৰলৈ আনিলেও দৰমহা পোৱাৰ পাচত আকৌ ঘূৰাই নিদিলে পিছত জানো আক বিপদত সহায় কৰিব। মনোৰমাৰ মাহৰ শেষৰ কেইটা দিন কেনেকৈনো পাৰ কৰা যায় এই কথা চিন্তা কৰি থাকোঁতে মুখখন সদায় বিবৰ্ণ হৈয়ে থাকে। টিঙিচ-টিঙিচকৈ খং উঠে, ছোৱালীকেইজনীয়ে মাৰ খায় অলপ কথাতে, আৰু কেতিয়াবা মাকৰ ঘৰত দুদিনমান থকাকৈ পঠাই দিবলৈ গিৰিয়েককো খণ্ডতে কৈ দিয়ে। আনকি অকণমান পোনাটোকো কান্দিলে লবলৈ মন নকৰে।

মাহৰ প্ৰথম সপ্তাহতে উৎসৱবিলাক হ'লে মনটো যেনেকৈ অলপ ভাল লাগে জন্মদিনবোৰো যদি তেনেকৈ মাহৰ প্ৰথম সপ্তাহতে হ'লহেঁতেন। কিন্তু ইমান হিচাব-নিকাচ কৰি কোনেনো ল'ৰা-ছোৱালী জন্ম দিয়ে। তাইৰ দৰে বাক আনৰ এইবিলাক অসুবিধা নহয় নেকি তাই ভাবি নাপায়। ইমান ডাঙৰ ল'ৰা-ছোৱালীবনো বাৰ্থডে' পাতে কিয়? চাৰিওকালে বস্তু-বাহানিৰ জুই চাই দাম। এনে অভাৱ অনাটনৰ দিনত পতাই যেনিবা পাতিলেই জন্মদিন, নিমন্ত্ৰণ ডেওঁলোকে যাক কৰে সেইবিলাকৰ কথাওতো এবাৰ চিন্তা কৰি চাব লাগে। মনোৰমাই যদি কালিয়েই গম পালেহেঁতেন আজিৰ জন্মদিনৰ কথা নিশ্চয় টকা ত্ৰিশটা গিৰিয়েকক বজাৰ কৰিবলৈ উলিয়াই নিদিলেহেঁতেন। এতিয়াতো উপায় নাই। হাত একেবাৰে খালি। আনহাতে নিমন্ত্ৰণ ৰক্ষা নকৰিলেও বেয়া পাব। নিজৰ এই

অভাৱ অভিযোগৰ কথাবিলাক আনৰ আগতনো তাই কেনেকৈ উদঙাই দেখুৱাই দিয়ে। কিযে আজিকালি বাৰ্থডে' পতাৰ দেখাক দেখি চং উঠিছে আৰু। ই এটা বিজিনেছতহে পৰিণত হৈছেগৈ। এহাতে মানুহক খুৱাৰ আনহাতে উপহাৰ লব। তাইৰ পোনাটিৰ হ'লে জন্মদিন নাপাতে দেই। পাৰিলে সেইদিনা ওচৰৰ শিৱমন্দিৰত শৰাই এখন দিব। নহ'লে নিজৰে গোঁসাই থাপনাত শৰাই এখনি আগবঢ়াই চাকি এগছি জলাই দি ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰি পোনাৰ দীৰ্ঘায়ু আৰু মঙ্গল কামনা কৰিব। তাৰ পিছত কেইটামান ল'ৰা-ছোৱালীক মাতি আনি খাবলৈ দিলেই হ'ল। লগতে মিঠাই অলপ আনি দিলেই হ'ব। কেক্ কটা জন্মদিন পাতি উপহাৰ লোৱা প্ৰথা নকৰে। কিয়নো, তেনে কৰিলে জন্মদিনত আশীৰ্বাদ নোপোৱা যেনহে লাগে তাইৰ। মানুহক খুউৱাৰ বিনিময়তহে যেন তেওঁলোকে উপহাৰ দিছে।

এইবোৰ চিন্তা কৰি থাকে যদি সময় বৈ থাকিব জানো। কিবা এটা সমাধা কৰিব লাগিব বুলি মনলৈ ভাব অহাৰ লগে লগে হঠাত তাই বহাৰপৰা থিয়হৈ খোপাটো বান্ধি হাতটো আজৰি কৰি ল'লে। তাৰ পিছত ডাঙৰ জীয়েক সন্ধ্যাৰ পঢ়া টেবুলৰ কাষ পালেগৈ। কিবা এটা উপায় পোৱাৰ দৰে তাই এখন ড্ৰয়িং পেপাৰ আনি ভাঁজ কৰি কাৰ্ডৰ আকাৰ কৰিলে, আৰু এখন গ্ৰিটিং কাৰ্ড আঁকি জন্মদিনৰ শুভেচ্ছা আৰু আশীৰ্বাদ জনাই লিখিলে। মনতে ভাবিলে এইদৰে তাইঁনিতে শিকা হাতৰ বিদ্যাকে কামত খটুৱাই আজিৰ জন্মদিনৰ উপহাৰৰ লেঠাটো মাৰিব পৰা যাব। লগতে ফুলনিত হোৱা এটা বঙা বগা গোলাপ ফুলৰ থোপা গাঁঠি দি সাধাৰণতে আনে দিব নোখোজা এটা বেলেগ উপহাৰ জীয়েকৰ হাতত দি মনোৰমাই জন্ম-দিনলৈ পঠাব। লগে লগে মনত এটা প্ৰশ্ন জাগি উঠিল ভৱিষ্যতে সিহঁতক জন্মদিনলৈ নিমন্ত্ৰণ কৰিবনে বাৰু? ●●●

# মৰহা পাপৰি / ডিম্বেশ্বৰী দাস

মহিলা সমিতিৰ সভানেত্ৰী মনিদীপাই দিনে-ৰাতিয়ে উঠি-পৰি লাগিছিল, নিৰক্ষৰতা দূৰ কৰি এখন সুস্থ সমাজ গঢ়ি তুলিবলৈ। বহুত কষ্টেৰে মহিলা সমিতিখন চৰকাৰৰ সাহায্যপ্ৰাপ্ত কৰিছিল। বেচেৰা ৰমেনটো আৰু দময়ন্তী জেঠায়েকেও তাইৰ কথা আখৰে আখৰে মানি তাইক কিমান যে সহায় কৰিছিল। যিদিনাখন তঁাহাতৰ মহিলা সমিতিখনলৈ চৰকাৰৰ তৰফৰপৰা তঁাতৰ শাল, উলৰ মেচিন, কাপোৰ চিলোৱা কল আহিছিল সেইদিনা তাই আনন্দত আত্মহাৰা হৈছিল। তাৰোপৰি "ক" ৰ চাৰিচুক চিনি নোপোৱা বৃদ্ধ বৰ্ণিতাসঁকলক টিপ্ চহী মৰাৰ পৰা অসমীয়া, বঙলা দুয়োটাৰে চহীটো লেখিব পৰা কৰিলে সেইদিনাখন তাই ভাবিছিল তাইয়ে যেন পৃথিবীত আটাইতকৈ সুখী।

মনিদীপাই ভাবিছিল তাইৰ স্বামী পৰেশেও তাইৰ কামত প্ৰেৰণা যোগাই তাইক দুগুণ উৎসাহৰে এখন নতুন সমাজ গঢ়াত সকলো কামৰ পৰাই আগ ভাগ লব। ফলিয়ালে জানো মনিদীপাৰ সপোন···?

বিচনাখনত অলসভাৱে গাটো এৰি দিলে মনিদীপাই। ভাগৰ লাগিছে, জোৰেৰে চকুৰ পতাদুখন জপাই ধৰিছে ; নাই—, মনিদীপাৰ চকুত টোপনি নাই। তাইৰ অৱচেতন মনটোৱে চাটিফুটি কৰিছে, এৰি অহা জীৱনৰ বিগত দিনবোৰৰ কথা তাইৰ চকুৰ আগত ভঁাহি উঠিছে। মনিদীপাৰ মৰহি যোৱা পঞ্চত্ৰিশ বছৰ বয়সীয়া দেহটোক এগৰাকী ষোড়শী গাভৰুৰ ৰূপেৰে সজাই তোলাৰ অভিলাষ। লাইফ চাইজৰ আয়নাখনৰ আগত থিয় হৈ লাহে লাহে গাৰ চাদৰখন অঁতৰাই লেবেলি হঁয় পৰি যোৱা জীৱনৰ মাদকতা বিচাৰি হাবু-ডুবু খাইছে। মনত পৰিছে একমাত্ৰ সন্তান উদয়োৎপলৰ কথা······!! যি এদিন

সংকোচিত মনেৰে, ভয়াতুৰ চাৱনিৰে প্ৰতিহিংসাত দাহনহোৱা তাইৰ মুখলৈ চাই কৈছিল, "মা, তুমি সঁচাকৈয়ে যাবা নেকি? তুমি গুছি গলে মই কাৰ লগত থাকিম মা? আজিকালি দেউতাও ঘৰত নাথাকেই। বুল, কণইঁতেও আমাৰ ঘৰত আগৰ নিচিনাকৈ খেলিবলৈ নাহে। তুমি নাযাবা দেই মা…!!"

সেইদিনা মাতৃত্বৰ কোমলতাখিনি নিষ্ঠুৰ আৱৰণৰে ঢাকি উত্তৰ দিছিল মনিদীপাই, "পল, তুমি সৰু ল'ৰা—, তুমি নুবুজা। বয়সত সকলো বুজিবা। তোমাক ঈশ্বৰে কুশলে ৰাখক। জীয়াই থাকিবা মানবীয়তা গুণেৰে, শুই থকা সমাজক জগাই তুলিবা।"

দূৰৰ নামঘৰৰ শঙ্খ-ঘণ্টা ধ্বনি আৰু মছজিদৰ আজানৰ ধ্বনিয়ে কিছুসময় মনিদীপাক নীৰৱ কৰি ৰাখিলে। অতীতত মনিদীপাই এই দিন-ৰাতিৰ সন্ধিক্ষণ পৰতে এগছি বন্তি আৰু ধূপকাঠিৰে ভগৱানৰ ওচৰত কাতৰে প্ৰাৰ্থনা কৰিছিল—সিহঁতৰ দাম্পত্য জীৱনৰ সুখ আৰু শান্তিৰ কাৰণে। নাই, মনিদীপাই আৰু ভাবিব নোৱাৰিলে। চকুলোৰে আঁচল তিয়াই গাৰুত মুখ গুজি হুকুহুকাই কান্দিলে। "অতীত হেৰাই যায় কালৰ বুকুত, ভৱিষ্যতে ৰচে অবাস্তৱ সপোন।" তাইৰ ভাৱত যতি পৰিছে, মনৰ মাটিভৰাত পানী শুকাই শুকান মৰুভূমি হৈছে।

মনিদীপাই যৌৱনৰ ছুৱাৰদলিত ভৰি দিয়েই লগ পাইছিল এজন পুৰুষ। যৌৱনৰ পুৱতি নিশাই তাই ৰচিছিল পৰেশৰ সপোন। তেতিয়া মনিদীপা আছিল ষষ্ঠমানৰ ছাত্ৰী আৰু পৰেশ আছিল দশম মানৰ ছাত্ৰ। দুয়োকো কিশোৰী মনৰ প্ৰেমে দূৰ ভৱিষ্যতৰ এখন সোণোৱালী ৰাজ্যলৈ উঠাই নিছিল। নাজানিলে কিশোৰী মনে সিহঁতৰ সোণালী বঠাৰে কিমান উজাব নাও……??

ছাত্ৰী অৱস্থাত স্কুলৰ সকলো আয়োজনতে মনিদীপাই আগভাগ লৈছিল। খেল-ধেমালি সকলোতে আগৰণুৱা মনিদীপাজনীৰ সৌন্দৰ্য্যও অটুট আছিল। গোলাপৰ পাহিৰ নিচিনা গাল-মুখ, বৈ পৰা চেলাউৰিৰে হৰিণী যেন এযুৰি চকুৰে সৈতে লাহি দেহটোৰে মহুত

পুৰুষক আকৰ্ষিত কৰিছিল। মনিদীপাৰ মনটিও আছিল এটি চঞ্চল পখিলাৰ নিচিনা, মুকলি-মূৰীয়া। এই উৰণীয়া মনটিয়ে সকলোকে আপোন ভোলেৰে বান্ধ খুৱাইছিল। কিন্তু পৰেশক নিজৰ প্ৰাণতকৈও অধিক ভাল পাইছিল। সেয়েহে উচ্চ বংশৰ অভিজাত্য মানদণ্ড সকলোবোৰ নেওঁচি গুছি আহিছিল পৰেশৰ লগত ভৱিষ্যতৰ সোণালী কাৰেং সাজিবলৈ। পাৰিলে জানো মনিদীপাই……???

মনিদীপাই কিছুদিনৰ পৰা পৰেশৰ ব্যৱহাৰত ক্ষুন্ন হৈ পৰিছে। মহিলা সভানেত্ৰী হৈ মুকলি মনেৰে কাম কৰি ফুৰা মনিদীপাই বুজি নাপালে পৰেশৰ ঠেক গণ্ডিত উমি উমি জ্বলি থকা সন্দেহৰ জুই। আনদিনাৰ দৰে সেইদিনাও পৰেশে ৰাতি এধাৰ বজাত ঘৰ সোমাই আঙুলিৰ টক্ টক্ শব্দৰে সি অহাৰ সঁহাৰি দিয়ে। টেবুলত ভাত থৈ বৈ বৈ আমনি লগাত তাই শুই পৰিছিল। পৰেশৰ কৰ্কশ মাতত তাই উচপ খাই উঠিল।

"মনি দুৱাৰ খোল ..."

তাই লৰালৰিকৈ বিছনাৰপৰা নামি দুৱাৰৰ ছক খুলি পৰেশৰ অসংযত গাৰ কাপোৰ-কানি আৰু মাতাল ৰূপ দেখি ভয়ত শিয়ৰি উঠিল। তাই অবুজ প্ৰাণীৰ দৰে একেথৰে তালৈ চাই আছিল। পৰেশৰ মুখৰ মদৰ গোন্ধে তাইৰ তন্দ্ৰা ভাঙিলে। দৌৰ মাৰি তাৰ কাষৰপৰা আঁতৰি গাকত মুখ গুজি হুক-হুকাই কান্দিব ধৰিলে, ইমান গহীন-গম্ভীৰ পৰেশটোৰ যে কি হৈছে। মুখ খুলি এষাৰ কথাও তাই কব নোৱাৰিলে। বিবেক হেৰুৱাই পৰেশে তাইৰ গালত এটা চৰমাৰি গাতধৰি জোকাৰি জোকাৰি কবলৈ ধৰিলে, "কান্দিছ মনি—, আৰু কান্দ—" তোৰ চকুৰ পানীৰে মোৰ অন্তৰ গলাব নোৱাৰে। মই মদ খাইছো তোক চিৰদিনৰ বাবে পাহৰি যাবলৈ। আদৰ্শবাদী নাৰী মহিলা সমিতিৰ সভানেত্ৰী হৈ গাৱেঁ, গাৱেঁ মেল মাৰ বমেনক লগত লৈ। মই নাজানো বুলি ভাবিছ। তোৰ ৰমেনৰ লগত ইমান হলি-গলি কিহৰ, নালাগে মোক আদৰ্শ নাৰী, অতি সোনকালে তই মোৰ কাষৰপৰা আঁতৰি যা—"নাদৰ ভেকুলীয়ে সাগৰ দেখিবলৈ পাই

ভোৰ পাত চট্‌ফটনি লাগিছে।" পৰেশৰ কথাত মনিদীপাই হিংসুক বাঘিনীৰ দৰে চিঞৰি উঠিল।

পৰেশ, তুমি এইবোৰ কি কৈছা—? নাই তুমি মদৰ নিচাত প্ৰলাপ বকিছা ?? উস্ ভগবান।। তুমি ইমান নীচ্ মনৰ কেতিয়াৰ পৰা হ'লা ? তোমাৰ এই নীচ মনৰ কেবোণ পোকে আমাৰ আশাবে বছা কাবেং ভাঙি চুড়মাৰ কৰিব···। নাজানিলা আজিও তুমি—, তোমাক মই কিমান হিয়া উজাৰি ভাল পাওঁ।। তুমি মোৰ স্বামী। স্বামীৰ মুখত ইমান নীচ কথাই শোভা নাপায়। উঠি অহা পলৰ ভৱিষ্যতটো কিয় বাক তুমি বা-মাবলি হৈ ধ্বংস কৰিব বিচাৰিছা ??

"চুপ থাক, মই সকলো জানো।"

"মনে মনে থাকা পৰেশ। এই বাতি আনে শুনিব। পলে টোপনিৰপৰা সাৰ পাব। মোক আৰু তুমি নজ্জাবা। মিছা অপবাদেৰে লাঞ্ছিত কৰা মন মোৰ জিকাৰ খাই উঠিছে।

"আদৰ্শবাদী নাৰী, লাজ পাইছ নহয়—??"

গোটেই বাতিটো উচুপি, উচুপিয়েই কটালে। বাতিপুৱা খিৰিকীৰ ফাঁকেৰে সোমাই অহা মিঠা ৰ'দৰ বেঙণি পৰাত তাই সাৰ পাই উঠিল। বাতি পৰেশৰ ব্যৱহাৰবোৰ তাইৰ সপোন, সপোন লাগিল। গাটো তাইৰ বৰ অৱশ, অৱশ লাগিল। গাটো ধুই আনদিনাৰ দৰেই শিৱৰ মূৰ্ত্তিৰ ওচৰত ধূপডাল জ্বলাই কাতৰে প্ৰাৰ্থনা জনালে। হয়তো মনিদীপাৰ নিষ্কলুষিত মনৰ ভাষ শিৱই শুনিবলৈ নাপালে। সেইয়ে সত্যৰ বান্ধ চিঙি পঁচিশ বছৰীয়া মনিদীপাই প্ৰতি-হিংসাৰ দাৱানলত নিজকে জ্বলাই, জ্বলাই শেষ কৰিছে অলি-গলিৰ জুপুৰীত বাইজী মালতীৰ ৰূপেৰে। সবি পৰা মৰহা পাপৰিৰ দৰে।। ●●●

# অতৃপ্ত আত্মাৰ বিননি / লক্ষীপ্ৰিয়া দত্ত

বিশ্বাস কৰিবলৈ টান লাগিলেও মানুহৰ জীৱনত এনে কিছুমান ঘটনা ঘটে যিবোৰৰ হয়তো বাস্তৱ জগতত একো মূল্যই নাই। তেনে এক অবাস্তৱ অথচ সত্য, এক অলৌকিক ঘটনা মোৰ জীৱনত ঘটি গ'ল।

সিদিনা আছিল ১৯৭৯ চনৰ ৩০ জুন শনিবাৰ। মই ডিব্ৰুগড় মেডিকেল হস্পিতালৰ বাৰাণ্ডাত বহি আছো এটি আচহুৱা বেশত। অলপ পিচতেই মোক লৈ যোৱা হ'ব অপাৰেচন্ কক্ষলৈ য'ত মোৰ পিত্তৰ (Gall-Blader) অপাৰেচন হ'ব। বহুদিন ধৰি এই অসুখত মই ভুগি আছিলো। বহুত দৰৱ খালোঁ কিন্তু পিত্তথলীত যেতিয়া পাথৰ হয়, তেতিয়া হেনো অপাৰেচন বিনে গতি নাই। সেই সময়ত মোৰ দেহা-মন দুয়োটাই অসুস্থ। মনলৈ নানা চিন্তা আহিছে। হস্পিতালৰ পৰিবেশটোলৈ চাই চাই ভাবিছো এইখন এখন বাস্তৱ যমপুৰী। ইয়ালৈ অহাসকল যেন নিজ নিজ কৃতকৰ্মৰ ফল ভোগ কৰিবলৈহে ইয়ালৈ আহিছে। বিবিধ কৰ্মৰ ফল অনুযায়ী যেন যমৰ যন্ত্ৰণাহে ইয়াত ভুগিবলৈ আহিছে। কতজনে আকৌ ৰোগ যন্ত্ৰণাৰ উপশম ঘটাবলৈ আহি অমূল্য জীৱনটোকে হেৰুৱাই পেলায়। কতজনে দৰৱ, পানী, খাদ্য-চিকিৎসা আদিৰ বাবে আৰ্তনাদ কৰি কৰি এটা সময়ত নীৰৱ হৈ যায়। কেতিয়াবা কেতিয়াবা ডাক্তৰ-নাৰ্চসকলক একোগৰাকী সাক্ষাৎ যমদূত যেন লাগে আৰু কেতিয়াবা একোগৰাকীক ঈশ্বৰ-প্ৰেৰিত দেৱদূত যেনো লাগে। মুঠতে যি এবাৰ এই হস্পিতালখনলৈ আহি চিকিৎসা গ্ৰহণ কৰিছে তেওঁলোকক হয়তো নক'লেও হ'ব মোৰ এই তিতা-কেঁহা অভিজ্ঞতাবোৰৰ কথা।

লাহে লাহে সময়বোৰ আগবাঢ়িছে। মোৰ ছোৱালীহঁত, গৃহস্থ

আৰু ভণ্টিজাই মোক ৰেখি আছে। মই কাৰো লগত বাজেবোল কৰা নাই, কাৰণ মোৰ নাকত থিডাল নলী সুমুৱাই থৈছে তাৰ যন্ত্ৰণাত মোৰ কথা কবলৈ মন যোৱা নাছিল। এনেতে মানুহ এজন মোৰ ওচৰলৈ লাহে লাহে আগবাঢ়ি আহি ক'লে, "বাইদেউ, আপোনাৰ যে আজি অপাৰেচন হ'ব, অপাৰেচনৰ পিচত আপোনাৰ তেজৰ দৰকাৰ হ'ব নহয়। তেজৰ যোগাৰ হ'ল জানো?" মই উত্তৰ দিবলৈ নোপাওঁতেই মোৰ ভণ্টিজাজনে ক'লে,—"হ'ল, কিয় সুধিছা?" মানুহজনক দেখি মোৰ ধাৰণা হ'ল বেচেৰা তেওঁকো চাগৈ তেজৰ দৰকাৰ। সেয়ে আমাক সুধিছে আমি তেজ ক'ত পালোঁ।' কিন্তু তেওঁৰ মুখৰ কথাগুলি মই আচৰিত নহৈ নোৱাৰিলোঁ।। তেওঁ মোক বৰ কাকুতি-মিনতি কৰিবলৈ ধৰিলে। তেওঁৰপক্ষে তেজ লবই লাগে নহ'লে আজি দিনটো তেওঁৰ পৰিয়ালটি অনাহাৰে থাকিব। তেজ বিক্ৰী কৰাৰ বাহিৰে তেওঁৰ আৰু আন উপাৰ্জন নাই। কি আচৰিত কথা মানুহজন দেখাত এজন বেমাৰী যেন লাগে অথচ তেওঁ আকৌ তেজহে বিকিবলৈ আহিছে। মোৰ ভাবি বৰ দুখ লাগিলে—নিজৰ শৰীৰৰ তেজ টুপিও বিক্ৰীকৰি মানুহে এখনি সংসাৰ প্ৰতিপাল কৰিবলগা অৱস্থা এটি এইখন দেশতে হৈছে। হায় ভগৱান! তোমাৰ কি বিচিত্ৰ লীলা। মোৰ চিন্তাৰ সোঁতত বাধাদি নাৰ্চ এগৰাকীয়ে মাত লগালে—"বাইদেউ ব'লক আপোনাৰ সময় হ'ল। মই লাহে লাহে নাৰ্চগৰাকীয়ে ঠেলি নিয়া দুচকীয়া গাড়ীখনত উঠিলো। গাড়ী চলিল—তেতিয়া সময় ৰাতিপুৱা ৭ বাজি ৩০ মিনিট। ইয়াৰ অলপ পিচতে অৰ্থাৎ ৮ বজাত মোক অপাৰেচন কক্ষত সুমুওৱা হ'ব। মোৰ লগত মোৰ ছোৱালীহঁতো আগবাঢ়িল। অপাৰেচন কক্ষৰ দুৱাৰমুখ পোৱাৰ লগে লগে ডাক্তৰে ক'লে, "কিছু সময় বৰ লাগিব কাৰণ বিজুলী সৰবৰাহ বন্ধ হৈছে।" মোৰ মনটো সেমেকি গ'ল। আজি শনিবাৰ তাতে আকৌ মোৰ জনমবাৰ। প্ৰথমেই বাধাৰ সন্মুখীন হ'লো। আৰু বা কি হয়? ডাক্তৰ সুনীলাল চৌধুৰী মানুহজন বৰ ভাল। সহজ-সৰল বৰ অমায়িক মানুহ। তেওঁ মোৰ

দাদা মনোমোহন দাসৰ অন্তৰঙ্গ বন্ধু। সেয়ে দাদাৰ পৰামৰ্শমতে মই তেখেতৰ ওচৰতে চিকিৎসা লৈছো। আজি তেখেতেই মোৰ অপাৰেচন কৰিব। দাদাৰ বন্ধু হিচাবে মই তেখেতক মুকলি ভাৱে কথাবোৰ কব পাৰিছিলো। সেয়ে তেখেতক মই অনুৰোধ জনালো যে আজি আৰু অপাৰেচন কৰিব নালাগে। কাৰণ বাধাতো পাইছোৱেই তাৰোপৰি আজি মোৰ জনমবাৰ, মনটো ভাল লগা নাই। ডাক্তৰ চৌধুৰীয়ে মোৰ অন্ধবিশ্বাসৰ কথাবোৰ শুনি হাঁহিছিলে আৰু ক'লে যে শনিবাৰ যেতিয়া জনমবাৰ সেয়ে অপাৰেচন শনিবাৰে হ'লে ভালেই হ'ব কাৰণ জনমবাৰ কেতিয়াও বেয়া হ'ব নোৱাৰে। সকলো ভাল কাম আৰু গুৰুত্বপূৰ্ণ কাম জনমবাৰেহে কৰিব লাগে। ইয়াৰ উত্তৰত মই মৌন হৈ ৰ'লো।

সময় আগবাঢ়িল। বিজুলী সৰবৰাহ বন্ধ হোৱাত মোৰ অপাৰেচনৰ সময় ৮ বজাৰ সলনি ১০ বজাতহে নিৰ্দ্ধাৰিত হ'ল। সময় আগবঢ়াৰ লগে লগে ডাক্তৰ চৌধুৰীৰ সহকাৰী ডাক্তৰ শ্ৰী পি. ঠাকুৰ আৰু শ্ৰীপাটোৱাৰীয়ে মোক সজাই-পৰাই প্ৰস্তুত কৰোৱালে। মোৰ পৰিয়ালবৰ্গই মোক সমবেদনাৰে আগবঢ়াই দিলে। সেই সময়ত মোৰ এনেকুৱা লাগিছিল যেন মোক কোনোবা গোঁসানীৰ আগত বলি দিবলৈহে লৈ যোৱা হ'ব ধৰিছে। নিৰ্দ্ধাৰিত সময়ত মোক অপাৰেচন কক্ষত প্ৰবেশ কৰোৱা হ'ল। চাৰিওফালে চাই দেখিলো যে সকলো প্ৰস্তুতি প্ৰায় সমাপ্ত। মোক ঠেলিনিয়া বিচনাখনৰপৰা অপাৰেচন বিচনাত শুৱাই দিলে। মোৰ চকুদুটি কাপোৰ এখনেৰে ঢাকি দিয়া হ'ল। চকুদুটি ঢাকি দিয়াৰ আগমুহূৰ্তত মই দেখিছিলো মোৰ বিচনাৰ কাষত থিয় হৈ আছে ডাক্তৰ চৌধুৰী, ঠাকুৰ, পাটোৱাৰী আৰু মোৰ দাদা ডাক্তৰ মনোমোহন দাস; লগতে এনাস্থেচিয়া বিভাগৰ মুৰব্বী ডাক্তৰ গৰাকী।

অপাৰেচন প্ৰক্ৰিয়া আৰম্ভ হ'ল। ডাক্তৰ ঠাকুৰে মোক ক'লে,—"বাইদেউ, বেজি এটা দিছো দেই আপুনি ভালহৈ যাব। লগে লগে বেজিৰ খোচ অনুভৱ কৰিলো"। কেই মুহূৰ্তমান পিচতে মোৰ বাহ্যিক

চেতনা নাইকিয়া হৈ যাব ধৰিলে। মই যেন অসাৰ হৈ যাব ধৰিলো, কেৱল মোৰ কাণত এখন যেন গ্ৰামোফোনৰ ৰেকৰ্ড বাজি থাকিল কিছুসময়লৈ আৰু ডাক্তৰ ঠাকুৰৰ কথাখিনি বাৰে বাৰে মোৰ কাণত অনুৰণিত হৈ থাকিল। এটা সময়ত সকলো শব্দ বন্ধহৈ গ'ল। মই একো ক'ব নোৱাৰাহৈ পৰিলো।

কেইমুহূৰ্তমান পাৰহৈ গ'ল। অপাৰেচন কক্ষত কি ঘটিছে, মই একো কবই নোৱাৰো। হঠাতে মই শুনিবলৈ পালোঁ। মোক যেন কোনোবাই মাতিছে। মাতটো মোৰ সম্পূৰ্ণ অচিনাকি। অচিনাকি মাতটোৱে মোক শৰীৰটোৰপৰা ওলাই আহিবলৈ বাৰে বাৰে মাতিবলৈ ধৰিলে। উত্তৰত মই ওলাই যাব নোৱাৰো বুলি কলো কিন্তু তেওঁ নেৰে। মোক ক'লে, "তোমাৰ ছোৱালীহঁত ক'ত কিদৰে আছে চাবলৈ মন যোৱা নাইনে। আহা ওলাই আহা।" মই ওলাই গ'লো কিন্তু কিদৰে মই একো কব নোৱাৰো। কেৱল অনুসৰণ কৰিলো সেই মাতটিক। একো দেখা নাই অথচ কি বলিষ্ঠ সেই আহ্বান। মই উলাই কৰিব নোৱাৰিলো। ওলাই গৈ দেখিলো, আঃ কি সুন্দৰ প্ৰকৃতিৰ ৰূপ! কি উজ্জ্বল পোহৰ চাৰিওফালে। কি সুন্দৰ মুকলি পৰিবেশ। কিযে এক বৰ্ণাব নোৱাৰা অনুভূতি। অচিনাকি মাতটোৱে মোক লৈ গ'ল য'ত মোৰ ছোৱালী আৰু পৰিয়ালবৰ্গই অতি আগ্ৰহেৰে অপেক্ষা কৰি আছে কেতিয়া সেই অপাৰেচন কক্ষৰ দুৱাৰখন মুকলি হয়। সেই অচিনাকি মাতটোৱে মোক ক'লে, "চোৱা তোমাৰ প্ৰিয় পৰিজনবৰ্গ কিদৰে ব্যগ্ৰ হৈ ৰৈ আছে তোমাৰ বাবে।" মই দেখিলো সকলো চিন্তাক্লিষ্ট। গালে মুখে হাতদি বহি আছে কিন্তু তাত তেতিয়া মোৰ ভতিজা এজন উপস্থিত নাছিল। তেওঁনো কলৈ গৈছিল মই গম নেপালোঁ। কিছু সময় পিচত মাতটোৱে মোক বাহিৰলৈ লৈ গ'ল। মই দেখিবলৈ পালো মুকলি আকাশ চাৰিওফালে প্ৰকৃতিৰ এক আনন্দমুখৰ পৰিবেশ। বৰ ভাল লাগিছিল উৰি ফুৰিবলৈ। অচিনাকি মাতটিয়ে তেতিয়া মোক কবলৈ ধৰিলে, "হেৰা চোৱা মই তোমাক ইয়ালৈকে অনাৰ কাৰণ কি জানানে?" মই

ক'লোঁ, "নেজানো, তুমিনো কোন?" উত্তৰ আহিল, "মই এক অতৃপ্ত আত্মা। বহুদিন ধৰি মোৰ মনৰ কথা প্ৰকাশ কৰিবলৈ কাকো পোৱা নাই আজি তোমাক লগ পালোঁ। তুমি মোৰ এক মহান কৰ্তব্য সমাধা কৰিব লাগিব।" মই নীৰৱে শুনি গ'লোঁ। অতৃপ্ত আত্মাই কৈ গ'ল, "মই বহু যন্ত্ৰণা ভুগি ভুগি এই হস্পিতালতে শেষহৈ গ'লো কি মই মুক্তি আজিও পোৱা নাই।" মই সুধিলোঁ, "মইনো কি কৰিব লাগিব।" উত্তৰত তেওঁ ক'লে, "তুমি মোৰ মুক্তিৰ বাবে একো কৰিব নোৱাৰা। কাৰণ মোৰ প্ৰিয় পৰিজনেহে পাৰিলেহেঁতেন মোক মুক্তি দিবলৈ, তেওঁলোকে মোৰ বাবে একোকে নকৰিলে।" মই সুধিলোঁ, "মই এতিয়া কি কৰিব লাগিব কোৱা।" উত্তৰত আত্মাই ক'লে, "মানুহৰ মৃত্যু যন্ত্ৰণা বৰ অসহনীয়। আত্মাই শৰীৰ ত্যাগ কৰা বৰ কষ্টকৰ। এই অসহনীয় যন্ত্ৰণাৰপৰা হাত সাৰিবলৈ একমাত্ৰ উপায় হৈছে মৃত্যুৰ সময়ত পৰিয়ালৰ যি জন ব্যক্তি মৃত্যুমুখীৰ প্ৰিয় সেই প্ৰিয়জনে কাণত অহৰহ ৰামনাম শুনাব লাগে। তেতিয়া মৃত্যু বৰ সুখৰ হয়। আত্মাই একো কষ্ট নেপায় আৰু অনায়াসে আত্মাই বৈকুণ্ঠলৈ গমন কৰে আৰু তেওঁৰ চিৰমুক্তি হয়। ইয়াকে নজনাৰ দোষত পৃথিৱীৰ সকলো মানুহে মৃত্যু যন্ত্ৰণা ভোগ কৰিয়ে আছে আৰু মোৰ দৰে অতৃপ্তহৈ কতো স্থান নেপাই অনাই-বনাই ঘূৰি ফুৰে। সেয়ে মোৰ অনুৰোধ তুমি সুস্থ হৈ এই ৰহস্য লোকসমাজত প্ৰচাৰ কৰিবা। ভয় নাই তুমি মোক আকৌ সময়ত লগ পাবা।" সেই মুহূৰ্ততে মোৰ মনত এনে প্ৰতিক্ৰিয়া হ'বলৈ ধৰিলে যেন মই এই মুহূৰ্তৰপৰা প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিম। কিন্তু মই কব নোৱাৰো, কাৰণ শৰীৰ-বিহীন আত্মাই হেনো কথা কব নোৱাৰে। সেয়ে সেই আত্মাই মোক আকৌ মোৰ অপাৰেচন কক্ষত থকা শৰীৰৰ ওচৰলৈ লৈ আহিলে। মই স্পষ্ট দেখিবলৈ পালো মোৰ অপাৰেচন চলি আছে। ডাক্তৰ ঠাকুৰে মোৰ পেটৰ ভিতৰত যেন কিবা বিচাৰি আছে আৰু ডাক্তৰ চৌধুৰীয়ে সুধিছে—"Any other infection?" ডাক্তৰ ঠাকুৰে 'No' বুলি উত্তৰ দিছে। যন্ত্ৰপাতিবোৰ মই স্পষ্ট দেখিবলৈ

পাইছিলো। সেই সময়তে আত্মাই মোক শৰীৰত প্ৰবেশ কৰিবলৈ আদেশ দিলে। মই প্ৰবেশ কৰিবলৈ অস্বীকাৰ কৰিলো। আত্মাই মোৰ কৰ্তব্যৰ বিষয়ে সোঁৱৰাই দি প্ৰবেশ কৰিবলৈ পুনৰ আদেশ দিলত নিমিষতে মই শৰীৰত প্ৰবেশ কৰিলো। লগে লগে মই একো কৰ নোৱাৰা হৈ পৰিলোঁ। যেতিয়া জ্ঞান পালো তেতিয়া প্ৰায় সন্ধিয়া। পৰিয়ালৰ সকলো মানুহে মোক বেঢ়ি আছে। শৰীৰত যন্ত্ৰণাৰ অনুভূতি হোৱাৰ লগে লগে কষ্টত মই অস্থিৰ হৈ পৰিলো। লগে লগে ডাক্তৰ আহিল আৰু মোক আকৌ বেজি এটা দিলে যন্ত্ৰণাৰ উপশমৰ বাবে। লগে লগে মোৰ টোপনি আহিল।

অপাৰেচনৰ তৃতীয় দিনা কিবা এক বিজুটি ঘটিল। মোৰ তপোময় জ্বৰ লগতে পেটৰ অসুখ আৰম্ভ হ'ল। সেই সময়ত মোৰ ভতিজা ডাক্তৰ ব্ৰজেন দাস ডিব্ৰুগড় মেডিকেল কলেজত এম-ডি কৰি আছিল। তেওঁৰ বন্ধু ডাক্তৰ শৰ্মীডেকাই অপাৰেচনৰ সময়ত মোক তেজ দিছিল। সিদিনা শ্ৰীডেকা উপস্থিত নথকা হ'লে সিদিনাই মোৰ এই নশ্বৰ দেহা ত্যাগ কৰি আত্মা গুলাই গ'লহেঁতেন। যি কি নহওঁক মই সকলোৰে অশেষ যত্নত ক্ৰমে আৰোগ্য লাভ কৰিলো। মোৰ হস্পিতাল এৰিবৰ সময় প্ৰায় আগত। কিন্তু অপাৰেচনৰ সময়ত ঘটা ঘটনাৰ সত্যতা প্ৰমাণ কৰিবলৈ মোৰ মনটো ব্যাকুলহৈ পৰিল। ডাক্তৰ ঠাকুৰ আৰু পাটোৱাৰীক মাতি আনিলো আৰু ডাক্তৰ চৌধুৰীয়ে যে মোৰ অপাৰেচন চলি থকা অৱস্থাত ঠাকুৰক ইংৰাজী বাক্যটি কৈছিল সেয়া সত্যনে সুধিলো। তেখেত সকলো সত্য বুলি স্বীকাৰ কৰিলে। পৰিয়ালৰ মানুহবোৰ, মোৰ ছোৱালীহঁত কোনে কি অৱস্থাত বহি আছিল তাৰ সত্যতাৰ প্ৰমাণো মই ল'লো। সেই সময়ত উপস্থিত নথকা ভতিজাজনকো সুধিলো তেওঁনো কলৈ গৈছিল। তেওঁ ক'লে যে তেওঁ হেনো মোৰ বাবে তেজ বিচাৰি গৈছিল। মই ঘটনাৰ সকলো সত্য প্ৰমাণ পালো। গতিকে অবাস্তৱ হ'লেও মই যে এক অতৃপ্ত আত্মাক লগ পালো সেয়া সত্য।

অৱশেষত ডাক্তৰ সুনীলাল চৌধুৰীক এই সত্য অথচ অবাস্তৱ

কাহিনীটোৰ সবিশেষ জনালো। তেখেত আচৰিত হ'ল যদিও উলাই নকৰিলে। তেতিয়াই মই তেখেতৰপৰা অনুমতি লৈছিলো যে যদি কেতিয়াবা এই কাহিনী লিখি প্ৰকাশ কৰো আৰু আপোনালোকৰ নাম প্ৰচাৰ কৰো কিবা আপত্তি আছে নে? তেতিয়াই তেখেতে মোক অনুমতি দি থলে আৰু কিবা সহায় দৰকাৰ হ'লে কৰিম বুলিও প্ৰতিশ্ৰুতি দি থলে।

মোৰ এই অবাস্তৱ কাহিনী মোৰ বহু বন্ধু-বান্ধবীৰ আগত প্ৰকাশ কৰিছো আৰু আজি এই লেখনীৰ মাজেৰে প্ৰচাৰ কৰিবলৈ প্ৰয়াস কৰিছো যাতে সেই আত্মাই শান্তি পায়। জগতে মই যে এক মহান সত্যৰ সন্ধান পালো তাকো পাঠকৰ আগত এই লেখনীৰে প্ৰচাৰ কৰিছো—"আত্মা অমৰ। আত্মাৰ উৎকৰ্ষ সাধন কৰিব পাৰি হৰি-ভক্তিৰ দ্বাৰাইহে। মানৱ অন্তৰ হৰিভক্তিৰ দ্বাৰা আপ্লুত হ'লে আত্মাই চিৰমুক্তি লাভ কৰে। সংসাৰ বন্ধন আৰু সেই আত্মাৰ নেথাকে।" ●●●

## জেতুকা পাতৰ দৰে / যোগমায়া গগৈ

ৰূপশ্ৰী আছে তিনিমান বজাত। সদায়ে আহে। এই নিয়মৰ ব্যতিক্ৰম কোনোদিন নঘটে। তাই দিনত বহুদূৰলৈ যায়। ৰেফ্ৰিজেৰ ওচৰৰ খাননি পথাৰৰ কাষে কাষে কোমলকৈ গজি থকা লহপহীয়া ঘঁাহখিনি খাই তাই বৰ ভাল পায়। সেয়েহে পুৰা আঠমান বজাত মেলি দিলেই এমাইল দূৰৰ সেই ঠাইখিনি পাইগৈ। কেতিয়াবা তাইৰ বিষয়ে দুই-একে আপত্তি জনায়,—আপোনালোকৰ গৰুজনীয়ে আজি আমাৰ কোৱা খাইছে—কিন্তু আমি যেতিয়া চাবলৈ যাওঁ জেওৰা-জপনা একো ভগা নেদেখো। তাই জঁপিয়াই পাৰ হৈ গৈ খাই আছে। তাই ইমান চেঙা যে তাইক কোনেও মাৰিব নোৱাৰে আৰু দুষ্টালি কৰিলেও মাৰিব নোৱাৰি ; কাৰণ তাইৰ বগা নিপোটল গাটোত এচাবিৰ এটা আঁচোৰ পৰাও আমাৰ সহ্য নহয়। যিমান পাৰো তাইক বুজাওঁ—"বাহিৰত ইমান ধুনীয়া ধুনীয়া কেঁচা ঘঁাহবোৰ থাকোতে আনৰ খাননিত সোমাব নাপায় নহয়।" তাই পলক নেপেলোৱাকৈ চাই থাকে, তাই যেন কথাবাৰ বুজি পাইছেহে।

মানুহৰ যিদৰে গুৰণি-অগুৰণি মুখলৈ চায়েই ধৰিব পাৰি—সেইদৰে জীৱ-জন্তুবিলাকলৈ লক্ষ্য কৰিলেও ধৰিব পাৰি। ৰূপশ্ৰী নামটো তাইক ধুনীয়া দেখিয়ে দিয়া। তাইৰ খোজ-কাটলবোৰ দেখিলে ৰাজকুমাৰীয়ে ভেমত খোজকঢ়া যেনহে লাগে। ৰবথনৰ অতি আদৰৰ হৈ পৰা ৰূপশ্ৰীক চেঙা বাবে মানুহ এজনে কম-দামতে পোৱালিতে উপযাচি দিলেহি। তাইক আমি বৰ মৰম কৰিছিলো। বিশেষকৈ মই তাইক বান্ধিছিলো আৰু দানা খাদ্বি খুৱাইছিলো। মায়ে খেমালিতে তাই আহি পালেই কৈছিল—'ভনীয়েৰ আহিলে অ'।' মই হাঁহিছিলো তৃপ্তিত, কাৰণ তাই মোৰ লগ বেছিকৈ লৈছিল।

এইদৰেই মোৰ সোণালী কৈশোৰ কালটো পাৰ কৰিছিলো৷ ৰূপশ্ৰী, বেজিয়া, বনফুল, লাটুমণি, টুটুমণিহঁতৰ লগত। এইবোৰৰ ভিতৰত বেজিয়া, বনফুল—আমাৰ মেকুৰী দুজনীৰ নাম। লাটুমণি আৰু টুটুমণি ছাগলী পোৱালী দুটা। ইহঁত দুটাৰ অথালি-পথালিকৈ জঁপিওৱা চাই বৰ ভাল লাগে। ইহঁতৰপৰা বহিবই নোৱাৰি পিঠিত উঠিবই জঁাপমাৰি। বনফুলে মোৰ সকভক্তিৰ লগ ৰবকৈ লৈছিল। তাই স্কুলৰপৰা অহাৰ সময়ত আলিত বৈ থাকি—ভৰিত মুৰ ঘঁহাই তাইক দিনটোৰ আপত্তিবোৰ জনাইছিল।

এইদৰে আমাৰ এখন সংসাৰৰ লগত এই জীৱজন্তু কেইটা সাঙুৰ খাই পৰিছিল। আমাৰ লগে লগে ৰূপশ্ৰীও ডাঙৰ হৈ আহিল। এদিন দুদিনকৈ তাই গহীন হৈ আহিল—মায়ে ক'লে, ৰূপশ্ৰীয়ে আঘোণ মাহতে পোৱালী দিব। এই কথা শুনাৰ পাছত তাইক আমি বেছি যত্ন কৰিবলৈ ধৰিলো। তাই এদিন ৰবিবাৰ এটাত নোদোকা কজলা পোৱালী এটা দিলে। পোৱালীটো ওখ আছিল। প্ৰথম জগাৰ পাছতে তাৰ লেঙপেঙীয়া ঠেঙ দুটাই থিয় হবলৈ যত্ন কৰেঁাতে এবাৰ উঠে এবাৰ পৰে। আমি তাৰ চেষ্টা দেখি হাঁহিছিলো, কৈছিলো—দেখা, ইহঁতে মাকক অকণো কষ্ট নিদিয়াকৈ দুদিন পিছত নিজেই চপলিয়াই ফুৰিব, খাব। আমাৰ মানুহ পোৱালীবোৰক চাৰি বছৰমানলৈকে খুৱাই দিয়া, ডাঙি ফুৰা ক'ত কিযে কাম!

পোৱালীটো ৰবিবাৰে জগা কাৰণে তাৰ নাম ৰবিন থৈছিলো।

তাক মই সদায়ে ডাঙিছিলো। ঠিক কৰিছিলো—তাক প্ৰতি-দিনেই ডাঙিম আৰু ডাঙিছিলোও দুবছৰ মানলৈকে। সি শকত-আৱত আছিল। "অভ্যাসৰ নব কৰ্ণ পথে কৰে শৰ"—এই কথাশাৰীৰ তাৎপৰ্য্য উপলব্ধি কৰিবৰ বাবে ডঙাৰ অভ্যাস কৰিছিলো। সি যৰম বুজি পাইছিল—ওচৰলৈ আহি হাতত চেলেকি দিছিল। সি ৰূপশ্ৰীৰ প্ৰথম সন্তান আছিল।

আমাৰ খেতি-পথাৰ বানপানীয়ে কোনো বছৰত উটুৱাই লৈ গৈছিল—তেতিয়া কেতিয়াবা কেতিয়াবা বছৰটোৰ বাবে লাটনিও

হৈছিল। ৰবিনে খেতি কৰিবলৈ লোৱাৰ পৰাই বছৰটোৰ ধান জোৰা মৰাৰ উপৰিও বেচিব পৰা হৈছিল। দেউতাক কৈছিল, "ই আমাৰ ঘৰলৈ লক্ষী হৈহে আহিছে!" তাৰ ডাঙৰ ডাঙৰ কাজল সনা চকুকেইটা দেখিলে ভাব হয়, 'ই গৰু নহয়, যেন গৰুৰ ৰূপলৈ সৰগৰ পৰা কোনোবা দেৱতাহে নামি আহিছে।

ৰবিনৰ নেজডালে মাটি চুচৰি গৈছিল। সাধাৰণতে বহুতো গৰুৰে ইমান দীঘল নেজ নথকাৰ বাবে তাক আমি অসাধাৰণ বুলি ভাবি লৈছিলো।

ৰবিনৰ মঞ্জুশ্ৰী নামৰ এজনী ভনীয়েক আৰু বিজন নামৰ এটা ভায়েক হৈছিল।

বিজন দুবছৰীয়া মান হওঁতেই আমি কৰ নোৱাৰাকৈয়ে মানুহে কাটি থোৱা লেম্‌টেঙৰ পাত খাই মৰিল। অনেকে কোৱামতে এই গছজোপাৰ পাত নিজে সৰিলে বিহ নহয় কিন্তু কাটি থোৱা পাত খালে বিহ হয়। তাৰ মৃত্যু বৰ দুখ লগা। সি ৰাতি কেতিয়া মৰিল কোনেও নাজানিলো। ৰাতিপুৱা গোহালিঘৰত মুখেদি ফেন্ ওলাই ঠৰঙা হৈ পৰি থকা দেখিহে ভাবিলো, দেহি ঐ, মৰিবৰ সময়ত বিজনে চাগৈ আমাক কিমান বিচাৰিছিল! আমি কোনেও তাৰ গাটোকে মোহাৰি দিবলৈ নাপালো।

সি গ'লগৈ সকলোকে কন্দুৱাই। বিজয়া দশমীত জনম লৈ কেৱল বিসৰ্জনৰ বেদনাহে দি গ'ল।

ৰবিন ডাঙৰ হৈ আহিল। তাক হালত দিবৰ বাবে দেউতাই যত্ন কৰে। কেতিয়াবা পুঁৰণা হালোৱা এটাৰ লগত মৰণাত জুটি দিয়ে, কেতিয়াবা আকৌ পথাৰতো হালত জোটে। এইদৰে তাৰ প্ৰথম শিকনি আৰম্ভ হয়। সি বিজনৰ দৰে বৰ বেছি দুষ্ট নকৰাকৈ কামখিনি বুজি লয়।

এবাৰ কিন্তু ৰবিনেও কম দুষ্ট কৰা নাছিল। তেতিয়া খেতিৰ বতৰ।৲ তাক এবাল দি থওঁতে কেনেবাকৈ এবাল চিঙি আগতে দেখি অহা লেটেজীয়া কোৱা এডৰাত মুখ দিছিলগৈ। আমি তাক একেলা

বিচাৰিও পোৱা নাছিলো। ভাবেছি সম্ভৱত মানুহ এজনে খেদি খেদি আমাৰ চোতালত থবলৈ আহিল। মই তাক দেখিয়েই মাক চিঞৰিলো, 'মা! মা! ৰবিন আহিল!' মায়ে ক'লে, "আহিল যদি বান্ধি থ'।" মানুহজনে ভোৰভোৰাই কৈছে—'গৰুটো আনি দিছো ভাল পাব লাগে, মোক আকৌ বান্ধি থবলৈহে কৈছে। সি গ'লগৈ। তাৰ খঙৰ কথা পিছত দেউতাক কোৱাত—দেউতাই ক'লে—"কথা এটা হ'ল, যিটোৱে আমাৰ ৰবিনক খেদি আনিছিল তাৰ নামো ৰবিন।" সিটো নাজানে আমাৰ ৰবিনৰ নাম! আমি ৰ'ৰ নোৱাৰি হাঁহিছিলো।

ৰবিনৰ লগলৈ একে বঙৰ এটা গৰু কিনি আনিছিলো। ৰবিনৰ লগত মিলাই আৰু সি নতুন বাবেই তাৰ নাম নবীন দিছিলো। ইহঁত দুয়োটাকে দেখি মানুহে আচৰিত হৈছিল—দুয়োটাকে গৰু নহৈ মানুহে হোৱা হ'লে যঁজা বুলিয়েই সুধিলেহেতেন। নবিনকো আমি মৰম কৰিছিলো। তথাপিও ঘৰ ওপজা হোৱা বাবে ৰবীনে যেন আমাৰ সকলোৰে পৰা মৰমবোৰ বেছিকৈ আদায় কৰিছিল।

মৰণাত মোখোৱা দিয়া নিয়ম আমাৰ ঘৰত নাছিল। একেটা পৰিয়ালৰ বুলি ভবা বাবেই নেকি মায়েও কৈছিল, "খাওঁকচোন দুমুঠিমান। সিহঁতেহে উপাৰ্জন কৰি দিছে।"

কৈশোৰ পাৰ হৈ এদিন যৌৱনত ভৰি দিলো। ডাঙৰ ছোৱালী ঘৰত থকাতো মাহঁতৰ বাবে বৰ চিন্তাৰ কথা। গতিকে এদিন উলিয়াই দিলে আনৰ ঘৰ শুৱনি কৰিবলৈ। স্বামীৰ লগত ঘৰৰপৰা বাহিৰে বাহিৰে ঘূৰিব লগাত পৰিলো। মোৰ সোণালী অতীতকৈ মনত পেলাই কেতিয়াবা নিৰৱে কান্দো। মাহঁতলৈ, চিৰ চেনেহৰ মোৰ ঘৰখনলৈ মনত পৰে, তাৰ মাজতে মনত পৰে ঘৰত এৰি অহা কথা কব নজনা অথচ চাৱনিতে হেজাৰ কথাকব পৰা মোৰ মৰমৰ জন্তু-বোৰলৈ, যিবোৰ জন্তু মই জন্তু বুলি ভবা নাছিলো। গৰুগুলি এটা নষ্ট কৰিলেও এচাৰিৰ সলনি হাতেৰে ঠেলি ঠেলি আঁতৰাইছিলো সিহঁতেও চাগৈ ঘৰৰ বাকীবোৰৰ মাজত মোক নিৰৱে বিচাৰি ঘূৰিছিল।

মাজে মাজে ঘৰলৈ যাওঁতে মই সিহঁতৰ কাষলৈ গৈ মৰম কৰিছিলো। তেতিয়া সিহঁতে চাগে ভাবিছিল—ইমান দিনে আমাৰ মৰমী বাইদেউজনী ক'ত্তবা আছিলগৈ? ঘূৰি আহোঁতে চকুলোৰে বাট নেদেখা হৈছিল।

এবাৰ নোৱাৰা কাৰণত এবাৰ প্ৰায় তিনিবছৰমান মাইঁতৰ তালৈ যাব পৰা নাছিলো। গলো বহুতদিনৰ মূৰত। ঘৰখনৰ যেন বহুতো পৰিবৰ্ত্তন ঘটিছে। চাৰিওফালে কিবা যেন নাই নাই ভাব। মোৰ সোণালী শৈশৱৰ নদন-বদন ঘৰখনৰ এয়া যেন এটা কাঙাল ৰূপ। মই চাহ-জলপান খাই মোৰ অভ্যাসমতে মই বাৰীখন চাবলৈ গ'লো, য'ত ভৰি থাকে তামোল-পাণ, বিবিধ নেমু, বগৰী, কল, মধুৰী আদিৰে। নাই সকলোতে দৈন্যতা! হাঁহ-কুকুৰাৰ গঁৰালৈ গ'লো তাতো সেই একেই। বাৰীত ঘূৰি ফুৰিলে দেউতা মোৰ লগে লগে ফুৰে—দেউতাক সুধিলো, "দেউতা! কুকুৰা বেছি নাই দেখোন!" দেউতাই ক'লে, "বাইশটা কুকুৰা দুদিনতে মৰিল। হাঁহ কেইটাও কিহবাই খালে।" গোহালিলৈ গ'লো—এইবাৰ মই একো নোসোধাকৈয়ে দেউতাই ক'লে, "গৰুও ছটা মৰিল, চৰকাত।" দেখিলো মোৰ মৰমৰ ৰূপশ্ৰীও নাই। মনে মনে ৰ'লো—ভাবিলো, মানুহৰ দুখৰ দিন এনেদৰেই আহে। কেতিয়াবা মোৰ বুলিলে ঈশ্বৰে আকৌ ভৰাই তুলিব। সেইদিনা আৰু একো নুসুধিলো—বহুদিনৰ মূৰত ঘৰলৈ আহিছো আনন্দ পাম বুলি ক'তা দুখৰ বাৰ্তাবোৰেহে যেন মোলৈ আশাপাশি ৰৈ আছিল। মা-ভনি-ভাইটিহঁতৰ লগত দুই এষাৰ কথা পাতি ভাগৱত সোনকালে শুই পৰিলো।

পিছদিনা ৰাতিপুৱা দেউতাই গাখীৰ খিৱাবলৈ গোহালিলৈ যাওঁতে ময়ো গৈছিলো। ৰূপশ্ৰীৰ বংশৰ এইজনীয়ে একনী বগা ৰবমলগা পোৱালী দিছিল। দেউতাই হাঁহি কৈছিল—পোৱালীটো দেখিবলৈ ৰূপশ্ৰীৰ নিচিনা।

দেউতাৰ হাঁহি দেখি মই ভাবিলো দেউতাইও হেকৰা অতীত বিচাৰি পাব এই পোৱালীটোৰ মাজেদিয়েই।

হঠাতে মোৰ মনত পৰিল ৰবিনলৈ—মই দেউতাক সুধিলো, "দেউতা ! ৰবিনহঁতক দেখা নাই সিহঁত দুটা ইয়াত নাথাকে নেকি ?" মই এইদৰে সোধাৰ এটা অৰ্থ আছিল—খেতিৰ দিনত, পথাৰলৈ দুমাইলমান হয় যাবে অহা-যোৱাত কষ্ট পাই বুলি সিহঁতক ৰবদেউতা-হঁতৰ ঘৰতেই থৈছিল। দেউতাই পুৱাৰপৰা গধূলিলৈকে পথাৰতে ব্যস্ত আছিল বাবে সিহঁতক তাতে প্ৰতিপাল কৰিছিল।

মোৰ প্ৰশ্ন শুনি দেউতা থমকি বৈছিল আৰু কিছু সময়ৰ পাছত লাহে লাহে কৈছিল—"সিহঁত দুটাক বেচি দিলো অ'।" মই মাতিব পৰা নাছিলো কিছু সময়। এটা সময়ত মই দেউতাক খং আৰু বেদনাৰে চিঞৰি কৈছিলো, "দেউতা ! ৰবিন আৰু নবীনক বেচা পইচাখিনি নোলোৱা হ'লে নহ'লহেতেন নেকি ? সিহঁতক কিয় ঘৰতে মৰিবলৈ নিদিলে ? সিহঁতক কেনেকৈ বেচিব পাৰিলে ?" দেউতাই দুখত থোকা-থুকি মাতেৰে ইয়াৰ পিছতো যি কাহিনী ক'লে—মই থৰ লাগিলো। দেউতাই কৈছিল—"মোৰ প্ৰেচাৰ হবৰ-পৰা ইহঁত কেইটাই বৰ কষ্ট পাইছিল অ', আগৰ দৰে ঘাঁহ, দানাৰ যোগাৰ দিব নোৱাৰো। এবাৰ দিলেও লবাই ফুৰিব নোৱাৰো। ভাবিলো এইদৰে কষ্ট পালে সিহঁতে মোকহে দুষিব। সিহঁতক আলপৈচান ধৰবাকৈ মৰিবলৈও দিব নোৱাৰো। সেইকাৰণে কোনোবা এঘৰত যদি যত্ন কৰি থয় কিনো বেয়াতো হ'ব ? গতিকে বেচি দিলো।"

অবুজ প্ৰাণীৰ ওপৰত থকা মায়া মমতা খিনিয়েই মোৰ দেউতাক যেন মমতাহীন এক নিষ্ঠুৰ ৰূপত উদঙাই দিলে, সেয়া মাথো মইহে বুজিলো। দেহি ঐ, বুজাব নোৱাৰা প্ৰাণীৰ ওপৰত মানুহৰ কিমান নিৰ্দয় অত্যাচাৰ ! নিজৰ ওপজা ঘৰখন এৰি যোৱাৰ বেদনা কিমান বেছি সেয়া আনে কেনেকৈ বুজিব ? মই ভাবিলো মোৰ মনেৰে ওপজা ঘৰ এৰি যোৱা এজনী ছোৱালীৰ মনেৰে।

মৰম আকলুৱা মনেৰে দেউতাক আকৌ সুধিলো,—সিহঁত থাক কেতিয়াবা নাহেনে ? দেউতাই ক'লে,—"আহিছিল, আবেলি

আবেলি সদায়ে।" সিহঁত আহি পিছ চোতালত বৈছিলহি। দেউতাই নিমখ অলপ কলপাতত মেৰিয়াই দুটা টোপোলা কৰি সিহঁতক খুৱাই দিছিল আৰু মৰমেৰে গল বিচনীত হাত ফুৰাই কৈছিল—আজি যাগৈ বা তাত বিচাৰি ফুৰিব নহয়। সিহঁত যায় গৈ।

এদিন দেউতাই মৰম কৰি খুৱাই সিহঁতক ক'লে—"বোপাইহঁত। তহঁত আৰু নাহিবি। আহিলে, তহঁত গুচি গ'লে সদায়ে মনত দুখহে পাওঁ।" সিহঁতে দেউতাৰ চাই নিবৰে আঁতৰি গ'লগৈ আৰু কোনোদিন নাহিল। এতিয়াও সিহঁত আছে কিন্তু নাহে। মই এইখিনি শুনাৰ পাছত মূক হৈ ৰ'লো। এষাৰো মাত নমতাকৈ চকুলোৰে দুগাল ওপচাই বিচনাত পৰিলোগৈ। হয়তো ওপজা ঘৰ-খনলৈ মনত পেলাই বৰিনেও মোৰদৰে কোনেও নেদেখাকৈ আজিও উচুপি উচুপি কান্দে। ●●●

## মহৌষধ / ৺কণিমা তঁৰালী

বহুত দিনৰ মূৰত মাহীদেউক চাই যাম বুলি আহিছোঁ। বাৰান্দা খনত বহি কথা পাতি আছোঁ। গেট খুলি সোমাই আহে ক্ষীণকায় এটা মানুহ। চেহেৰাৰ উজ্জ্বলতা নাই। চকু কেইটাও কোটৰত প্ৰায় সোমোৱা। মানুহটো দেখি মনটো কেনেবা লাগি গ'ল।

"আইদেউ মই আহিছোঁ।" বুলি সি মজিয়াতে বহি পৰিল।

"অ' ৰজত, ক'ৰপৰা আহিলি?" মাহীদেৱে সুধিলে।

"ঘৰৰপৰা আইদেউ।"

"কি কৰিছ তই এতিয়া?"

"একো কাম কৰা নাই। খাবলৈ বৰ টান হৈছে। প্ৰায় লঘোণে থাকো। কিবা এটা চাকৰিৰ সুবিধা কৰি দিয়ক আইদেউ।"

মই নীৰৱে ৰজতৰ কথাবোৰ আৰু কথা-কোৱাৰ ভঙ্গীবোৰ লক্ষ্য কৰি আছোঁ। চকুকেইটা ডাঙৰকৈ মেলি, মূৰটো এফলীয়া কৰি কৰি একধৰণে কথাবোৰ কৈছে। পেটে পেটে ভাবিছোঁ এই অস্বাভাৱিক ব্যৱহাৰ কিয়? মাহীদেউৰ মাতত হে সম্বিত ঘূৰি আহে।

"তৰা ভাল আছেনে? ল'ৰা-ছোৱালীবোৰৰ একা?"

"ভালেই, মানে নমৰি জীয়াই আছে আৰু। ল'ৰা এটা হৈছিল মৰিলে নহয়।"

"ৰাম ৰাম কিমান জন্ম দিয়। আকৌ হ'ব নেকি?" মাহীদেৱে সুধিলে।

"আৰু নহয় আইদেউ"—ৰজতে লাজ কৰি কয়।

"তহঁতৰ কি ঠিক। আৰু জন্ম নিদিবি হেৰ।"

"নাই আইদেউ আৰু নহয়। নালাগে।" লাজত মূৰ খজুৱাই ৰজতে। হাঁহিব খুজিও জোৰকৈ নিজক সংযত কৰিলোঁ।

"তথাই কিবা কাম কৰিছে নেকি? তাত দূত বয়নে?"

"কেতিয়াবা কাৰোবাৰ ঘৰত কাম কৰি, কাৰবাৰ তাঁত বৈ দুই এপইচা পায়। তাৰে একোৱে নহয়গৈ। নিজে তাঁত ববলৈ যোগাৰো নাই। মোৰ ওপৰত বৰ খং তাইৰ।"

"তই তেজপুৰৰপৰা অহা কিমান দিন হ'ল? তোৰ জানো একেবাৰে ভাল হ'ল? চেহেৰাও বৰ বেয়া হৈছে?

মই উচপ খাই উঠাৰ দৰে মানুহটোলৈ চালো। কি যে দুখলগা মুখৰ অভিব্যক্তি। ঠিকেই মোৰ সন্দেহ অমূলক নহয়। ৰজত সঁচাকৈয়ে অস্বাভাৱিক।

"ভাল হ'ল আইদেউ। এতিয়া কাম কৰিব পাৰিম।"

"তোৰ একো উন্নতি দেখা নাই মই।" নহয় আইদেউ, ভাল হ'লো। তাত মোক চাৰিটা চক দিলে। আইদেউ চাকৰি এটা দিয়ক নহ'লে নাখাই মৰিম গোটেই ঘৰ। তথায়ো মোক দেখিব নোৱাৰা হ'ল। কেতিয়াবা তাই মাৰেও কাম-কাজ নকৰা কাৰণে।

"তই জানো গাড়ী চলাব পাৰিবি এই অৱস্থাত?"

"পাৰিম আইদেউ। মোৰ কাগজ-পত্ৰ চব আছে।"

ৰজত বাহিৰলৈ ওলাই গ'ল। গেটত আঁৰি থৈ অহা মোনাটোৰ পৰা কাগজ এখন আনি মোলৈ আগবঢ়াই দিলেহি।

"এইখন তেজপুৰৰ কাগজ।"

কাগজখন হাতত লৈ চাই দেখো সেইখন পগলা ফাটেক এৰি অহাৰ অনুমতি পত্ৰ। দৰৱ ছুটা খাবলৈ দিছে আৰু এমাহ বেষ্ট লোৱাৰ পিছত পুনৰ মাতিছে তেজপুৰলৈ। তেতিয়াহে প্ৰথমবাৰ ৰজতক সুধিলোঁ, "দৰৱ ছুটা খালানে বাৰু?"

"ক'তনো খাব বাইদেউ। যি কষ্টত দিন কটাইছোঁ। দৰৱ বাদেই ভাত খাবলৈকে নাই চোন।"

"এ মাহৰ পিচত মাতিছিল নহয়, নগলা নেকি?"

"কেনেকৈ যাম বাইদেউ, টকা-পইচা হাতত নাই। ঘৰখনত

অভাৱ-অনাটন। ল'ৰা-ছোৱালী কেইটাৰ বৰ কষ্ট হৈছে। চাকৰি পাবলৈ নাই। টকা দিব পাৰিলেহে চাকৰি পাম হেনো।"

মই পুনৰ সুধিলোঁ, "তোমাৰ ল'ৰা-ছোৱালী কেইটা?"

মাহীদেউৱে ক'লে, "ভাল কথাটোকে সুধিছ।" বজতে সেমেনা সেমেনিকৈ তলমূৰ কৰিলে। মই আচৰিত হৈ চাই ৰ'লো বজতলৈ। কেনেকৈ ইমান ডাঙৰ এখন সংসাৰ চলাব এই অসুস্থ মানুহটোৱে? হে ভগবান, তুমি এই অজ্ঞ শ্ৰেণীটোক অলপ সুবুদ্ধি নিদিয়া কিয়?

"কিবা এটা কৰক আইদেউ, বৰ কষ্টত আছোঁ। অভাৱে-চিন্তাই মোক পুনৰ বলিয়া কৰিব আইদেউ।"

"বাক যা কি কৰিব পাৰো চাওঁ।"

বজত ক্লান্ত যাত্ৰীৰ দৰে এখোজ দুখোজকৈ আঁতৰি গ'লগৈ।

"তাৰ মগজটো এতিয়াও সম্পূৰ্ণ ভাল হোৱা নাই বুজিছ। কেনেকৈ কাম কৰিব। বৰ বেয়া লাগে তালৈ। আগতে বৰ ভাল আছিল বজততো। চেহেৰা আৰু স্বাস্থ্যও ধুনীয়া আছিল। কিখন, যে হৈ গ'ল তাৰ। সেইবোৰ বহুত কথা।"

মাহীদেউৰ মুখত যি কাহিনী শুনিলো সেইয়া অতি মৰ্মন্তুদ, অতি করুণ।

বজত তেতিয়া এটা সবল সুঠাম ডেকা। মাহীদেউহঁতৰ ট্ৰাকখন চলাইছিল। তেওঁলোকৰ ঘৰৰ কাষতে থকা মহিলা সমিতিত তৰা নামে দেখনিয়াৰ ছোৱালী এজনী আছিল। সমিতিৰ তাঁত বৈছিল। বৰ কাজী আৰু বণীয়াল আছিল তৰা। তৰা আৰু বজতৰ মন দিয়া-দিয়ি হৈছিল। ক্ৰমাৎ ভালপোৱা গভীৰ হৈ আহিল আৰু পৰিণামত হ'ল সিহঁতৰ মিলন। সংসাৰ আৰম্ভ হ'ল অলেখ সপোনেৰে। কিমান সুখৰ বঙীন মধুৰ হৈ পৰিছিল সিহঁতৰ দিনবোৰ। এটা বছৰ শেষ হ'ল। সিহঁতৰ কোলালৈ পোনাকণ আহিল। তাক লৈ দুয়োৰো বহুত জল্পনা কল্পনা চলিল। পোনাকণক ভাল শিক্ষা দিব, ডাঙৰ মানুহ কৰিব। সিহঁতৰ দৰে যাতে দুখ-কষ্টৰ মাজত দিন কটাবলগীয়া নহয়। সেয়ে পোনাকণক উপযুক্ত কৰি তুলিব আমি। কেইটামান বছৰ আনন্দেৰেই

পাৰ কৰিছিল। যেতিয়া তবাই এবছৰে দুবছৰে কেইবাটাও ল'ৰা-ছোৱালী জন্ম দিলে, তেতিয়াৰ পৰাই সিহঁতৰ জীৱনলৈ নামি আহিল সংঘাত। একালে থকৰা জঞ্জাল আৰু আনকালে শাৰীৰিক কষ্টই তবাক খিংখিঙীয়া কৰি তুলিলে। দুয়োটাই আপ্ৰাণ চেষ্টা কৰিও দুবেলা দুসাজ পেট ভৰাই খাবলৈ, এখন কাপোৰ পিন্ধিবলৈ টান হৈ পৰিল। অভাৱ অনাটনে সিহঁতৰ সুখৰ সংসাৰ বিষময় কৰি তুলিলে। বস্তুৰ চৰা দামে বজতক পেপুৱা লগালে। চিন্তা-ভাৱনাত টোপনি নহা হ'ল। সম্ভৱ খোৱা-বোৱাৰ কষ্টতে এবাৰ অসুখ হ'ল আৰু তেতিয়াৰ পৰাই বজত মাজে মাজে মৌন হৈ পৰিল। কাম কৰিবলৈ ইচ্ছা, উৎসাহ একো নোহোৱা হ'ল। তবাই প্ৰমাদ গণিলে। এমুঠি আহাৰৰ বাবে কান্দিব লগা হ'ল। এপাল ল'ৰা-ছোৱালীৰে সৈতে তাই নিৰুপায় হৈ কি কৰিব কি নকৰিব ভাবি নাপালে। ইকালে বজতৰ কাৰণে তবাই সাধ্যানুসৰি গাৱঁলীয়া চিকিৎসা আদি যেয়ে যেনেকৈ কৈছে কৰিছে। কিন্তু ফল হ'লে নধৰিল। ইপিনে তবাৰ সাঁচতীয়া টকাকেইটাও প্ৰায় শেষ হৈ আহিল। উপায়হীন হৈ তাই বেজ লগালে। কিন্তু বেজৰ ঔষধেও কাম নিদিলে। অসহায় তবাই কান্দিকাটি ভগৱানক প্ৰাৰ্থনা জনালে। বেজেও আশ্বাস দিলে, "ভয় নাই বজতৰ ভাল হোৱাৰ উপায় আছে। কিন্তু তবা সম্মত হ'লেহে সেইটো সম্ভৱ হ'ব।" তবাই অধীৰ হৈ ক'লে, "বজতৰ কাৰণে যিহকে পাৰে কৰিবলৈ কুণ্ঠাবোধ নকৰে আই।" বেজে যি উপায়ৰ কথা তবাক ক'লে সেয়াই শুনি তাই আতঙ্কত চিঞৰি উঠিল, "নাই, নাই, মই ইমান নাৰকীয় কাম কৰিব নোৱাৰো, পাপ হ'ব।"

"তেন্তে থাক আৰু তোৰ গিৰিয়েক ভাল নহয়। এই উপায়ৰ বাহিৰে আৰু উপাই নাই। তই যদি সম্মত নহয় মই চিকিৎসা নকৰো। যাওঁ।" তবাই বজতৰ কাৰণে সকলো কৰিবলৈ সম্মত হ'ল দৃঢ়ভাবে। বেজেও কৈছে সেইটো এটা চিকিৎসাহে। সেই কাম কৰা দেখিলেহে সি ভাল হৈ যাব। সংসাৰৰ বোজাই বেজাৰে জুকলা কৰা তবা বেজৰ প্ৰৰোচনাত, ছলনাত মুৰ দোঁৱাবলৈ বাধ্য হ'ল। বেজে

ৰজতৰ হাত-ভৰি বান্ধি পেলাই থ'লে আৰু তেওঁৰ টান মাৰি আনি ৰজতৰ আগতে ধৰ্ষণ কৰিবলৈ ধৰিলে। এদিন নহয় দুদিন নহয় তিনিটা দিন তেওঁ যেন ভোগ-লিপ্সাৰ বন্দিনী হৈ পৰিল। তাইৰ একমাত্ৰ কামনা তাইৰ ৰজত সুস্থ হৈ উঠক। বান্ধ খোলাৰ লগে লগেই ৰজত হিংস্ৰ জন্তুৰ দৰে হৈ পৰিল। ল'ৰা-ছোৱালী তেওঁ তিতিৰ নোৱাৰাত পৰিল। নিজৰ প্ৰাপ্য আদায় কৰি যেন ইতিমধ্যেই আঁতৰি গৈছিল। অতিপাত বলিয়ালি কৰিবলৈ ধৰাত ৰজতক গাঁৱৰ মানুহে নি তেজপুৰৰ পগলা ফাটেকত থ'লেগৈ। এটা বছৰৰ পিছত সি মুকলি হৈ আহিল তাৰ মৰমৰ গাভঁৰুনলৈ, মৰমৰ পোনাইঁতৰ ওচৰলৈ, মৰমৰ তেজাজনীৰ ওচৰলৈ। কিন্তু আহি কি পালেহি সি? ফাটি-চিটি যোৱা কাপোৰ পিন্ধা তেজাজনীক, সংসাৰ যন্ত্ৰণাই বিকল কৰা, সংগ্ৰামে দুৰ্বলা কৰা তেজাজনীক। ক'ত গ'ল তাইৰ সেই সুগঠিত ৰূপহী চেহেৰা? কলৈ গ'ল সেই মনোমোহা হাঁহি? জীৰ্ণ শীৰ্ণ ল'ৰা-ছোৱালী কেইটা দেখি তাৰ আৰু দুখ লাগে। কোনোবাটোৱে হয়তো ফটা চোলা এটা পিন্ধিছে, কোনোবাটোৱে নাঙঠ হৈ আছে। কিমান কষ্টত আছে, কতদিন বা অনাহাৰে আছে সিহঁত। তাৰ জুপুৰীটোলৈ চাই দেখে যি কোনো মুহূৰ্তত এইটোও ভাগি পৰিব। ৰজতে মূৰে-কপালে হাত দি বহি পৰে আৰু চকুপানী মুচি ভাবে সি একেবাৰে ভাল নোহোৱা হ'লেই হয়তো শান্তি পালেহেঁতেন। কিন্তু তেতিয়াৰ পৰাই ৰজতে জিৰণিৰ কথা পাহৰি জীৱন যুদ্ধত জপিয়াই পৰিল। দিনে-নিশাই চাকৰি বিচাৰি ঘুৰিছে। কিন্তু কোনেও তাৰ মগজটো ঠিক নহয় বুলি চাকৰি দিবলৈ ইচ্ছা নকৰে। কোনোবাই বুজাই দিলে টকা দিব পাৰিলে চাকৰি পাব। কিন্তু সি টকা ক'ত পাব? যাৰ খাবৰ জোখাৰে ভাত নাই, পিন্ধিবৰ কাপোৰ নাই সিহঁতে আকৌ ঘোচ দিব কেনেকৈ? তেন্তে এতিয়া কি কৰিব বাৰু ৰজতে??

ৰজতৰ কথা শুনি আমাৰ দেশৰ হাজাৰ হাজাৰ ৰজতৰ চিন্তা মোৰ মনলৈ আহিল। এই শিংকিন অৱস্থাৰ লোকে কেনেকৈ ঔষধ কিনিব

বা কেনেকৈ স্বচ্ছল জীৱন এটা যাপন কৰিব? তাতকৈ যদি আৰু কিছুদিন তেজপুৰৰ ফাটেকতে ৰাখি ঔষধ আদি খুৱাই সম্পূৰ্ণ ভাল কৰি পঠালেহেঁতেন। এই ব্যৱস্থা কৰা হ'লে শ-শ ৰজত, শ-শ শিশু আৰু শ-শ জনী তাৰাৰ উপকাৰ হ'লহেঁতেন। বেচেৰী তৰা! দুষ্ট বেজে তাইৰ সৰলতাৰ সুযোগ লৈ সতীত্ব নাশ কৰিলে। এইদৰে কত তৰাই কত বেজৰ কু-অভিসন্ধিৰ বলি হৈছে। কথাবোৰ ভাবি কোনো প্ৰতিকাৰ বিচাৰি নাপালোঁ।। ভগবানক চিঞৰি চিঞৰি ক'বৰ মন গ'ল, "হে প্ৰভু এই পৃথিৱীত দুখীয়া-নিচলাৰ স্থান নাই। দুখীয়া শ্ৰেণীটো পৃথিৱীৰপৰাই নিঃশেষ কৰি পেলোৱা। অভাৱ-অনাটন, ৰোগ-শোক আদি সকলো কষ্ট কেৱল এই শ্ৰেণীলৈকে থৈছা নেকি প্ৰভু? সিহঁতক জ্বালা যন্ত্ৰণাৰপৰা মুক্তি দিয়া। আন উপকাৰ নেলাগে প্ৰভু তুমি তাকেই কৰা। এনেকৈ মৰি মৰি জীয়াই থকাতকৈ মৃত্যুৱেই সিহঁতৰ কাৰণে মহৌষধ। সিহঁতৰ দৰে দুৰ্বল শ্ৰেণীৰ এই পৃথিৱীত কাম কৰাৰ কোনো অধিকাৰ নাই। টকা নহ'লে জগত অন্ধকাৰ; ইয়াত মানৱতাৰ মূল্য নাই। এই পৃথিৱীত টকাৰেহে মানুহৰ মূল্যায়ন কৰা হয়। সীমাহীন কষ্ট কৰিও এই শ্ৰেণীটোৱে যথোচিত ফল নাপায়, সুখ ভোগ কৰিব নোৱাৰে। তেন্তে কিহৰ প্ৰেৰণাত সিহঁত জীয়াই থাকিব? সেয়ে কৈছো প্ৰভু সিহঁতক মৃত্যু দিয়া, মৃত্যু দিয়া। পৃথিৱীৰ এইচাম মানুহৰ কাৰণে অকল মৃত্যুৱেই একমাত্ৰ মহৌষধ। ●●●

॥ সমাপ্ত ॥